অমৃত মন্থন
[CHURNING OF NECTAR]

প্ৰতাপ চন্দ্ৰ চৌধুৰী

PRATAP CHANDRA CHOUDHURY

M.A. (B.H.U.), PH. D. (LONDON),

Ex-PROFESSOR, GAUHATI & DIBRUGARH UNIVERSITY ; And
Rtd DIRECTOR, HISTORICAL & ANTIQURIAN STUDIES,
GOVT. OF ASSAM

MADHAVDEVPUR : GUWAHATI

1995

অমৃত মন্থন (CHURNING OF NECTAR)

অসমীয়া ভাগ (প্ৰথম খণ্ড)

ওম্ স্বস্তি শ্ৰীৱনমালৱৰ্মাদেৱ-ৰাজ্যে ।

ৱশিষ্ঠস্য পৌত্ৰঃ ভট্টৰখিং আদিত্যস্য প্ৰতিমেস্তিহ ॥

[কাকীৰ (নগাঁও) সূৰ্য-প্ৰতিমাৰ পিছফালে খোদিত লিপি]

প্ৰতাপ চন্দ্ৰ চৌধুৰী

Published by my daughters Dr. Mrs. Bimala Das and Mrs. Urmila Das, Madhavdevpur : Guwahati-8

[At the yugma feet of Śamkara-Mādhava]

In living memory of Bhaiti (Chittendu)

Price : Rs. 125·00

Printed at the Purbadesh Mudran, Guwahati-8

আগকথা (Foreword)

ড° প্ৰতাপ চন্দ্ৰ চৌধুৰীক সঁচা-সঁচি বুৰঞ্জীবিদ বুলি ক'লেই যথেষ্ট নহয়। তেখেত মনে-প্ৰাণে অসমবিদো। অসমবিদ কাৰণেই তেখেত এজন ভাৰতবিদো। তেখেতৰ বিশিষ্ট গ্ৰন্থসমূহৰ মনোযোগী পঢ়ুৱৈসকলে এই উক্তিৰ সাৰ্থকতা উপলব্ধি কৰিব পাৰিব। "দা হিষ্টৰী এণ্ড চিভিলাইজেশ্বন অৱ্ আচাম" তেখেতৰ প্ৰথম গৱেষণা গ্ৰন্থ। এই গ্ৰন্থখনে তেখেতক ভাৰতবিদ ৰূপে বিশ্বায়তনিক সমাজত সুপ্ৰতিষ্ঠিত কৰে। অসমৰ (কামৰূপৰ) প্ৰাচীন বুৰঞ্জী আৰু সভ্যতাৰ তথ্যসম্বলিত বুজন চিত্ৰ এখন ইয়াত পোৱা যায়। সেই একে শাৰীৰ আনখন গ্ৰন্থ হ'ল "আচাম-বেংগল ৰিলেশ্বনচ্"। ইয়াত প্ৰাচীন অসম আৰু বংগদেশৰ বুৰঞ্জীৰ তুলনামূলক অধ্যয়ন কৰা হৈছে। দুয়োটা অঞ্চলতে বিকশিত হোৱা সভ্যতাৰ ধাৰাৰ মিল-অমিলৰ কথাও গ্ৰন্থখনত সূক্ষ্মভাৱে পৰ্য্যালোচনা কৰা হৈছে। দুয়োখন গ্ৰন্থৰে অধ্যয়ন কাল প্ৰাগ্ঐতিহাসিক যুগৰপৰা দ্বাদশ শতিকা পৰ্য্যন্ত বিস্তৃত। এই দুয়োখন গ্ৰন্থতে প্ৰাগ্-ইতিহাস আৰু ইতিহাস-অনুকূল যুগৰ ঘটনাৰো আনুমানিক আভাস পোৱা যায়। ইতিহাস জাতিৰ উত্থান-পতন আৰু যুদ্ধ-শান্তিৰ দলীলস্বৰূপ। উক্ত দুয়োখন গ্ৰন্থত অসমীয়া সভ্যতাৰ (ইয়াক ব্ৰহ্মপুত্ৰ উপত্যকা সভ্যতাও বুলিব পাৰি) বিকাশৰ ধাৰা এটিও পৰিস্ফুট হয়। ইতিহাসৰ বিপৰ্য্যয়ে এই ঐতিহাসিক ধাৰা বন্ধ কৰিব পৰা নাই। বিভিন্ন মানৱগোষ্ঠীয়ে বিভিন্নভাৱে বিভিন্ন সময়ত অসমীয়া ভাষা, সংস্কৃতি, ৰাজনীতি, সমাজ-ব্যৱস্থা, কলা-সাহিত্য আদি পঢ়াত ৰবণুণি যোগাইছে। নৱশৈল যুগৰপৰা এই সভ্যতাৰ ধাৰা চলি আহিছে। ভৌম-

বর্মন-পাল-চুতীয়া-কছাৰী-আহোম-কোঁচ,—কত ৰাজবংশৰ পৃষ্ঠ-পোষকতাত আৰু বিভিন্ন সংস্কৃতিৰ সমন্বয়ত এই ঐক্যমুখী অসমীয়া সংস্কৃতি গঢ় লৈ উঠিছে তাক জানিবলৈ হ'লে চৌধুৰীৰ ৰচনাৱলী অৱশ্যে পঠনীয়। বৰ্ত্তমানৰ অসমখন ভাস্কৰবৰ্মাৰ বা কত্ৰসিংহৰ দিনৰ অসম নহয়। বৃটিছ আৰু কংগ্ৰেছৰ দিনত ইয়াৰ জনসংখ্যা, আকাৰ, শিক্ষা, যাতায়াত ব্যৱস্থা, সাহিত্য, কলা আৰু টেক্‌ন'লজি আদিৰ বহুত পৰিবৰ্ত্তন ঘটিল। পৰিবেশ আৰু চেতনাবো যথেষ্ট সলনি হৈছে। তথাপি প্ৰাচীন আৰু মধ্যযুগৰ সংস্কৃতিৰ লগত বৰ্ত্তমান যুগৰ সংস্কৃতিৰ যোগসূত্ৰ ছিন্ন হোৱা নাই। প্ৰতাপ চৌধুৰীৰ ৰচনাত এই যোগসূত্ৰবোৰ ফুটি ওলাইছে।

আজীৱন তেখেতে অসমৰ ইতিহাস পুনৰনিৰ্মাণৰ কামতে লাগি আছে। অধ্যাপনা কৰোঁতে অথবা বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ সঞ্চালক হৈ থাকোঁতে অথবা ৰাজ্য-পুনৰগঠন আয়োগক দিব লগা অসম সম্পৰ্কীয় প্ৰতিবেদন প্ৰস্তুত কৰোঁতে অথবা ইতিহাসৰ সমল বিচাৰি হাবাথুৰি খাই ফুৰোঁতে তেওঁৰ ধ্যান আছিল এটাই, অসমৰ প্ৰাচীন আৰু মধ্যযুগীয় ইতিহাসৰ শূন্য অংশবোৰত কিদৰে পোহৰ পেলোৱা যায়। এইটোৱেই তেখেতৰ চিন্তাৰ ঘাই বিষয়। অসম বুৰঞ্জী আৰু পুৰাতত্ত্বৰ ইতিহাস, পৃথিৱীৰ বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা অসম সম্পৰ্কীয় ৰেকৰ্ডৰ অনুসন্ধান আৰু অসমৰ পুৰাতত্ত্ব সম্পৰ্কীয় গৱেষণাৰ স্বৰূপ সম্বন্ধে তেখেতে লিখা প্ৰবন্ধবোৰ এহাতে যেনেকৈ তেখেতৰ বিদ্যায়তনিক নিষ্ঠাৰ চিন, আনহাতে তেনেকৈ ভৱিষ্যত গৱেষণাবো দিশ নিৰ্ণয়ৰ সংকেত। উক্ত বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ দ্বাৰা সংগৃহীত আপুৰুগীয়া গ্ৰন্থসমূহৰ সম্পাদনা আৰু প্ৰাচীন সংস্কৃত গ্ৰন্থসমূহৰ তালিকা প্ৰস্তুতি আদি কামৰ যোগেদিও তেখেতে প্ৰাচীন অসমীয়া সংস্কৃতিৰ বহুত কথা পোহৰলৈ আনিছে। মহামহোপাধ্যায় ধীৰেশ্বৰাচাৰ্য্যৰ "বৃত্তমঞ্জৰী" তেখেতে সম্পাদনা কৰিছে। সেইদৰে

"বৈদ্যকসাবোদ্ধাৰ"ৰ দৰে আয়ুৰ্বেদৰ পুথি আৰু "স্মৃতিজ্যোতিষসাৰ সংগ্ৰহ" নামৰ জ্যোতিষ গ্ৰন্থও তেখেতে পোহৰলৈ আনিছে। "এ কেটেলগ অৱ্‌ সংস্কৃত মেনাস্ক্ৰিপ্টচ্‌" নামৰ স্ব-সম্পাদিত গ্ৰন্থ তালিকাখনেও প্ৰাচীন অসমৰ সংস্কৃত সাহিত্য সম্পৰ্কে আমাক বহুত তথ্য জানিবলৈ দিছে।

ইয়াৰ বাহিৰেও তেখেতে দেশৰ বিভিন্ন গৱেষণা পত্ৰিকাত ভালেমান ইতিহাস সম্পৰ্কীয় মূল্যবান প্ৰবন্ধ প্ৰকাশ কৰিছে। তাৰে কিছুমান "অমৃত মন্থন" নামৰ সংকলনটিত একত্ৰিত কৰিছে। এই গ্ৰন্থৰ দুটা ভাগ। প্ৰথম ভাগত আছে কেইটামান অসমীয়া প্ৰবন্ধ। দ্বিতীয় ভাগত আছে ইংৰাজী প্ৰবন্ধসমূহ। গোটেই প্ৰবন্ধবোৰৰ যোগসূত্ৰ ৰক্ষা কৰিছে লেখকৰ অসমৰ ইতিহাস পুনৰ ৰচনা আৰু অসমীয়া প্ৰমূল্য জীয়াই ৰখাৰ কামনাই। ইতিহাস ৰচনাৰ পদ্ধতিসমূহ মানি চলি এই ৰচনাবোৰ লিখা বাবে এই ৰচনাবোৰ ঐতিহ্যায়তনিক দিশৰপৰা যথেষ্ট মূল্যবান। এই ৰচনাবোৰৰ মাজেদি এজন বহুগুণী ইতিহাসবিদৰ ছবি ফুটি উঠিছে। একেধাৰে তেওঁ কলি পঢ়োঁতা, মুদ্ৰা অধ্যেতা, মূৰ্ত্তি-ভাস্কৰ্য্য-মৃৎপাত্ৰ-শিলাস্তম্ভত ইতিহাসৰ তথ্য বিচাৰোঁতা আৰু অক্ষৰ বিজ্ঞানৰ ছাত্ৰ। এই প্ৰবন্ধবোৰে অসমৰ সংস্কৃতিৰ বৰঘৰৰ কিছুমান আন্ধাৰ চুকত পোহৰ পেলোৱাত সহায় কৰিছে। অসমত বৌদ্ধধৰ্ম আছিলনে? আদি বৌদ্ধধৰ্ম আৰু হীনযানৰ ধৰ্ম প্ৰচলনৰ নিদৰ্শন নাপালেও মহাযান তথা বজ্ৰযান ধৰ্মৰ প্ৰচলনৰ কথা সাহিত্য, লোকসংস্কৃতি আৰু মন্দিৰ-ভাস্কৰ্য্যই প্ৰমাণ কৰিছে। ইয়াক তান্ত্ৰিক বৌদ্ধধৰ্মও বুলিব পাৰি। কছাৰী ৰজাসকলৰ ৰাজত্বৰ কাল নিৰ্ণয় কৰিব পাৰিনে? হাফলং অঞ্চলত পোৱা কছাৰী ৰজাৰ বহু সংখ্যক মুদ্ৰা অধ্যয়ন কৰি তাত পোৱা তথ্যৰ লগত কছাৰী বুৰঞ্জীৰ তথ্যবোৰ বিজাই, এটা প্ৰবন্ধত চৌধুৰীয়ে কছাৰী ৰাজত্বৰ কাল নিৰ্ণয় কৰিবলৈ

চেষ্টা কৰিছে। মাধৱকন্দলীৰ পৃষ্ঠপোষক আছিল মহামাণিক্য। ৰাজত্বৰ সময়-ক্ৰমত তেওঁকো এখন আসন দিবলৈ চৌধুৰীয়ে চেষ্টা কৰিছে। বৰাহ যে কছাৰী ৰজাৰ ৰাজত্বৰ প্ৰতীক এই কথাও চৌধুৰীয়ে আঙুলিয়াই দিছে। অসমীয়া আখৰৰ আৰম্ভণি কেতিয়া ? চৌধুৰীয়ে কলি পটি অষ্টম শতিকা মানত তাৰ তাৰিখ নিৰ্ধাৰণ কৰিছে। কামৰূপী প্ৰাকৃত বুলি এটা বস্তু আছিলনে? আন দুই-এজন পণ্ডিতৰ দৰে চৌধুৰীয়েও কৈছে, আছিল। এসময়ত এটা সুবিস্তাৰিত এলেকাত ভাব আদান-প্ৰদানৰ বাবে এই প্ৰাকৃত ব্যৱহৃত হৈছিল। চৰ্য্যাপদৰ ভাষা বা অংকীয়া নাটৰ ভাষা এই কামৰূপী প্ৰাকৃতৰে ৰকম মাথোন। কামৰূপী প্ৰাকৃতৰপৰাই অসমীয়া ভাষাৰ জন্ম বুলি চৌধুৰীৰ ধাৰণা।

সেইদৰে সত্ৰ অনুষ্ঠানটোৰ জন্ম শংকৰদেৱৰ আগৰ বুলি ক'বলৈ চৌধুৰী - আগবাঢ়ি আহিছে ১২-১৩শ শতিকাৰ আমবাৰীৰ ফলি-পটি। কেতেকীবাৰী (দিছিঙীয়া) সত্ৰৰ পম খেদি গৈ, তেওঁ আকৌ দীঘলীপুখুৰীৰ পশ্চিমপাৰ ওলাইছেগৈ। আমবাৰীৰ খনন কাৰ্য্য চলি থাকোঁতে এই ঠাই টুকুৰাত এটা মন্দিৰৰ ভগ্নাৱশেষ আৰু বহুত শিল আৰু পোৰা মাটিৰ মূৰ্ত্তি ওলাইছিল। তাৰ কথাও তেখেতে প্ৰসংগক্ৰমে উল্লেখ কৰিছে। আমবাৰীত ওলোৱা "কেৱলীন"ৰ (চীনা মৃৎপাত্ৰৰ টুকুৰা) লৈও তেওঁ জল্পনা-কল্পনা কৰিছে। ব্ৰহ্মপুত্ৰ উপত্যকা - সভ্যতাৰ কথা ক'বলৈও তেওঁ পাহৰা নাই। অসমীয়া ভাষা (লিখিত বা কথিত ৰূপত) ইয়াৰ কামৰূপী চুতীয়া, আহোম, কছাৰী, নগা, জয়ন্তীয়া, কোঁচ ৰজাসকলেই প্ৰচলন কৰোৱাইছিল। কছাৰী ৰজাৰ পৃষ্ঠপোষকতাত ৰচিত হৈছিল ৰামায়ণ আৰু নাৰদীয় সংহিতাৰ অনুবাদ। প্ৰবাদমতে তাম্ৰধ্বজ ৰজাৰ পত্নী চন্দ্ৰপ্ৰভাৰ নিৰ্দেশত নাৰদীয় সংহিতা অনূদিত হৈছিল। এনেকুৱা বহু তথ্য আছে যিবোৰে আমাক ভাবিবলৈ বাধ্য কৰে যে অসমীয়া ভাষা বহুভাষিক অসমৰ বিভিন্ন গোষ্ঠী-

সমূহৰ মাজত বাজহুৱা আদান-প্ৰদানৰ মাধ্যম আছিল। অসমৰ ইতিহাস বাবেবৰণীয়া অসমীয়া মানুহৰ সভ্যতা গঢ়াৰ ইতিহাস। "অমৃত মন্থন"ৰ প্ৰবন্ধবোৰ পঢ়িলে এই ধাৰণা দৃঢ় হয়। অসমীয়া মানুহৰ ইতিহাস ভাস্কৰবৰ্মা, মহামাণিক্য, কদ্ৰসিংহ, নৰনাৰায়ণ, লাচিত, শংকৰদেৱৰ সাধনাৰ ইতিহাস।

"অমৃত-মন্থন"ৰ সকলো কথা ইয়াত জাপি দিয়াৰ প্ৰয়োজন নাই। সমগ্ৰ গ্ৰন্থখন মনপুতি পঢ়িবলৈও মই সময় পোৱা নাছিলোঁ। কিন্তু, অমৃতৰ অলপেই যথেষ্ট। মোৰ সন্দেহ নাই যে গ্ৰন্থখন অসমৰ ইতিহাস সম্বন্ধীয় গ্ৰন্থৰ ভিতৰত এখন লেখত ল'বলগীয়া গ্ৰন্থ হ'ব। পাঠক আৰু গৱেষক উভয়েই ইয়াত পাব একতা আৰু সমন্বয়ৰ অমৃত, বিভেদ আৰু বিচ্ছিন্নতাৰ হলাহল বিষ নহয়।

চৌধুৰীয়ে তেওঁৰ ৰচনাৰ সংকলনটিৰ নাম ৰাখিছে "অমৃত-মন্থন।" ভাগৱতৰ 'অমৃত-মন্থন' কাহিনীটো মহাপুৰুষ শংকৰদেৱে অসমীয়াত পুনৰ ৰচনা কৰিছে। ইয়াত দেৱাসুৰৰ যুদ্ধ আৰু সাগৰ মন্থনৰ কাহিনী মহাপুৰুষে বৰ মনোৰমকৈ বৰ্ণাইছে। সাগৰ মন্থন কৰিলে গৰলো ওলায়, অমৃতো ওলায়। ৰসিক ভক্তৰ মন অমৃতৰ ফালেই। "কৃষ্ণ-কথা যিবা ভণে, যিবা শুনে এক মনে, সংসাৰ তৰয় সেহি জন।" ড° চৌধুৰীৰ "অমৃত-মন্থন" কৃষ্ণ-কথা নহয়, অসম কথা বা অসমীয়াৰ কথাহে। এক কথাত, ই শাস্ত্ৰ নহয়, ইতিহাসহে। তেখেতে এই কথা ৰূপক অৰ্থতহে ব্যৱহাৰ কৰিছে। ইতিহাস মন্থন কৰিলে অমৃত ওলায় নে গৰল? চৌধুৰীৰ নিশ্চিত ধাৰণা অমৃত। এই অমৃতে হেজাৰ দুৰ্যোগৰ মাজতো অসমীয়া মানুহক যুগ-যুগান্তৰ ধৰি জীয়াই থাকিবলৈ প্ৰেৰণা যোগাব।

খাৰঘুলি, গুৱাহাটী-৭৮১ ০০৪
১।৫।৯৫

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য

পাতনি (PREFACE)

আনো, প্ৰবন্ধাৱলীৰ নামকৰণ আচহুৱা লাগিব। পুস্তকখনিত সুধা নাপায় : তিতা-কেঁহাৰ সমাবেশহে পাব। অনসন্ধিৎসু মনৰ মাত-কথা, ভাল-বেয়া গুণাভিষিক্ত সোৱাদৰ উৱাদিহ পাব। বাছনি কৰা হোৱা নাই। অ'ৰ-ত'ৰপৰা বুটলি লৈছোঁ। কিছুমান অত্যাৱশ্যকীয়, যথা উত্তৰবৰবিল-হাওৰাঘাটৰ-পৰা উদ্ধাৰ কৰা ৰজা বলবৰ্মাৰ (তৃতীয়া) তাম্ৰ শাসন, যিখন মূলে সৈতে অসমীয়াত অসম সাহিত্য সভাৰ পত্ৰিকাত ১৯৫৮-৫৯ চনতেই প্ৰকাশ কৰা হৈছিল (পঞ্চদশ বছৰ, সংখ্যা ৩, পৃঃ ১৮৭—৯৪) হেৰাল, নাইবা বিচাৰি নাপালোঁ। অলপ লৰা-ঢপৰাও কৰিলোঁ। কাৰণ আছে। অসমীয়াত তাকৰ পালো, ইংৰাজীত অধিক। সকলো দিশ সামৰিব পৰা জোখৰ নহয়। কিছু আভাসহে দিছো। এইয়া দুয়ো প্ৰকাৰ লেখাৰেই মুখবন্ধ : এৰা বাটৰ সুৰ, নাইবা সুৰৰ ধ্বনি।

প্ৰবন্ধকেইটা ইতিমধ্যে নানা আলোচনী-পত্ৰিকাত প্ৰকাশ পাইছে। বহুতে হয়তো নাজানে। ইয়াত একগোট কৰি চৰ্বিত-চৰ্বণতকৈও বেছি কৰা হৈছে। পাঠকৰ মনৰ কথা আগ ধৰি কোৱা উত্তম। যেনেকৈ ওলাইছিল, তেনেকৈ ৰখা হৈছে, যদিওবা হাত-ফুৰোৱাৰ আৱশ্যক অনুভৱ কৰিছিলোঁ। কলম ধৰিছিলোঁ প্ৰায় পঞ্চাচ বছৰ আগতেই। কামৰূপ অনুসন্ধান সমিতিৰ মুখপাত্ৰত ১৯৪৪ চনতেই মোৰ প্ৰবন্ধ প্ৰকাশ পাইছিল (Neolithic Culture in Kāmarūpa)। ইয়াত সন্নিবিষ্ট কৰা নহ'ল। কাৰণ, নতুন গৱেষণাৰ পাছত (নিজেই কৰিছো) ইয়াৰ গুৰুত্ব কমিছে। তেনেকৈ আৰু প্ৰকাশ নকৰা ৰচনাৱলী আছে। পুনঃ প্ৰকাশ কৰাৰ উদ্দেশ্য মাত্ৰ এটাই। সকলোফালৰপৰা হেঁচা-চেপা খাই নিৰ্মূল হৈ যাব ধৰা অসমীয়া নামধাৰী গোষ্ঠীৰ আত্মচেতনা জগাই তোলা, যাতে আমি গৌৰৱোজ্জ্বল ঐতিহ্যৰ ৰামধনু অৱলোকন কৰি কৰি বিভোৰ হৈ নাথাকিম। কামে-কাজে স্বাৰ্থহীন নিষ্ঠাৰে লাগি আমাৰ মূৰৰ ওপৰত ঘূৰি থকা কুচক্ৰ নবিদূৰ কৰি, যাৰ বাদ্ধি উঠি লুপ্ত হৈ যোৱা বা জহি পৰা সমৃদ্ধিৰ আঁত বিচাৰি মানুহ (জনতা নহয়) হিচাপে জীয়াই থাকিবলৈ

ঘনোৱল আনিম : আমাৰ জাতীয় সত্তাৰ পুনৰুদ্ধাৰ কৰিব দিল্লীৰ Colonialism আৰু দিছপুৰৰ divide and rule তথা alienation খৰ্ব কৰি, প্ৰতিহত কৰি। বিদেশীৰ আক্ৰমণ নতুন নহয়। পাতনি মেলিছিল বৃটিছৰ দিনতেই। আমাৰ শাসকে অৱৰোধ নকৰিলে, নকৰে। ই সৰ্বজন বিদিত। অসমৰ নিছলা বাইজ অন্ন-বস্ত্ৰৰ দুখত পৰিও ৰাজকোষ বঢাওক। কাৰণ ৰজা-মহাৰজা, ৰাজনীতি কৰা আভিজাত্য শ্ৰেণীৰ (VVIP, VIP) পেট ভৰাব লাগে, লাস-বিলাসত থাকিব লাগে। এই প্ৰাচীৰ কোনে ভাগিব? কোনে খণ্ড-বিখণ্ডিত অসম জোৰা লগাব? জানো, কোনেও নকৰে, বুৰঞ্জীৰ বাণী অৰণ্যত ৰোদন হৈছে। ৰোদন হৈ থাকিব।

গাবৰ মন যায়, আমি অসমীয়া কাৰণেহে ভাৰতীয়, ভাৰতীয় কাৰণে অসমীয়া নহয়। আমি কেৱল অসমীয়াকহে বুজোঁ, বিদেশীক নহয়। আমাৰ জাতীয় প্ৰেম ইয়াতেই আৰম্ভ। আমাক শোষণকাৰী, কোটিপতি ভাৰতীয় নাগৰিকক নালাগে। **ভাৰতৰ জয়গান আমিয়েই প্ৰথমে গাইছোঁ। দুখৰ বিষয়, ভাৰতৰ জাতীয় সংগীতত কামৰূপৰ নাম নাই।** কোনোবাই মন কৰিছেনে? এই অৱমাননা ইচ্ছাকৃত। নাইবা জ্ঞানান্ধতাৰ পৰিচায়ক।

স্বাধীনতাৰ প্ৰথম আন্দোলন ইয়াতেই হৈছিল ১৮২৮ চনত। ভাৰতৰ কোনো অংশত সেই আন্দোলন হোৱা নাছিল। আমাক ১৮২৬ চনৰ ভৌগোলিক-সাংস্কৃতিক অৱয়ৱ লাগে : তুজনা গুৰু শংকৰ-মাধৱৰ তিনি ৰাজ্য ভোগ কৰিব লাগে। বুৰঞ্জীৰ পুনৰাবৃত্তি হৈয়েই থাকে। গতিকে ইটো অবাস্তৱ নুবুজিব।

পঢ়ুৱৈ সমাজ, তথা জনগণে লেখাসমূহ পঢ়ি বিশ্লেষণ কৰি বক্তব্যখিনি কণমানি হ'লেও আদৰণীয় বুলি ধৰিলে লিখকে কৃতাৰ্থ মানিব। নধৰিলেও কথা নাই। লেখাৰ মাজত সাহিত্য-সংস্কৃতিৰ ধাৰা বিশেষহে পাব। লিখা হৈছে ঐতিহাসিক সমলৰ ওপৰত, নিজস্ব দাৰ্শনিক ব্যাখ্যা খুচৰি আনি। বুধজনে বা কেনেকৈ লয়? বৈষ্ণৱ সত্ৰৰ আঁতিগুৰিৰ ওপৰত লিখা প্ৰবন্ধতো নিজস্ব মত দাঙি ধৰি কৈছোঁ, আমাৰ ধৰ্ম ঠিক মহাপুৰুষীয়া—ভাগৱতী নহয়। শ্ৰীমন্ত শংকৰ আৰু মাধৱক মহাপুৰুষ আখ্যা দিয়া কথা জানো। এঠাইত শংকৰক জগদ্‌গুৰু আখ্যাও দিয়া হৈছে। মহাপুৰুষীয়া বুলি ক'লে, আজিৰ যুগত নিকা সংহতিৰ ধৰ্মহে পৰে। ভাগৱতীৰ অৰ্থ বিষ্ণু-কৃষ্ণ, তথা একেশ্বৰ বাদৰ ধৰ্মত বিশ্বাসী ভক্ত। শ্ৰীকৃষ্ণ নানা পুৰাণকে আদি কৰি গীতোপনিষদ আৰু

সংহিতাত আছে, আৰু কেৱল ভাগৱতৰ ওপৰত নিৰ্ভৰ কৰি দুজনা গুৰুই আমাৰ নাম-ভক্তি ধৰ্ম, তথা নৱ বৈষ্ণৱ ধৰ্ম অসমত প্ৰচাৰ কৰা নাছিল। দুজনা গুৰুৰ বাদে আন দুজনা আচাৰ্য্য হৰিদেৱ-দামোদৰদেৱে একেই ধৰ্মৰ পাতনি মেলিছিল। পাছৰ ব্যতিক্ৰমৰ ব্যাখ্যা প্ৰবন্ধত দিয়া হোৱা নাই। লিখকৰ ইংৰাজী প্ৰবন্ধঃ ভাৰতীয় দৰ্শনলৈ শংকৰদেৱৰ অৱদানত, তেওঁৰ দৰ্শনৰ ব্যাখ্যা আছে। মতবিৰোধ শুভ লক্ষণ বুলি ধৰি লৈছোঁ। তেনেকৈ ক্ৰটী-বিচ্যুতি (লেখাৰ-ছপোৱাৰ) বিশ্লেষণীয়। ধৰ্তব্যং ন ঃ যত্ৰ "সজ্জনবো বুৰে নাও।" অলং বিস্তৰেণ।

আলোচনী-পত্ৰিকাদিত মোৰ লেখাখিনি স্থান দিয়াৰ কাৰণে তাৰ কৰ্ম-কৰ্তাসমূহলৈ অশেষ বিনম্ৰ ধন্যবাদ যাচিলোঁ। ইয়াৰ দ্বাৰাই অনুমতিও লোৱা হ'ল। অসমীয়া সাহিত্যৰ খনিকৰ, জ্ঞানপীঠ বঁটা বিজয়ী স্বনামধন্য ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যদেৱলৈ "আগ-কথা" লিখি পুস্তকখনিৰ সৌষ্ঠৱ বঢ়োৱাৰ কাৰণে কৃতজ্ঞ থাকিলোঁ। নানাৰূপে সাহায্য আগবঢ়োৱাৰ কাৰণে বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ কৰ্মচাৰী শ্ৰীভৃগুৰাম ডবালীও ধন্যবাদৰ পাত্ৰ। গুৱাহাটীৰ ছপাশাল, পূৰ্বদেশ মুদ্ৰণৰ মালিক শ্ৰীপ্ৰশান্ত শৰ্মালৈকেও শলাগ যাচিলোঁ।

মাধৱদেৱপুৰ ঃ গুৱাহাটী-৮
১৫।৪।৯৫

প্ৰতাপ চন্দ্ৰ চৌধুৰী

অমৃত মন্থন (অসমীয়া ভাগ) প্ৰথম খণ্ড

সূচীপত্ৰ (CONTENTS)

CHURNING OF NECTAR—PART—II

অসমীয়া গদ্য সাহিত্যৰ আওপুৰণি নিদৰ্শন

নতুন আৱিষ্কাৰে পুৰণিক নতুন কৰে। ইয়াৰ নিদৰ্শন প্ৰত্নতত্বই আগ বঢ়ায়। লিপিতত্বই ইয়াৰ সহায়ক হয়। ভাষাবিজ্ঞান সন্মত সাহিত্যই প্ৰামাণ্য দিয়ে। আমাৰ শিলালিপি, তাম্ৰলিপিৰ পাঠোদ্ধাৰ সম্যক হোৱা নাই। যি কণ হৈছে তাৰ ওপৰত কলম ধৰিছো।

যি সময়ত ভক্তিবিবেক প্ৰণেতা সংস্কৃত পণ্ডিত ভট্টদেৱক কথাভাগৱত, কথা-গীতাৰ ওপৰত নিৰ্ভৰ কৰি অসমীয়া গদ্য সাহিত্যৰ জনক বুলি কোৱা হৈছিল, সেই সময়ত অইন গদ্য সাহিত্যৰ চানেকি আৱিষ্কাৰ হোৱা নাছিল। এতিয়া হৈছে। অৱশ্যে পণ্ডিতজনাৰ সাহিত্যত আধুনিকতা বিদ্যমান। কামৰূপী প্ৰাকৃত তেনেকৈ নাই। প্ৰবন্ধ লেখক কোনোপধ্যে লিপিতত্ববিদ, ভাষাতত্ববিদ সাহিত্যিক নহয়। কিন্তু সভ্যতাৰ সমলৰ পুৰণিক চালি-জাৰি চাই ঐতিহাসিক দৃষ্টি ভঙ্গীৰে বিশ্লেষণ কৰি সত্যতা সাব্যস্ত কৰাত কণমানি হলেও মেধা আছে। এই বিষয়ত শুদ্ধ-ভুল ধাৰণা বিচাৰ্য্য, কোনোবাই যদি মন কৰে। ভাল পাম।

পদ্যত গদ্য থাকে, গদ্যত পদ্য, নিভাজ নহলেও। অমিত্ৰাক্ষৰ ছন্দালংকাৰত লিখা কাব্যত গদ্যৰ প্ৰাচুৰ্য্যতা থাকে। আধুনিক কবিতাত গদ্য ৰূপৰ পৰিপূৰ্ণতা দেখা পোৱা যায়। ইও গদ্য-পদ্যৰ সংমিশ্ৰণত ওপজা বাঞ্ছকৰনীয়া সৌন্দৰ্য্যসিক্ত সাহিত্যৰ অমূল্য সম্পদ। কালিদাসৰ মহাকাব্যত আখ্যান-উপন্যাসৰ আধাৰত গদ্য আছে। ৰামায়ণ, মহাভাৰত, গীতা পুৰাণাদিতো একে কথাই বৰ্ত্তা যায়। কবিগুৰু ৰবীন্দ্ৰ নাথৰ ইংৰাজী গদ্যত লিখা "Created Unity" পুস্তকৰ "সভ্যতাৰ" ওপৰত লিখা প্ৰথম শাৰীত কাব্যৰ সৌন্দৰ্য্য আছে, যথা "Civility is beauty of behaviour"। যতীন দুৱৰাৰ "কথা-কবিতা" পুথিত গদ্য-পদ্য-গদ্যৰ সমাবেশ পোৱা যায়। সাহিত্যৰথী বেজবৰুৱাৰ গদ্য লেখাত অসমীয়া জীৱনৰ

ৰূপ-ৰস-গন্ধৰ পদ আছে। ডঃ বাকত্তিৰ গদ্য-প্ৰবন্ধত পদৰ ৰূপ ৰস আছে, যেনেকৈ অসম কেশৰী ৰায়চৌধুৰীৰ "তুমি" কবিতাত স্বজীৱনৰ অভিব্যক্তি, তথা গদ্য আছে। নলিনীবালা দেৱীৰ "সন্ধিয়াৰ সুৰ"ৰ কাৰুণ্যৰ মাজত জীৱনাদৰ্শৰ প্ৰতিফলন ৰূপত গদ্য আছে। ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ গদ্যলেখাত পদৰ সৌন্দৰ্য্য সম্বলিত ৰসৰ চিত্ৰপট বিদ্যমান। উক্ত উদাহৰণে গদ্য-কাব্যৰ পাৰ্থক্যৰ সীমা নিৰ্দ্ধাৰণ কৰা হৈছে যেন অনুমান হয়। সাহিত্যৰ ৰস "সুন্দৰৰ আৰাধনা জীৱনৰ খেল" দুয়োপ্ৰকাৰ লেখাতেই থাকিব লাগে।

অলপ ফালৰি কটা হৈছে। আমাৰ আলোচ্য বিষয় হ'ল, অসমৰ আওপুৰণি গদ্য সাহিত্য। পুৰণি কি, গদ্য নে পদ্য? গুপ্তকে আদি কবি ৰাজপৰিয়ালৰ শিলালিপি, তাম্ৰলিপি পদত লিখা লেখাসমূহ ঠিক অসমৰ সমসাময়িক তাম্ৰলিপি সদৃশ সংস্কৃতত লিখা লেখাসমূহৰ দৰে। আমাৰ ইয়াত শিলালিপি কিন্তু গদ্য-পদ্য দুয়ো প্ৰকাৰৰ লেখাত পাইছো। ৮ম-৯ম শতিকাৰ বিষ্ণুৰ বিগ্ৰহত খোদিত প্ৰস্তৰখণ্ড (দেওপানীৰ), আৰু লংকাৰ (নগাওঁ জিলা) শক ১২৭৪ চন ১৩৫২ৰ শিলালিপিখন সংস্কৃত পদত লিখা। অসমৰ পুৰণি তাম্ৰপত্ৰসমূহৰ শেষত গদ্যও আছে। অৰ্থাৎ গদ্য-পদ্য দুয়ো প্ৰকাৰৰ মিশ্ৰ লেখা লিপিসমূহ এতিয়ালৈকে আৱিষ্কৃত হোৱা দেখা পাইছো। ভাষা কিন্তু সংস্কৃত, যদিওবা অ'ত ত'ত পুৰণি অসমীয়া, তথা কামৰূপী অপভ্ৰংশ, প্ৰাকৃতৰ নিদৰ্শন পোৱা গৈছে। লগতে পাইছো ব্ৰাহ্মী, দেৱনাগৰীৰ লগতে পুৰণি অসমীয়া অক্ষৰ-চানেকি। খৃঃ ৯ম শতিকাৰ পৰাই আমাৰ অক্ষৰৰ ক্ৰমবিকাশ ঘটে, যিয়ে অসমীয়া গদ্য-পদ্যত লিখাৰ সহায়ক হয়। মনকৰিবলগীয়া, আমাৰ পুৰণি পুথিসমূহত শিলালিপি-তাম্ৰলিপিৰ অক্ষৰ বিশেষ পোৱা যায়। সেয়ে হলেও, তামিলক নধৰি আওপুৰণি প্ৰাদেশিক সাহিত্য অসমীয়াৰ বাহিৰে ভাৰতত নাই বুলি কলেও অত্যুক্তি কৰা নহব। ভাষা-সাহিত্যবিদে বা কি ধাৰণা কৰে?

প্ৰথমে কাব্যলৈ আহিছো, যাতে গদ্যৰ সময় নিৰ্ণয় কৰিব পাৰো। কমতাৰ ৰজা দুৰ্লভনাৰায়ণৰ দিনত (আনুমানিক খৃঃ ১৩৩০-৫০) পদত লিখা পুথিসমূহ হেম সৰস্বতীৰ "প্ৰহ্লাদ চৰিত" আৰু "হৰগৌৰী সংবাদ"; হৰিবৰ বিপ্ৰৰ "বভ্ৰুবাহন পৰ্ব" আৰু "লৱ-কুশৰ যুদ্ধ"; প্ৰায় একে সময়ৰে কদ্ৰ কন্দলীৰ "সাত্যকি প্ৰৱেশ" আৰু কবিৰত্ন সৰস্বতীৰ "জয়দ্ৰথ বধ কাব্য"। চৈধ্য শতিকাৰে অলপ পাছৰ বৰাহী কছাৰী ৰজা মহামাণিক্যৰ পৃষ্ঠপোষকতাত প্ৰণীত মাধৱ কন্দলীৰ "ৰামায়ণ", যিখনে আধুনিক অসমীয়া পদৰ চানেকি দাঙি ধৰিছে। উক্ত

কাব্যসমূহতো আগতে উল্লেখ কৰাৰ নিচিনা গদ্যৰ আখ্যান আছে। কেৱল কাব্য বুলি ধৰিলেও কথা নাই। ইযোৰত তেনেকৈ কামৰূপী প্ৰাকৃত পোৱা হোৱা নাই। কিন্তু, একাদশ-দ্বাদশ শতিকাৰ অসমীয়া তথা কামৰূপী অপভ্ৰংশ প্ৰাকৃতত লিখা "চৰ্য্যাপদ" আৰু বড়ু চণ্ডীদাসৰ "শ্ৰীকৃষ্ণ কীৰ্ত্তন" অতিকৈ পুৰণি পদ্য সাহিত্য। ডঃ বাণীকান্ত কাকতিৰ মতে উক্ত পুথি পূৰ্বভাৰতীয় মাগধীয় অপভ্ৰংশত প্ৰণীত। কিন্তু, চৰ্য্যাপদৰ ভাষা আমাৰ তুলনা শুকৰ অংকীয়া নাট আৰু বৰগীতত কম-বেছি পৰিমাণে হলেও বিদ্যমান। উল্লেখনীয় যে আমাৰ শিলালিপি তাম্ৰলিপিত কামৰূপী প্ৰাকৃতৰ প্ৰয়োগ আছে। শতিকে মাগধীয় অপভ্ৰংশৰ কথা কিয় চিন্তা কৰিবলগীয়া হ'ল। আনকি চৰ্য্যাপদৰ তাল, মান হুবহু বৰগীতত আছে। ইয়ে প্ৰমাণ নকৰে, আমাৰ বৈষ্ণৱ সাহিত্যত ব্ৰজভাষাৰ প্ৰাধান্য আছে। আমাৰ বোধেৰে উক্ত ভাষা যে ইয়ালৈ আমদানি কৰি অনা হোৱা নাছিল, ইয়াৰ প্ৰমাণ তলত দিয়া হ'ল। কব বিচৰা নাই, তেওঁলোকৰ লেখাত উত্তৰ ভাৰতীয় শব্দ, বাক্যৰাজিৰ লেখমানো প্ৰভাৱ পৰা নাই। পৰিছে, যিহেতু গুৰু দুজনা, তথা অন্যান্য শিষ্যবৰ্গ ভাৰত ভ্ৰমণৰ সময়ত মাগধী কিয়, আন আন ভাষা-ভাষী লোকৰ লগতো বিশেষকৈ ধৰ্মীয় প্ৰসংগত ভাষাৰ আদান-প্ৰদান ঘটিছিল, পুৰীতেই হওক, বা মথুৰা-বৃন্দাবনতেই হওক। ভাষাৰ ভাৱধাৰা আছিল উত্তৰভাৰতীয়। অপভ্ৰংশত কথা নাপাতিছিল যেন লাগে। আমাৰ মাত-কথা তালৈ গৈছিল, ঠিক যেনেকৈ উক্ত প্ৰান্তৰ মাত-কথা ইয়ালৈ আহিছিল ; ইয়েই আমদানি কৰা সুহুচায়। অপ্ৰাসংগিক নহব যদি চীন পৰিব্ৰাজক হিৱেন চাঙৰ টোকাৰ পৰা উল্লেখ কৰো—"কামৰূপৰ মাত-কথাৰ মধ্য ভাৰতৰ মাত-কথাৰ লগত বিশেষ পাৰ্থক্য নাই।" ইয়েই প্ৰমাণ কৰে আমাৰ কথিত ভাষাৰ ঐতিহ্যৰ পৰম্পৰা।

কব বিচাৰিছো, আমাৰ প্ৰাগ-বৈষ্ণৱ আৰু বৈষ্ণৱ সাহিত্যৰ প্ৰকাশ ভঙ্গী, ৰূপৰেখাই উক্ত "দোহাকোষ" আৰু শ্ৰীকৃষ্ণ কীৰ্ত্তনৰ লগত নিবিড় সম্বন্ধ পাতিছে, অন্ততঃ অংকীয়া নাট আৰু বৰগীতৰ শব্দকোষৰ ভাষাতাত্বিক বিচাৰত। বৌদ্ধসিদ্ধ আৰু বড়ু চণ্ডীদাসৰ পদৰ লেখা পুৰণি অসমীয়াৰ নিদৰ্শন বুলি ধৰা নহলে, আৰু হেম সৰস্বতী, কদ্ৰ কন্দলী আদিৰ পুথি যদি শুদ্ধ অসমীয়াৰ পদৰ নিদৰ্শন বুলি ধাৰণা কৰা হয়, তেন্তে কব লাগিব অসমীয়া গদ্যতেই আমাৰ লেখা আওপুৰণি। ইয়াৰ সুন্দৰ চানেকি গুৱাহাটীৰ সোমাজত ওলোৱা আমবাৰীৰ শিলালিপিয়ে দাঙি ধৰিছে এনেদৰে : আদিত্য সম সমুদ্ৰপাল ৰাজ্যে। প্ৰবল

সবাসিক সত্র। সগুণ ক্রিয়া। সন্ন্যাসীৰ বোলে হাৰ পুঞ্জ-সজ। যোগীহাটী। ৮ শক ঈশ বাণ চক্র। মূচ ভণতি। শিলালিপিৰ সময় ১১৫৪ শক (খৃঃ ১২৩২)। অৰ্থাৎ এয়া ত্ৰয়োদশ শতিকাৰ অসমীয়া গদ্যৰ নিদৰ্শন, পদ্য সাহিত্যৰ অন্ততঃ এশ বছৰ আগৰ। শিলালিপিত মাত্ৰ ২ টা ক্রিয়া আছে, বোলে আৰু ভণতি। কিছুমান শব্দৰ প্ৰয়োগ তাৎপৰ্য্যপূৰ্ণ, যথা—সত্ৰ, হাটী, পুঞ্জ, সজ, মূচ, ভণতি। ইয়াত বৈষ্ণৱ সাহিত্যৰ ঠাচ আৰু কামৰূপী প্ৰাকৃতৰ সমাবেশ আছে। ব্ৰজ ভাষা নাই। মনকৰিবলগীয়া, শিলালিপিখন বৰ্ত্তমান খনন কাৰ্য চলোৱা আমবাৰীৰ গাতে লাগি থকা এস্পোৰিয়াম নিৰ্মাণ কৰা সময়ত কাৰুকাৰ্য্যখচিত প্ৰস্তৰ খণ্ডৰ লগত মাটিৰ তলত পোৱা হৈছিল। ইয়াত নতুন ৰাজধানী পাতিছিল ৰাজঅট্টালিকা সৈতে স্থিতবৰ্মাই ষষ্ঠ শতিকাত ভাস্কৰ বৰ্মনৰ প্ৰায় এশ বছৰ আগত (ডুবী তাম্ৰপত্ৰ, পদ ৩৭)। ৰাজকীয় পৃষ্ঠপোষকতাত গঢ়ি উঠা বৌদ্ধসিদ্ধ সকলে খনন কাৰ্যত ওলোৱা মন্দিৰত (মণ্ডপ সৈতে) সগুণ ক্রিয়া অৰ্থাৎ বলি দিয়া কৰ্ম সম্পন্ন কৰিছিল। ইয়াৰ প্ৰমাণ পোৱা গৈছে ভস্ম সৈতে ওলোৱা জীৰ্ণ ছাগলীৰ মূৰত। গৰ্ভগৃহৰ ওচৰতে পৰি থকা দেখিছিলো। গতিকে শিলালিপিখনে গদ্য সাহিত্যৰ নিদৰ্শন দাঙি ধৰাৰ লগতে তাত এটি তান্ত্ৰিক-বৌদ্ধ মন্দিৰ থকাৰ প্ৰামাণ্য দিয়ে, যি সত্ৰখন সবাসিক আছিল। নিৰ্মাণৰ কাল পালবংশই ৰাজত্ব কৰা সময়ৰ, অৰ্থাৎ দশম-একাদশ শতিকাৰ। ইয়াত অন্য দেৱ-দেৱীৰ বিগ্ৰহৰ লগত অত্যধিক তান্ত্ৰিক প্ৰত্নতাত্ত্বিক সম্পদ, যথা শিৱলিঙ্গ পোৱা গৈছে। মন্দিৰটো ৰাজকীয় আছিল যিহেতু অন্যান্য দেৱ দেৱীৰ বিগ্ৰহো তাত প্ৰতিষ্ঠা কৰা হৈছিল বুলি ধাৰণা কৰিব পাৰি। ঐতিহাসিক তাৎপৰ্য্য বাদ দিও শিলালিপিখনৰ অসমীয়া গদ্যৰ চানেকি অভূতপূৰ্ব, এই কাৰণেই ত্ৰয়োদশ শতিকাৰ আগভাগতেই গদ্য সাহিত্যৰ ইয়াত জন্ম হৈছিল, পুৰণি পদ্যৰ আগত, কামৰূপী প্ৰাকৃত শব্দ প্ৰয়োগ ইয়াত যিমানে থাকক। লিপি একেবাৰে আধুনিক অসমীয়া সদৃশ। জীৰ্ণ অৱস্থাত পাঠোদ্ধাৰ কৰিছিলো। ভুল থাকিব নালাগে।

পাছৰ দ্বিতীয়খন শিলালিপি নগাওঁৰ গছতলৰ। পাঠোদ্ধাৰ এনেদৰে কৰিছিলো : সীমা এৰিয়া যৱন ডবাকত গয়ত। (শক ১২৮৪) বেদাষ্ট বাণী গগন॥ শ্ৰীবিষ্ণু বাসধৰ শৈলকাৰ। শকত ম্লেচ্ছ ইখান উযাসা। দেখহ বৈৰ বংগাল (মুছলমান) বহু কাৰ্য্যত ইহাত ফণ্ড॥ বহাথ জল। তোমৰ সঞ্চাত যাম॥ (ন) দী জলশ্ৰী। পঞ্চকাথ্য বাস্তবোল। জলসেনাই বৈৰিক ভাঙি

অলাৰশেৰ খেদাবি॥ ১২৮৪ শকৰ (খৃঃ ১৩৬২) শিলালিপিখন আধুনিক অসমীয়ালিপি আৰু গদ্যত লিখা। ইয়াত তৃফনা শুকৰে নাট-বৰগীতত ব্যৱহাৰ কৰা ভাষা বিদ্যমান। ইও প্ৰামাণ্য ধৰে তেৰাসৰে ব্ৰজ বা অন্যভাষা আমদানি কৰা নাছিল। ইয়াতেই ক্ৰমবিকাশো পাইছিল। ইয়াত কামৰূপী প্ৰাকৃত শব্দকোষৰ চানেকিও বিদ্যমান। মনকৰিবলগীয়া শব্দ, বাক্যাংশ, গয়ত, ইথান, উআসা, ৰেখহু, ইহাতকও, তোসৰ সপ্তাত ষাস, পঞ্চকাথ্য, ভাঠি অলাৰশেৰ খেদাবি। শিলালিপিত ৰজাৰ নাম নাই; কিন্তু লংকাবথনৰ (নগাঁও জিলা) সংস্কৃতত খোদিত ১২৭৪ শকৰ (খৃঃ ১৩৫২)—(ৰেমাৰ্কি অংগুৰু শাকে), ৰবাহী-কছাৰী মহামাণিক্য ৰজাৰ দিনৰ অসমীয়া লিপিৰ নিদৰ্শনে লিপিতত্বৰ সহায়ক হৈছে। আগত উল্লেখ কৰাখনো সেই ৰজাজনাৰ।

উল্লেখ কৰা হৈছে, দুৰ্লভনাৰায়ণৰ দিনৰ অসমীয়া পদ্যত লিখা পুথি সমূহতকৈ আমবাৰীৰ গদ্য প্ৰায় এশ বছৰ আগৰ, আৰু ভট্টদেৱৰ গদ্য সাহিত্য বেছি নহলেও অন্ততঃ দুশ বছৰ পাছৰ। গদ্যৰ চানেকি হয়তো আৰু ওলাব। দুতিৰাম হাজৰিকাৰ পদ্যবুৰঞ্জী বাদ দিলে, পুষ্ট গদ্যত প্ৰণীত অপৰ্যাপ্ত বুৰঞ্জী আৰু অন্যান্য গদ্য সাহিত্যই প্ৰমাণ কৰে যে অসমীয়া গদ্য সাহিত্যৰ পুৰণি ঐতিহ্য, পৰম্পৰা আছে, যাৰ নিদৰ্শন ভাৰতৰ বাকীবোৰ সাহিত্যত বিৰল। বিৰল যেনেকৈ মাধৱ কন্দলীৰ ৰামায়ণৰ পদ্যতুল্য। এই ঐতিহ্যপূৰ্ণ, গৌৰৱোজ্জ্বল অসমীয়া সাহিত্য ভাণ্ডাৰ, তথা সভ্যতাৰ দৰ্পণ, কলা-কৃষ্টিপুষ্ট অসমীয়া জাতি আজিও অৱহেলিত কিয়? কিয় আমাৰ সাহিত্যৰ কাণ্ডাৰীসকলে এই বিষয় সামৰি সম্যক নিলিখি আমাক জাৰৰৰ দ'মৰ ঠাইত ৰাখিবলৈ সুবিধা দিছে? কিয় জাতীয়স্তৰত আমাৰ সাহিত্য-সভ্যতাৰ সম্ভাৰৰ প্ৰতিকৃতিৰ চাকথিনি মূৰ্তমান কৰা নহয়? আৰু কিয় অসমীয়া সাহিত্যৰ বুৰঞ্জী লেখকে আমাৰ গদ্য সাহিত্যৰ পাঠোদ্ধাৰ মানি লৈ মন্তব্যখিনি তাত স্থান দিয়া দেখা পোৱা নাই?*

---

* ২৪।২।৯৫ তাৰিখৰ অসম বাণীত প্ৰকাশিত।

প্ৰাচীন অসমীয়া সংস্কৃতি

যাৰ প্ৰাকৃতিক সম্পদৰাজি সুন্দৰ, সাজ-সজ্জা সুন্দৰ, জন সুন্দৰ, গীত-বাদ্য সুন্দৰ, সেই মনোৰমা, সুউচ্চ সংস্কৃতিৰ প্ৰতীক সোণৰ অসম আজি সমস্যা-জৰ্জ্জৰিত, খণ্ড-বিখণ্ডিত। ভাষা-সাহিত্য, কলা-কৃষ্টিতো কু-প্ৰভাৱ নপৰাকৈ থকা নাই। ইয়াৰো এখন বুৰঞ্জী হয়। এই পৰিবেশত থাকি কোনোৰ মন বিষাদ-ম্লান, কোনোৰ হৰ্ষাপ্লুত; কোনোৱে বা নিৰ্লিপ্ত নিৰ্বিকাৰ, কোনোৱে আত্মতুষ্টিত বিভোৰ। থলুৱা, হাড়ে-মগজুৱে অসমীয়াৰ প্ৰাণৰ আৰ্তনাদেও বিজতৰীয়া তথাকথিত ৰাজনীতি বিশাৰদৰ কাণসাৰ নকৰায়। আলৈ-অতিথি প্ৰভাৱান্বিত শাসন-তন্ত্ৰৰ কৰ্ণধাৰসকল জন-গণৰ পৰা আঁতৰি গৈছে। এইসকল অসমীয়াও নহয়, ভাৰতীয়ও নহয়। মনত ৰাখিব লাগিব, আমি অসমীয়া কাৰণেহে ভাৰতীয়। আমাৰ সত্তাৰ, আত্ম-বিকাশৰ, গৰিমা-প্ৰতিষ্ঠাৰ বিনিময়ত, নাইবা প্ৰতিবেশী ৰাজ্যৰ লোলুপ-ঈৰ্ষা-দৃষ্টিত গোটেই দেশখনৰে অপূৰণীয় ক্ষতি হয়; ইয়াৰ অৱয়ৱ পৰিপুষ্ট কৰা নাই। আমি লাগিলে অসমীয়া সংস্কৃতিতে জাহ যাম, অনা-অসমীয়াত নহয়। কিন্তু আজি সেই অৱস্থাই আমাৰ ছুৱাৰ-দলিত। ইয়াৰ গতিৰোধ কৰে কোনে? শ্ৰীমন্তশঙ্কৰে, নে আনন্দৰাম ঢেকিয়াল ফুকনে; মণিৰামে নে বেজবৰুৱাই; অকচিকৰ, অকাৰ্য্যকৰী বাক-বিতণ্ডাই নে সুপৰিকল্পিত সমূহ প্ৰচেষ্টাই? নিৰীহ সৰল অসমীয়াই নে কূটনীতিজ্ঞ স্বাৰ্থপৰ ৰাজনৈতিক ব্যক্তিবিশেষে? ইয়াৰ উত্তৰো আমিয়েই দিব লাগিব। গতিৰোধ যেয়ে নকৰক কিয়, সমগ্ৰ ভাৰতবাসীৰে এইটো উপলব্ধ হোৱা বাঞ্ছনীয়, থলুৱা অসমীয়া মাতৃবোলৰ, সংস্কৃতিৰ ৰক্ষণাবেক্ষণ দি, ইয়াকে চৰ্চি বিকাশ সাধন কৰি থকাৰ স্বত্ব জন্মগত; ই অখণ্ডনীয়, অলঙ্ঘনীয়। ইয়াৰ ওপৰত পুনঃ পুনঃ কুঠাৰাঘাত পৰিলে ইয়াৰ থলুৱা বাসিন্দাই ওফৰাই পেলাবলৈ, নাইবা আওবাটে বাটকুৰি বোৱাৰ শঙ্কা আছে বুলি ভ্ৰান্ত স্বাৰ্থান্ধ, ঠেক মনোবৃত্তিৰ জনগণে জানি থোৱা উচিত হব।

প্ৰশ্ন উঠে, অসমীয়ানো কোন! আৰু অসমীয়া সংস্কৃতিৰ স্বৰূপেই বা কি?

অসমীয়াৰ নিজৰ জাতীয় চৰিত্ৰ আছে। এই চৰিত্ৰ প্ৰকৃতি স্বভাৱগত প্ৰকাশ পাইছে আমাৰ ব্যৱহাৰ, পিন্ধন-উৰণ, খোৱা-বোৱা, দিয়া-থোৱাত। এই চৰিত্ৰ সৰলতাৰ, চাতুৰ্য্যৰ নহয়, দুৰ্বলতাৰো নহয়; জয়ভাৰত বাণীৰ, জাতীয় প্ৰেমৰ। এই প্ৰেম অন্তৰ-বাহিৰ পৰশা, ভাতৃ-বোধৰ, সৰ্বভাৰতীয়। অসমত জন্মি, ভাৰতৰ জয়গান আমাৰ বৈষ্ণৱ মহাপুৰুষ মাধৱদেৱে ষোড়শ শতিকাতে গাইছে: 'ধন্য জন্ম ভাৰতবৰিষে'। এই নিৰ্ভাজ স্বদেশপ্ৰেম অসমীয়া জাতিয়ে ভাৰতীয় মহাজাতিৰ সকলো স্তৰতে কামনা কৰে সমভাৱে। অসমীৰ দুখত দুখী, সুখত সুখী, ত্যাগত ত্যাগী, ভোগত ভোগী, কায়মনোবাক্যে ভিতৰ-বাহিৰ অসম-প্ৰেমীয়েই অসমীয়া। ইয়াত থলুৱা-বহিৰাগতৰ পাৰ্থক্য নাথাকে, বহিৰে কালিৰ অতিথিও উক্ত গুণৰ অধিকাৰী হয়; ইয়াৰ ভাষা-সাহিত্য, কলা-কৃষ্টিৰ পৃষ্ঠপোষকেই নহয়, পৰিবৰ্ধকো হব পাৰে, অপায়-অমঙ্গল নিবাময়ক হব পাৰে। কিন্তু, পৰিতাপৰ কথা, থলুৱাৰ বাহিৰে (ইয়াৰ মাজতো মাজে মাজে গঙ্গা-থহনীয়া হৈ ফাট মেলে) বহিৰাগতৰ এহেজাৰৰ ভিতৰত এজনেও সেই গুণৰ অধিকাৰী হব পৰা নাই, বৰং নতুন-পুৰণি নিৰ্বিশেষে অন্তৰায় হিচাপেহে থিয় দি আছে। এই অৱস্থাৰ হুবহু চিত্ৰ এথন দাঙি ধৰি ভাৰতীয় জনগণক পৰিচয় দিয়াবলৈ চেষ্টা হোৱা নাই। নাইবা, সেইসকলে বুজিও নুবুজে। অসমৰ সভ্যতাৰ ঘাত-প্ৰতিঘাতৰ বুৰঞ্জীত ইও এটি অবিস্মৰণীয় আলেখ্য হৈ থাকিব বুলি আমাৰ বিশ্বাস। আৰু ইয়ে সাৱধান বাণী শুনাই আমাৰে আৰু ভৱিষ্যত বংশধৰসকলৰ চকু মুকলি কৰি আত্মচেতনা আনি দিয়াত সহায়ক হব।

নানাজনে অসমীয়া ভাষা সাহিত্য-সংস্কৃতিৰ ওপৰত কলম ধৰিছে: নতুন নতুন তথ্য আৱিষ্কাৰ কৰি নানা দিশৰ ওপৰত নতুন নতুন নাম দি পুথি লিখিছে; কবিতা-গীত-পদ ৰচিছে, গাইছে, নাট্যাভিনয় মঞ্চস্থ কৰিছে, তুলিকাৰে ৰাম-ধনু সাজিছে, চিত্ৰলেখাৰ ভাও ধৰি সপোন ধৰি ৰাখিছে। কিন্তু, প্ৰকৃত ধাৰাবাহিক সাংস্কৃতিক বুৰঞ্জীৰ অভাৱ আজিও গুচা নাই। সকলো দিশ সামৰি লৈ কলা-কৃষ্টিৰ স্বৰূপ আলোচনা কৰি ধাৰাবাহিক বুৰঞ্জীমূলক সাহিত্য প্ৰণয়ন কৰা সহজসাধ্যও নহয়। বহু কথাৰে আঁত বিচাৰি পোৱা নাযায়, আলোচনা-পৰ্যালোচনাও নহয়, সা সুবিধাও নাইকিয়া। কিন্তু, কৰিব লাগিব।

সংস্কৃতিৰ ধাৰা বহু উপাদান সম্ভূতই নহয়, ই অন্তৰ্মুখী বহিৰ্মুখী-নিৰ্গত-প্ৰবাহিত; পাৰিপাৰ্শ্বিকতা বিধৌত বিকৰ্ষিত। ই লিপিতত্ত্ব তথা ভাষাতত্ত্ব,

সমসাময়িক সাহিত্য আৰু প্ৰত্নতত্বৰ সামগ্ৰিক সমলৰ ওপৰত নিৰ্ভৰযোগ্য। তদনুযায়ী কামটো হৈ উঠা নাই। অসমীয়া লিপিতত্ব আৰু প্ৰত্নতত্বৰ বুৰঞ্জী চুথন সুবৃহৎকৈ লিখি উলিয়াব লাগিব। ইয়াৰ মাজত বিচাৰি পোৱা যাব আমাৰ ৰাজনৈতিক উত্থান-পতন, ভাষা-সাহিত্য, সমাজ-ব্যৱস্থা, ধৰ্ম-বিশ্বাস, সুকুমাৰ কলা-কৃষ্টি আদিৰ সবিশেষ। ইয়ে আমাক বুজাত আৰু আনকো বুজোৱাত নিশ্চয় সহায়ক হব।

সংস্কৃতিৰ জন্ম, প্ৰতিপালন আৰু বিকাশ হয় ঘাইকৈ ৰাজনৈতিক গোটৰ আবেষ্টনিৰ মাজত। বাহিৰতো হয় ক্ষীণৰূপে। সেয়ে হলেও কেন্দ্ৰীয় উচ্চস্তৰ মূল ধাৰাত হয় ইবোৰ লগলাগি কালক্ৰমত লয় পায়, নহয় বিশেষভাবে প্ৰভাৱান্বিত হয়। অসমৰ ক্ষেত্ৰত ইয়েই হৈছিল। একালে ৰাজপৃষ্ঠপোষকতা, আনকালে মনুষ্যত্ব-বিকাশধৰ্মী জনগণৰ একনিষ্ঠ উৎসাহ-উদ্দীপনাসিক্ত প্ৰচেষ্টা—এই দুইৰ সমন্বয়ত উপজিছিল আমাৰ বিশাল সাংস্কৃতিক গোটটি, পৰিপুষ্টও হৈছিল বহু শতাব্দীৰ আগতেই। ইয়াৰ প্ৰভাব-প্ৰচাৰ ৰাজনৈতিক গোটৰ সীমা চেৰাইগৈ দিগন্তত মিলিছিল। উৰ্বৰা লুইতৰ সভ্যতা আছিল আৰ্য্যধৰ্মী, ই আছিল মহাবাহুৰ নিচিনাই ঠাল-ঠেঙুলি পৰিপুষ্ট বিস্তোপন, বিশাল, আৰু অসংখ্য নদী-নলাৰ নিচিনাই অলেখ ধাৰাই কটিয়াই নিছিল পৰ্বতে-কন্দৰে; দূৰ-দূৰণিলৈ ইয়াৰ বতৰা, ভাৰতীয় সভ্যতাৰ এটি বিচক্ষণ স্মৃতি; বৃহত্তৰ ভাৰতীয় কৃষ্টি-সৃষ্টি, প্ৰচাৰিছিল মানৱ-কল্যাণ সুন্দৰৰ উদ্দেশ্যে। নানা শাস্ত্ৰ, ইতিহাস-পুৰাণ আৰু প্ৰত্নতত্বই কয়, নিৰপেক্ষ পণ্ডিতবিশেষে মানিও লৈছে—অসমৰ ৰাজনৈতিক ভূগোলে আবহমান কালৰপৰা শতাব্দীজুৰি উত্তৰে হিমালয়ৰ প্ৰান্তৰ যেনে, তিব্বত, আৰু দক্ষিণে ব্ৰহ্মপুত্ৰ গঙ্গাৰ সঙ্গমস্থলী (বৰ্ত্তমানৰ বাংলাদেশৰ দক্ষিণ পূব অংশ) পূবে শদিয়া, মিচমি ৰাজ্য আৰু পশ্চিমে কৰতোয়া গঙ্গালৈকে উত্তৰবঙ্গৰ বিস্তীৰ্ণ অঞ্চল সামৰি লৈছিল। কামাখ্যা প্ৰকৃতি দেৱীৰ পূজা আৰাধনাৰ ত্ৰিকোণাকাৰ প্ৰতিমূৰ্ত্তিয়ে এই ৰাজনৈতিক গোটটিৰে পৰিধি প্ৰতীকৰূপে আজিও অৱস্থান কৰিছে, ঠিক যেনেকৈ মধ্যত গণেশগিৰিক লৈ কামৰূপ শিৱ-শক্তিই চতুৰ্পীঠৰ অধিষ্ঠাতা দেৱতা হৈ অসমৰ প্ৰবল সাংস্কৃতিক সত্তাৰ প্ৰতীকৰূপে বিৰাজমান। উক্ত ৰাজনৈতিক গোটৰ মাজত জাত, প্ৰতিপালিত, পৰিসংস্কাৰিত, পৰিবৰ্ধিত অসমৰ সংস্কৃতিয়ে আজিৰ অৰুণাচলৰ সকলো অংশ, পূবে আৰু দক্ষিণে ব্ৰহ্মদেশ, কম্বোডীয়া, শ্যাম, ইণ্ডোচীন, যাভাদি কৰি দক্ষিণ-পূব এছিয়াৰ বৌদ্ধ-হিন্দু উপনিবেশসমূহ আৰু পশ্চিমে কনৌজ,

কোশল, বিদেহ, মগধ, কলিঙ্গাদি প্ৰাচীন ৰাজ্যসমূহলৈ বিস্তৃতি লাভ কৰিছিল। সংস্কৃতিৰ বাহক ৰাষ্ট্ৰ-কেন্দ্ৰ, শিক্ষা-দীক্ষা ক্ষেত্ৰত অগ্ৰণী ৰাজধানী প্ৰাগ্জ্যোতিষ-পুৰৰ (বৃহত্তৰ গুৱাহাটী) সৌজন্যত এই বিস্তৃতিৰ সম্ভৱপৰেই নহৈছিল। দূৰ-দূৰণিৰ পণ্ডিত-সজ্জনকো ইয়াৰ মাজলৈ টানি আনিছিল। শাস্ত্ৰকাৰ, শৈৱ-শাক্ত-বৈষ্ণৱ, খনিকৰ, গায়ক-স্থপতিৰ মিলন ঘটিছিল।

সম্প্ৰতি প্ৰাপ্ত ছিয়াং-কামেং-সুবণশিৰী, লোহিতৰ প্ৰত্নতাত্ত্বিক ভাস্কৰ্য্যই প্ৰাচীন অসমীয়া কলা-কৃষ্টিৰ, সভ্যতাৰ উৰ্বৰতা, ইয়াৰ বহুমুখী প্ৰতিভা আৰু পৰিসৰৰ কথা সোঁৱৰাই দিছে। অসমীয়া তথা ভাৰতীয় বৌদ্ধ-হিন্দু সভ্যতাৰ গুৰি-ধৰোঁতাসকলৰ এভাগ উক্ত অৰুণাচল অঞ্চলত অৱস্থান কৰা আখ্যান চৰিত্ৰৰ সত্যতা উক্ত ভাস্কৰ্য্যসমূহে বাককৈয়ে প্ৰমাণ কৰিছে। পণ্ডিতপ্ৰবৰ নগেন্দ্ৰনাথ বসুই তেওঁৰ পুথিত (*Social History of Kāmarūpa*) অসমৰ বৰ্মন বংশই, বিশেষকৈ কুমাৰ ভাস্কৰ বৰ্মাৰ ৰাজত্ব কালত অসমীয়াৰ সংস্কৃতিৰ প্ৰভাৱ দক্ষিণ-পূৱ এছিয়াৰ ঠাই বিশেষ আৰু ভাৰতৰ অন্যান্য ঠাইত প্ৰতিফলিত হৈ বৃহত্তৰ ভাৰতীয় সভ্যতাৰ বীজ ৰোপণ কৰা ঐতিহাসিক ঘটনাৰ উল্লেখ কৰিছে। প্ৰত্নতাত্ত্বিকখনন কাৰ্যৰ লগতে প্ৰকৃত গৱেষণা আৰু অনুসন্ধানে অসমীয়া সংস্কৃতিৰ এই ব্যাপকতা সম্বন্ধে সম্যক জ্ঞান দিয়াত সহায়ক হব বুলি আশা কৰিব পাৰি। ইয়াৰ অন্যথাই নিৰ্ভৰযোগ্য নোহোৱা তথ্য-পাতিৰ ওপৰত বিকৃত ব্যাখ্যা দি নিজ স্বাৰ্থ সিদ্ধি কৰাত উদ্যত হোৱা লোকৰ অভাৱ নাই। আজি তাৰেই চানেকি দেখিবলৈ পাইছো, নহলে অৰুণাচলৰ পৰা অসমীয়া ভাষা-সংস্কৃতিৰ অকাল নিৰ্বাসন নহ'লহেঁতেন। নহ'লে শ্ৰীমন্তশংকৰ-মাধৱৰ নিচিনা অসমীয়াৰ জাতীয় কৰ্ণধাৰসকলক অনাঅসমীয়া কৰা প্ৰচেষ্টা নহ'লহেঁতেন। নহ'লে জাতি-জনজাতিৰ মাজত পাৰ্থক্যৰ বীজ সুমাই দি, অসমীয়া ভাষা-সংস্কৃতিৰ মনেসজা তথাকথিত প্ৰভুত্ব স্থাপনৰ স্বাৰ্থ বিচাৰি উলিয়াই অসমখন খণ্ড-বিখণ্ড নকৰালেহেঁতেন।

অসমৰ সংস্কৃতিৰ সম্যক অধ্যয়ন-অনুসন্ধানৰ সুবিধাই বা আজি ক'ত কৰা হৈছে? ভাৰতীয় সভ্যতাৰ অঙ্গীভূত এই সংস্কৃতিৰ পাঠ্যক্ৰম অসমৰ বিশ্ববিদ্যালয়-সমূহতেই বা ক'ত কৰা হৈছে? গৱেষণা নহ'লে পুথিয়েই বা ক'ত ওলাব? পুৰণিক নেওচি নতুনক উপলব্ধি কৰাৰ সাধ্য কাৰ? সাধ্য কৰা হৈছে আমাৰ শিক্ষানুষ্ঠানসমূহত। আমাৰ ঐতিহাসিক অধ্যয়ন আৰম্ভ কৰা হৈছে হয় খ্ৰীঃ ১৩শ শতিকাৰ পৰা, নহয় ১৮শ শতিকাৰ পৰা; ধাৰণা কৰা হৈছে যেন

ঐতিহাসিক ঘটনা বা সত্যতাৰ ধাৰা হঠাতে কোনো এক সময় কেৱল মাজভাগতে উদ্ভৱ হৈ পৰিসমাপ্তি ঘটে। এই ধাৰণা ভুল। আমাৰ লিপি-ভাষা-সাহিত্যৰ, কলা-কৃষ্টিৰ আঁতিগুৰি এনেকুৱা খণ্ডাধ্যয়নে দিব পাৰে বুলি ভাবিবকে নোৱাৰি। আৰু আমাৰ যোঘতে কিজানি ভাৰতীয় পণ্ডিতে আমাৰ সভ্যতাৰ গৱেষণা কাৰ্যত সহায় কৰিবলৈ আজিও আগবাঢ়ি অহা নাই। দুই এজনে আহিলেও বিকৃত ব্যাখ্যাহে দিছে। অলপতে আৱিষ্কৃত গুৱাহাটী—আমবাৰীৰ প্ৰত্নতাত্ত্বিক খননস্থলীয়ে তাৰে প্ৰমাণ দেখুৱাইছে। তেওঁলোকে হয়তো আগবাঢ়ি নাহে এই কাৰণেই, তথাকথিত আৰ্য্য-বৰ্জিত অসমৰ সংস্কৃতি অভাৰতীয়; নাইবা থলুৱা অসমীয়াৰ ইয়াত নিজস্ব বৈশিষ্ট্য নাইকিয়া। এইখিনিতে আমাৰো দোষ আছে, কাৰণ সৰ্বভাৰতীয় প্ৰদৰ্শনীত, সভা-সম্মিলনত, আমাৰ থলুৱা কৃষ্টিৰ চানেকি পৰিবেশন নকৰি কিবাখিনিহে কৰোঁ। যি কাৰণেই নহওক, ভাৰতৰ ৰাজনৈতিক বুৰঞ্জী সংকলনত, অথবা দেশৰ সভ্যতাৰ বুৰঞ্জী প্ৰণয়নত ভাস্কৰবৰ্মা, চুহংমুং দিহিঙ্গীয়া ৰজা, ৰুদ্ৰসিংহ, শিৱসিংহ, নৰনাৰায়ণ, লাচিত বৰফুকন, আতনবুঢ়াগোহাঁই, পিয়লি ফুকন, মণিৰাম দেৱান আদি বিখ্যাত ৰাজন্যবৰ্গ আৰু দেশপ্ৰেমিক বীৰসকলৰ, আৰু যুগাৱতাৰ পুৰুষ শ্ৰীমন্ত শঙ্কৰ, বিদগ্ধ পণ্ডিতমণ্ডলীৰ মাধৱদেৱ, ভট্টদেৱ, পীতাম্বৰ সিদ্ধান্ত বাগীশ, কবিৰাজ চক্ৰৱৰ্তী আদিৰ নামোল্লেখ নকৰাকৈয়ে কৰা হৈছে। কম লাগিব, ভাৰতৰ জনগণৰ ঐতিহ্যৰ স্বৰূপ আধকৰাহৈ প্ৰকাশ পাইছে। নিস্বাৰ্থ ভাৰতীয় পণ্ডিতৰ এইটো স্বীকাৰ্য্য।

উল্লেখ কৰা হৈছে, নিৰ্ভৰযোগ্য নোহোৱা আহিলা-পাতিৰ ওপৰত প্ৰতিষ্ঠিত ঐতিহাসিক-সাংস্কৃতিক ঘটনা বিশ্লেষণে সত্যৰ উদ্‌ঘাটন নকৰে। বিকৃত বৰ্ণনাৰহে অৱতাৰণা হয়। পুৰণি সংস্কৃতিৰ বৰ্ণনা দিয়া, ব্যাখ্যা কৰা সহজ কামো নহয়। এটা বিশেষ শব্দৰ উল্লেখে, এডোখৰ লিপি খোদিত প্ৰস্তৰে, এটি বিগ্ৰহে, স্বৰলিপিৰ এটি ধ্বনিয়ে সংস্কৃতিৰ বিশদ বিৱৰণ নিদিয়ে। ইবোৰৰ সামুহিক, বৈজ্ঞানিক ব্যাখ্যা লাগে। এনেকুৱা ব্যাখ্যা আমাৰ মাজৰ পণ্ডিত-সকলে কৰা নাছিল, এতিয়াও কৰা নাই। আমাৰ পুৰণি সাংস্কৃতিক জীৱন পদ্ধতিৰ আঁত বিচাৰি, আমাৰ লুপ্ত ঐতিহ্যৰ পম খেদি, সমল যোগাৰ কৰি নিজে জানি, লোকৰ মাজত প্ৰচাৰ কৰিবলৈ যৎপৰোনাস্তি প্ৰচেষ্টা চলোৱাৰ ভিতৰত অসমৰ অগ্ৰণী সুসন্তান আছিল পণ্ডিতপ্ৰৱৰ হেমচন্দ্ৰ গোস্বামী আৰু ৰায়বাহাদুৰ কনকলাল বৰুৱা। তেওঁলোকেই আমাৰ কাৰণে বন-জঙ্গল কাটি অধ্যয়ন—

অন্যান্য, গৱেষণাৰ বাট সুচল কৰি থৈ গৈছে। তেওঁলোকৰ পিছত বহুতো নতুন নতুন সমল ওলাইছে। সৌ সিদিনা আমবাৰীতো ওলাইছে আৰু হয়তো ওলাব পৰিকল্পিত খনন কাৰ্য্যৰ সহায়ত। দুখৰ বিষয়, এইবোৰৰ ওপৰত ভাল ব্যাখ্যা হোৱা নাই। সত্যক লুকাই ৰাখি, পুৰণিক অতি পুৰণি কৰাৰ চেষ্টা চলিছে। লিপিতত্ত্বই আৰু স্থপতিবিদ্যাই তাকে নকয়। আমাৰ বিশ্বাস, আমবাৰীৰ শিলালিপিয়ে ইয়াকেই কৈছে, আমবাৰীত পালবংশৰ ৰাজ আট্টালিকাৰে সৈতে—সবাসিক মত্র আছিল, যত আহোম ৰজাৰ দিনলৈকে-তান্ত্ৰিক বৌদ্ধ প্ৰথাৰে পূজা-পাতল চলিছিল। তাত এপদ দুপদ ইয়াতকৈ প্ৰাচীন প্ৰত্নতাত্ত্বিক সমল হয়তো থাকিব পাৰে।

সি যি কি নহওক, ভাৰতীয় সভ্যতাৰ নতুন বুৰঞ্জী সঙ্কলিত হৈছে। আমাকো লাগে। মহেঞ্জোদাৰো-হৰপ্পাৰ সংস্কৃতিৰ আঁতিগুৰি বিচাৰি পণ্ডিত-সকলে সমসাময়িক মিছৰ আৰু মেছোপটেমিয়াৰ সভ্যতাৰ লগত সমিল-মিল দেখুৱালেও, এই সভ্যতাৰ বেলেগ বেলেগ স্তৰৰ আবিষ্কাৰে সাব্যস্ত কৰিছে, ই বহুক্ষেত্ৰত ভাৰতীয় থলুৱা সংস্কৃতিৰে মূল, আৰু নানা সময়ত বিস্তীৰ্ণ অঞ্চল জুৰি উত্থান-পতন হৈছিল। গঙ্গাউপত্যকাৰ আৰ্য্য সভ্যতা আনকি উক্ত সভ্যতাৰ পৰাই সম্ভূত হোৱা বুলি এচাম পণ্ডিতে ঠিৰাং কৰিছে ; আনকি সিন্ধু উপত্যকাৰ সভ্যতাৰ গুৰি ধৰোঁতাসকলৰ ভিতৰত আৰ্য্য-মঙ্গোলীয় গোষ্ঠীৰ লোক থকা বুলিও ধাৰণা কৰিবৰ থল আছে। ইয়াৰে এটি ক্ষীণধাৰা ব্ৰহ্মপুত্ৰ উপত্যকা আৰু ইয়াৰ উত্তৰ প্ৰান্তত আবিষ্কৃত হোৱাটো অসম্ভৱ নহয়। এক কথাত, তথাকথিত অনাৰ্য্য-আৰ্য্যৰ সংমিশ্ৰণতেই অসম, তথা ভাৰতৰ সভ্যতাৰ পাতনি মেলে, সেই অনাৰ্য্যসকল দ্ৰাবিড়-অষ্ট্ৰীক-মঙ্গোলীয়ই হওক ; নাইবা প্ৰাক্-আৰ্য্যগোষ্ঠীৰেই হওক।

লিপি আৰু প্ৰত্নতত্ত্বই আমাক বহুদূৰলৈ লৈ গৈছে। মহেঞ্জোদাৰো-হৰপ্পাৰ লিপিৰপৰাই যে আমাৰ প্ৰাচীন ব্ৰাহ্মীলিপি ওলাইছে, এই কথা আজি স্বীকাৰ্য্য। বেদৰ ৰুদ্ৰ বা পুৰাণৰ শিৱ-মূৰ্তিৰ, মাতৃপূজাৰ সা-সঁজুলি আদি আৱিষ্কাৰে শৈৱ-শাক্ত ধৰ্মৰ প্ৰাচীনত্ব নিৰ্ণয় কৰিছে আৰু আমাৰ আগৰ ধাৰণাৰ সংশোধন আনিছে। সূৰ্য-বিষ্ণুৰ লগতে লিঙ্গ-যোনি পূজাই যে ভাৰতৰ প্ৰাচীন ধৰ্ম বিশ্বাস আছিল তাৰ প্ৰমাণ উক্ত প্ৰত্নতাত্ত্বিক সমলেই দিছে। বেহা-বেপাৰ, শিল্পোদ্যোগ, আ-অলঙ্কাৰৰ ব্যৱহাৰ, ইত্যাদিৰ প্ৰাচীনত্বও উক্ত সভ্যতাৰ সমলে প্ৰমাণ কৰিছে। এই সভ্যতাৰ নিচিনাই অষ্ট্ৰীক-আৰ্য্য গোষ্ঠীৰলোকৰ সংমিশ্ৰণত উদ্ভৱ

হোৱা প্ৰভাৱ, ধাতু যুগৰ অসমৰ প্ৰাচীন সংস্কৃতিত সমাজ-ব্যৱস্থা আৰু শৈৱ-শাক্ত-তান্ত্ৰিক ধৰ্ম-বিশ্বাসৰ আঁতি-গুৰি বিচাৰি উলিয়াব লাগিব। আৰু ইয়াৰ লগতে বিচাৰি উলিয়াব লাগিব উক্ত সিন্ধু-গঙ্গা উপত্যকাৰ সংস্কৃতিৰ লগত অসমৰ সংস্কৃতিৰ আঁত। দক্ষিণ-পূৱ এছিয়াৰপৰা অহা সভ্যতাৰ ধাৰা এই মূল ধাৰাত সংমিশ্ৰিত হৈ অসমত এক অভিনৱ স্বকীয় সভ্যতাৰ সৃষ্টি কৰে। এই সভ্যতা লাকৰা মাটিৰ গোন্ধ থকা, ডোবা-পিতনিৰ গোন্ধ থকা, বাঁহনি, কাঠনি-বাৰীৰ গোন্ধ থকা, এৰি-পলুৰ গোন্ধ থকা, সুৱীয়া মাছৰ গোন্ধ থকা, অগৰু চন্দনৰ গোন্ধ থকা, উৎকৰ্ষ শিক্ষা-দীক্ষাৰ গোন্ধ থকা; অসমীয়া স্বাধীন চিন্তৰ গোন্ধ থকা। আন কথাত, ইয়াৰ মাজতে নিহিত আছে অসমীয়া ভাষা-সাহিত্যৰ, সমাজ-গাঁথনিৰ, জীৱন-নিৰ্বাহৰ উপায়, খেতি-খোলাৰ, বোৱন-কাটনৰ, পিন্ধন-উৰণৰ, সা-সজুলিৰ, আচাৰ-ব্যৱহাৰৰ আঁতবোৰ। ই অসমীয়া হৈও ভাৰতীয়, জন-জাতীয় হৈও অসমীয়া; পৰ্বতীয়া হৈও সমতলীয়া; ঠিক যেনেকৈ পূত সলিলা লুইতৰ প্ৰভাৱ আমাৰ সকলোৰে ওপৰত সমপৰ্য্যায়ৰ আৰু অসমীয়া ভাষা-কৃষ্টি একে সতি-সন্ততিতুল্য জাতি-বিজাতি নিজস্ব সম্পদ। এই সত্য অসমীয়া ভাষাতত্ত্বই, আমাৰ লিখিত-অলিখিত অভিধানে, পুৰাতাত্ত্বিক অধ্যয়নে দিছে। গতিকে, ইয়াক দুই কৰাটো সত্যৰ অপলাপ আৰু স্বাৰ্থ-প্ৰণোদিত বুলি কোৱাৰ যুক্তি আছে।

যি জাতি জনজাতি, বড়ো-কোচ-কছাৰী-টাই আহোমে আৰু অন্যান্য সম্প্ৰদায়—শ্ৰেণীবিশেষে অসমীয়া শব্দভাণ্ডাৰলৈ, প্ৰাচীন সভ্যতাৰ নানা দিশত, অসমৰ জাতীয় জীৱনৰ স্তৰ গঠনত অৰিহণা যোগাইছে, সি সকলৰ অসমৰ মাটি-পানীৰ ওপৰত সম অধিকাৰ, সি সকলেই খলুৱা অসমীয়া। গতিকে অসমৰ সৰ্বাঙ্গীন উন্নতিয়ে সিসকলৰ ধ্যান-ধাৰণা হোৱাটো বাঞ্ছনীয়। কামৰূপী প্ৰাকৃতে যেনেকৈ টাই—বড়োভাষাৰ শব্দৰাজিৰ ওপৰত প্ৰভাৱ পেলাই, এটাক আনটোৰ অপভ্ৰংশ বুলি ঠাৱৰ কৰাত প্ৰায় অসাধ্য কৰিছে, নাইবা সকলো অসমীয়াৰ ভাণ্ডাৰত লয় পাইছে, ঠিক তেনেকৈয়ে সমতলৰ লোক পৰ্বতলৈ গৈ নামান্তৰ হোৱা ঘটনাৰ আদ্যোপান্ত আবাৰ বুৰঞ্জীৰ পাতে পাতে। গতিকে অসমীয়া মহাজাতি মূলত পৃথক হৈও এক প্ৰাণ, একজাতি আছিল ইংৰাজ অহাৰ বহু পিছলৈকে। কুৰি শতিকাৰ ৰাজনৈতিক মেৰপাক-সৃষ্ট বিভেদেহে জাতি-জনজাতিৰ মাজৰ দূৰত্ব বঢ়ালে; অসমৰ সভ্যতাৰ বুৰঞ্জীৰ নতুন অধ্যায় ৰচনা কৰিলে।

সংমিশ্ৰণত ওপজা হ'লেও, প্ৰস্তৰ যুগৰ সংস্কৃতিক বাদ দি, অসমৰ সংস্কৃতি আৰ্য্য-হিন্দু-প্ৰাধান্যৰ ফলস্ত চানেকি। প্ৰাচীন অসম কিৰাতৰ ৰাজ্য নাছিল, অনাৰ্য্য প্ৰধানো নাছিল। বিশিষ্ট আৰ্য্যসকলক ইয়ালৈ মাতি অনা ঘটনাও অভিৰঞ্জিত, নাইবা অনা-অসমীয়া উপাধিধাৰী ব্যক্তিবিশেষ, যি সকলৰ সন্তি-সন্ততি ইয়াৰ সমাজত বিশিষ্ট আসন পাইছে, সেই সকল সেই সেই ঠাইৰ পৰাই ইয়ালৈ আহিছিল, যিবোৰ অসমৰাজ্যৰ অন্তৰ্ভুক্ত আছিল, শতাব্দীজুৰি। ভাস্কৰবৰ্মাৰ নিধনপুৰৰ তাম্ৰশাসন ইয়াৰেই প্ৰত্যক্ষ প্ৰমাণ। চতুৰ্থ শতিকাৰ আগৰ আৰু পিছৰ, অন্ততঃ খৃঃ ১৩শ শতিকালৈকে অসমৰ ৰাজন্যবৰ্গ অনাৰ্য্যবংশ সম্ভূত নাছিল। ইয়াৰ পিছৰ কালছোৱাত তিব্বত-মঙ্গোলীয়-টাই-আহোমগোষ্ঠীৰ শাসক থাকিলেও, সমাজখন আৰ্য্য-প্ৰধান আছিল। পাহাৰ-অৰণ্য ভিতৰুৱা অঞ্চলৰ কথা ইয়াত অনা নাই। প্ৰাকৃতিক ভূগোল নাইবা পাহাৰ, নদ-নদী আৰু ঠাই বিশেষৰ নামে অসমীয়া সমাজখনক কিৰাত কৰিব নোৱাৰে, অসমীয়া সংস্কৃতিৰ আঁতিগুৰি বড়ো বা অনাৰ্য্য নকৰে। অকল দুই-চাৰিটা শব্দৰ দোহাই দি ভাষাতত্ত্বক সংস্কৃতিৰ স্বৰূপ নিৰ্ণয় কৰিবলৈ দিয়াতো বিপদসঙ্কুল। প্ৰাচীনতম ৰাজধানী প্ৰাগ্‌জ্যোতিষপুৰ, ৰাজ্য কামৰূপ আৰ্য্যসংস্কৃতিৰে জীৱন্ত প্ৰতীক। গড়গাঁও, ৰংপুৰ, ডিমাপুৰ-খাছপুৰ-কাছাৰ, কমতা-কোচবিহাৰ, জয়ন্তীপুৰক কেন্দ্ৰ কৰি গঢ়ি উঠা সমাজ-ব্যৱস্থা আৰু সংস্কৃতিৰ অন্যান্য উপাদানসমূহ অনাৰ্য্য-অথলুৱাৰ আছিল বুলি কোনে কব পাৰে? অভাৰতীয় তথা অনাঅসমীয়া বুলি প্ৰমাণ কৰিব পাৰে?

বহল অসমীয়া সমাজখন পিতৃ-প্ৰধান, মাতৃ-প্ৰধানৰ সমন্বয়ত গঢ় লৈছিল; ইয়াতো অষ্ট্ৰিকৰ লগতে আৰ্য্য হিন্দু ভাৰতীয় ঐতিহ্যৰ গোন্ধ থকাই নহয়, বৰ্ণ বিশেষ বা শ্ৰেণীবিভাগৰ ব্যৱস্থা আছিল, প্ৰায় আজিৰ নিচিনাই। কি বৰ্মন বংশ, কি কোচ-কছাৰী-আহোম বংশ, সকলোৱে কম-বেছি পৰিমাণে আৰ্য্যসকলক নানা ঠাইত পাতি, থলুৱা-পূৰ্বপুৰুষসকলৰ সমাজ-ব্যৱস্থা, অসমীয়া কৃষ্টি সাৰটি লৈ, পৃষ্ঠপোষকহৈ ভাৰতীয় সভ্যতাৰ বিকাশ সাধন কৰা বৃত্তান্তৰ সমসাময়িক বুৰঞ্জীৰ পুথি নথি-পত্ৰই সাক্ষী দিছে। অসমৰ ধৰ্ম-বিশ্বাস, বিশেষকৈ তান্ত্ৰিক, শাক্ত প্ৰথা আৰু নৱ-বৈষ্ণৱ যুগৰ থলক লগোৱা জাগৰণে সকলোকে সামৰি লৈ এখন বহল বৰ্ণবৈষম্যহীন অস্পৃশ্যতাবৰ্জিত সমাজৰ ভেটি স্থাপন কৰিছিল। ই আজিও বৰ্তমান। এই অসমৰ ধৰ্ম-পৰায়ণ, অতিথি-সেৱাত অভ্যস্ত, উদাৰ সমাজৰ আহি সমগ্ৰ ভাৰতীয়ৰে অনুকৰণীয় হৈ আছে।

অসমীয়া সমাজৰ অইন এটা মন কৰিব লগীয়া দিশ হৈছে, নানা কাৰণবশতঃ এক গোষ্ঠীৰ লোক আনৰ ওপৰত অনাদি কালৰপৰা নির্ভৰশীল হব লাগিছিল। আৰু ইয়ে নিবিড়ভাৱে মিলা-মিছা, আদান-প্রদান কৰাত সহায়ক হৈছিল। সকলো দিশতে স্বাৱলম্বী এই সমাজখন জীৱন-নির্বাহত মান-দণ্ড ৰাখি চালিত হৈছিল। কি অন্ন-বস্ত্র আহৰণ, কি খাদ্য-সম্ভাৰ উৎপাদন, কি বেহা-বেপাৰ-বাণিজ্যকৰণ, কি কুটীৰ শিল্প অনুশীলন, সকলো ব্যৱস্থাতে প্রাচীন অসম অগ্রণী আছিল। ইয়াৰ এড়ি-মুগা-পাটবস্ত্রৰ বয়নশিল্পৰ প্রাচীনত্ব কৌটিলীয় অর্থশাস্ত্রই প্রমাণ কৰিছে। অতীত কালত চীন-তিব্বত, আৰু উত্তৰ-পূব এছিয়াৰ দেশ-বিশেষ আৰু পশ্চিমৰ সুদূৰ ঠাইবিশেষৰ লগত বেহা-বেপাৰৰ আদান-প্রদান সম্বন্ধেও উল্লেখ পাইছো। আজিও আমাৰ গাঁৱত অন্ন-বস্ত্রৰ অভাৱ তাকৰ। ইয়াৰ মাজত পুৰণি ঐতিহ্যও বিচাৰি পোৱা যায়। আধুনিক যুগৰ কুৰিশতিকাৰ লোক-প্রব্রজনে, অনা-অসমীয়াৰ ছল-চাতুৰী আৰু সি সবৰ প্রচেষ্টাত গঢ়লৈ উঠা শিল্পোদ্যোগে আমাৰ অর্থনৈতিক অৱস্থাত চৰম আঘাত হানিছে। এতিয়া কথা হৈছে, যিকণ আমাৰ বাপতীয়া ঘৰ বুলিবলৈ আছে, যিকণ অসমীয়াৰ আমনি-কাঠনিবাৰী আছে, তাৰ সংৰক্ষণৰ লগতে আমাৰ কুটীৰ-শিল্পৰ, খেতি-বাতিৰ ঐতিহ্যৰ মান-মর্য্যাদা ব্যাহত থকাৰ প্রচেষ্টা হব লাগে। ইয়ে আমাৰ লুপ্ত গৌৰৱ পুনৰুদ্ধাৰ কৰিব।

পুৰণি অসমৰ সমাজ, শিক্ষা-দীক্ষা-গুণত বৰেণ্য আছিল। ইয়াৰ সাক্ষ্য আইন নহ'লেও আমাৰ আপুকগীয়া সাঁচিপাত-তুলাপাতৰ লিখনীসমূহে দিছে। বিদ্যা আৰু কলা, উভয়তে কি সংস্কৃত, কি অসমীয়া, কি টাই-আহোম ভাষাত আমাস পূর্বপুৰুষসকলে অমূল্য পুথি প্রণয়ন কৰি অসমীয়া সংস্কৃতি সমৃদ্ধ কৰি ওপচাই দিছিল, ভাৰতীয় সভ্যতালৈ প্রভূত অৰিহণা যোগাইছিল। উত্তৰাধিকাৰীসূত্রে সিবোৰ পাই আমি গৌৰৱান্বিত। সংস্কৃতত লিখিত ৰাজ-শাসনকে আদি কৰি অপৰ্য্যাপ্ত নানা বিষয়ৰ ওপৰত পুথিয়ে উক্ত ভাৰতীয় আর্য-হিন্দু ঐতিহ্যৰ আলোচনাৰ লগতে আমাৰ সংস্কৃতিৰো ধাৰা নির্ণয় কৰি দেখুৱাইছে। অসমীয়া লিপি-তত্ত্বৰ আঁতিগুৰি বিচাৰিলে পাওঁ, অসমীয়া আখৰৰ স্বকীয় ধাৰাবাহিক ক্রম-বিকাশ উত্তৰ ভাৰতীয় ব্রাহ্মী-লিপিৰ পৰা হৈছে। ৫ম শতিকাৰ কামাখ্যাৰ উমাচলৰ শিলালিপিয়ে তাৰ প্রমাণ। আমাৰ প্রাচীন শব্দৰাজিৰ নমুনা, উক্ত প্রাচীন তাম্র-লিপি, অন্যান্য অভিলেখ আৰু পুথিৰপৰা পাব পাৰি। লিপিতত্ত্ব-ভাষাতত্ত্বৰ ফালৰপৰা যদিও অসমীয়া ভাষা-সাহিত্যৰ

সঠিক আঁতিগুৰি বিচাৰি চোৱা হোৱা নাই, আমাৰ বোধেৰে কামৰূপী প্ৰাকৃতেই, যাৰ নমুনা চৰ্য্যাপদ আৰু মহাপুৰুষীয়া গীত-নাটত প্ৰচুৰ পোৱা গৈছে, অসমীয়া প্ৰাচীন সাহিত্যৰ মা-বাপ বুলি কব লাগিব। এই বিষয়ত অনুসন্ধান কৰি সত্যতা নিৰ্ণয় হ'লে অসমীয়া ভাষা-সাহিত্যৰ গুণৰ গৰিমা বাঢ়িব।

নিজস্ব ক্ৰমবিকাশপ্ৰাপ্ত কামৰূপী প্ৰাকৃত, তথা অসমৰ প্ৰাচীন ভাষা-সাহিত্য কেৱল অসমতেই নহয়, সমগ্ৰ পূৰ্ব-ভাৰততেই প্ৰচলিত আছিল। ৭ম শতিকাত চীন পৰিব্ৰাজক হিউৱেন চাঙে মধ্যভাৰতৰ মাত-কথাৰ লগতো ইয়াৰ কিছু মিল পাইছিল, আৰু উক্ত অসমৰ মাত-কথা কামৰূপী প্ৰাকৃতত কথিত ভাষাৰ বাহিৰে আইন একো নহয়। এই সময়ৰ অৱশ্যে চানেকি পোৱা হোৱা নাই। কনৌজ-ৰাজ হৰ্ষবৰ্ধন আৰু নালন্দা বিশ্ববিদ্যালয়ৰ অধ্যক্ষলৈ লিখা ভাস্কৰবৰ্মাৰ চিঠিয়ে এই বিষয়ত বিশেষ আলোকপাত কৰিলেহেঁতেন। সি যি কি নহওক, কি গদ্য, কি পদ্য, দুয়ো দিশতে অসমীয়া সাহিত্য ভাৰতীয় সাহিত্যৰ বুৰঞ্জীত প্ৰাচীনতম ভাষা বুলি পৰিগণিত হৈ স্বকীয়া আসন এখন অধিকাৰ কৰিছে। ত্ৰয়োদশ শতিকাৰ আমবাৰীৰ গস্তত খোদিত শিলালিপিয়ে আৰু চতুৰ্দশ শতিকাৰ মাধৱ কন্দলী-প্ৰণীত অসমীয়া গীতি-ৰামায়ণে অসমীয়া সাহিত্যৰ ভাৰতীয় সাহিত্যৰ বুৰঞ্জীত প্ৰাচীনতম আহি দাঙি ধৰাই নহয়, ইয়ে অসমীয়া লিপি আৰু সাহিত্যৰ ঐতিহ্য প্ৰতীয়মান কৰিছে। এই ঐতিহ্যতে গঢ় লোৱা পঞ্চদশ-ষোড়শ শতিকাৰ বৈষ্ণৱ-অবৈষ্ণৱ সাহিত্যই অসমীয়া সংস্কৃতিৰ ধৰ্মপ্ৰাণ দিশটো প্ৰতিফলিত কৰাৰ উপৰিও অসমীৰ কলা-কৃষ্টিৰ চৰম গৌৰৱৰ সোণালী অধ্যায়ৰ সূচনা কৰিছে। ভাৰতীয় ধৰ্ম শাস্ত্ৰ, দৰ্শন, পুৰাণ, কাব্যাদিৰ সৰহভাগেই সেই যুগতে অসমীয়াত অনূদিত, প্ৰণীত হৈ ভাৰতীয় ঐতিহ্যৰ মহিমা প্ৰচাৰত সহায়ক হৈছিল। ইয়াৰ পৃষ্ঠপোষক, পৰিবৰ্ধক আছিল, হিন্দু-অহিন্দু, কোচ-কছাৰী, আহোম-জয়ন্তীয়া শাসকবৰ্গ, যাৰ ফলস্বৰূপে শতাব্দীজুৰি শদিয়াৰ পৰা কোচবিহাৰলৈ, হিমালয় প্ৰান্তৰপৰা ত্ৰিপুৰালৈ ৰাজকীয় কথিত-লিখিত ভাষা-সাহিত্যৰূপে পৰিগণিত হৈছিল। বৃটিছ ৰাজত্বৰ সূত্ৰপাত হোৱালৈকে এই ব্যৱস্থাই চলিছিল। ইয়াৰ প্ৰমাণ বুৰঞ্জীৰ পাতে পাতে। নগা জনজাতিৰ নিচিনা দাঁতি-কাষৰীয়া অন্যান্য লোকৰ লগত এই ভাষাতেই আদান-প্ৰদান হোৱা কথা বিশিষ্ট পাশ্চাত্য পণ্ডিত বিশেষে লিপিবদ্ধ কৰি গৈছে। ষোড়শ-অষ্টাদশ শতিকাৰ ৰাজনৈতিক বিনিময়ৰ পত্ৰত নাইবা উনৈশ শতিকাৰ খ্ৰীষ্টীয়ান পাদুৰীয়ে প্ৰকাশ কৰা বুৰঞ্জী আৰু অন্যান্য সাহিত্যত সময়োপযোগী অনাঅসমীয়া

শব্দচেৰেকৰ ব্যৱহাৰে অসমীয়া ভাষাক অনাঅসমীয়া কৰিবলৈ বিচৰাটো বিচাৰবুদ্ধি হীনতাৰ পৰিচায়কেই নহয়, ই নিজ-স্বাৰ্থ-প্ৰণোদিত অসাধুতাৰ লক্ষণ : অসমীয়া সংস্কৃতিৰ ওপৰতেই অৱমাননাৰ প্ৰচেষ্টা।

আবহমান কালৰপৰা অসম স্মৃতি-জ্যোতিষ আৰু আয়ুৰ্বেদ অধ্যয়নৰ প্ৰধান কেন্দ্ৰ আছিল ; পুথিও ৰচনা হৈছিল অপৰ্য্যাপ্ত। চতুৰ্দশ শতিকাৰ দামোদৰ মিশ্ৰৰ স্মৃতি-গঙ্গাজল, ষোড়শ শতিকাৰ পীতাম্বৰ সিদ্ধান্ত বাগীশৰ অষ্টাদশ কৌমুদী, প্ৰায় একে সময়ৰে বংশীবদন দ্বিজৰ জ্যোতিৰ্মুক্তাৱলী, কবিৰাজ চক্ৰৱৰ্তীৰ দিনকিৰণাৱলীকে আদি কৰি সংস্কৃতত প্ৰণীত স্মৃতি, জ্যোতিষৰ পুথিসমূহ অসমীয়া সংস্কৃতিৰ আপুৰুগীয়া সম্পদ। ইবোৰে ভাৰতীয় ঐতিহ্যৰ মহিমা বঢ়ালেও অসমীয়া সংস্কৃতিৰ নিজৰ নতুন সংস্কৰণ বুলি পৰিগণিত হৈছে। এই নতুনত্বৰ, অসমৰ সংস্কৃতিৰ, বীজ-মন্ত্ৰৰ গোন্ধ আয়ুৰ্বেদৰ পুথি বিশেষতো বিদ্যমান। অইন নালাগে, এই পুথিসমূহৰ টীকাসহকাৰে প্ৰকাশে আমাৰ ঐতিহ্যৰ নিজস্ব দিশটোৰ স্বৰূপ প্ৰমাণ কৰি দেখুৱাব।

অসমৰ পুৰণি সাহিত্যই আৰু প্ৰত্নতাত্বিক সামগ্ৰীয়ে ধৰ্মীয় প্ৰথাৰ সম্যক ৰূপ দেখুৱাইছে। প্ৰস্তৰ যুগৰ আহিলা-পাতিয়ে, আৰ্য্য-হিন্দুৰ দেৱ-দেৱীৰ মন্দিৰাদিৰ ভগ্নাৱশেষে, সিঁচৰিত হৈ পৰি থকা বিগ্ৰহ আৰু অন্যান্য স্থাপত্যবিদ্যাৰ ভাস্কৰ্য্যই, মঠ-মন্দিৰ, সত্ৰ-মণিকূট আৰু গুৰু-আসনৰ বেদীত স্থাপিত ধৰ্ম-শাস্ত্ৰ, চৰিত পুথিয়ে প্ৰমাণ কৰিছে অসমত ঘাইকৈ সূৰ্য্য, ইন্দ্ৰ, বিষ্ণু, শিৱ-দেৱীৰ লগতে, তথাগত-বুদ্ধ-অৱলোকিতেশ্বৰৰ উপাসকো আছিল, অন্যান্য জড়োপাসকো আছিল। কি শাক্ত, কি বৈষ্ণৱ, কি তান্ত্ৰিক, কি আগমাচাৰী, কি নিগমাচাৰী, সকলোকে আবহমানকালৰপৰা মাটিবৃত্তি দান দি সকলো গোষ্ঠীৰ শাসকবৰ্গই ধৰ্মপ্ৰাণ সমাজ এখন গঢ়াত সহায় কৰিছিল। ইয়াৰ ফলতেই ইয়াত এফালে শাক্ত আনফালে বৈষ্ণৱ যুগৰ অভ্যুত্থান ঘটিছিল, ভক্তিবাদৰ অসংখ্য ধৰ্ম-শাস্ত্ৰ প্ৰণয়ন হৈ আমাৰ দৌল-দেৱালয়-সত্ৰাদি ধৰ্মানুষ্ঠানৰ ৰৰভেটি স্থাপন হৈছিল। কালৰ গচকে, দেশৰ অপায়-অমঙ্গলেও ইয়াক আজিও ম্লান কৰিব পৰা নাই।

গোটেই অসমতে সিঁচৰিত হৈ পৰি থকা প্ৰাচীন প্ৰত্নতাত্বিক সামগ্ৰী, স্থাপত্য ভাস্কৰ্য্যৰ, চাৰুকলাৰ নৃত্য-গীতাদিৰ আহিঁয়ে, নানা ৰং-বিৰঙৰ তুলিকাৰ ৰহণে অসমীয়া সংস্কৃতিৰ সুন্দৰ ৰূপ এটি অঙ্কন কৰা দেখা পাইছো। ইবোৰত আছিল, আজিও স্থানবিশেষে আছে—ভাব-ভাষা, ধ্যান-ধাৰণা, ৰূপ-ৰসৰ সৎ-চিৎ-আনন্দৰ অতুলনীয় সমাবেশ। পৰিকল্পিত খনন কাৰ্য্যৰ ফলত দহ পৰ্বতীয়া, বামুণীপাহাৰ,

কামাখ্যা, সুমলিগড় কপিলী-যমুনাৰ মাজৰ, গুৱাহাটী-আমবাৰীৰ স্থাপত্য-ভাস্কৰ্য্যতকৈও পুৰণি উচ্চস্তৰৰ সামগ্ৰী ওলাব; ধৰ্মপুৰাণ, শঙ্খচূড়বধকাব্য, গীত-গোবিন্দতকৈও ভাল তুলিকাৰ চাৰু-চিত্ৰ ওলাব, আৰু আমাৰ অলিখিত সাংস্কৃতিক বুৰঞ্জীৰ প্ৰাচীনত্বৰ সাক্ষ্য দিব। আজিলৈকে বৰ্তমান ভাস্কৰ্য্য আৰু দৌল-দেৱালয়সমূহৰ চমক লগা কাৰু-কাৰ্য্যই যেনেকৈ একালে আমাৰ সংস্কৃতিয়ে ভাৰতৰ অন্যান্য পুৰণি ৰাজ্যৰ বাহিৰেও ৰাজস্থান আৰু মোগল স্কুলৰ লগত ভাব-আদান-প্ৰদানৰ (ধাৰ কৰাৰ নহয়) যোগসূত্ৰ স্থাপনৰ ইঙ্গিত দিছে, আনকালে অসমৰ মিশ্ৰিত, কিন্তু আৰ্য্য-হিন্দু-পৰিশোধিত হৈ সৰ্ব-ধৰ্মপ্ৰথা, আচাৰ-ব্যৱহাৰ সমন্বয়ভূত বহল অসমীয়া সমাজ এখনৰহে ছবি দাঙি ধৰিছে। ইয়াৰো অধ্যয়ন-আলোচনা লাগে আমাকে বুজিবলৈ। ইয়াৰ প্ৰকৃত অধ্যয়ন, চাৰুকলাৰ চৰ্চা, ইয়াৰ আদৰ, বিকাশ আৰু প্ৰচাৰ কৰাৰ সূচনা হব তেতিয়াহেঁপৰা যেতিয়া অসমৰ নগৰ-চহৰতেই নহয়, দেশখনৰ ঠাইবিশেষে জাক্-জমকতাপূৰ্ণ শ্ৰীমন্ত শঙ্কৰ কলা-ভৱনৰ আধাৰ শিলা স্থাপন হব। ইয়ে অসমৰ প্ৰাচীন সংস্কৃতিৰ জয়ঢোল বজাই চকু-চৰহাৰো চমক লগাব।*

---

* অসম সাহিত্যসভা পত্ৰিকাৰ ১৯৭৩ চনৰ সংখ্যাত প্ৰকাশিত।

ভাৰতৰ সংশ্লেষিত সংস্কৃতিলৈ অসমৰ অৱদান*

ভূগোল আৰু মানুহে ৰচনা কৰিছে আমাৰ জাতীয় ইতিহাস, গঢ় দিছে আমাৰ জীৱন-দৰ্শন আৰু জীৱন-ৰীতিক। কাশ্মীৰৰপৰা অসমলৈকে, হিমালয়ৰ পাদদেশৰপৰা কন্যাকুমাৰীলৈকে, ভাষাৰ বিভিন্নতা সত্বেও, ধৰ্মীয় বিশ্বাস আৰু সামাজিক আচাৰৰ বৈচিত্ৰ্য সত্বেও, জীৱনধাৰাৰ এক ঐক্যৰূপ বৰ্ত্তমান। সিন্ধু আৰু গংগা-যমুনা যিদৰে ব্ৰহ্মপুত্ৰৰ চিনাকি জলধাৰা, সেইদৰে ইন্দ্ৰপ্ৰস্থ, দ্বাৰকা, মথুৰা-বৃন্দাবন, কাশী-পুৰী আৰু চিদাম্বৰম-মহাবলীপুৰমো কামৰূপ-কামাখ্যাৰ চিনাকি তীৰ্থস্থান। এই পবিত্ৰ নদীকেইখন যিদৰে একেই উৎসৰপৰা নিঃসৃত হৈ মাজ-বাটত মাথোন বিচ্ছিন্নৰূপে প্ৰবাহিত হোৱাৰ পাছত ভাৰতভূমিৰ চৰণ বিধৌত কৰি যোৱা একেই মহাসমুদ্ৰৰ গভীৰ জলাশয়ত বিলীয়মান হৈছে, ঠিক সেইদৰে সকলো ভাৰতীয় মানুহৰে হৃদয় স্পন্দিত কৰি থৈছে একোটি সাৰ্বজনীন বিশ্বাসে—মৃত্যুৰ পাছত প্ৰত্যেকৰে আত্মাৰ পক্ষী উৰা মাৰি গুচি যাব একেখন স্বৰ্গলোকলৈ ধিয়াই—যিখন স্বৰ্গ পাণ্ডৱসকলে কল্পনা কৰাৰ দৰে হয়তো ভাৰতৰ শিতানত থকা হিমালয়ৰ তুষাৰশুভ্ৰ উত্তুংগ প্ৰদেশতেই অৱস্থিত। আমাৰ সকলোৰে উমৈহতীয়া সাধনাৰ লক্ষ্যস্থল আদিনাথৰ কৈলাস অথবা পবিত্ৰ মেৰু, ভাৰতীয়-আৰ্য্য সভ্যতাৰ আলোক-বৰ্তিকাস্বৰূপ আদিত্যৰ সহস্ৰ অংশুমালাৰে ব্যঞ্জনাৰূপময় চক্ৰ-প্ৰতীক ধাৰণকাৰী বিষ্ণুৰ শিখৰ-প্ৰদেশৰ দৰেই অভ্ৰভেদী; নাইবা সমস্ত মানৱজাতিৰেই নহয়, চৰাচৰ স্থাৱৰ জংগমৰ হৃদয়ত প্ৰতিষ্ঠিত ব্ৰহ্ম-লোকৰ দৰেই বিনয়নম্ৰ। আমি সকলোৰেই চেষ্টা কৰোঁ সেই গভীৰ আদৰ্শক জীৱনত ৰূপায়িত কৰিবলৈ, যি আদৰ্শই আমাৰ অজস্ৰ বৈচিত্ৰ্যৰ মাজত 'সূত্ৰে

---

* ইংৰাজী প্ৰবন্ধ : Contributions of Assam to the composite culture of Indiaৰ অসমীয়া ভাঙনি। Published in *Indira Gandhi Felicitation* Vol. II

মণিগণা ইব' ঐক্যবোধৰ ইংগিত দিয়ে, যি আদৰ্শক দৃঢ়তৰ কৰি তুলিছে একেখন দেশৰ প্ৰতি সকলোৱে সমান অনুৰাগে আৰু ভাৰতভূমিত জন্মলাভ কৰাৰ বাবে অনুভৱ কৰা সমান অভিমানবোধে, যাৰ এটি অনুপম প্ৰকাশ পোৱা যায় ১৫শ-১৬শ শতিকাৰ দোমোজাত জন্মগ্ৰহণ কৰা অসমীয়া বৈষ্ণৱ কবি মাধৱদেৱৰ কবিতাত :

ধন্য ধন্য কলিকাল ধন্য নৰ তনু ভাল

ধন্য জন্ম ভাৰতবৰিষে।

ভাৰতৰ মাটিৰ ৰসেৰে জীপাল হৈ থকা আধ্যাত্মিক সত্তাৰ উপলব্ধি কৰিবলৈ হ'লে, তাৰ অংশসমূহৰ অন্ধি-সন্ধি ভালকৈ উমান লোৱাটো একান্ত প্ৰয়োজনীয়। কাৰণ, সেই বৃহত্তৰ আত্মাৰ মাজত বুৰ গৈ থকা ক্ষুদ্ৰতৰ অংশসমূহৰো নিজস্ব ঐশ্বৰ্য্যময় অস্তিত্ব নিশ্চয় অনস্বীকাৰ্য্য। ভালেমান প্ৰতিকূল শক্তিৰ প্ৰতিবন্ধকৰ চাকনৈয়াত পৰি অসমৰ আত্মাই লাহে লাহে তাৰ প্ৰাণৱন্ত হেকলাই আহিবলৈ ধৰিছে। অন্যান্য কাৰণো আছে। তাৰে এটা হ'ল : প্ৰাক-স্বাধীনতা যুগৰ পৰম্পৰাৰপৰা আঁতৰি গৈ, সাধাৰণভাৱে ভাৰততত্ত্ববিদ্‌সকলে আৰু বিশেষকৈ ভাৰতীয় বিশ্ববিদ্যালয়সমূহে ভাৰতীয় সংস্কৃতিৰ মধুচক্ৰ নিৰ্মাণত অতীতৰ ৰহস্য কুহেলিকাৰে আচ্ছন্ন এই দেশখনৰ ৰৰঙণি দেখুৱাবৰ বাবে প্ৰয়োজনীয় অসমৰ সংস্কৃতি অধ্যয়নৰ বিষয়ত যথোচিত গুৰুত্ব প্ৰদান কৰিবলৈ পাহৰি আহিছে। যুগ-যুগান্তৰৰ বাট থচকি অহা অসমৰ নৈতিক আৰু বৈষয়িক পৰিবেশৰ আলেখ-লেখ নোলোৱাকৈ ভাৰতৰ সংস্কৃতিৰ ঐতিহ্যৰ জ্ঞান যে অসম্পূৰ্ণ হৈ ৰবলৈ বাধ্য, এই কথাষাৰ একেবাৰে পাহৰি পেলাইছে। উল্লেখযোগ্য যে, অসমীয়া তত্ত্বজিজ্ঞাসু আৰু অসমৰ বিশ্ববিদ্যালয়কেইখনো ইয়াৰ ব্যতিক্ৰম নহয়। প্ৰথিতযশা পণ্ডিতসকলে ভাৰত-ইতিহাসৰ ক্ষণজন্মা ব্যক্তিৰ জীৱন-কাহিনী আৰু সাংস্কৃতিক ঘটনাৱলীৰ বিষয়ে বহুতো নোদোকা ধৰণৰ পুথি-পাঁজি লেখিছে, কিন্তু, ক'তোৱেই উল্লেখ কৰা নাই ৭ম শতিকাৰ পূৰ ভাৰতৰ মহান সম্ৰাট ভাস্কৰবৰ্মাৰ যুগৰ কথা; পুৰীৰ জগন্নাথৰ এগৰাকী একনিষ্ঠ পৃষ্ঠপোষক ১৫শ-১৬শ শতিকাৰ স্বৰ্গদেৱ চুহুংমুঙৰ কথা, অসমৰ শিৱাজীস্বৰূপ স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ কথা; ১৮শ শতিকাৰ বিক্ৰমাদিত্যতুল্য মহাৰাজ শিৱসিংহ আৰু নৰনাৰায়ণৰ কথা; ১৬৭১ খৃষ্টাব্দত শৰাইঘাটৰ যুঁজত সম্ৰাট আওৰংজেবৰ দৰ্পচূৰ্ণ কৰা বীৰ লাচিত বৰফুকনৰ কথা; পূৰ ভাৰতৰ ঝান্সীৰ ৰাণীস্বৰূপা ১৭শ শতিকাৰ বীৰাংগনা মুলা গাভৰুৰ কথা; সাতাৱন চালৰ অমৰ শহীদ পিয়লি বৰুৱা আৰু

মণিৰাম দেৱানৰ কথা আৰু আধ্যাত্মিক তত্ত্বজ্ঞানৰ ক্ষেত্ৰত শংকৰাচাৰ্য্য আৰু শ্ৰীধৰস্বামীৰ সমতুল্য শ্ৰীমন্ত শংকৰদেৱৰ কথা।

ভূতত্ত্ব অথবা ভূ-সংস্থানবিদ্যা, উদ্ভিদবিদ্যা অথবা প্ৰাণীবিজ্ঞান, ধাতুখননবিদ্যা অথবা আয়ুৰ্বেদ, স্মৃতি অথবা জ্যোতিষ-বিদ্যা, অথবা কলা, সামাজিক প্ৰথা অথবা ধৰ্মীয় তত্ত্বকথা, শাসনলিপি অথবা পুৰাতত্ত্ব, লিপিতত্ত্ব অথবা ভাষাতত্ত্ব— এই সকলোবোৰ বিষয়ৰে অধ্যয়নৰ ক্ষেত্ৰত অসমৰ সমস্যা ভাৰতীয় সমস্যাৰেই অনিবাৰ্য্য অংশবিশেষ আৰু কোনোবাই যদি ইয়াৰ কোনোবা স্থানীয় দিশৰ ওপৰত কিবা গৱেষণা কৰে, তেনেহলে সেয়াও সামগ্ৰিকৰূপে ভাৰতীয় বিষয়ৰ অধ্যয়নৰে একোটা গুৰুত্বপূৰ্ণ অংশ বুলি অনস্বীকাৰ্য্য। "বৃহত্তৰ সৰহভাগ সময়তে অসম ভাৰতীয় সভ্যতাৰ উপকণ্ঠতহে আছিল"[১] বোলা কথাষাৰ সম্পূৰ্ণ-ৰূপে অনৈতিহাসিক। বৰাচলতে, ভাৰতৰ প্ৰধান ভূখণ্ডৰ অবিচ্ছেদ্য অংশৰূপে এইখন দেশৰ "নিজস্ব তাৎপৰ্যপূৰ্ণ ইতিহাস আছিল, ভাৰত আৰু বহিৰ্বিশ্বৰ লগতো অতি ঘনিষ্ঠ সম্পৰ্ক আছিল; ইতিহাসৰ বিভিন্ন যুগত এই দেশৰ মাটিলৈ বৈ অহা বিচিত্ৰ উপাদান আৰু জীৱনধাৰাৰ সংমিশ্ৰণৰ ফলশ্ৰুতিস্বৰূপে কিছুমান বিশিষ্ট অসমীয়া চৰিত্ৰ বিকশিত হৈ উঠিছিল; আৰু সেই অসমীয়া সংস্কৃতি হ'ল ভাৰতীয় জীৱনৰ এক প্ৰবল আৰু প্ৰাণসঞ্চাৰিণী শক্তি স্বৰূপ।"[২]

ভাৰতীয় উপমহাদেশৰ দৰেই ইয়াৰো চৌদিশে প্ৰাকৃতিক বাধাৰ প্ৰাচীৰ আৰু ঠায়ে ঠায়ে অগম্য অঞ্চলৰ প্ৰতিবন্ধক থকা সত্ত্বেও, উপৰ্যুপৰি প্ৰব্ৰজনৰ প্ৰবল প্ৰবাহে বহুবাৰ অসমৰ ভৌগোলিক চাৰিসীমা বহলাই দূৰ-দূৰান্তৰলৈকে বিয়পি পৰাৰ নিদৰ্শন আছে। অন্ততঃ উত্তৰ-পশ্চিম আৰু দক্ষিণ-পশ্চিম দিশলৈ ৰাজনৈতিক আৰু সাংস্কৃতিক আদৰ্শৰ মিলন আৰু বিনিময়ৰ মানসেৰে তিব্বত আৰু নেপালৰ দৰে হিমালয়স্থ তথা প্ৰত্যন্ত-হিমালয়স্থ ৰাজ্য ভূখন আৰু গৌড়-বংগ, মগধ, মিথিলা-বিদেহ, উৎকল, কলিংগ আৰু উজ্জয়িনীৰ দৰে অন্তঃস্থ ৰাজ্যসমূহলৈকে সেই প্ৰবাহ বিস্তাৰিত হৈ পৰিছিল। পাহাৰ আৰু ভৈয়াম, অজস্ৰ নদী আৰু বিল, অৰণ্য আৰু জলাহ, বৰ্ণাঢ্য গুল্ম-বৃক্ষ আৰু বিচিত্ৰ প্ৰাণীপুঞ্জ, সুমথিৰা, বন আৰু লানি নিছিগা চাহ-বাগিচাৰে ভৰপূৰ বিচিত্ৰ প্ৰাকৃতিক পৰিৱেশেৰে সমৃদ্ধ এইখন দেশে আমাৰ চকুৰ আগত দাঙি ধৰে

১। *Cambridge History of India*, Vol. I, P. 11-12

২। P. C. Choudhury : *Hist. of Civilization of people of Assam*; 2nd Edition, Introduction. P. 7

সৌন্দৰ্য্যৰ লীলাভূমিস্বৰূপ এখন অনিন্দ্যসুন্দৰ পট। পাহাৰসমূহৰ মূল্যবান ধাতুসম্পদ, নদীৰ বুকুত উটি অহা আৰু পাৰৰ বালিত সিঁচৰতি হৈ থকা খনিজসম্পদ, অৰণ্যসমূহৰ মূল্যবান কাঠৰ গছ আৰু ভেষজ তৃণ-বনৰ উপৰিও প্ৰকৃতিয়ে অকৃপণ হাতেৰে উজাৰ কৰি দিয়া অন্য বহু সম্পদ এতিয়াও জাতীয় ঐশ্বৰ্য্য বৰ্ধন আৰু জনসাধাৰণৰ সেৱাৰ বাবে নিয়োজনৰ অপেক্ষাতে আছে। যথোপযুক্ত মনোনিবেশ কৰিলে প্ৰকৃতিৰ দানেৰে চহকী অসমে কেৱল 'পনীয়া সোণ' আৰু 'দুটি পাত এটি কলি'ৰেই' ভাৰতৰ জাতীয় পুঁজিক এতিয়াও বিৰবে সমৃদ্ধ কৰি ৰাখিছে, তাতকৈ আৰু দহোগুণে বেছি সমৃদ্ধ কৰি তুলিব।

১৮২৬ চনলৈকে অসমে নিজৰ স্বাধীনতা অক্ষুণ্ণ ৰখা কথাবাৰে প্ৰাকৃতিক পৰিবেশৰে আওপকীয়া দান অসমীয়া মানুহৰ স্বাধীনতা-স্পৃহাৰ সলসলীয়া চিনাকি দিয়ে। "ভূগোলৰ আধাৰত প্ৰতিষ্ঠিত যুক্তিৰ বাহিৰে অন্য একোৱেই বোধকৰোঁ অসম বুৰঞ্জীৰ এই স্বাধীন চৰিত্ৰৰ পতিয়ন নিওৱা ব্যাখ্যা দিব নোৱাৰে। যি কোনো বিদেশী আক্ৰমণৰ সন্মুখীন হৈ মাৰ বান্ধি থিয় দিব জনা গভীৰ স্বদেশপ্ৰেম আৰু জনসাধাৰণৰ স্বাধীনতাপ্ৰিয় মন ভাৰতীয় সংস্কৃতিৰ মৌলিক ঐক্যবোধৰ প্ৰতি এক উল্লেখযোগ্য অৱদান। পূব পাকিস্তান (বৰ্তমানৰ বাংলাদেশ), চীন, তিব্বত আৰু ব্ৰহ্মদেশৰ গাতে গা লাগি থকা এই দেশখনৰ অৱস্থিতিয়ে সদায় ইয়াক আন্তৰ্জাতিক ৰাজনীতিৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আগবঢ়াই থাকিব।"[৩]

"মানুহ জাতিৰ প্ৰব্ৰজনৰ প্ৰধান সৰণিসমূহৰ এটাত"[৪] অৱস্থিত অসমে যুগ যুগ ধৰি অৱশিষ্ট ভাৰত আৰু দক্ষিণ-পূব এছিয়া উভয়ৰেপৰা বিভিন্ন নৃতাত্ত্বিক গোষ্ঠীৰ মানুহৰ সোঁত গ্ৰহণ কৰি আহিছে আৰু সিবিলাকৰ সাংস্কৃতিক বৈশিষ্ট্যৰ অধঃস্তৰ ইয়াৰ বিভিন্ন অঞ্চলত সিঁচৰতি হৈ আছে। অসমীয়া সংস্কৃতিৰ এই উপাদানসমূহ হ'ল—নিগ্ৰোব্যঞ্জক, অষ্ট্ৰ'-এচীয়, আৰ্য্য, মংগোলীয় আৰু তিব্বতীয়-বৰ্মী ভাষিক-গোষ্ঠীৰ ভিতৰৰা; তদুপৰি, সামান্য পৰিমাণৰ দ্ৰাবিড়ীয় উপাদানো পৰিলক্ষিত হৈছে। এহাতে যেনেকৈ ব্ৰহ্মপুত্ৰ উপত্যকাৰ সভ্যতা মূলতঃ ভাৰতীয়-আৰ্য্য ধ্যান-ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত আৰু বৰ্তমান কালত কলিতা বুলি খ্যাত এক প্ৰজাতীয় গোষ্ঠীৰ দ্বাৰা পৰিবৰ্ধিত ইৰাণীয়-মেজাজ তথা

৩। *ibid.*, 50

৪। J. P. Mills : *Assam Review*, Mar. 1928, P. 24.

প্ৰাক্-বৈদিক কৰেটীয় সংস্কৃতিৰ উত্তৰাধিকাৰৰ বিণিকি-বিণিকি আভাসপুষ্ট, আনহাতে অনেকৈ পাৰ্বত্য অঞ্চলৰ সভ্যতা অনাৰ্য্য সংস্কৃতিৰ প্ৰাবল্যপ্ৰধান। তথাপিও, বাসস্থান য'তেই নহওক লাগিলে, কেৱল সামাজিক আৰু অৰ্থ নৈতিক প্ৰয়োজনৰ ভিত্তিতেই শতিকাৰ পাছত শতিকা ধৰি উভয় অঞ্চলৰ মানুহৰ মাজত এনে এক পাৰম্পৰিক নিৰ্ভৰশীলতাৰ সম্পৰ্ক গঢ়ি উঠিছে, যাৰ ফলত ভাষাগত আদান-প্ৰদান আৰু একময়তা সম্ভৱপৰ হৈ উঠিছে; আৰু সম্ভৱপৰ হৈ উঠিছে ব্যাখ্যাৰ অতীত এক সাংস্কৃতিক সংশ্লেষণৰ, যাৰ সুন্দৰতম নিদৰ্শন পোৱা যায় মূলতঃ সংস্কৃত আৰু কামৰূপী প্ৰাকৃতৰপৰা বিৱৰ্তিত হোৱা ভাৰতীয়-আৰ্য্য ভাষা-গোষ্ঠীৰ অন্তৰ্ভুক্ত অসমীয়া ভাষাৰ শব্দ-সম্ভাৰত থকা খিলঞ্জীয়া দেশী শব্দসমূহৰ প্ৰাচুৰ্য্যত।

দৰাচলতে, অসম ভাৰতবৰ্ষৰ মুষ্টিমেয় এনে কেইটামান অঞ্চলৰ মাজত এখন, যাক ক'ব পাৰি "এনে এক মিলন-ভৱন, য'ত সুপ্ৰাচীন আৰু অতি-আধুনিক, আটাইতকৈ এলান্ধুকলীয়া অতীত আৰু আটাইতকৈ অচিন হৈ থকা শেহতীয়া বৰ্তমান, উভয়ে উভয়ক পৰিপূৰ্ণ সম্প্ৰীতিৰে সাবটা সাবটি কৰি আছে। থোৰতে ক'বলৈ হ'লে, এই গৌৰবোজ্জ্বল দেশৰ প্ৰাচীন ইতিহাসৰ লগত নিবিড়তম বন্ধনেৰে বান্ধ খাই আছে, সমগ্ৰ ভাৰতবৰ্ষৰ সামাজিক, ধৰ্মীয় আৰু জাতীয় ইতিহাস।"[৫] এইষাৰ কথা কোৱা হৈছে, কামৰূপৰ অবিভাজ্য আত্মাৰ সন্দৰ্ভত, এখন ঐক্যবদ্ধ অসম সম্পৰ্কে।

ভাৰতীয়-আৰ্য্যবাদৰ ক্ষেত্ৰত আৰু হিন্দু সংস্কাৰসমূহ তথা সংস্কৃতৰ পঠন-পাঠনৰ অবিয়তে ভাৰতীয় পৰম্পৰাৰ বিস্তাৰণৰ ক্ষেত্ৰতেই, ঘাইকৈ ৰাজকীয় পৃষ্ঠপোষকতাৰ ছত্ৰছাঁয়াত, ভাৰতীয় জীৱনক চহকী কৰি তোলাৰ বিষয়ত অসমে উল্লেখযোগ্য বৰঙণিৰ যোগান ধৰিছিল। আনকি, শ শ বছৰ ধৰি অসম যিকেইটা নামেৰে পৰিচিত হৈ আছিল, যাৰ প্ৰাচীনত্বৰ সাক্ষ্য পোৱা যায় মহাকাব্য দুখনত, সংহিতাসমূহত আৰু কালিদাসৰ ৰঘুবংশম্, বৰাহমিহিৰৰ বৃহৎ-সংহিতা, মাৰ্কণ্ডেয় পুৰাণ আৰু বিষ্ণুপুৰাণকে ধৰি বহু বিভিন্ন গ্ৰন্থত, সেই প্ৰাগ্‌জ্যোতিষ আৰু কামৰূপ নাম দুটায়েই এই দেশত আৰ্য্য সভ্যতা বিয়পি পৰাৰ কথা সৰবে ঘোষণা কৰে। পৰিব্ৰাজক হিউৱেনচাঙৰ সাক্ষ্য অনুযায়ী,

---

৫। N. N. Vasu: *Social History of Kāmarūpa* Vol. I, P. 1-2.

মনোৰম কাৰেং-শোভিত আৰু ৰাজকীয় গাম্ভীৰ্যমণ্ডিত অথচ দুৰ্গ-প্ৰকাৰেৰে সুবেষ্টিত আৰু সম্পদশালী প্ৰাগজ্যোতিষ মহানগৰী এনে এখন ঠাই আছিল, যি খনে জ্ঞান-বিজ্ঞান চৰ্চাৰ কেন্দ্ৰ হিচাপে সকলো প্ৰতিভাশালী লোকক আকৰ্ষিত কৰিছিল—ঠিক যেনেকৈ পৰৱৰ্তী কালত যোগীহাটী-গুৱাহাটী আৰু গড়গাঁও-ৰংপুৰে জ্ঞান-বিজ্ঞানৰ কেন্দ্ৰ হিচাপে এই অঞ্চলৰ জনসাধাৰণৰ সাংস্কৃতিক গতি প্ৰকৃতিক গঢ় দিবলৈ পাইছিল। ইতিহাসৰ সুদীৰ্ঘ পৰিক্ৰমাত যুদ্ধক্ষেত্ৰৰ সংঘাতৰ জৰিয়তেই হওক বা শান্তিৰ সময়ছোৱাৰ কটকী-বিনিময়ৰ জৰিয়তেই হওক, সমকালীন ভাৰতীয় ৰাজ্যসমূহৰ লগত অসমে ঘনিষ্ঠতাৰ যোগসূত্ৰ ৰক্ষা কৰি চলিছিল। যুগ যুগ ধৰি কামৰূপ আৰু কামাখ্যা ক্ৰমে পুৰুষ শিৱ আৰু প্ৰকৃতি দেৱীৰূপে চিহ্নিত হৈ ৰৈছে। এই দুয়োটা নামৰ লগত জড়িত হৈ আছে, তন্ত্ৰ-মন্ত্ৰ আৰু যাদু-ভোজবাজীৰপৰা আৰম্ভ কৰি পৰিশীলিত মানৱীয় আচাৰলৈকে বহু বিভিন্ন ধৰণৰ চিন্তাৰ ফলশ্ৰুতি। পাছৰ বিধ আচাৰেৰে অন্তৰ্গত হ'ল এক ত্ৰিকোণাকাৰ প্ৰতীকৰ উপাসনা আৰু এই ত্ৰিকোণাকাৰেই হ'ল, ভৌগোলিক অসমৰ প্ৰতীক, যি অসম ৰত্নপীঠ, কামপীঠ, স্বৰ্ণপীঠ আৰু সৌমাৰপীঠ নামৰ চাৰিখন পবিত্ৰ থানেৰে বিভক্ত ৰূপত বৰ্তমান কালৰ উত্তৰ বংগৰ কৰতোয়া নদীৰ-পৰা লক্ষীমপুৰ জিলাৰ দিক্ৰং নদীলৈকে দীঘলে ১০০ যোজন আৰু বহলে ৩০ যোজন বিস্তৃত বিৰাট অঞ্চলটো আছিল আৰু যাৰ অন্তৰ্ভুক্ত আছিল, কেৱল বৰ্তমানৰ ভৈয়ামীয়া জিলাকেইখনেই নহয়, শ্ৰীহট্টৰ পাহাৰী অঞ্চল, ত্ৰিপুৰাকে ধৰি বংগদেশৰ এটা বিশাল অংশ আৰু নেপাল, ভূটানৰো কিছু অংশ। এই অভিমতৰ সমৰ্থন পোৱা যায় শাসনলিপিসমূহত আৰু ১৪শ শতিকাত ৰচিত যোগিনীতন্ত্ৰ পুথিত—যিখন পুথিত এই দেশৰ চাৰিসীমা এইদৰে বৰ্ণিত হৈছে:

নেপালস্য কাঞ্চনাদ্ৰিম্ ব্ৰহ্মপুত্ৰস্য সংগমম্।
কৰতোয়াং সমাৰভ্য যাৱদ্ দিকৰবাসীনীম্॥ ১.১১।১৬

* * * *

ত্ৰিংশদ্ যোজনবিস্তীৰ্ণং দীৰ্ঘেণ শত যোজনম্।
কামৰূপং বিজানীহি ত্ৰিকোণাকাৰমূৰ্ত্তমম্॥ ১.১১।২১

আহোমসকলৰ আগমনৰ লগে লগে আৰু তাৰে খোজত খোজ মিলাই ১২শ-১৫শ শতিকাত চুটিয়া, কমতা, কছাৰী, জয়ন্তীয়া আৰু কোঁচ ৰাজ্যসমূহ প্ৰতিষ্ঠিত হোৱাৰ পাছত গৌড় আৰু দিল্লীৰ নবাব-বাদশাহসকলৰ উদ্যোগত উপৰ্যুপৰি মুছলমান আক্ৰমণৰ পৰিপ্ৰেক্ষিতত আগৰ ৰাজনৈতিক সংহতি

হেৰাবলৈ আৰম্ভ কৰিলে। তথাপিও, পূৰ্বৰ ৰাজবংশৰ উপযুক্ত উত্তৰাধিকাৰী হিচাপে পূবফালে আহোমসকলে আৰু পশ্চিমফালে কোঁচসকলে দেশৰ চিৰকলীয়া সীমান্ত অটুট ৰাখিবলৈ সততে চেষ্টা কৰিছিল আৰু দেশৰ অতীত-গৌৰৱ উজ্জলতৰ কৰি তোলা বিষয়তো সফলকাম হৈছিল। ৰাজনৈতিক বিভাজনসমূহ যেনেকুৱাই নহওক লাগিলে, ১৪শ শতিকাৰ আৰম্ভণিৰপৰা কছাৰী-জয়ন্তীয়া ৰাজ্যসমূহৰ পৰম্পৰাৰ অনুবৃত্তি কৰি কমতা-কোঁচবিহাৰৰ নৃপতিসকলে সকলো ক্ষেত্ৰতে অসমৰ শ্ৰীবৃদ্ধি কাৰ্যত আহোম স্বৰ্গদেৱসকলৰ সম-অংশীদাৰ হোৱাত সফলতা লাভ কৰিছিল। উভয়ে কটকী-বিনিময়ৰ যোগেদি, পণ্ডিত, সুদক্ষ কাৰিকৰ, স্থপতিবিদ্, চিত্ৰশিল্পী, সংগীতজ্ঞ আৰু সমাজ-ধৰ্ম সংস্কাৰকৰ দৰে গুণী-জ্ঞানীসকলক আমন্ত্ৰণ কৰি আনি সমাদৰ জনাই অৱশিষ্ট ভাৰতৰ লগত যোগাযোগ ৰক্ষা কৰিছিল ; ফলস্বৰূপে, খিলঞ্জীয়া প্ৰতিভা আৰু আমন্ত্ৰিত লোকৰ প্ৰতিভাৰ উমৈহতীয়া ৰৰঙণিৰে ভাৰতৰ সাংস্কৃতিক ঐতিহ্যক সমৃদ্ধতৰ কৰি তোলাত তেওঁ-লোকে অসমৰ হৈ অৰিহণা যোগাইছিল।

অসমৰ ৰাজনৈতিক সীমান্ত আৰু তাৰে পৰিণতিস্বৰূপে ভাৰতীয় সংস্কৃতিৰ সীমান্ত যে চীনদেশৰ সুদূৰ উত্তৰ-পূৱ প্ৰত্যন্ত প্ৰদেশলৈকে, তিব্বত আৰু ব্ৰহ্ম-দেশলৈকে বিস্তৃত হৈ পৰিছিল, সেই কথাষাৰ আনৰ লগতে হিউৱেনচাঙৰ বৰ্ণনায়ো সমৰ্থন কৰি গৈছে।[৬] আকৌ, কিছুদিনৰ আগতে অৰুণাচলত আৱিষ্কৃত পুৰাতাত্ত্বিক ভগ্নাৱশেষসমূহেও সুদূৰ উত্তৰ সীমান্ততো কলিতা ৰাজ্যৰ প্ৰাক্-বৈদিক আৰ্য্য সংস্কৃতিৰ লগত ভাৰত-তিব্বতীয় বৌদ্ধ সংস্কৃতিৰ মিলন-ডোলত আৱদ্ধ হোৱাৰ কথা ঘোষণা কৰিছে। অন্যান্য সূত্ৰৰ উপৰিও অসমীয়া বুৰঞ্জী-সাহিত্য আৰু ফাৰ্চী কাহিনী-কথাসমূহৰ ভিত্তিত সিদ্ধান্ত কৰিব পাৰি, অন্তিম ১৮শ শতিকা আৰু আদি ১৯শ শতিকাৰ দোমোজাৰপৰাই অসমৰ পূৰ্বতন ৰাজনৈতিক মৰ্য্যাদা লাহে লাহে লুপ্ত হ'বলৈ ধৰিলে। বিষাদান্তিক ৰাজনৈতিক নাটকখনৰ শেষ দৃশ্যত আমি দেখা পাওঁ, মানৰ আক্ৰমণৰ শেষত ১৮২৬ চনত স্বাধীনতাৰ বেলিমাৰ ঘটিল। আমাৰ সকলোৰে কাৰণে ই এটি শিকনি এৰি থৈ গৈছে,—শিথিল প্ৰশাসনৰ লগত সংকীৰ্ণ স্বাৰ্থপৰতা আৰু ক্ষমতা-লিপ্সাৰ সংযোগতে নৈতিক আৰু বৈষয়িক অৱক্ষয়ৰ বীজ প্ৰোথিত হৈ থাকে।

৬। cf. S Beal : *Si Yu Ki,* II, P. 196f., T. Watters : *On Yuan Chang's Travels in India,* Vol II-P. 189 f.

১৮২৬ চনৰ পাছত ইছোৱা-সিছোৱাকৈ গোটেইখন অসম বৃটিছে অধিকাৰ কৰি লোৱাৰ কাহিনীৰ আঁৰে আঁৰে আছে এই দেশৰ বুৰঞ্জীৰ এক গৌৰবোজ্জ্বল অধ্যায়, য'ত আছে পাহাৰ আৰু ভৈয়ামৰ মানুহে অসীম বীৰত্বেৰে বৃটিছৰ প্ৰতিটো পদক্ষেপতে তীব্ৰ প্ৰতিৰোধ আগবঢ়াই বিজেতাক বিপৰ্যস্ত কৰি তোলাৰ কাহিনী। দৰাচলতে, ১৮২৮ চনতে গ'মধৰ কোঁৱৰে স্বাধীনতা সংগ্ৰামৰ পাতনি মেলে ; আৰু সেই সংগ্ৰাম ১৯৪৭ চনত দেশ স্বাধীন নোহোৱালৈকে ক্লান্তিহীন-ভাৱে চলি থাকে। গতিকে, উক্ত গ'মধৰ কোঁৱৰ আৰু ১৮৩০ চনৰ পিয়লি ফুকনৰ দিনৰপৰা ১৯২১ চনত নবীন বৰদলৈ-তৰুণ ফুকনৰ দিনকে সামৰি ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছৰ দিনলৈকে বিস্তৃত আধুনিক কালৰ অসম বুৰঞ্জী ইয়াৰ মাটিত অসংখ্য বীৰ-বীৰাংগনাৰ স্বদেশপ্ৰেমৰ উজ্জ্বল দৃষ্টান্তেৰে খুন্দ্ খাই আছে। এই কথাই প্ৰমাণ কৰে, অসমৰ জনসাধাৰণে ১৮২৬ চনৰ বন্দোৱস্তক নিষ্ক্ৰিয়ভাৱে কেতিয়াও গ্ৰহণ কৰা নাছিল। ১৮২৮ চনৰপৰা মাহাত্মা গান্ধীৰ অসহযোগ আন্দোলনৰ দিনবোৰকে সামৰি ১৯৪২ চনৰ ভাৰত-ত্যাগ আন্দোলনৰ দিনত মোখনী মৰাকৈ অসমৰ স্বাধীনতা-যুঁজাৰু আৰু শ্বহীদসকলৰ অমৰ কীৰ্তিকলাপ সন্নিৱিষ্ট কৰি অসমত স্বাধীনতা ৰণৰ বিষয়ে এখন গ্ৰন্থ সংকলন কৰি উলিয়ালে পৰিষ্কাৰ হৈ পৰিব, দেশৰ এই অংশটোৰ জনসাধাৰণে ভাৰতীয় জাতীয়তাবাদৰ হকে কি এক প্ৰশংসনীয় অৰিহণা যোগাইছিল। সংস্কৃতিৰ ক্ষেত্ৰত, ভাৰতীয় আদৰ্শৰ প্ৰগতিমূলক উপলব্ধিক্ৰমৰ ওপৰত গুৰুত্ব প্ৰদান কৰি বিদ্যা আৰু কলা বিষয়ত চিন্তা-চৰ্চাৰ প্ৰকৃতি আৰু বিস্তৃতি সম্পৰ্কে বঢ়িয়া আভাস পাবলৈ হ'লে, কেৱল গুৱাহাটীৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগত সংৰক্ষিত সংস্কৃত ভাষাত ৰচিত সাঁচিপতীয়া পুথিৰ তালিকাখনৰ ওপৰত চকু ফুৰালেই তবধ মানিবলগীয়া হয়।[৭] সংস্কৃতৰ বহুল পঠন-পাঠনৰ ব্যৱস্থা আছিল টোলসমূহত, ৰাজচ'ৰাত আৰু সত্ৰসমূহত। এইকেইটা অনুষ্ঠানৰ উপৰিও, দেৱমন্দিৰ, অন্যান্য ধৰ্মীয় প্ৰতিষ্ঠান আৰু অগ্ৰহাৰৰ নামত বিভিন্ন যুগৰ নৰপতিসকলে উদাৰহস্তে দান কৰা কথাৰাৰ প্ৰণিধানযোগ্য। সুদূৰ ৬ষ্ঠ শতিকাতে উত্তৰ বংগৰ চন্দ্ৰপুৰী বিষয়ৰ ২০৫ টা উচ্চবংশীয় আৰ্য্য পৰিয়ালক ভূমিদান কৰাৰ কথা ভাস্কৰবৰ্মাৰ নিধনপুৰ তামৰ ফলিত উল্লেখিত হৈছে।[৮] ১১শ-১২শ শতিকাৰ কামৰূপী ৰজা

৭। P. C. Choudhury : *Catalogue of Sanskrit Manuscripts at the D. H. A. S.* 1961.

৮। *Epigraphia Indica,* Vol. XII, P. 63 f ; Vol. XIX, P. 246-60.

ধৰ্মপালে মধ্যদেশৰ এগৰাকী ব্ৰাহ্মণক ভূমিদান কৰাৰ উল্লেখ পোৱা যায়।[৯] অনুৰূপে, কামৰূপৰপৰা বাহিৰলৈ যোৱা পণ্ডিতসকলো সমকালীন ভাৰতৰ বিভিন্ন ৰাজ-দৰবাৰত সমানে সমাদৃত হোৱাৰ দৃষ্টান্ত আছে। ১০ম শতিকাত কৎলিগ ৰাজ্যৰ গংগাৰাজ অনন্তবৰ্মনে কামৰূপৰ বিষ্ণু-সোমাচাৰ্য্যক ভূমিদান কৰি সন্মান জনাইছিল। একে সময়ৰে এগৰাকী পৰমাৰ নৃপতিয়ে উল্লেখ কৰি গৈছে, বাক্‌পতিৰাজৰ এজনা ভাতৃয়ে কামৰূপৰ বামনস্বামীক ভূমিদান কৰিছিল।[১০] শংকৰাচাৰ্য্যৰ প্ৰতিদ্বন্দ্বী-পণ্ডিত অভিনৱগুপ্ত[১১], বিশাখদত্ত আৰু আনকি কামৰূপৰ সম্পৰ্কে অগাধ জ্ঞানেৰে পৰিপূৰ্ণ কৌটিল্যও হয়তো দেশৰ এই অংশৰে লোক আছিল।

ব্ৰাহ্মী, দেৱনাগৰী আৰু প্ৰাচীন অসমীয়া লিপিৰে লিখিত আৰু বিজুলীৰ চমকনিৰ দৰে ঠায়ে ঠায়ে কালিদাস আৰু বাণভট্টৰ ৰচনাশৈলীৰ প্ৰতিধ্বনি শুনাই যোৱা কবিতা আৰু কথাৰ ভাষাত ৰচিত সংস্কৃতৰ উত্তম নিদৰ্শন পোৱা যায়, অনেক শাসনলিপিত ; উল্লেখযোগ্য, কেইৰাজনো নৰপতি নিজেই বৰণীয় লেখকৰূপে স্বীকৃত। এইবোৰৰ উপৰিও, দেশৰ এই অঞ্চলটোত জাতীয় ঐতিহ্যৰ ফালৰপৰা গুৰুত্বপূৰ্ণ ভালেমান তথ্যাগত পুথিও সংকলিত হৈছেল। উদাহৰণস্বৰূপে, পালকাপ্যৰ 'হস্তায়ুৰ্বেদ'খন ইয়াতে বিৰচিত হৈছিল।[১২] ঠিক সেইদৰে, ভাৰতৰ সাংস্কৃতিক ইতিহাসৰ আৰু বিশেষকৈ কামৰূপৰ ইতিহাসৰ আকৰ-গ্ৰন্থস্বৰূপ ১০ম শতিকাৰ 'কালিকা পুৰাণ'খন আৰু ১৪শ শতিকাৰ 'যোগিনীতন্ত্ৰ' ইয়াতে সংকলিত। ১০ম-১২শ শতিকাত প্ৰাচীন কামৰূপী প্ৰাকৃত ভাষাত ৰচিত আৰু নিখিল ভাৰতীয় পৰিপ্ৰেক্ষিতত গুৰুত্বপূৰ্ণ চৰ্যাচৰ্যবিনিশ্চয়কে ধৰি ভালেমান বজ্ৰযান ৰচনা অসমৰপৰা যোৱা কেইজনমান তান্ত্ৰিক সিদ্ধৰে কীৰ্তি বুলি সিদ্ধান্ত কৰা হৈছে।[১৩] নৰনাৰায়ণ ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰা কবি কৰ্ণপূৰে 'বৃত্তমালা' নামৰ এখন পিংগল শাস্ত্ৰ প্ৰণয়ন কৰিছিল। একেজন কোঁচ ৰজাৰে পৃষ্ঠপোষকতাত ১৫শ-১৬শ শতিকাত 'প্ৰয়োগ ৰত্নমালা'কে ধৰি বহুসংখ্যক কোষ আৰু ব্যাকৰণ গ্ৰন্থ ৰচনা কৰিছিল পুৰুষোত্তম বিদ্যাবাগীশে।

৯। *Journal of Assam Research Society*, Vol. VIII. P. 113 f.
১০। *Epigraphia Indica*, Vol. XXVI , P. 62-68.
১১। C. N. K. Aiyar : Śrī Śamkarāchāryya etc., P. 56.
১২। *J. B. O. R. S.* Vol. V. P. 311.
১৩। G. Tucci : *J. P. A. S. B.* 1930, P. 133-136.

আকৌ, সেনাপতি শুক্লধ্বজৰ পৃষ্ঠপোষকতা লভি ৰত্নাকৰ কন্দলীয়ে 'সাৰদীপিকা' নামেৰে জয়দেৱৰ 'গীতগোবিন্দ'ৰ এখন টীকা ৰচনা কৰিছিল। উল্লেখযোগ্য যে, সেনাপতি শুক্লধ্বজে নিজেও উক্ত কাব্যখনৰ 'সাৰৱতী' নামেৰে নিজৰ ৰবীয়াকৈ এখন টীকা ৰচনা কৰি উলিয়াইছিল। ২২৯টা মৌলিক শ্লোকেৰে সৈতে মাধৱদেৱৰ 'নামঘোষা', শংকৰদেৱৰ 'ভক্তি-ৰত্নাকৰ', ভট্টদেৱৰ 'ভাগৱতভক্তিবিবেক'—এই আটাইকেইখন ভক্তিমূলক গ্ৰন্থ অসমীয়া বৈষ্ণৱ মহাপুৰুষকেইজনাৰ সাহিত্যকৃতিয়েই নহয়, ভাৰতীয় দাৰ্শনিক চিন্তাৰ আধাৰত প্ৰতিষ্ঠিত মানৱতাবাদলৈয়ো মহান বৰঙণি।

যি কি নহওক, আয়ুৰ্বেদ, স্মৃতি আৰু জ্যোতিষৰ ক্ষেত্ৰতেই ভাৰতীয় পদ্ধতি-সমূহক চহকী কৰিব পৰাকৈ অসমৰ দান উল্লেখযোগ্য।[১৪] থলুৱা কামৰূপী ভেষজ বিজ্ঞানৰ পুথি 'যোগ-শতক'ৰ ৰচয়িতা হিচাপে নাগাৰ্জুনৰ নাম কোনে নেজানে? একে শিৰোনামাৰে সংহিতাৰ প্ৰণেতা চক্ৰপাণি দত্ত, চৰক, সুশ্ৰুত আৰু বাগ্‌ভট্টৰ 'শুকত্ৰয়ী'ৰ আধাৰত লিখিত সাৰঙ্গধৰ নামৰ 'লঘুত্ৰয়ী' আৰু বিখ্যাত 'নিদান'ৰ ৰচয়িতা মাধৱকৰ।[১৫] এই সকলো কেইজন অসমৰে সন্তান। এইবিলাকৰ উপৰিও আৰু বহুতো গুৰুত্বপূৰ্ণ আয়ুৰ্বেদ-সম্পৰ্কীয় গ্ৰন্থ অসমত ৰচিত হৈছিল। এইবোৰ গ্ৰন্থৰ প্ৰতিপাদ্য বিষয় যদিও মূলতঃ চিৰাচৰিত ভাৰতীয় পদ্ধতিৰ ওপৰত প্ৰতিষ্ঠিত, তথাপি সিবিলাকত তথাকথিত আসুৰিক চিকিৎসা-প্ৰণালীৰ দৰে থলুৱা পদ্ধতিৰ ওপৰত গুৰুত্ব প্ৰদান কৰা এক বিশেষ ধৰণৰ বিকাশ পৰিলক্ষিত হয়। কেৰালা প্ৰভৃতি অঞ্চলত থকাৰ দৰে অসমতো আজিকোপতি এনে বিশ্বাস সঞ্চালনিকৈ চলি আছে যে, বেজসকলে আওবোৰা মন্ত্ৰ আৰু জৰা-ফুকাই ঔষধৰ নিৰাময়তা বঢ়ায়। জ্যোতিষৰ দেশ অসমে বুৰঞ্জীৰ প্ৰথম পুৰাৰেপৰা জ্যোতিষ আৰু জ্যোতিৰ্বিজ্ঞান নামৰ যুগ্ম-বিজ্ঞানৰ বিকাশৰ বাবে যথেষ্ট অৰিহণা যোগাই আহিছে। বৰাহমিহিৰৰ উপৰিও আৰু নানাজনৰ দ্বাৰা ৰচিত সংহিতা আৰু সিদ্ধান্তৰ বহু বিভিন্ন পাঠ এইখন দেশত আৱিষ্কৃত হৈছে; অকল মূল পুথিয়েই নহয়, সিবিলাকৰ বহু টীকা-ভাষ্যৰো একাধিক পাঠ সংগৃহীত হৈছে। খণ্ডসাধ্য নামেৰে খ্যাত এক বেলেগ ধৰণৰ

১৪। P. C. Choudhury : *I. H. C.* 22nd Session, 1969. P. 22-30.

১৫। D. N. Tarkatirtha and P. C. Choudhury : *Vaidya-kasārodhāra*, Introduction. P. 9.

গণনাপ্ৰণালীও অসমত বহুকাল ধৰি চৰ্চিত হৈছিল। ১৬৪৬ শকত প্ৰণীত কবিৰাজ চক্ৰবৰ্তীৰ 'দিনকিৰণাৱলী' আৰু প্ৰায় একে সময়তে ৰচিত বংশীবাদন দ্বিজৰ 'জ্যোতিৰ্মুক্তাৱলী' এনেধৰণৰ দুখন পুথি, যি দুখনক ভাৰতীয় পদ্ধতিৰ ভিত্তিকৰা উল্লেখযোগ্য ৰচনা বুলি বিবেচনা কৰিব পাৰি। ধৰ্মশাস্ত্ৰ অথবা স্মৃতি অধ্যয়ন-বিষয়ক ৰচনা আৰু দশকৰ্ম-সংস্কাৰ প্ৰমুখ্যে অন্যান্য বিধি সম্পৰ্কীয় গ্ৰন্থ ৰচনাৰ বিষয়ত অসমৰ বৰঙণি ইয়াতকৈয়ো বেছি। এনেকুৱা কেইখনমান প্ৰাচীন পুথিৰ নাম ক'বলৈ হ'লে, এইবোৰ পুথিৰ নাম ক'ব পাৰি: বেদাচাৰ্য্যৰ 'স্মৃতিৰত্নাকৰ', নীলাম্বৰাচাৰ্য্যৰ 'কালকৌমুদী', ধৰ্মেশ্বৰৰ 'ধৰ্মসংগ্ৰহ' আৰু স্মৃতিকাৰ আচাৰ্য্য দামোদৰ মিশ্ৰই ১৩০৮ শকতে ৰচনা কৰা তেওঁৰ বিখ্যাত গ্ৰন্থ 'স্মৃতিসাগৰ সাৰ' অথবা 'স্মৃতিগংগাজল'ত উল্লেখ কৰা ৰুচিৰ মিশ্ৰৰ 'স্মৃতিপদ্ম', 'স্মৃতিমীমাংসা', 'স্মৃতিসমুচ্চয়' আৰু 'স্মৃতিসাগৰ' নামৰ গ্ৰন্থকেইখন। এই সকলোবোৰ ৰচনাৰ ভিতৰত ১৬শ-১৭শ শতিকাত পীতাম্বৰ সিদ্ধান্ত বাগীশে ৰচনা কৰা ১৮ খন 'কৌমুদী' কামৰূপী পদ্ধতি আৰু হিন্দু সংস্কাৰৰ সৰ্বভাৰতীয় পদ্ধতি উভয়ৰে ক্ষেত্ৰত আটাইতকৈ উল্লেখযোগ্য ৰচনাৱলী।[১৬]

অসম আৰু মোগলৰ মাজত বিনিময় হোৱা কূটনৈতিক চিঠি-পত্ৰসমূহত ব্যৱহাৰ কৰা প্ৰশস্তি-ৰচনবিলাক, যদিও অসমীয়া লিপিৰে লিখিত, তথাপি সংস্কৃত ৰচনাৰ অতি সুন্দৰ নিদৰ্শন পোৱা যায়। ইবিলাকৰ ভাবাত বৰৰুচিৰ 'পত্ৰকৌমুদী'ৰ ধৰণৰ ৰচনাশৈলীৰ সুন্দৰ অনুকৰণ ফুটি উঠা দেখা যায়।

অসমীয়া লিপিৰ ইতিহাস আৰু অসমীয়া ভাষাৰ ক্ৰমবিকাশৰ আলেখ-লেখ ল'লেই উমান পোৱা যায়, অসমীয়া সাহিত্যৰ চৰিত্ৰ কিমানখিনিলৈকে সৰ্ব-ভাৰতীয় আৰু কিমানখিনিলৈকে খিলঞ্জীয়া অনুপ্ৰেৰণাৰ পৰিণতি। অসমীয়া লিপি ব্ৰাহ্মী বৰ্ণমালাৰ ওপৰত প্ৰতিষ্ঠিত; ৮ম শতিকাৰ পাছৰ শাসনলিপিসমূহত এনে ধৰণৰ যথেষ্ট সংখ্যক বাক্যখণ্ডৰ প্ৰয়োগ পোৱা যায়, যিবোৰৰ প্ৰকাশভংগী জাতে-পাতে আধুনিক আৰু উমৈহতীয়া উত্তৰ-ভাৰতীয়, অথবা সূক্ষ্মভাৱে ক'বলৈ হ'লে মৈথিলী তথা কামৰূপী-প্ৰাকৃত সূত্ৰৰপৰা চয়ন কৰি অনা। এই শাসন-লিপিসমূহতে এনে কিছুমান প্ৰকাশভংগীৰ নমুনাও পোৱা যায়, যিবোৰে স্পষ্ট আভাস দাঙি ধৰে যে আধুনিক অসমীয়া ভাষাৰ জননীস্বৰূপা কামৰূপী অপভ্ৰংশই এই সময়ছোৱাতে আপোন নিয়মেৰে গঢ় ল'বলৈ আৰম্ভ কৰিছিল।

১৬। M. R. Sastri and P. C. Choudhury: *Smṛti—Jyotiṣasārasaṁgraha*, Introductron. P. 9

এই ভাষাটোৱেই কেইবাশতিকালৈকে পূব ভাৰতৰো আৰু বিশেষকৈ বৰ্ত্তমানৰ উত্তৰ বংগ অঞ্চলৰ কথ্য ভাষা আছিল। ১১৫৪ শকতে খোদিত আমবাৰী প্ৰস্তৰ-লিপিয়ে যথেষ্টভাৱে প্ৰমাণৰ যোগান ধৰে, অসমীয়া গদ্যৰ বুৰঞ্জী কিমান প্ৰাচীন ![17] এইখনৰ লগতে ১২৮৪ শকত খোদিত গছতলা স্তম্ভৰ লিপিয়ে[18] যুটীয়াকৈ এইবাৰ কথা প্ৰতিপন্ন কৰে যে, আনকি ভট্টদেৱৰ 'কথাগীতা' আৰু বুৰঞ্জী-সাহিত্যৰ অসমীয়া গদ্যত ৰচিত হোৱাৰ বহুদিন পূৰ্বেই আঞ্চলিক গদ্য-সাহিত্যৰ গঢ় দিয়াত অসমে প্ৰথম উকলি জোঁকাবটো দিছিল। তদুপৰি, এইষাৰ কথাও সলসলীয়াকৈ ওলাই পৰে, ১৪শ-১৬শ শতিকাৰ প্ৰাক্-বৈষ্ণৱ আৰু বৈষ্ণৱ লেখকসকলৰ ৰচনাত ব্ৰজবুলি ভাষাৰ প্ৰভাৱ বিচাৰি হাবাথুৰি খোৱাৰো কোনো প্ৰয়োজন নাই। আদি যুগৰ কাব্য-সাহিত্যৰ সুন্দৰতম নিদৰ্শন পোৱা যায়, পূৰ্বকবি অপ্ৰমাদী মাধৱ কন্দলীয়ে ১৪শ শতিকাতে ৰচনা কৰা 'ৰামায়ণ'খনত, যিখন খুব সম্ভৱ ভাৰতীয় আঞ্চলিক ভাষাসমূহৰ অনূদিত মহাকাব্যবোৰৰ ভিতৰত আদিতম ৰচনা। গদ্য-সাহিত্য হওক অথবা কাব্য-সাহিত্যই হওক, ১৪শ শতিকাত হেম সৰস্বতী আৰু হৰিবৰ বিপ্ৰৰ দ্বাৰা ৰচিত যথাক্ৰমে 'প্ৰহ্লাদ-চৰিত্ৰ' আৰু 'বভ্ৰুবাহনৰ যুদ্ধ'ৰপৰা আৰম্ভ কৰি শংকৰদেৱ আৰু মাধৱদেৱৰ অমৰ লেখনীৰ-পৰা ওলোৱা 'কীৰ্তন' আৰু 'নামঘোষা' প্ৰমুখ্যে বৰগীত আৰু অংকীয়া নাটসমূহ সামৰি, পৰৱৰ্তী কালৰ 'ভাগৱত', 'গীতা' ৰামায়ণ', আৰু 'মহাভাৰত'ৰ একাধিক ভাঙনিবে অসমীয়া সাহিত্যৰ গৌৰবোজ্জ্বল ঐতিহ্য অক্ষুণ্ণ ৰাখিছিল। এই সকলোখিনি ৰচনাই অসমীয়া আধ্যাত্মিক সাহিত্য চহকী কৰি তুলিছিল, পবিত্ৰ ধৰ্মশাস্ত্ৰৰ ৰূপত অভিষিক্ত হৈ ৰোৱা ভাৰতীয় সাহিত্য-পৰম্পৰাক নতুন প্ৰাণৰ উন্মাদনাৰে বিস্তীৰ্ণতৰ কৰি তোলাত উল্লেখযোগ্য ৰবঙণি যোগাইছিল আৰু দেশৰ বিভিন্ন শ্ৰেণীৰ জনসাধাৰণৰ প্ৰাণৰ তন্ত্ৰীত ঐক্যৰ সুৰ বজাই সুউচ্চ নৈতিকতাৰ আদৰ্শেৰে সকলোকে উদ্বুদ্ধ কৰি তুলিছিল।

অসমৰ সমাজ-জীৱন, যদিও মূলতঃ বৰ্ণাশ্ৰম ধৰ্মৰ ওপৰত প্ৰতিষ্ঠিত, তথাপি তান্ত্ৰিক পদ্ধতি আৰু নব-বৈষ্ণৱবাদৰ যুগল প্ৰভাৱেৰে সৈতে জনসংখ্যাৰ বিশিষ্ট বিন্যাসৰ লগত ৰজিতা খাই আপোন নিয়মেৰে গঢ় লৈ উঠিছে। অসমৰ সমাজত

১৭। P. C. Choudhury : *J. I. H.* Trivandrum, Vol. XLVIII No. I, P. 99-101.

১৮। P. C. Choudhury : *Visvesaranada Indological Journal*, Vol. IX, Mar. 1971, P. 121-124

জাতিভেদৰ কটকটীয়া অনুশাসনৰ অন্ধকাৰ দিশটো, প্ৰায় শূন্যৰ কোঠাত ; ইয়াৰ অন্তৰ্গত অস্পৃশ্যতা সংক্ৰান্ত বিধি-নিষেধৰ কোনো চিন-মোকাম নাই। যিবিলাকক এতিয়াও আধুনিকতাৰ উৰণীয়া বতাহে কোবাই যোৱা নাই, তেওঁ-লোকৰ অভাৱ-অনাটন নাই বুলিয়েই ক'ব পাৰি ; সাধাৰণভাৱে অসমীয়া মানুহৰ খাবনো গধুৰ, পিন্ধনো চহকী-চানেকীয়া ; প্ৰকৃতি অমায়িক আৰু ভাবিব নোৱৰাকৈ অতিথিপৰায়ণ—ঘৰ-বাৰী বন্ধকত থৈয়ো অতিথি পোষ-পোচ কৰিবলৈ সাজু, যিটো স্বভাৱ মানুহৰ আচৰণৰ বুৰঞ্জীত দুৰ্লভ বুলি ক'ব পাৰি। হিন্দু হওক অহিন্দু হওক, পাহাৰী হওক, ভৈয়ামীয়া হওক, মানুহৰ লগত মানুহৰ পাৰস্পৰিক নিৰ্ভৰশীলতা আৰু সহযোগিতাৰ সম্পৰ্ক সমাজৰ সকলো শ্ৰেণী মানুহকে চুই যোৱাটো অসমীয়া সমাজ-জীৱনৰ এক বিস্ময়কৰ চৰিত্ৰ। "অকল সেয়ে নহয়, ব্যক্তিগত আৰু সামূহিক পৰ্য্যায়ত অন্ন-বস্ত্ৰৰ প্ৰয়োজন আত্ম-নিৰ্ভৰশীলতাৰে উভৈনদীকৈ পূৰণ কৰাৰ আদৰ্শেৰে উদ্বুদ্ধ হৈ অসমীয়াই যি অনুষ্টুপীয়া খাদ্য আৰু মাৰ্জিত সাজপাৰ নিৰ্দিষ্ট কৰি লৈছে, তাৰ লগত তেওঁ-লোকৰ উদাৰ মনোভংগী আৰু পৰিশীলিত সামাজিক আচৰণ প্ৰণালী মিল হৈ তেওঁলোক দেশৰ শ্ৰীবৃদ্ধিৰ উপকৰণ হৈ ৰৈছে।"[১৯] অসমৰ অৰ্থনীতি কৃষি আৰু মাটিৰ সাজবাচন তৈয়াৰী, হাতীদাতৰ কাম, শিলৰ খোদাই কাঠ আৰু বেতৰ কামকে প্ৰমুখ্য কৰি নানা কুটীৰ আৰু হস্ত-শিল্পৰ ওপৰত প্ৰতিষ্ঠিত। তাৰো পূৰ্বৰ নহ'লেও, অন্ততঃ কৌটিল্যৰ দিনৰেপৰা চলি অহা এৰী, মুগা আৰু পাট-পলু পোহাৰপৰা আৰম্ভ কৰি সূতা কাটি কপাহী আৰু পাটৰ কাপোৰ বৈ উলিয়াই থলুৱা পদ্ধতিৰে কুল বাছি লোৱালৈকে বস্ত্ৰ-শিল্পৰ কথা বঢাই নক'লেও হ'ব। দেশৰ ক্ষুদ্ৰায়তন শিল্পৰ উদ্যোক্তাসকলে এতিয়াও এইবোৰৰ থলুৱা পদ্ধতি অনুকৰণ কৰি যন্ত্ৰেৰে ফেৰ মাৰিবলৈ শিকা নাই। এইবোৰ শিল্প আৰু চাৰুকলাই যিমানে ৰাষ্ট্ৰৰ পৃষ্ঠপোষকতা লাভ কৰিব, সিমানে দেশৰ সম্পদ বাঢ়িব আৰু অসম প্ৰাচুৰ্য্যৰ দেশলৈ ৰূপান্তৰিত হ'ব ; লগতে ভাৰতীয় জীৱনৰে জেউতি চৰিব। থলুৱা উদ্যোগসমূহক উৎসাহৰ যোগান ধৰি আৰু বিদেশত সিবোৰৰ উৎপাদনাসমূহ প্ৰদৰ্শন কৰি বিদেশী পোহাৰৰ দৃষ্টি আকৰ্ষণ কৰিব পৰাকৈ অনুকূল পৰিবেশ এটা গঢ়ি তোলা অকণো অসাধ্য নহয়।

১৯। P. C. Choudhury : *Hist. Civilization of people of Assam*. P. 333.

জড়োপাসনাৰপৰা বৈষ্ণৱ ধৰ্মলৈকে বহু বিভিন্ন ধৰ্মীয় মাৰ্গসংহতি আৰু ৰীতি-নীতিৰ ক্ৰমবিৱৰ্তনৰ ক্ষেত্ৰত আৰ্য্য আৰু অনাৰ্য্য উভয় জনগোষ্ঠীয়েই অৰিহণা যোগাই আহিছে। সুপ্ৰাচীন যুগৰেপৰা অসম আদিত্য-উপাসনা আৰু বৌদ্ধ ধৰ্মৰ প্ৰধান কেন্দ্ৰ হৈ আছিল। ব্ৰহ্ম, কম্বোজ, সুমাত্ৰা আৰু জাভা দ্বীপপুঞ্জকে লৈ দক্ষিণ-পূব এছিয়াৰ বিক্ষিপ্ত অঞ্চলসমূহত ভাৰতীয় সংস্কৃতিৰ উপনিবেশ প্ৰতিষ্ঠা আৰু তাৰ বিপুল বিস্তাৰণৰ দ্বাৰেই সেইবোৰ দেশত বুদ্ধৰ[২০] বাণী প্ৰচাৰৰ ক্ষেত্ৰতো অসমে এক তাৎপৰ্য্যপূৰ্ণ ভূমিকা পালন কৰিছিল। তান্ত্ৰিকতাবাদ অথবা শাক্ত ধৰ্মৰ প্ৰধান কেন্দ্ৰ হিচাপে অসমে ইয়াৰ ৰংগময় আৰু ৰীতিগত দিশ দুটালৈ যথেষ্ট অৰিহণা আগবঢ়াইছিল, যাৰ বিস্তাৰিত বৰ্ণনা পোৱা যায় ১৮শ শতিকাৰ কৃষ্ণৰাম ন্যায়বাগীশৰ লেখাত। যি কি নহওক, হিন্দু আৰু শেহতীয়া বৌদ্ধ ৰীতি-নীতিৰ লগত সংমিশ্ৰিত হৈ এই ধৰ্মৰ বিৰাট পৰিবৰ্তন ঘটিল। ১৪শ-১৬শ শতিকাৰ যি বৈষ্ণৱ ধৰ্মৰ প্লাৱনে ভাৰতীয় মানুহৰ জীৱন বুৰাই থৈছিল, সেই ধৰ্মই অসমত কেৱল জনজাতীয় লোককে আকোৱালি লৈ ক্ষান্ত হোৱা নাছিল, আনকি যৱনৰ মাজৰপৰাও সুৰাগুটি তুলি আনিবলৈ পাহৰা নাছিল; এয়া শংকৰদেৱ আৰু তেওঁৰ প্ৰধান শিষ্য মাধৱদেৱৰ অসাধ্য সাধনেই নহয়, ভাৰতীয় সমাজনীতিৰ আদৰ্শলৈ অতুলনীয় অৱদান। তেওঁসকলে গীতা-ভাগৱতৰ ভক্তিৰ আদৰ্শত নাম-কীৰ্তনৰ যোগেদি, জাতি-বৰ্ণ নিৰ্বিশেষে সকলো শ্ৰেণীৰ মানুহে কৃষ্ণৰূপী পৰমব্ৰহ্মৰ আৰাধনাৰ ওপৰতে গোটেইখিনি গুৰুত্ব আৰোপ কৰিছিল। এই সাৰ্বিক অধিকাৰৰ আদৰ্শই এনে এক বহল আৰু নিকপ্‌ৰূপীয়া সমাজ-ব্যৱস্থাৰ সৃষ্টি হোৱাত সহায় কৰিছিল, য'ত জন্মগত উত্তমৰ্ণতা আৰু অস্পৃশ্যতাৰ ভিত্তিত কোনো বৈষম্যবোধৰ ঠাই নাই। ভাৰতীয় জীৱন-বোধ আৰু বেদ-বেদান্ত-উপনিষদত বিধৃত হি দৰ্শনে মানুহৰ সেৱা আৰু সকলো জংগম প্ৰাণীৰ প্ৰতি কৰুণাৰ মাজেৰেই ঈশ্বৰ আৰাধনাৰ আদৰ্শ দাঙি ধৰিছে, জীৱন্মুক্তিৰ সম্ভাৱনা কল্পনা কৰিছে, যি সত্তাৰ উপলব্ধি মহাত্মা গান্ধীৰ জীৱনত দেখা যায়, তাৰে মহত্বপূৰ্ণ ছবি এখন আঁকি উলিয়াইছিল আদৰ্শ গুৰু-ভক্তৰ সম্পৰ্কেৰে শংকৰ-মাধৱ গুৰু দুজনাই। শ্ৰীমন্ত শংকৰ গুৰুৱে 'কীৰ্তন' পুথিৰ দুৱাৰ ডলিতে সৰ্বময় অনাদি অনন্তক এইদৰে প্ৰণিপাত কৰিছে :

প্ৰথমে প্ৰণামো ব্ৰহ্মৰূপী সনাতন।

২০। Cf. P. C. Bagchi, *India and China.*

আৰু তেওঁৰ শিষ্য মাধৱদেৱে 'নামঘোষা'ৰ দ্বাৰা উদ্দিত নিষ্কাম ভকতকে সেৱা জনাইছে, ভক্ত আৰু কৃষ্ণদেৱক অভিন্ন কল্পনা কৰি—এইদৰে: মুক্তিত নিস্পৃহ যিটো সেহি ভকতক নমো···অসমীয়া বৈষ্ণৱ ধৰ্মৰ এই সূক্ষ্মাতিসূক্ষ্ম সত্ত্য, যাৰ লগত ৰামানুজ, চৈতন্যদেৱ, নানক আৰু বল্লভাচাৰ্য্যৰ দাৰ্শনিক তত্ত্বকথাৰ তুলনা নহয়, ভাৰতীয় আধ্যাত্মিক সাধনাৰ জগতলৈ অসমৰ এক মহান অৱদান। মুঠৰ ওপৰত, দশমহাবিদ্যা আৰু দ্বাদশ কালীৰ ৰূপান্তৰ তথা নৱদুৰ্গাৰ প্ৰতীকীৰূপ কামাখ্যাৰ যোনিপীঠক কেন্দ্ৰ কৰি গঢ়ি উঠা অসমৰ ৰহস্যময় তান্ত্ৰিকতাবাদ আৰু বিৰাট এক সাহিত্য-সম্পদৰ যোগান ধৰি সাংস্কৃতিক নৱজাগৰণৰ সৃষ্টি কৰা অসমৰ মানৱতাবাদী নব-বৈষ্ণৱধৰ্ম—এই দুয়োটাই ভাৰতীয়ত্বৰ দুডাল তন্ত্ৰীৰ প্ৰাণ-সঞ্চাৰিণী সুৰবে স্পন্দন বুলি নিঃসংকোচে ক'ব পাৰি। অসমৰ চুকে-কোণে সিঁচৰিতি হৈ থকা আৰু পবিত্ৰতাৰ সুৰভি-নিৰ্যাস বিলাই থকা সত্ৰসমূহৰ গুৰু-আসনত ইংগিতময় ৰূপত জিলিকি থকা স্বৰ্গলোকৰ বাট পোহৰাই থোৱা অখণ্ড প্ৰদীপৰ শিখা আজিকোপতি ভাৰতীয়-আৰ্য্য সভ্যতাৰ উজ্জ্বল জোৰৰ নিচিনাকৈ জ্বলি আছে। পুৰাতত্ত্ব আৰু সুকুমাৰ কলাৰ ক্ষেত্ৰতো অসমীয়া স্থপতিবিদ্, ভাস্কৰ, শৈলকাৰ, খনিকৰ, চিত্ৰশিল্পী আৰু সংগীতজ্ঞসকলে সৰ্বভাৰতীয় শিল্প-জগতলৈ উল্লেখযোগ্য বৰঙণি যোগাই থৈ গৈছে। ইয়াৰ প্ৰমাণ ৫ম-৬ষ্ঠ শতিকাৰ দহ-পৰ্বতীয়াৰ দুৱাৰ-সাজ, ৮ম শতিকাত নিৰ্মিত তেজপুৰ বামুণী পাহাৰৰ ফুলাম তোৰণ, একে শতিকাৰে কামাখ্যাৰ বেণুগোপালৰ মূৰ্তি, ৯ম শতিকাত খোদিত দেওপানীৰ বিষ্ণু মূৰ্তি আৰু অসংখ্য খান্দি উলিওৱা নিদৰ্শনৰ উপৰিও মাটিৰ উপৰিভাগতে জীৱন্ত ৰূপত জিলিকি থকা গড়গাঁৱৰ কাৰেংঘৰ, শিৱসাগৰৰ শিৱদৌল, গুৱাহাটীৰ কামাখ্যা-উমানন্দ-শুক্ৰেশ্বৰ-অশ্বক্ৰান্ত আৰু হাজোৰ মন্দিৰ-সমূহ তথা অসংখ্য বৈষ্ণৱ সত্ৰই জলজল্ পট্পট্ কৈ দাঙি ধৰে। উল্লেখযোগ্য, এই সকলোবোৰ প্ৰাক্-বৃটিছ যুগত ৰজা-মহাৰজাসকলৰ উদাৰ দানেৰেহে সম্ভৱপৰ হৈছিল। অসমৰ ভাস্কৰ্য্য আৰু খোদিত মূৰ্তিসমূহৰ শৈলীৰ লগত গুপ্ত, পাল, পল্লৱ, চালুক্য আৰু উৰিষ্যাৰ প্ৰতিৰূপসমূহৰ শৈলীৰ বিস্ময়কৰ মিল পৰি-লক্ষিত হৈছে,[২১] আনকি, মোগল শৈলীৰো মিল বিচাৰি পোৱা গৈছে। ভাগৱত আৰু অন্যান্য শাস্ত্ৰসমূহৰ কথাবস্তুৰে মাওত বহুল পৰিমাণৰ ভাস্কৰ্য্যসহ বিশেষকৈ অসমৰ বৈষ্ণৱ সত্ৰসমূহৰ স্থাপত্যৰীতি উৰিষ্যাৰ অনুৰূপ শৈলীৰ সৈতে ভাৰতীয় 'মানসাৰ'লৈ অলংকৰণৰ ক্ষেত্ৰত এক নতুন উপাদানেৰে নতুন অভিযোজন।

২১। T. Ramachandran : *A. R. A. S. I.* 1936-37. P. 54 f.

১৮শ শতিকাত লিপিবদ্ধ 'হস্তিবিদ্যাৰ্ণৱ', 'শংখচূড়বধকাব্য', 'ধৰ্মপুৰাণ আৰু 'শ্ৰীভ-গোবিন্দ'ৰ নিচিনা প্ৰচুৰ পৰিমাণৰ চিত্ৰালংকৃত পাণ্ডুলিপিসমূহৰ চিত্ৰ-কলাত বুন্দাবনী, ৰাজস্থানী আৰু আৰ্মনিক যোগল শৈলীৰো প্ৰভাৱ ধৰা পৰিছে। তথাপিও, চিত্ৰ-শিল্পৰ ক্ষেত্ৰত যে অনেককলীয়া এক থলুৱা ঐতিহ্য আছিল, এই কথাৰাৰ অনুমান কৰিব পাৰি, হাতেবোৰা কাপোৰত বৈষ্ণৱ মহাপুৰুষসকলে আচুহতাৰে স্বৰ্গৰ মনোৰম পট ফুটাই তোলা ঘটনাত। অসমীয়া চিত্ৰকলাৰ ক্ষেত্ৰত যি দৰে এহাতে 'শিল্পশাস্ত্ৰ'ৰ আদৰ্শ আৰু আনহাতে মাটিৰ গোন্ধ থকা পদ্ধতিৰ অপূৰ্ব সমন্বয় পৰিলক্ষিত হয়, সেইদৰে সংগীত আৰু নৃত্যৰ দৰে সমধৰ্মী সুকুমাৰ কলাৰ ক্ষেত্ৰতো অনুৰূপ সমন্বয় দেখা যায়। ইয়াৰ সুন্দৰ নিদৰ্শন পোৱা যায় সত্ৰীয়া নৃত্য-গীত আৰু বিহুৰ গীত-নাচোনৰ দৰে অসমীয়া জীৱনক জোকাৰি যাব পৰা দুটা ভিনসুৰীয়া আদৰ্শত, যাৰ প্ৰথমটো নন্দনতাত্ত্বিক ৰূপত স্বৰ্গমুখী আৰু পাছৰটো বাস্তৱ ধৰ্মী ৰূপত মৰ্ত্ত্য অভিমুখী।

মিল আৰু অমিল যিমানেই নেথাকক, হাজো-কামাখ্যা-শিৱসাগৰৰ দৌল-দেৱালয়সমূহত একেটি থূপতে যি দৰে বৌদ্ধ, সৌৰীয়, বৈষ্ণৱ আৰু শৈৱ-শাক্ত স্থাপত্যৰূপ আৰু ভাস্কৰ্য্যবৈচিত্ৰ্যৰ মিলন ঘটিছে, সি বৃহত্তৰ জন-জীৱনত অনুভূত ধৰ্মীয় ঐক্যবোধৰ সুদীৰ্ঘ ঐতিহ্যৰে প্ৰতিফলন স্বৰূপ। আকৌ, সাম্প্ৰদায়িক সম্প্ৰীতি তথা হিন্দু-মুছলমান ঐক্যভাৱৰ সুন্দৰতম নিদৰ্শন দাঙি ধৰিছে, হাজোৰ নিচিনা হিন্দু-বৌদ্ধৰ তীৰ্থক্ষেত্ৰতে মুছলমানৰ পোৱা-মক্কাৰ অৱস্থিতিয়ে, ঠিক যেনেকৈ জিকিৰসমূহৰ নিচিনা আল্লা-ভগৱানৰ অভিন্নতাজ্ঞাপক এনানি অসমীয়া পাৰমাৰ্থিক গীতসম্পদেও তাৰে সাক্ষ্য বহন কৰিছে। এয়া ভাৰতীয় মনৰ ধৰ্মীয় উদাৰনীতিক মহীয়ান কৰি তোলা অসমীয়া জাতিৰ এক মহান অৱদান। তক্লেশ্বৰত থকা ভাৰতীয় মূৰ্তিশিল্পৰ পঞ্চায়তনৰ আদৰ্শত শিল কাটি গঢ় দিয়া নাৰায়ণৰ মূৰ্তি আৰু দুয়োকাষে শিৱ-দুৰ্গা আৰু সূৰ্য-গণেশৰ মূৰ্তিপুঞ্জ যি দৰে সকলো দেৱ-দেৱীক সমজ্ঞান কৰা পুৰাণ-পৰম্পৰাৰ ওপৰত প্ৰতিষ্ঠিত, দেওনানীত পোৱা ৮ম-৯ম শতিকাৰ হৰি-হৰৰ যুগল মূৰ্তি যিদৰে হিন্দু ধৰ্মৰ অন্তৰ্নিহিত ঐক্যভাৱৰ অভিব্যঞ্জক, সেইদৰে অশ্বক্লান্তত থকা অমেয় সৌন্দৰ্য্যময় অনন্তশয়ী বিষ্ণু-মূৰ্তি আমাৰ সৃষ্টিতত্ত্বৰ মৌল সত্যেৰে বিধৌত শিল্পৰূপ। থোৰতে ক'বলৈ হ'লে, প্ৰতিটো অসমীয়া শিল্পকৃতিতে, ৰূপায়ণৰ অজস্ৰ বৈচিত্ৰ্য সত্ত্বেও, ভাৰতীয় সমাজ-ব্যৱস্থা আৰু শাস্ত্ৰসমূহত বিধৃত ধৰ্ম-দৰ্শন তথা নৈতিক অনুশাসন অতি সুন্দৰকৈ প্ৰতিধ্বনিত হৈ উঠিছে। এতিয়াও আৱৰণিৰ মুখ নেদেখা পুৰাতাত্ত্বিক

খননকাৰ্য হাতত ল'লেহে ব্ৰহ্মপুত্ৰ উপত্যকা আৰু গংগা উপত্যকাৰ সভ্যতা দুটাৰ মাজত থাকিবলগীয়া হেৰোৱা সাঁকোখন বিচাৰি পোৱা যাব। জাতীয় দায়িত্ব হিচাবে এই কাম হাতত ল'বৰ সময় হ'ল। কাৰণ সেই হেৰোৱা সাঁকোখন বিচাৰি পালেহে, ভাৰতীয় সংস্কৃতি-বীণাৰ সূক্ষ্মতম তন্ত্ৰীসমূহৰ সুৰ শুনিবলৈ পোৱা যাব, আমাৰ কাৰ্য-কলাপত ফুটি উঠা ক্ৰটী-বিচ্যুতি আৰু ভ্ৰান্ত ধাৰণাসমূহ আঁতৰ হ'ব, লগতে এনে এদল আধুনিক অসমীয়া মানুহৰ সামৰ্থ্যৰ পৰিচায়ক হ'ব, যিদল অসমীয়াই বিচিত্ৰ ৰূপময় ভাৰতীয় সংস্কৃতিৰ স্বৰূপব্যঞ্জক এখন নতুন ফুলাম দলিচা বৈ উলিওৱাৰ সম্ভাৱনা মুকলি কৰি দিব।*

---

* অসম সাহিত্য সভা পত্ৰিকা, ১৯৭৪ চনত প্ৰকাশিত

শ্ৰীমন্ত শংকৰদেৱ আৰু অসমীয়া সংস্কৃতি

শ্ৰীমন্ত শংকৰদেৱ ঐতিহ্যমণ্ডিত অসমীয়া সংস্কৃতি, তথা ভাৰতীয় ধৰ্ম্ম আৰু সভ্যতাৰ নব্যৰূপকাৰ, উৎকৃষ্ট ভাষ্যকাৰ। অসমীয়া সাহিত্যৰ বুৰঞ্জীত এইটো জাজ্বল্যমান: ভাৰতীয় বৈষ্ণৱ সাহিত্যত আজিও নিকল্পেখিত, যিটো হয় অসমীয়া বিদ্বেষ, নহয় অজ্ঞতাৰ পৰিচায়ক। কেৱল প্ৰচাৰৰ অভাৱত এই অভাৱনীয় ক্ৰটী হোৱাটো অবিশ্বাস্য। কাৰণ, তেৱাই উত্তম হিন্দু শাস্ত্ৰ কেইখনিৰে সাৰখিনি এনেকুৱা সৰল ভাষাত লিপিবদ্ধ কৰি থৈ গৈছে, যি, যিকোনো ভাষা সাহিত্যবিদৰে বুজাত সহজ সাধ্য। ভাৰতীয় পণ্ডিতক বুজাব লাগে, নৱবৈষ্ণৱ-যুগৰ ইতিবৃত্ত তেৰাসৱৰ জীৱন চৰিত বাদ দি লিখিলে অসম্পূৰ্ণ হয়; আৰু বুজাই কব লাগে, ভাৰতত এনেকুৱা মহামানৱ আজিও জন্মা নাই, যিজনা একেধাৰে সনাতন ধৰ্ম্মপ্ৰচাৰক, নিৰ্মল সমাজ-সংস্কাৰক, নিষ্কাম মানৱপ্ৰেমী আৰু বিশিষ্ট কলা-কৃষ্টিকাৰ আৰু যিজনাৰ জীৱন-চৰ্চ্চাত কায়-মন-বাক্যৰ লেখমানো অসামঞ্জস্যতা পোৱা নাযায়। সেয়েহে আলি-পুখুৰীত আৱিৰ্ভাৱ নহৈ পুৰী, বৃন্দাৱনত হোৱাহেঁতেন তেৰাৰ নাম যশ, মাধৱ মহাপুৰুষে কোৱাৰ নিচিনা ব্ৰহ্মাণ্ডক ভেদি বৈ বৈ গ'লহেঁতেন আৰু গুৰুদেৱতাৰ আদেশ শিৰোধাৰ্য্য কৰি ঘোষাপুথিত দেৱশাৰীত স্থান দিয়াৰ সম্যক উপলব্ধি হ'লহেঁতেন।

শ্ৰীমন্ত শংকৰৰ আৱিৰ্ভাৱৰ বহু শতিকাৰ আগৰ পৰাই অসমত উন্নত সভ্যতাৰ বীজ মেলিছিল, সকলো ফালৰ পৰাই। এই ক্ৰমবৰ্দ্ধমান সভ্যতাত চাপ পৰিছে বহু জাতি-বিজাতিৰ। তেৰাৰ এটি প্ৰবলসোঁত মুলধাৰাত পৰি, মুলৰ ৰূপান্তৰ কৰাই নহয়, ই সেই পুণ্যসলিলা স্ৰোততে বিলীন হৈ পৰে। ইয়াৰ ফলস্বৰূপে ১৫।১৬ শতিকা আৰু বহু পাছলৈকে অসমখন হৈ পৰে তেৰাৰ অসম, শিষ্য-প্ৰশিষ্যৰ, জন্মস্বত্ব—বৰ্ণ বৈষম্য—অস্পৃশ্যতাহীন বিশাল অসমীয়া সমাজৰ অসম। আনফালে শ্ৰীমন্ত শংকৰ অসমৰ প্ৰাচীন উৰ্ব্বৰা সংস্কৃতিৰে সমৃদ্ধ এটি বাছকবনীয়া ভূঞাঁৰ বংশধৰ আৰু সেই শিৰোমণি আৰু আইন ভূঞাঁ-পোৱালীসকল প্ৰাক্‌আহোম যুগৰ শাসন কৰ্ত্তা বা সেই সকলৰ ঠাল-ঠেঙুলি

সম্ভূত বংশানুক্রমে প্রতিষ্ঠিত সক গক বাজ্যব উত্তৰাধিকাৰী : অসমৰ বহিবাগত নহয়; আততো সবহখিনিয়েই কলিতা গোষ্ঠীৰ, যদিও চৰিত পুথিসমূহতে লিখা পঢ়া আৰু ধনুর্বিদ্যাত সিদ্ধহস্ত কায়স্থ! আৰু মনকবিবলগীয়া, বৈষ্ণৱৰ তিনি ৰাজ্য ৰৰদোৱা-বেলগুৰি-কমলাবাৰী; বৰপেটা-বাউসী-সুন্দৰী; বেহাৰ-কাকতকুটা-ভেলাদবাৰ ঐতিহ্য আছিল আৰু ইয়াৰ আলমতেহে তেৰাৰ তিনিৰাজ্য, সাক্ষাৎ গকুল, মথুৰা, বৃন্দাবনত, অসমীয়া কলা-কৃষ্টিৰ প্ৰাণকেন্দ্ৰ হৈ উঠিছিল। ইবোৰৰ সংখ্যা বাঢ়ি, প্ৰচাৰ আৰু বিকাশ লাভ কৰে গুৰু-ভক্তৰ মিলনৰ পৰিপূৰ্ণতাৰ বাটত। লোকক চিনাই, বাট দেখুৱাই দিয়ে মহেন্দ্ৰ কন্দলীয়ে, সাৰথি হয় ৰামৰাম গুৰুই। ৰামদাসৰ সৌজন্যত বিদগ্ধ শাস্ত্ৰজ্ঞ পণ্ডিত মাধৱ মহাপুৰুষৰ গুৰুপ্ৰাপ্তি, শ্ৰীমন্ত শংকৰ গুৰুৰ জীৱনাদৰ্শৰ, শ্ৰীকৃষ্ণ-উদ্ধৱ চৰিতৰ সম্যক উপলব্ধি। তেৰাৰ ধৰ্মজগতত পৰিপূৰ্ণতা আনি দিছিল পৰম বৈষ্ণৱ দামোদৰ দেৱে, নৈষ্ঠিক ব্ৰাহ্মণ হৰিদেৱে, জগদীশ মিশ্ৰই, কণ্ঠভূষণে, নাৰায়ণ ঠাকুৰ আতাই, গোপাল আতাই, বদুলা আতাই, অনিৰুদ্ধ দেৱে, বংশীগোপাল দ্বিজই, ৰবিবিষ্ণু আতাই, ৰৰযদুমণিয়ে, অনন্ত কন্দলীয়ে, ৰামসৰস্বতী—ভট্টদেৱে, অন্যান্য পণ্ডিতমণ্ডলী আৰু ভক্তগণে আৰু শেষত কোঁচ ৰজা মল্লদেৱ আৰু সেনাপতি শুক্লধ্বজে। কিন্তু, এই ধৰ্মধাৰাৰ প্ৰতিস্তৰতে জীৱন্তকালত তেৰাৰ সুবিশাল ব্যক্তিত্ব আৰু মহাপ্ৰয়াণৰ পাছত গুৰু গৰিমাৰ প্ৰভাৱ প্ৰতিফলিত হৈ প্ৰদৰ্শিত পথৰ সন্ধান দিছিল, একান্ত ঈশ্বৰৰ ভক্তবৃন্দক, তেৰাৰে অংশ মাধৱ মহাপুৰুষ আৰু পৌত্ৰ পুৰুষোত্তম—চতুৰ্ভূজ ঠাকুৰৰ হৃদিস্থিত হৈ।

অসম পুৰণি ভাৰতীয় সংস্কৃতিৰ উচ্চস্তৰত আছিল সঁচা, আৰু সেই ঐতিহ্যৰে সমৃদ্ধ ভূপ্ৰান্ততে শ্ৰীমন্তশঙ্কৰৰ আৱিৰ্ভাৱ হৈছিল সঁচা, কিন্তু তেৰ শতিকাৰপৰাই সেই ক্ৰমবৰ্দ্ধমান সভ্যতাত কেলা লাগিছিল; এই কেনাৰ মূল কাৰণ আছিল ৰাজনৈতিক সংঘাত। ৰাজশাসনৰ পটপৰিবৰ্ত্তনে আনি দিছিল সামাজিক অস্থিৰতা। ৰাষ্ট্ৰীয় দুৰ্যোগৰ কুপ্ৰভাৱ জাতীয় জীৱনৰ সকলো পৰ্য্যায়তে পৰিছিল আৰু প্ৰাচীন কলা-কৃষ্টিৰ মানদণ্ড স্খলিত হৈছিল। বৰ্ণ-বৈষম্য গাকৰি উঠি ধৰ্মৰ নামত হিংস্ৰ-প্ৰবৃত্তিক প্ৰশ্ৰয় দি জনসমাজক বিপথগামী কৰাইছিল। কি সৌৰ, কি বৈষ্ণৱ, কি শৈৱ, কি শাক্ত, আগমাচাৰী, কি নিগমাচাৰী, সকলো পন্থাৰে এটাই উপলব্ধি হৈছিল : ভোগৰ দ্বাৰা ত্যাগ আৰু সিদ্ধি, ক্ৰিয়া কাণ্ড, বলি বিধানৰ দ্বাৰা ভগৱান প্ৰাপ্তি আৰু জীৱৰ মুক্তিৰ পথ। থলুৱা ভূঞা ৰাজশাসনৰ বিনিময়ত আহোম-চুতীয়া, কোঁচ-কছাৰীৰ ৰাজনৈতিক অৰিয়া-অৰিত

লগ লাগিছিল নিবৃত্তি-প্ৰবৃত্তি মাৰ্গত লিপ্ত সাংস্কৃতিক খৰিয়াল, ঠিক আজি কুৰি শতিকাৰ সপ্তম-নৱম দশকৰ দুৰ্ভগীয়া অসমীয়া সমাজত দেখা দিয়া পৰিবৰ্ত্তনৰ চাকনৈয়াৰ তুল্য, যিয়ে অখণ্ড সংস্কৃতিৰ প্ৰতীক পূৰণিকলীয়া গোটটি আজি খণ্ড-বিখণ্ড কৰি ইতিহাসৰ অভূতপূৰ্ব্ব ঘটনা ৰচনা কৰিলে। ইয়াৰ পৰিণাম ভয়াবহ। ঠিক এই নিচিনা ভয়াবহ পৰিস্থিতিত পঞ্চদশ শতিকাৰ মাজভাগত আৱিৰ্ভাৱ শ্ৰীমন্ত শঙ্কৰৰ, যিজনাৰ ধৰ্ম-কৰ্ম্মৰ নতুন ৰূপান্তৰে সকলো জাতি-বিজাতিকে এক কৰি অন্যায়-ব্যভিচাৰৰ বিপক্ষে জাগ্ৰত কৰি সেই দিনাখনৰ অসমীয়া জাতিটোক পাঁচশ বছৰ বান্ধি ৰাখিছিল। আহিবনে আকৌ অসমীয়াৰ ভাগ্যত সেই সৌভাগ্য, মহাপুৰুষৰ আগমন যিয়ে জাতি ধৰ্ম্ম নিৰ্বিশেষে আত্মচেতনা ঘূৰাই আনি ৰাজনৈতিক মেৰপাক ভাঙি চুৰমাৰ কৰি তেওঁৰ সমাজ প্ৰতিষ্ঠা কৰাব ?

পূৰণি অসমত শাস্ত্ৰাধ্যায়ন হৈছিল ৰাজকৈয়ে গুৰুগৃহত, সাধু-সজ্জনৰ সান্নিধ্যত, ৰাজপৰিয়ালৰ পৃষ্ঠপোষকতাত ; চৰ্চ্চালাপো হৈছিল ৰাজ-দৰবাৰত, ধৰ্ম্ম-সমাজত, যাগ-যজ্ঞাদিৰ আবেষ্টনিত, দেশ-বিদেশৰ পণ্ডিত মণ্ডলীৰ মাজত। পুথিও ৰচিত হৈছিল অপৰ্য্যাপ্ত, বেদ-বেদাঙ্গ, স্মৃতি জ্যোতিষ, বিদ্যা-কলাৰ ওপৰত, শ্ৰীমন্ত শঙ্কৰৰ আৱিৰ্ভাৱৰ কেবা শতিকাৰ পূৰ্ব্বৰ পৰাই। স্থানবিশেষে পণ্ডিতৰো অভাৱ নহৈছিল। শিক্ষাৰ কেন্দ্ৰস্থল জ্ঞান কৰি প্ৰাগজ্যোতিষ-কামৰূপত দূৰ-দূৰণিৰ পৰা অহা জ্ঞান-পিপাসু লোকৰ সমাবেশ হোৱা কথা নানা ঠাইত লিপিবদ্ধ কৰা আছে। ইয়াৰপৰা ভাৰতৰ অন্যান্য ঠাইলৈ গৈ কামৰূপৰ পণ্ডিতে বাক-বিতণ্ডা কৰি কামৰূপী সভ্যতাৰ প্ৰাচুৰ্য্য আৰু উৎকৰ্ষতা প্ৰমাণ কৰাৰো ভালেমান উদাহৰণ আছে। শ্ৰীমৎশঙ্কৰাচাৰ্য্যৰ নিচিনা বিদগ্ধ শাস্ত্ৰকাৰো এই কামৰূপতে পৰাভূত হোৱা ঘটনাৰ উল্লেখ পোৱা গৈছে। অভিনৱ গুপ্তৰ নিচিনা পণ্ডিতৰ মাজত বেদোপনিষদ, গীতা-ভাগৱত, আগম-নিগমৰ, প্ৰবৃত্তি-নিবৃত্তি মাৰ্গৰ দাৰ্শনিক চৰ্চ্চা হোৱাৰ এয়েই সুন্দৰ নিদৰ্শন। সেয়ে শ্ৰীমন্তশঙ্কৰৰ দ্বাৰা জলত গীতা, ত্ৰিহুটৰ জগদীশ মিশ্ৰৰ পৰা বাৰস্কন্ধ ভাগৱত আৰু গুৰু ব্ৰহ্মানন্দৰ নিৰ্দ্দেশত কণ্ঠভূষণৰ পৰা শ্ৰীমৎ বিষ্ণুপুৰীকৃত ভক্তি ৰত্নাৱলী প্ৰাপ্তি কোনো দেৱপ্ৰেৰিত আশীষ বুলি ধৰিবৰ থল আছে, এই কাৰণেই তেওঁৰাই ইয়াৰ বহুবছৰ আগতে বেদ-বেদাঙ্গ, গীতা-ভাগৱত, ভাৰত-পুৰাণ, আগম-নিগম-যোগশাস্ত্ৰ, মীমাংসা-তৰ্কশাস্ত্ৰ আৰু সাহিত্য-কলাৰ আদ্যোপান্তৰ অধিকাৰী হৈছিল, আৰু তেওঁৰাই নামধৰ্ম্মৰ লক্ষণ প্ৰকাশ কৰি ভাগৱতৰ দশম স্কন্ধৰ অসমীয়া পদ কৰি বটদ্ৰৱাত হৰিমন্দিৰ প্ৰতিষ্ঠা কৰিছিল কুলগুৰু ৰামৰামৰ সহায় লৈ।

চিহ্নযাত্ৰা ভাওনা কৰি যেখুৰাই ধৰ্ম্মসমাজ পাতি জনমুক্তিৰ পথৰো সন্ধান দিছিল। আৰু তেৰাৰ সংস্কৃত-প্ৰণীত ভক্তি ৰত্নাকৰ, ৰত্নাৱলীৰ নিচিনাই ভক্তিতত্বৰ অমূল্য শাস্ত্ৰ। তথাপি এই মূল শাস্ত্ৰকেইখনি সমাদৰি লোৱাত মহাপুৰুষজনাৰ সন্ত-প্ৰীতি প্ৰকাশ পাইছে। ইয়েই বেদান্তৰ সাৰ জীৱৰ প্ৰতি জীৱৰ আকৰ্ষণ। এক কথাত, গীতা-ভাগৱতৰ ভকত গুৰুজনাৰ গুৰু, শ্ৰীমৎবিষ্ণুপুৰীও নহয়, জগদীশ মিশ্ৰও নহয়, ঠিক তেনেকৈ শঙ্কৰ-মাধৱ দুজনা গুৰুক উপলব্ধ কীৰ্ত্তন-ঘোষাপুথি, সকলো বৈষ্ণৱে সেৱাৰ বস্তু। তেৰাই নিজেই ব্যক্ত কৰিছে:

সৰ্ব্বতত্ত্ব ভকতক মই গুৰু মানো।
ভকত বস্তুত পৰে আনক নজানো॥

সি যিকি নহওক, উক্ত অপাৰ শাস্ত্ৰজ্ঞান-সিক্ত শ্ৰীমন্তশঙ্কৰ দৈৱিক গুণৰ আধাৰ আছিল। মহামানৱৰ লক্ষণ দেখিছিল বাল্যকালৰ শিক্ষাগুৰু মহেন্দ্ৰ কন্দলীয়ে আৰু কুলগুৰু ৰামৰামে (ৰাম ৰাম শৰ্ম্মাই নহয়), আৰু ভগৱান প্ৰেৰিত দূত বুলি জ্ঞান কৰিছিল আনকি জন্মদাতৃ মাতৃয়ে। দেশৰ ৰাজনৈতিক অস্থিৰতা আৰু ঘোৰ তান্ত্ৰিকৰ সামাজিক ব্যভিচাৰতাই মনত হতাশা আনি দিলেও অকনো বিচলিত নহৈ, নিজ কৰ্ম্মপন্থা ধাৰ্য্য কৰি, দেশ-বিদেশ ঘূৰি, সাধু-সজ্জনৰ সঙ্গ লভি, শাস্ত্ৰ মথি, নিৰ্ম্মল নামধৰ্ম্ম প্ৰবৰ্ত্তালে, কলিৰ বিপদগামী বিষয়ভোগত লিপ্ত থাকি লোভ-মায়া-মোহৰ অন্ধকাৰত উৰাদিহ নোপোৱা এটি ভাঙি পৰা জাতিৰ মাজত। অচিৰে আকৰ্ষিত হ'ল তেৰাৰ সহজলব্ধ মুক্তিৰ পথৰ সাৰথি হৰিভক্তি-প্ৰেমৰ কীৰ্ত্তনৰ মেলালৈ। তেৰাই ভালকৈয়ে উপলব্ধি কৰিছিল, কলিকালত সমাজ সংস্কাৰ, ভোগবিলাসৰ সংস্কাৰ আৰু চিত্তশুদ্ধি একমাত্ৰ ভক্তিৰ পথেৰেই সহজ। শৰণ-ভজন হৈ শুচিমনে নিৰ্লিপ্তভাৱে ধুপইচা ভাঙি মাহ-প্ৰসাদ নিৰ্মালি আগকৰি সাধুসঙ্গত হৰিৰ গুণকীৰ্ত্তনত জীৱ ঈশ্বৰমুখী হয়। ইয়েই শ্ৰীমন্ত শংকৰৰ সবল নামধৰ্ম্ম অসমীয়া জাতিলৈ অপূৰ্ব্ব অৱদান। কিন্তু ইয়াতো জটিলতা আছে, নামতো অপৰাধ আছে:—ভাৰতীয় দৰ্শনৰ গূঢ়তা আছে; বেদান্তৰ একেশ্বৰ বাদৰ, গীতাৰ একশৰণৰ আৰু ভাগৱতৰ ভক্তিমাৰ্গৰ নতুন ব্যাখ্যা আছে। নৱবিধ ভক্তিৰ ভিতৰত দুটাৰ, অৰ্থাৎ শ্ৰৱণ, কীৰ্ত্তনকেই দুজনা গুৰুৱে ভক্তি সাধনাৰ মুখ্য উপায় বুলি প্ৰকাশ কৰিছে, যদিওবা ইয়াৰ লগত গুৰু-শিষ্যৰ, ভক্ত-ভগৱানৰ সখিত্ব আৰু দাস্য ভাৱৰ সংযোগ আছে। গীতাৰ কৰ্ম্ম, জ্ঞান আৰু ভক্তিযোগৰ মাজেৰে কেৱল ভক্তিৰে প্ৰকাশ তেৰাৰ নামধৰ্ম্মত উদ্দীপ্ত। ভক্তি—ৰত্নাকৰত ইয়াৰে ব্যাখ্যা আছে: ভগৱদ্ভক্তিৰ নতুন ব্যাখ্যা,

আৰু ব্যাখ্যা আছে গুৰুৰ মাধৱ-বান্ধৱ আৰু মাধৱদেৱৰ দাস-মুকুথমতি নামকৰণত।

গুৰুৰ নামধৰ্মত নামকীৰ্ত্তন একব্ৰহ্মৰ, কিন্তু সগুণ কৃষ্ণৰ। সেয়ে মাধৱ মহাপুৰুষে ঘোষা পুথিত কৈছে: নিৰ্গুণ কৃষ্ণৰ গুণৰ প্ৰকাশ কৰিলা শ্ৰীশংকৰে। সেয়ে হলেও ভক্তৰ জ্ঞানৰ উৎকৰ্ষ সাধনে এই কীৰ্ত্তনত আনি দিয়ে ধ্যানৰ অভিব্যক্তি: মুখত ৰাম নাম, হৃদয়ত ৰূপৰ ধ্যান। ইয়ে ভকতৰ প্ৰতি গুৰুৰ উপদেশ। আকৌ ভগৱান নিৰাকাৰ-সাকাৰ যদিও সাকাৰত প্ৰতিমাৰ জড়তা নাথাকে, আৰু থাকিলেও সেই প্ৰতিমাও হয় চতুৰ্ভুজ বিষ্ণুৰ, নহয় বেণুগোপালৰ, প্ৰতিষ্ঠা কৰিব লাগিব হৰিমন্দিৰৰ মণিকূটৰ নিভৃত কোণত, ভক্তৰ সেৱাৰ বস্তু হিচাপে নহয়, বিশ্বাসৰ অৱলম্বন জ্ঞান কৰিহে। গতিকে, প্ৰথম দৃষ্টিত নিৰাকাৰ ব্ৰহ্মৰো ৰূপ আছে, যাক একান্ত ভক্তই সচ্চিদানন্দময় দেখে, আৰু যি ৰূপৰ জীৱাত্মা-পৰমাত্মাৰ মধুৰ মিলনত লোপ প্ৰাপ্তি।

ঈশ্বৰজ্ঞান প্ৰাপ্তিৰ তিনি পথৰ ভিতৰত ভক্তিমাৰ্গৰ শ্ৰেষ্ঠতা প্ৰমাণ শ্ৰীমন্ত শঙ্কৰৰ আলৌকিক অৱদান। ইয়াত শ্ৰীমৎশঙ্কৰাচাৰ্য্যৰ সোঽহং ভাৱৰ নাম-গোন্ধ নাই। সেয়ে তেৰাৰ স্পষ্ট উক্তি: জ্ঞানতো নাহিক গতি ভকতি বিহনে। এই ভক্তিয়ে নিত্য-জীৱাত্মাৰূপী ভক্তক অনিত্য পৰমাত্মাৰ প্ৰতি দাস্য ভাৱত আপ্লুত কৰিব লাগে। ই ভিতৰ-বাহিৰ পৰশা। গুৰুই কীৰ্ত্তনত দিছে:

তোমাৰ অদ্বৈতৰূপ পৰম আনন্দ পদ,
তাতে মোৰ মগ্ন হোক চিত্ত।
ভৈলোহো দাসৰো দাস, জানি আৰে নৰহৰি
আমাক নেৰিবা কদাচিৎ॥

এই ভক্তি একালে ঈশ্বৰমুখী, আনফালে মানৱধৰ্মী, একালে স্বৰ্গীয়, আনফালে পাৰ্থিব; একালে বেদান্ত, গীতা, ভাগৱতৰ উপদেশ, আনফালে চাৰি নাম, ৰাম, কৃষ্ণ, নাৰায়ণ, হৰিৰ আবাস সত্ৰানুষ্ঠানত বাস্তৱ ধৰ্ম্ম-কৰ্ম্ম, একালে জ্যোতিৰ্ময়, আনফালে যেন মায়াবৃত্ত, একালে মুক্তিত নিস্পৃহ নিৰ্বিকাৰ বৈৰাগ্য, আনফালে গাৰ্হস্থ্যৰ মায়া মোহ বাসনা: সত্ত্ব-তামসৰ দোমোজাৰ অতি কঠিন যোগ। কিন্তু নিষ্কাম, নিৰহঙ্কাৰী ভক্তই সকলোতে ব্ৰহ্মময় দেখে, যাৰ সংসাৰ দুখত মন বিগলিত হয়। ইয়াৰ নামেই জীৱৰ জীৱনমুক্ত অৱস্থা। দুজনা গুৰুই নিজ জীৱন চৰ্চ্চাত আৰু শ্ৰীৰাম আতাৰ জীৱন চৰিতৰ মাজেৰে ইয়াৰেই নিদৰ্শন দাঙি ধৰিছে। নৰদুখত দুখী আতাক গুৰুজনাই কৈছে: শ্ৰীৰাম, তুমি জীৱন্ত

মুকুত। তুমিহে দেখিছা সংসাৰ জীৱৰ দুখৰ। গৰ্ভতো পৰমাত্মাৰূপ দেখাৰ আক নৰাধমকো মুক্তিৰ পথৰ সন্ধান দিয়াৰ এয়ে ভক্তৰ প্ৰতি গুৰুৰ দাৰ্শনিক তত্ত্বৰ উপদেশ। যিজনা গুৰুই উক্ত গূঢ় দাৰ্শনিক তত্ত্বৰ উপদেশ দিব পাৰিছিল, সেইজনাই আছিল বিশিষ্ট ব্ৰাহ্মণ, অৰ্থাৎ ব্ৰহ্মত প্ৰকাশ সৰ্বভূতময় ব্ৰহ্মাণ্ডক বুজিছিল। গতিকে তেৰাৰ প্ৰতি বা বৈষ্ণৱৰ প্ৰতি বৰ্ণ-বিদ্বেষ,—যিজনাই বৰ্ণাশ্ৰমৰ আক পিতৃকৃত্যৰ মূলৰ অৰ্থ জানিছিল, আৰম্ভণিৰে পৰা শেষলৈকে,—একমাত্ৰ মূঢ়তা আক স্বাৰ্থপৰতাৰ চূড়ান্ত নিৰ্দেশনেই নহয়, শাস্ত্ৰজ্ঞানহীনতাৰো পৰিচায়ক। এই বিদ্বেষৰ মাজতো তেৰাৰ উপদেশ আছিল: ভক্তি প্ৰেমৰ দ্বাৰা, শাস্ত্ৰৰ প্ৰকৃত ব্যাখ্যাৰ দ্বাৰা শত্ৰুৰ হৃদয় জয়, যদিওবা ভক্তদ্ৰোহীৰ প্ৰতি তেৰাই তীক্ষ্ণবাণ মাৰিছিল। কাৰণ, ভক্তই ভগৱান আক ভক্তৰ নিন্দাই ভগৱানৰ নিন্দাক সূচায়, কিন্তু সমাজ ব্যভিচাৰী ধৰ্ম স্খলিত ভক্তক ব্যাস কলাই বাপুৰ নিচিনাই পৰিত্যাগ কৰিছিল।

উক্ত নামধৰ্ম প্ৰচাৰৰ মাজেৰেই তেৰাই সামাজিক সংস্কাৰ আনি দিছিল আক কল্যাণমুখী কামত ব্ৰতী হৈছিল। এই ধৰ্ম প্ৰচাৰৰ বাহক ৰূপে অপূৰ্ব্ব শাস্ত্ৰ লিখি অসমীয়া ভাষা সাহিত্য, কলা-কৃষ্টিৰ ভড়াল চহকী কৰিছিল আক ইবোৰৰ নতুন ৰূপ দিছিল। উক্ত শাস্ত্ৰৰ পৰা শ্ৰৱণ-কীৰ্ত্তন কৰাই শূদ্ৰৰ শাস্ত্ৰত অধিকাৰ আক শূদ্ৰগুৰুৰো সকলো বৰ্ণৰ ওপৰত সামাজিক ব্যৱস্থাত আক ধৰ্ম্মৰ ৰাজ্যত ওখ আসন প্ৰতিষ্ঠা তেৰাৰ জীৱনাদৰ্শৰ শুচি বৈপ্লবিক সৃষ্টি, আক অসম, তথা ভাৰতীয় ধৰ্ম আক সমাজতন্ত্ৰলৈ নতুন অৰিহণা: এইটো সৰ্ব্বজন স্বীকাৰ্য্য। অৱশ্যে ভাৰতত বহু শাস্ত্ৰ ক্ষত্ৰিয়-শূদ্ৰাদি বৰ্ণৰ মনীষীয়ে প্ৰণয়ন কৰি গৈছে; কিন্তু আমি জনাত ভগৱান বুদ্ধৰ বাহিৰে কোনো ধৰ্ম প্ৰৱৰ্ত্তকে নৈতিক জগতত শ্ৰীমন্ত শঙ্কৰৰ নিচিনা ধৰ্ম্মাচাৰ্য্য পদত অধিষ্ঠিত হোৱা নাছিল, আক বুদ্ধৰ নিচিনা তেৰাইও ধৰ্ম প্ৰৱৰ্ত্তনৰ সূচনা কৰে সাধু ব্ৰাহ্মণ মহেন্দ্ৰ কন্দলী আক ৰামৰাম গুৰুক শৰণ লগাই। শূদ্ৰৰ ভাগৱত শাস্ত্ৰত অধিকাৰ সম্বন্ধে ব্ৰাহ্মণ পণ্ডিতে প্ৰশ্ন কৰিলত, তেৰাই উত্তৰ দিছিল:

ইটো মহাভাগৱত দ্বিজসবে পঢ়ে যদি
হোৱে আতি তাৰ মন সিদ্ধি॥
ক্ষত্ৰিয়ে পঢ়িয়া পাইবে সসাগৰা বসুমতি
শূদ্ৰে পঢ়ি পাৱে নৱনিধি॥

উত্তম শাস্ত্ৰৰ উত্তম ব্যাখ্যা। আৰু তেৰাই সাতকুৰি ব্ৰাহ্মণ ভকতৰ লগত নিজৌ নাম প্ৰসঙ্গত ৰত আছিল বুলি কোনো দামোদৰীয়া শিষ্যই সাঁচিপাত পুথিত লিখি থৈ গৈছে। এওঁলোকৰ ভিতৰত উল্লেখযোগ্য ভক্তসৱ আছিল : দামোদৰ, ৰামৰাম, কণ্ঠভূষণ আৰু ভাগৱত ভট্টাচাৰ্য্য। ইয়াৰ ভিতৰত বহু শাস্ত্ৰজ্ঞ ব্ৰাহ্মণ শিষ্যও আছে। ইয়ে অপ্ৰমাণ কৰিছে, শঙ্কৰ গুৰুৰ ধৰ্ম্মই কেৱল নীচবৰ্ণৰ নিবক্ষৰ লোককহে আকৃষ্ট কৰিছিল।

তেৰাৰ সমূহীয়া ধৰ্ম্মৰ মূলভেটি আছিল হাটী, বাটী, নামঘৰ, মণিকূট সমন্বিতে সত্ৰানুষ্ঠানটো য'ত জাতি বৰ্ণনিৰ্বিশেষে, কি কৈৱল্য, কি সংসাৰী সকলো ভক্তৰে সৎসঙ্গ লাভ হয় আৰু য'ত কেৱল হৰিভক্তিৰ শ্ৰৱণ-কীৰ্ত্তন আৰু চৰ্চ্চালাপ হয়। এই অনুষ্ঠানটো সাৰ্ব্বজনীন, জন্মস্বত্বৰ নিচিনাই ইয়াত সকলোৰে সম অধিকাৰ, দেশ-কাল-পাত্ৰৰ ভেদাভেদ নাই, যি বৌদ্ধধৰ্ম্মৰ নিচিনাই, বিশ্বমানৱ-ভ্ৰাতৃত্ব বোধৰ আৰু শুদ্ধ সমাজ তন্ত্ৰৰ চৰম নিদৰ্শন আৰু যাৰ মাজেৰে গুৰুজনাই বেদ-বেদান্তত নিহিত দাৰ্শনিক মৰ্মৰ বাস্তৱৰূপ দানৰ উপলব্ধি দেখুৱাইছে। বটদ্ৰৱাত হৰিমন্দিৰ স্থাপন তেৰাৰ সত্ৰানুষ্ঠানৰ আৰম্ভণি, আৰু ইয়াতেই সাত বৈকুণ্ঠৰ পট আঁকি চিহ্ন যাত্ৰা নাট লিখি, সূত্ৰধাৰকে আদি কৰি ভাওৰীয়াৰ মূল কথাত অংশ গ্ৰহণ কৰি ৰজা অশোকৰ শিলালিপিত খোদিত কৰাৰ নিচিনা ধৰ্ম্মসমাজত মুক্তিৰপথৰ সন্ধান দিয়াৰ পাতনি মেলে। ইয়াৰ পাছতে ক্ৰমে বেলগুৰি, বৰপেটা, সুন্দৰী, পাট-বাউসী, মধুপুৰ আদিত এনেকুৱা সত্ৰ গঢ়ি উঠে, আৰু কালক্ৰমত তেৰাৰ প্ৰিয় শিষ্য মাধৱ মহাপুৰুষ আৰু তেৰাৰ ব্ৰাহ্মণ-অব্ৰাহ্মণ শিষ্য-প্ৰশিষ্যৰ চেষ্টাত শদিয়াৰ পৰা মধুপুৰলৈকে ইবোৰৰ ঠাল-ঠেঙুলি গঢ়ি উঠি নাম-ধৰ্ম্ম প্ৰচাৰ আৰু সমাজ সংস্কাৰৰ সহায়ক হয়। ফলস্বৰূপে এই বৈষ্ণৱসমাজৰ অন্তৰ্ভুক্ত হৈছিল কি হিন্দু, কি যৱন, কি আৰ্য্য, কি অনাৰ্য্য, কি থলুৱা অসমীয়া, কি বহিৰাগত, আৰু কি কাশী, বৃন্দাৱন পুৰীৰ ভক্তগণ। এই সমাজৰ সাৰ্বজনীনতা আৰু ব্যাপকতা প্ৰকাশ পাইছে, অইন নালাগে, একমাত্ৰ যৱনৰ চান্দসাই আৰু জয়হৰি, গাৰোৰ গোবিন্দ, ভোটৰ জয়ানন্দ, মিৰিৰ বলাই, নগাৰ নৰোত্তম আদি শৰণ ধৰা ভক্তবৃন্দৰ পৰা। পৰবৰ্ত্তী ধৰ্ম্মাচাৰ্য্য, সন্ত মহন্তসবে এই উত্তম আৰ্হিৰে সত্ৰানুষ্ঠান চলাই সমাজখন বৃহত্তৰ কৰাত ব্ৰতী হলে, শ্ৰীমন্তশঙ্কৰ-মিশন আদি অনুষ্ঠান আজিৰ পৰা ৬০ বছৰ আগতে হলেও প্ৰতিষ্ঠা কৰি তেৰাৰ উক্ত নিৰ্ম্মল, নৈতিক ধৰ্ম্ম-কৰ্ম্ম চাৰিও-ফালে প্ৰচাৰ কৰাহেঁতেন, অসম খণ্ড-বিখণ্ড নহ'লহেঁতেন। অৱশ্যে তেৰাই ভৱিষ্যৎ বাণী কৰি গৈছিল, যি কালত গুৰুসবে নিজে নাচৰি আনক লৰলৈ কৰ

তেতিয়া এই ধৰ্মৰ অৱনতি আহিব। চৰিত পুথিমতে তেৰাই দুই প্ৰসঙ্গত তেৰাৰ প্ৰৱৰ্ত্তিত ধৰ্মৰ কাল আৰু গুৰু-শিষ্যৰ গতি-মতি সম্বন্ধে ব্যক্ত কৰিছিল।

শ্ৰীৰাম আতাৰ প্ৰশ্নৰ উত্তৰত গুৰুই কৈছে: "বোলে বঢ়াপো, আমাৰ সঙ্গে অনেক যাব আৰু তুমি, নাৰায়ণ, নাতিসৱ, বঢ়াপো হন্তে শাখা বাঢ়ি অনেক জীৱ যাব আৰু পুত্ৰ, পৌত্ৰঅংশে যদুবংশে আহি সন্তৰূপ ধৰি তাৰিব। সাত পুৰুষৰ অন্তে একা দুই এক যি সাৰিব, অন্য দেউ, আন মন, ৰতি, পৰদাৰা বুৰষ্টি, সঙ্গ, মাৰ্গে, দ্ৰোহ, দিশ, পুৰ্ব্বাপৰ চাব। এইমতে বৈ যিসৱ-ভক্তি কৰিলে মানস সৰোবৰ বৈকুণ্ঠ পাবগৈ।"

মাধৱ মহাপুৰুষৰ প্ৰশ্নৰ উত্তৰত, গুৰুই তেৰাৰ শুদ্ধ ধৰ্ম্মৰ কাল নিৰ্ণয় এনেদৰে কৰিছে: "বোলে বঢ়াৰপো ; ছকুৰি বৰ্ষ। বোলে বাপ, বৈকুণ্ঠৰ বস্তু আনি অনেক অৰণ্য কাটি বাদকৈ ৰখা হৈছে। ছয়কুৰি বৰ্ষ হহো এক পুৰুষহে, কি জীৱ সাৰিব? বোলে অনুৰূপ জলহ মলহকৈ আৰু ছয়কুৰি থাকিব পৌত্ৰ অংশে। এ বাপ.........আৰু কিছুহলে সাৰে। তেহে বোলে, কলাকাটাত যেতিয়া থাৰ ধাৰ্নৰব, তাৰে পৰা থেলেপ জেলেপ হব।" উক্ত দুই গুৰুবাণীত আমাৰ মাজত বৈষ্ণৱ ধৰ্ম্ম পদ্ধতিৰ অৱনতিৰ ইঙ্গিত আছে। কাৰণবোৰ নোকোৱাই সত্য। চাৰি সংহতিৰ ধৰ্ম্মাচাৰ্য্য, সন্তমহন্তসৱে আত্ম-বিশ্লেষণ কৰি কাৰণবোৰ উলিয়াই তেৰাৰ সমাজথনত দেখা দিয়া ব্যভিচাৰসমূহ গুচাই পুৰণিক সংস্কাৰ কৰি নিকা কৰি লওক। সিসৱে যেন মনত ৰাখে, বিশাল অসমীয়া সমাজৰ নব্যৰূপকাৰ শ্ৰীমন্তশঙ্কৰৰ অশেষ চেষ্টাত তেতিয়াৰ অসম আজিৰ অসমতকৈ নিজগুণে দুৰ-বিদুৰত বেছি জনপ্ৰিয় হৈছিল, আৰু ইয়াৰ কৃষ্টি শদিয়াৰ পৰা মধুপুৰলৈকেই নহয়, আৰু বহুদূৰলৈ বিস্তৃতি লাভ কৰিছিল। দেশৰ কৰ্ণধাৰ সকলেও যেন সাৱধান হয়, যাতে সমূহীয়া নামঘৰত প্ৰজ্বলিত অক্ষয় বন্তিগছা নিৰ্বাপিত নহয়, আৰু পঞ্চায়তী ৰাজৰ মা-বাপ সত্ৰানুষ্ঠানটিৰ যথোচিত সংৰক্ষণ হৈ বিকাশ লাভ কৰে। কাৰণ, ইয়াৰ অন্যথাই সাধু-জীৱন নিৰ্বাহ কৰি থকাৰ সুবিধাকণও শেষত অসমীয়াই অচিৰে হেৰাব। অতি সুখৰ কথা, পলমকৈ হলেও মধুপুৰত, পুৰীত আৰু বৃন্দাবনত গুৰুজনাক নতুনকৈ থাপনা কৰা হৈছে। তেনেকৈ প্ৰত্যেক নগৰতে হওক: বৈকুণ্ঠৰ সাতখলপীয়া গুৰু আসনথনক নতুনকৈ সেৱাৰ বস্তুজ্ঞান কৰিবলৈ শিকক, কি গাৱলীয়া, কি তথা-কথিত শিক্ষিত চহৰীয়া মুনিহ তিৰোতাই। আৰু ঠনধৰি উঠক প্ৰতি নগৰে-চহৰে শঙ্কৰী কলা-কৃষ্টিৰ কেন্দ্ৰসমূহ, যাক লৈ আজিও আমি গৌৰৱ কৰোঁ আৰু যিহৰ জৰিয়ত অসমীয়া বুলি চিনাকি দিওঁ।

আধ্যাত্মিক জীৱন যাপনৰ উপায়ৰ লগত তেৰাই সন্ধান দি গ'ল পাৰ্থিব সুখৰ সহচৰী সুন্দৰৰ আৰাধনা, নতুন ভাষা-সাহিত্য দিলে, আৰু উত্তৰ ভাৰতীয় মাত-কথাৰ লগত সামঞ্জস্য ৰাখি কামৰূপী ভাষাত প্ৰণয়ন কৰি অসমলৈ সাচি থলে, ঘৰ গুৱনি কৰি ওপচাই দিলে, সুৰ-তাল-মান-ছন্দালঙ্কাৰ সমন্বিত কীৰ্ত্তন-দশম-বৰগীত-ভাগৱতৰ পদ নাট, ভক্তি প্ৰদীপ, গুণমালা, তোটয় ভটিমাসমূহ; বাজনা বজাই, গাই, নাচি ৰং-বিৰঙৰ পট আঁকি ভাওনা কৰি দেখুৱাই, বৃন্দাবনীয়া বস্ত্ৰ বৈ, আৰু নানা সূক্ষ্ম-কলা চৰ্চ্চি সচ্চিদানন্দৰূপ দেখুৱাই, অনেক লীলা-খেলা কৰি সত্য-শিৱ-সুন্দৰৰ উন্মাদিহ দিলে। ঈশ্বৰতত্ত্ব ব্যাখ্যাত যুগাৱতাৰ, সাহিত্যত গুৰু; কাব্যত কৱিৰাজ; নাট্যাভিনয়, নৃত্য-গীত-মাত-বাদ্যত আধুনিক মঞ্চৰ অগ্ৰগণী সূচনাকাৰী, শ্ৰীমন্ত শঙ্কৰ আছিল অপ্ৰতিদ্বন্দ্বী নব্য অসম স্ৰষ্টা। তেনে হবলৈ নিজেই শিকালে-বুজালে, তদনুৰূপ লোকো বাছি উলিয়ালে, উপদেশ দি গ'ল, সুন্দৰৰ, কলা-কৃষ্টিৰ সাধনাই জাতীয় চৰিত্ৰ সমৃদ্ধ কৰে আৰু শুদ্ধ সমাজ গঢ়াত সহায়তা কৰে। দুই ছয়কুৰি বছৰ, আৰু কিছুকাল কোঁচ-আহোম ৰাজকীয় পৃষ্ঠপোষকতাত সকলো বিষয়ত অসম আগবাঢ়ি গৈছিল। আজি ইয়াৰ তাৰতম্য প্ৰতীয়মান হৈছে। আধ্যাত্মিকতাৰ নামত পাৰ্থিব সুখৰ চৰ্চ্চা, কলা-কৃষ্টিৰ নামত অসুন্দৰৰ, ভোগ-বিলাসৰ পূজা আৰু সভ্যতাৰ নামত অসত্যৰ পথ অন্বেষণ। তেৰাৰ আৰু তেৰাৰ দ্বাৰা অনুপ্ৰাণিত হৈ পোন্ধৰ-ষোল শতিকাৰ মাজভাগত প্ৰণীত সাহিত্য কলাৰ পুথিয়ে আজিও অপৰাজেয় হৈ অসমীয়াৰ সোণালি যুগৰ স্মৃতি বহন কৰি আছে। নৈতিকতাৰ, সমাজ সংস্কাৰৰ, জাতীয় দুৰ্যোগৰ, অভাৱ অনাটনৰ, আৰু সত্যৰ ছবি প্ৰতিফলিত কৰি দেশখনক সুপথে চালিত কৰিব নোৱাৰা আধুনিক লিখকে তেৰাৰ কৰুণা লভক, এয়ে আমাৰ প্ৰাৰ্থনা।

জয় গুৰু শঙ্কৰ, সৰ্ব্ব গুণাকৰ।*

---

* ১৯৭১ ইং চনত গুৱালকুছিৰপৰা প্ৰকাশিত "শ্ৰীমন্ত শঙ্কৰজ্যোতি" নামক স্মৃতিগ্ৰন্থৰপৰা উদ্ধৃত।

পুৰণি অসমৰ ৰাজনৈতিক ব্যৱস্থা

কি ৰাজনৈতিক জ্ঞানচৰ্চ্চাৰ অভিব্যঞ্জন, কি সাংস্কৃতিক অনুশীলনত উৎকৰ্ষ সাধন, দুয়ো দিশতে প্ৰাচীন অসমৰ ৰজা-প্ৰজা নিৰ্ব্বিশেষে আদৰ্শৰ নিদৰ্শন এৰি থৈ গৈছে। এই আদৰ্শৰ আঁত বিচাৰি উলিয়াব লাগিব অসমৰ প্ৰত্নতাত্ত্বিক সমল, ইয়াৰে প্ৰাচীন পুথি আৰু ভাৰতৰ সম-সাময়িক বুৰঞ্জীমূলক সাহিত্য আৰু ধৰ্মশাস্ত্ৰ-অৰ্থশাস্ত্ৰ, কাব্য, পুৰাণ-তন্ত্ৰাদিৰ মাজত। ভৌগোলিক অৱস্থান, জনগোষ্ঠীৰ আকাৰ-প্ৰকাৰ আৰু প্ৰাচীন সমাজ-ব্যৱস্থাৰ সম্যক আভাস নাপালে ৰাজনৈতিক ব্যৱস্থাৰ আঁতি-গুৰি পাবলৈ টান। এই কথা সকলো জাতি-দেশৰ ইতিহাসতে খাটে। বুৰঞ্জীৰ সমল তাকৰীয়া কাৰণবশতঃ অসমীয়া সমাজৰ আৰম্ভণি, অৰ্থাৎ কেতিয়া কোন গোষ্ঠীৰলোকে লগলাগি সমাজ প্ৰতিষ্ঠা কৰিছিল স্ব-ইচ্ছাই নাইবা পাৰিপাৰ্শ্বিকতাৰ তাড়নাত, এই কথাৰ খাটাং সিদ্ধান্ত দিয়া সম্ভৱ নহয়। আৰু সমাজ প্ৰতিষ্ঠাৰ সঠিক সময়পঞ্জী নাপালে ৰাজ্য বা ৰাষ্ট্ৰৰ ৰাজনৈতিক জীৱনৰ সূচনাৰ কালনিৰ্ণয় আৰু বেছি কঠিন হয়। কাৰণ, এটাৰ লগত আনটোৰ ওতঃপ্ৰোতভাৱে সম্বন্ধ। এইটো অৱশ্যে স্বীকাৰ্য্য, এখন সমাজৰ কালনিৰ্ণয়েও ইয়াৰ ৰাজনৈতিক জীৱনৰ কালনিৰ্ণয় নকৰে।

এতিয়ালৈকে আৱিষ্কৃত বুৰঞ্জীসমলে বাৰুকৈয়ে প্ৰমাণ কৰিছে, অসমৰ পাৰ্বত্য অঞ্চলতেই নহয়, সমতলতো নতুন প্ৰস্তৰ যুগৰ জনগোষ্ঠীৰ বাসস্থান আছিল, আৰু সময়ত তেওঁলোকে অৰ্থনৈতিক কাৰণতেই হওক, নাইবা হিংস্ৰ জন্তু আৰু ওচৰচুবুৰীয়া শত্ৰুৰ ভয়ত সৰু সৰু গোটত শ্ৰেণীভুক্ত হৈছিল। কিন্তু সমাজ-প্ৰিয়তা তেওঁলোকৰ মাজত কিমানদূৰ শিপাইছিল, কোৱা টান। একে গোটৰ বা শ্ৰেণীৰ মাজতো যে দ্বন্দ্ব-খৰিয়াল নালাগিছিল তাকো কোৱা টান। আৰু উক্ত সমাজখন সময়ত সৰু ৰাষ্ট্ৰীয় জীৱনত পৰিণত হোৱা বুলি ধৰি লোৱাটোও সমীচীন নহব। অৰ্থাৎ কোনো এক দলপতিৰ অনুশাসনে সেই সময়ত এটি গোট বা জনগোষ্ঠীৰ লোকক বান্ধি ৰাখিলেও, সি স্থায়ী নাছিল, আৰু সেয়ে হলেও সম্পূৰ্ণ ৰাষ্ট্ৰীয় মৰ্যাদাপ্ৰাপ্ত নহৈছিল। সি সকলৰ বাসস্থানৰ ভৌগোলিক

পৰিস্থিতিত আৰু গোষ্ঠীৰ লক্ষণ বা মজ্জাগত স্বভাৱত ৰাজনৈতিক বিচক্ষণতাৰ অভাৱহেতুকে সেই সময়ত ৰাজতন্ত্ৰ ব্যৱস্থাৰ সূচনা হোৱাত বিধি-পথালি দিছিল। পৰিপক্ক শাসনতন্ত্ৰ বা সমাজতন্ত্ৰ থকাটোও অবিশ্বাস্য। গতিকে প্ৰথম ৰাজ্য প্ৰতিষ্ঠাৰ ধুৰন্ধীমূলক তথা উক্ত প্ৰস্তৰ যুগৰ জনগোষ্ঠীৰ মাজত নিবিচাৰি আইন গোষ্ঠীৰ লোকৰ মাজত বিচাৰি উলিয়াব লাগিব। কিন্তু, বিভিন্ন জনগোষ্ঠীৰ লোকৰ অসমত অনুপ্ৰৱেশ কৰা সময় তালিকাই ক'ত আছে? এই কথা অৱশ্যে ভাৰতৰ জনগোষ্ঠীৰ প্ৰব্ৰজনৰ ইতিহাসতো খাটে। কিন্তু এতিয়ালৈকে প্ৰাপ্ত সমলে প্ৰমাণ কৰে, প্ৰাক্-ঐতিহাসিক যুগৰ নেগ্ৰইড, অষ্ট্ৰো-এছিয়াতিক লোকক বাদ দিলে, মঙ্গোলীয় জনগোষ্ঠীৰ লোক অনুপ্ৰৱেশ কৰাৰ আগতেও ককেছীয় জনগোষ্ঠীৰ আৰ্য্যভাষাভাষীলোক ইয়ালৈ উত্তৰ, পশ্চিম, পূব-দক্ষিণ গিৰিপথ আৰু জলপথেৰে আহিছিল। আৰু ইয়াৰো প্ৰমাণ পোৱা গৈছে, বেদৰ যুগৰ আগতেই উক্ত গোষ্ঠীৰ এদল লোক অসমলৈ আহি নানা ঠাইত, যেনে—উত্তৰে আজিৰ অৰুণাচল অঞ্চলত আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ স্থান বিশেষত বসবাস কৰি ইয়াৰ স্বকীয় কৃষ্টিৰ ক্ৰমবিকাশত অৰিহণা যোগাইছিল। উন্নত সমাজ-ব্যৱস্থাৰ মাজেৰে উক্ত আলপাইন-আৰ্য্যগোষ্ঠীৰ লোকেই প্ৰথম ৰাজ্য প্ৰতিষ্ঠাত সফলতা লাভ কৰিব পাৰিছিল, যদিও কিৰাত জনগোষ্ঠীৰ প্ৰচেষ্টাও এই বিষয়ত উল্লেখযোগ্য। এই কিৰাতগোষ্ঠীৰ লোক এসময়ত ভাৰতৰ নানা ঠাইত সিচৰিত হৈ আছিল। মহাকাব্য দুখন আৰু পুৰাণে ইয়াৰ সাক্ষ্য দিছে। হয়তো এই গোষ্ঠীৰ লোকে প্ৰকৃততে প্ৰাক্ ঐতিহাসিক যুগতে প্ৰথম মঙ্গোলীয় গোঠীৰ লোকৰ প্ৰব্ৰজনৰ উদাহৰণ দাঙি ধৰিছে। অসমলৈ অহাৰ সময়ত অৱশ্যে আৰ্য্যগোষ্ঠীৰ লোক তাকৰীয়া আছিল, আৰু সেয়ে তেওঁলোকৰে মাজৰ দলপতিয়ে ৰাজ্য প্ৰতিষ্ঠা কৰিবলৈ সুযোগ পাইছিল। কিন্তু আমাৰ সন্দেহ হয়, অসমৰ কিৰাত জনগোষ্ঠীৰ লোক আৰু প্ৰথমে অহা আৰ্য্য ফৈদৰ লোকৰ তেজৰ সংমিশ্ৰণত ওপোজা জনগোষ্ঠীয়েইহে ইয়াত প্ৰথম ৰাজ্য স্থাপন কৰিছিল।

সি যি কি নহওক, এতিয়ালৈকে পোৱা ধুৰন্ধীমূলক-অৰ্দ্ধধুৰন্ধীমূলক সাহিত্য আৰু পুৰাণে প্ৰমাণ কৰিছে, দানৱ উপাধিধাৰী (আচলতে উক্ত উপাধিদত্ত) কিৰাতৰ দলপতি মাহৰঙ্গই বেলতলাৰ ওচৰৰ, অৰ্থাৎ আজিৰ ৰাজধানীৰ দিচৈই ওচৰতে মৈৰঙ্ক পৰ্বতৰ কাষত প্ৰথম ৰাজধানী পাতি প্ৰাচীন অসমৰ ৰাজনৈতিক জীৱনৰ পাতনি মেলিছিল। দানৱ উপাধি গোষ্ঠীপ্ৰকাশী নহৈ ধৰ্ম্মীয় যেনহে

লাগে। পুৰাণকাৰে বল-বিক্ৰম আৰু অনাৰ্য্য লোকাচাৰী হোৱাৰ কাৰণেহে কিজানি মহিৰঙ্গক উক্ত উপাধিৰে বিভূষিত কৰিছিল।

মহিৰঙ্গৰ শেষবংশধৰ ঘটকাসুৰক বধ কৰি নৰক ভৌম প্ৰাগজ্যোতিষৰ অধিপতি হোৱা কথা বিষ্ণুপুৰাণকে আদি কৰি পুৰাণ সাহিত্যত উল্লেখ আছে। তেওঁৰে পুত্ৰ ভগদত্তই পৰম বিক্ৰম দেখুৱাই প্ৰাগজ্যোতিষৰ মৰ্য্যাদা ভাৰতৰ ৰাজনৈতিক পটৰ উচ্চস্থানত প্ৰতিষ্ঠা কৰিছিল। নৰক-ভগদত্তৰ ৰাজত্বকাল-সম্বন্ধে আমি এতিয়াও সন্দিহান। ইয়াৰ পিছৰ বৰ্মন বংশৰ কালৰ লগত সাঙুৰি ললে পোৱা যায়, উক্ত নৰক-ভগদত্তই খৃঃ ১ম—২য় শতিকাৰ আগত ৰাজ্য প্ৰতিষ্ঠা কৰা সম্ভৱ নহয়। অসমৰ বুৰঞ্জীমূলক সাহিত্য আৰু ভাৰতীয় পুৰণি সাহিত্যৰাজিত উল্লেখিত আখ্যানসমূহ আৰু ইয়াৰ তাম্ৰলিপি-শিলালিপি আদি বিশ্লেষণ কৰিলে পোৱা যায়, পুৰণি অসমত ৪টা মূল বংশই ৰাজ্য শাসন কৰিছিল। এই কেইটা হল: নৰক ভৌম বংশ, বৰ্মন বংশ, শালস্তম্ভ বংশ আৰু পালবংশ। ইয়াৰ পিছত দ্বাদশ শতিকাত এফালে বৈদ্যদেৱ আৰু আনফালে বল্লভদেৱৰ বংশই ৰাজ্যশাসন কৰিছিল। তাম্ৰপত্ৰত উল্লেখিত বংশাৱলীৰ ওপৰত নিৰ্ভৰ কৰিলে পোৱা যায়, নৰকৰ বংশই পালবংশ শেষ নোহোৱালৈকেই প্ৰাগজ্যোতিষৰ ৰাজপাট খাইছিল। আৰু ইবোৰৰ তেজৰ সম্বন্ধ আছিল। অৰ্থাৎ নৰক ভৌম প্ৰধান বংশই প্ৰায় বাৰশ বছৰ পুৰণি অসমৰ ৰাজনৈতিক জীৱনৰ ধৰণী আছিল। ই একো আচৰিত নহয়, এই কাৰণেই পৰৱৰ্তীকালত আহোমসকলে এই অসমতে প্ৰায় ছয়শ বছৰ ধৰি ৰাজত্ব কৰিছিল। আৰু ইয়াতো আচৰিত হবলগীয়া একো নাই, প্ৰাগজ্যোতিষ-কামৰূপৰ ৰাজ-নৈতিক-সাংস্কৃতিক প্ৰাণকেন্দ্ৰ প্ৰাগজ্যোতিষতেই আহোম অহাৰ কিছুদিন পিছলৈকে শাসনতন্ত্ৰৰ কেন্দ্ৰস্থলী আছিল।

নৰকভৌমৰ আচল আঁতিগুৰি দিয়ে ৰাজন্যবৰ্গৰ তাম্ৰশাসনে আৰু অন্যান্য প্ৰত্নতাত্ত্বিক সমলে, যিবোৰ জাল কৰাৰ ভয় কম, আৰু যিবোৰ সাহিত্যিক সমলতকৈ বেছি নিৰ্ভৰযোগ্য উপাদান। বৃহত্তৰ গুৱাহাটীক বুজোৱা ৰাজধানী প্ৰাগজ্যোতিষপুৰ, কামাখ্যা-কামৰূপ আৰ্য্যভাষাসিদ্ধ নাম। ইয়াৰ প্ৰতিষ্ঠাকাৰী নৰকক ভৌম আখ্যা দিয়া হৈছে প্ৰাচীন থলুৱা বুজাবলৈ, অসুৰ আখ্যা দিয়া হৈছে অনাৰ্য্যসুলভ বল-বিক্ৰমৰ কাৰণে আৰু বোদ্ধাচাৰী হোৱাৰ কাৰণে। বৰাহ পৰ্বতত আছিল এইজনা বিক্ৰমশালী ৰজাৰ বাসস্থান। পিতাৰ সুযোগ্য পুত্ৰৰ প্ৰচেষ্টাত অসমৰ চতুঃসীমাৰ পৰিবৰ্দ্ধন ঘটি প্ৰাগজ্যোতিষ সাম্ৰাজ্যত পৰিণত

হৈছিল। এওঁৰ পিছতেই ৰাজ্যত বিবৰ্তন ঘটে, আৰু প্ৰায় দুশ বছৰ ধৰি অসমৰ ৰাজনৈতিক জীৱন অন্ধকাৰময় হয়, নাইবা এই যুগৰ ইতিহাসৰ সমল এতিয়াও ওলাবলৈ বাকী। প্ৰত্নতাত্বিক খনন কাৰ্য্যইহে উক্ত এন্ধাৰ যুগৰ আভাস দিব বুলি কব পাৰি। আজিলৈকে পোৱা সমলে ৰাজ্য-প্ৰতিষ্ঠাতা সকলৰ কেৱল প্ৰচলিত আৰু লিখিত আখ্যানকেহে প্ৰমাণ কৰিছে। ইবোৰৰ ৰাজত্বকালৰ বিশদ বিৱৰণ সন্নিবিষ্ট কৰা দেখা পোৱা নাই।

এনেস্থলত পুৰণি অসমৰ নিৰ্ভৰযোগ্য ৰাজনৈতিক বুৰঞ্জীৰ নতুন আৰম্ভণি 'বৰ্মন বংশৰ' প্ৰতিষ্ঠাতা পুষ্যবৰ্মাৰ চতুৰ্থ শতিকাৰ মাজভাগৰপৰাহে পোৱা গৈছে। ভাস্কৰবৰ্মাৰ নিধনপুৰ আৰু ডুবী তাম্ৰশাসন, নালন্দা পোৱা মাটিৰ মোহৰ, বাণৰ হৰ্ষচৰিত, অন্যান্য ভাৰতীয় পুথি আৰু চীন পৰিব্ৰাজকৰ টোকাই এই বংশৰ ৰাজনৈতিক-সাংস্কৃতিক ইতিহাসৰ বিশদ বিৱৰণ দাঙি ধৰিছে। এই বংশৰ গুপ্তবংশৰ সমসাময়িক থকা ঐতিহাসিক ঘটনাৰ উল্লেখ বহু ঠাইত পাইছো। চতুৰ্থ শতিকাৰ সমুদ্ৰগুপ্তৰ এলাহাবাদ প্ৰশস্তিয়ে কামৰূপক প্ৰান্তীয় ৰাজ্যৰ উল্লেখ কৰা কথাই সাব্যস্ত কৰিছে, সেই সময়ত সৰু ৰাজ্য হলেও পূৰ্বভাৰতত কামৰূপৰ ৰাজনৈতিক পৰিস্থিতি উল্লেখনীয়। তেতিয়াও বঙ্গত গৌড়ৰ জন্ম হোৱা নাছিল। ৫ম শতিকাৰ শেষৰ ফালে স্কন্দগুপ্তৰ দিনৰপৰা মগধ সাম্ৰাজ্যৰ অৱনতি ঘটাৰ লগে লগে কামৰূপৰাজ মহেন্দ্ৰ বৰ্মাই অশ্বমেধ যজ্ঞ কৰি এই ৰাজ্যৰ প্ৰতিভা প্ৰতিষ্ঠা কৰে। ষষ্ঠ শতিকাৰ মাজভাগত মহাৰাজ ভূতিবৰ্মাইও উক্ত অশ্বমেধ যজ্ঞ কৰি কামৰূপ ৰাজ্যৰ সীমা পশ্চিমে কৰতোয়া নদীৰ বহুত সিপাৰলৈ আৰু দক্ষিণ-পশ্চিমে বঙ্গোপসাগৰলৈ বহলাই লৈছিল। ষষ্ঠ শতিকাৰ শেষভাগত অৰ্থাৎ ভাস্কৰ বৰ্মাৰ পিতৃ সুস্থিতবৰ্মা আৰু জ্যেষ্ঠভাতৃ সুপ্ৰতিষ্ঠিতবৰ্মাৰ ৰাজত্বকালত কামৰূপৰ ৰাজনৈতিক বুৰঞ্জীত অলপ কালিমা পৰে। গুপ্তবংশৰ ৰজা মহাসেন গুপ্তই কামৰূপ ৰাজ্য আক্ৰমণ কৰি সুস্থিতবৰ্মাক পৰাভূত কৰা ঘটনাৰ উল্লেখ আদিত্য সেনৰ অপছাড লিপিত লিপিবদ্ধ কৰা পাইছো। গৌড়ৰ ফালৰপৰা সুপ্ৰতিষ্ঠিত বৰ্মাৰ ৰাজ্যও আক্ৰান্ত হোৱা ঐতিহাসিক ঘটনাৰ উল্লেখ ভাস্কৰবৰ্মাৰ ডুবী তাম্ৰশাসনেই কৰিছে। এই দুই আক্ৰমণৰ ফলত কামৰূপৰ বিপৰ্য্যয় ঘটিলেও ইয়াৰ পশ্চিম সীমা কৰতোয়াৰ সীমান্তৰপৰা বেছি পূবলৈ সঙ্কুচিত হৈছিল বুলি ধৰি লবলৈ নোৱাৰি। এই বিপৰ্য্যয়ৰ দিনতে, খুব সম্ভৱ জ্যেষ্ঠভাতৃৰ অকাল বিয়োগত ভাস্কৰবৰ্মাই ৰাজ্যৰ ধৰণী হবলৈ সুযোগ পাইছিল। ইয়াৰ সাক্ষ্য নিজৰ শাসনাৱলী

নিধনপুৰ তাম্ৰলিপি আৰু হৰ্ষচৰিতে দিছে। কামৰূপ যুগ-প্ৰচলনকাৰী ৬ষ্ঠ শতিকাৰ শেষৰ আৰু সপ্তম শতিকাৰ মাজভাগৰ অসীম প্ৰতিভাশালী কুমাৰ ভাস্কৰবৰ্মাৰ কামৰূপ ৰাজ্য, সাম্ৰাজ্য আছিল। ইয়াৰ পশ্চিমপ্ৰান্ত লগ লাগিছিল কনৌজৰাজ হৰ্ষবৰ্দ্ধনৰ ৰাজ্যৰ পূব সীমা নালন্দাত। গৌড়ৰ ৰজা শশাঙ্কক পৰাভূত কৰি (হৰ্ষবৰ্দ্ধনৰ সৌহাৰ্দত) কৰ্ণসুবৰ্ণত সামৰিক শক্তিৰ জয়ঢোল কোবাই, কামৰূপৰ উত্তৰ আৰু উত্তৰ-পূব সীমা চীন-বৰ্মাদেশৰ লগত সংলগ্ন কৰি, দক্ষিণ-পশ্চিম সীমা বঙ্গোপসাগৰলৈ বিস্তাৰ কৰি পূব ভাৰতৰ একছত্ৰী সম্ৰাটৰ আখ্যা ভাস্কৰবৰ্মাই তেওঁৰে অতিথি চীন পৰিব্ৰাজক হিউয়েন চাঙৰ-পৰা পাইছিল। নালন্দাৰ উপাচাৰ্য্য শীলভদ্ৰৰ লগত চিঠি-দূতেৰে কৰা আদান-প্ৰদান, হৰ্ষবৰ্দ্ধনৰ দ্বাৰা কনৌজ আৰু প্ৰয়াগত পোৱা আপ্যায়ন, হিউয়েন চাঙৰ লগত সম্ৰাটোচিত ব্যৱহাৰ, কনৌজৰাজলৈ পঠোৱা প্ৰাচীন অসমৰ ঘৰুৱা শিল্পজাত সামগ্ৰীৰ বিশদ বিৱৰণ, ৰজাজনাৰ নিজৰ তাম্ৰশাসন, নালন্দা পোৱা-মাটিৰ মোহৰ, বাণৰ হৰ্ষচৰিত পুথি আৰু চীন পৰিব্ৰাজকৰ টোকাত লিপিবদ্ধ কৰা পাইছো। অসমীয়া মানুহৰ পুষ্ট ৰাজনৈতিক জীৱনৰ প্ৰভাৱৰ উপৰিও এই ৰজাজনাৰ ৰাজত্বকাল থলুৱা সংস্কৃতিত, শিক্ষা-দীক্ষা গুণত এক উল্লেখনীয় স্থানত উঠিব পাৰিছিল। কালিকাপুৰাণৰ ৰাজনৈতিক-সাংস্কৃতিক উৎকৰ্ষৰ ছবি ম্লান কৰি যোগিনীতন্ত্ৰৰ ভৌগোলিক চাৰি সীমাৰ অসমকো ভাস্কৰ-বৰ্মাৰ কামৰূপে চেৰাই গৈছিল। বৰ্মা বংশৰ ৰাজত্বকালৰ যুৱৰাজীয়ে গুপ্তবংশ, পুষ্যভূতি বংশ আৰু গৌড়ৰ লগত ৰাজনৈতিক সম্বন্ধ পতাৰেই নহয়, সাংস্কৃতিক আদান-প্ৰদানৰো সম্যক আভাস আমাক দিছে। এই বংশৰ গুণৰ গৰিমাৰ নিদৰ্শন গোটেই উত্তৰ আৰু পূব ভাৰতত্তেই নহয়, দক্ষিণ-পূব এছিয়াৰ স্থান বিশেষৰ স্থাপত্য ভাস্কৰ্য্যত বিচাৰি পোৱা গৈছে। আৰ্য্য-হিন্দু সভ্যতা সংস্কৃতিৰ প্ৰথম নিদৰ্শন, সমসাময়িক ভাৰতীয় ৰাজ্যৰ লগত যোগসূত্ৰৰ উজ্জ্বল ছবি দাঙি ধৰিছে গুপ্তযুগৰ তেজপুৰৰ দহ পৰ্বতীয়াৰ সুন্দৰ ভাস্কৰ্য্য খচিত দুৱাৰ দলিয়ে, ঠিক যেনেকৈ উমাচলৰ মহেন্দ্ৰবৰ্মাৰ শিলালিপি, বৰগঙ্গাৰ ভূতিবৰ্মাৰ শিলালিপি আৰু ভাস্কৰবৰ্মাৰ নিধনপুৰ তাম্ৰশাসনে আৰ্য্য-সভ্যতাৰ, ব্ৰাহ্মণ্য ধৰ্মৰ বিশদ প্ৰচাৰ সম্বন্ধে সাথ্য বহন কৰিছে। ইয়াৰ মাজত আছে শিক্ষা-দীক্ষা, কলা-কৃষ্টিৰ কাৰণে দেখুওৱা ৰাজপৃষ্ঠপোষকতাৰ সঁচা চানেকি। ইয়াৰ দৃষ্টান্ত দিব পৰাৰ ক্ষমতা আমি আজি-কোপতি আজি লব পৰা নাই। দেশৰ কৰ্ণধাৰ সকলে গৌৰৱময় যুৱৰাজীৰ শিকান নোলোৱাতো অনুতাপনীয়।

ভাস্কৰবৰ্মাৰ পিছত একধৰণৰ ৰাজনৈতিক পট পৰিবৰ্তন ঘটে। কামৰূপৰ শাসনভাৰ অৱন্তিবৰ্মাৰ (শালস্তম্ভ) হাতলৈ যায় আৰু সপ্তম শতিকা শেষ নোহোৱালৈকে ৰাজ্যখনৰ জ্যোতি ম্লান হৈ থাকে। কিন্তু অষ্টম শতিকাৰ মহাৰাজাধিৰাজ হৰ্ষদেৱৰ প্ৰতিভা ভাস্কৰবৰ্মাতকৈও কোনো গুণে কম নাছিল। এই ৰজা জনাই সমসাময়িক ভাৰতৰ প্ৰধান ৰাজবংশৰ লগত বিবাহ সূত্ৰত আবদ্ধ হৈ নিজৰ ৰাজ্যখনৰ পৰিবৰ্দ্ধন ঘটাই ভাৰতীয় ৰাজনৈতিক মানচিত্ৰত এক বিশিষ্ট আসন লবলৈ অশেষ চেষ্টা কৰিছিল। ইয়াৰ সাক্ষ্য বহন কৰিছে, নেপালৰাজ ২য় জয়দেৱৰ পশুপাতি প্ৰস্তৰ লিপিয়ে। হৰ্ষদেৱক ইয়াত গৌড়-ওড্ৰ-কলিঙ্গ-কোশলপতিৰ আখ্যা দিয়া আছে। এই বিশাল উত্তৰ-পূৰ্ব ভাৰতৰ ভূমিখণ্ড কেতিয়া কেনেকৈ জয় কৰি কামৰূপ ৰাজ্যৰ চামিল কৰিছিল, বিশদ বিবৰণ পাবলৈ নাই। কিন্তু বাক্‌পতিৰ গৌড়বহো প্ৰাকৃত পুথিয়ে সাক্ষ্য কৰিছে, কনৌজৰাজ যশোবৰ্মাৰ হাতত পৰাভূত হোৱা গৌড়ৰাজ হৰ্ষদেৱ কামৰূপৰ ৰজাই আছিল আৰু অষ্টম শতিকাৰ প্ৰথমাৰ্দ্ধতেই উক্ত ৰাজ্যবোৰ জয় কৰি কামৰূপ ৰাজ্যখন সাম্ৰাজ্যত পৰিণত কৰাইছিল। জয়দেৱৰ শাসনত উল্লেখকৰা কাল কামৰূপী কালত (Kāmarūpī era) নিৰ্ণয় কৰা হ'লে (১৫৩+৫৯৪)=খৃঃ ৭৪৭, এই তাৰিখৰ আগতেই উক্ত ৰাজ্যবোৰ জয় কৰা বুজায় আৰু যশোবৰ্মনৰ দিগ্বিজয়ৰ (যিহৰ কাৰণে হৰ্ষদেৱৰ ৰাজনৈতিক জীৱনৰ পৰিসমাপ্তি ঘটিছিল) সময় উক্ত তাৰিখৰ পিছত নিৰ্ণয় কৰিবলগীয়া হয়। সি যি কি নহওক, কামৰূপ ৰাজ্যৰ প্ৰতিভা সহ্য কৰিব নোৱাৰি কনৌজৰাজ যশোবৰ্মনে উত্তৰবঙ্গ আৰু ইয়াৰ পশ্চিম, দক্ষিণ-পশ্চিমৰ কামৰূপ ৰাজ্যৰ অংশাবশেষ আক্ৰমণ কৰি ইয়াৰ ৰজা হৰ্ষদেৱক পৰাভূত কৰি কামৰূপ ৰাজ্যৰ সীমাৰ সঙ্কোচন ঘটাইছিল।

অষ্টম শতিকাৰ শেষভাগ আৰু নৱম শতিকাৰ আৰম্ভণিত কামৰূপ ৰাজ্যৰ ৰাজনৈতিক প্ৰতিভা ম্লান কৰিলেও নৱম শতিকাৰ মাজভাগত ৰজা হৰ্জৰবৰ্মন আৰু বনমালৰ দিনৰ কামৰূপ ৰাজ্যই পুনৰ প্ৰতিভাশালী হৈ উঠে। বনমালৰ ৰাজ্যৰ পশ্চিম সীমা পুনৰ ভূতিবৰ্মা আৰু ভাস্কৰবৰ্মাৰ ৰাজ্যৰ সীমাৰেখা চুইছিল। ৰত্নাজনাৰ তেজপুৰৰ তাম্ৰশাসন আৰু পৰৱৰ্তীয়া তাম্ৰশাসনে ইয়াৰ সাক্ষ্য বহন কৰিছে। ওচৰচুবুৰীয়া ৰাজ্যৰ ৰজা-প্ৰজাৰ লগত শান্তি-যুদ্ধাৱগ্ৰহৰ যোগে সম্বন্ধ স্থাপন কৰা ঘটনাৰ উল্লেখ উক্ত ৰাজশাসনৰ বাহিৰেও গৌড়ৰ পাল বংশৰ প্ৰস্তৰলিপি-তাম্ৰশাসনৰ পৰা পাব পাৰি। উক্ত ৰজাসকলৰ দিনতে

তেজপুৰত দ্বিতীয় ৰাজধানী স্থাপন কৰি কামৰূপ ৰাজ্যৰ উত্তৰ সীমা বৰ্ত্তমানৰ অৰুণাচলৰ অংশবিশেষলৈ বিস্তাৰ কৰি চীন-তিব্বতৰ লগত ৰাজনৈতিক-সাংস্কৃতিক আদান-প্ৰদানৰ যোগসূত্ৰ কটকটীয়াকৈ স্থাপন কৰিছিল। অৱশ্যে এই যোগসূত্ৰৰ আঁত প্ৰাক্-ঐতিহাসিক যুগৰ লোক প্ৰব্ৰজনে দিয়াৰ উপৰিও চতুৰ্থ-পঞ্চম শতিকাৰ পৰা আৰম্ভ কৰি একাদশ-দ্বাদশ শতিকাৰ প্ৰত্নতাত্বিক সমলে বাককৈয়ে প্ৰমাণ কৰিছে। অৰুণাচলৰ অন্তপ্ৰাপ্ত প্ৰত্নতাত্বিক সমল, বামুণীপাহাৰ, তেজপুৰৰ কোলপাৰ্কৰ স্থাপত্য ভাস্কৰ্য্যৰ নিদৰ্শন সমূহক বাদ দি বুজিব নোৱাৰি। ইবোৰ সমলো বিশাল কামৰূপ ৰাজ্যৰ ৰাজনৈতিক পৃষ্ঠপোষকতাত গঢ়ি উঠা সাংস্কৃতিক জীৱনধাৰাৰ অবিস্মৰণীয় সুন্দৰ চানেকি। আজিৰ ৰাজনৈতিক পটপৰিবৰ্ত্তনে অৰুণাচলক অসমৰপৰা কাটি নি ভাৰতীয় ঐতিহ্যতে চৰম আঘাত হানিছে। এইটো সকলোৰে উপলব্ধি নোহোৱাকৈ থকাটোহে আশ্চৰ্য্যজনক।

দশম-দ্বাদশ শতিকাৰ পালবংশৰ ৰাজনৈতিক-সাংস্কৃতিক বুৰঞ্জীৰ অধ্যায় আৰু গৌৰৱময় আছিল। অৱন্তিবৰ্মাৰ বংশৰ শাসন কালৰ শেষ ৰজা ত্যাগসিংহৰ দিনত দশম শতিকাৰ শেষভাগতে অন্ত পৰে, আৰু উক্ত ৰজাৰ উত্তৰাধিকাৰীৰ অভাৱত ৰাজ্যৰ কৰ্ণধাৰ সকলে ব্ৰহ্মপালক প্ৰাগজ্যোতিষৰ অধিপতি পাতে। ৰত্নপালৰ বৰগাওঁ তাম্ৰশাসনৰ মতে ব্ৰহ্মপালও ভৌমবংশৰ উত্তৰাধিকাৰী আছিল। সেয়েহে এওঁক প্ৰজাবৰ্গৰ মাজৰ বিশিষ্ট ব্যক্তি বিশেষে ৰাজপাটত বহুৱায়। এনেকুৱা উদাহৰণ আইন ৰাজ্যৰ বুৰঞ্জীতো পোৱা যায়। ব্ৰহ্মপালৰ পুত্ৰ ৰত্নপালৰ শাসনকাল কামৰূপৰ ৰাজনৈতিক-সাংস্কৃতিক বুৰঞ্জীৰ এক গৌৰৱোজ্জ্বল অধ্যায়। এওঁৱেই প্ৰাগজ্যোতিষ ৰাজধানী সুৰক্ষিত কৰি নতুন নাম দিলে দুৰ্জ্জয়া। বহিঃ-আক্ৰমণৰ পৰা দুৰ্ভেদ্য কৰা হেতুকে এই নাম দিয়া হৈছিল। সমসাময়িক ৰাজ্য, যেনে গৌড়, চালুক্য, গুৰ্জ্জৰ, কেৰল আদিৰ লগত ৰত্নপালে যুদ্ধত লিপ্ত থাকিবলগীয়া হৈছিল বুলি বহু পণ্ডিতৰে মত। কিন্তু আমাৰ মতে বৰগাওঁ শাসনত উল্লেখ কৰা সকলো ৰাজ্যৰ লগত কামৰূপৰ ৰজাই যুদ্ধ কৰিবলগীয়া হোৱা নাছিল। ৰাজধানীৰ দুৰ্জ্জয়তা বুজাবলৈকেহে উক্ত বৰ্ণনাৰ অৱতাৰণা কৰা হৈছে।

কিন্তু ৰত্নপালে যে বঙ্গৰ ৰজা ৰাজ্যপালক পৰাভূত কৰিছিল, এই কথাৰ উল্লেখ পৰবৰ্ত্তী ৰজা গোপালৰ গছতলৰ তাম্ৰশাসনত পোৱা হৈছে। গৌড়ৰ ৰজা মহীপালৰ (প্ৰথম) পিছত এই ৰাজ্যৰ ৰাজনৈতিক পতনৰ সূচনা হয়,

আৰু এই সুযোগতে বল্লপালে গৌড় আক্ৰমণ কৰি ৰাজ্যপালক পৰাজয় কৰি উত্তৰ বঙ্গৰ অংশ বিশেষ কামৰূপ ৰাজ্যত চামিল কৰাটো নিৰ্ভৰযোগ্য ঐতিহাসিক ঘটনা। বল্লপালৰ চৰতবাৰী তাম্ৰশাসন আৰু ইন্দ্ৰপালৰ গুৱাহাটী তাম্ৰশাসনে প্ৰমাণ কৰিছে, হাবুং ভূখণ্ডকে আদি কৰি উত্তৰ লক্ষীমপুৰ অঞ্চল, আৰু নদিয়াৰ অংশবিশেষ এই সময়ত কামৰূপ ৰাজ্যৰ অন্তৰ্ভুক্ত আছিল। বল্লপালৰ পৌত্ৰ ইন্দ্ৰপালৰ দিনৰ কামৰূপৰ ৰাজনৈতিক জীৱন চৰম সীমাত উঠিছিল। ৰজাজনাৰ গুৱাহাটী তাম্ৰশাসনে উক্ত ঘটনাৰ প্ৰমাণ ধৰিছে। গোপালৰ গছতলৰ তাম্ৰশাসনে উল্লেখ কৰিছে, ইন্দ্ৰপালে চন্দ্ৰবংশৰ ৰজা শ্ৰীচন্দ্ৰৰ পুত্ৰেক কল্যাণচন্দ্ৰক নৌ-যুদ্ধত পৰাভূত কৰিছিল, যি কল্যাণচন্দ্ৰ বঙ্গৰ ৰজাৰ পৰাজয়কাৰী আছিল। উক্ত ঘটনাৰ উল্লেখে প্ৰমাণ কৰিছে, গোপালৰ কামৰূপ ৰাজ্যৰ ৰাজনৈতিক প্ৰতিভা সুদূৰপ্ৰসাৰী আছিল। ৰাষ্ট্ৰকূট বংশৰ ৰজাই ইন্দ্ৰপালৰ লগত বৈবাহিক সূত্ৰত লগ লগাৰ ফলত গোপালে সুযোগ লৈ গৌড়-বঙ্গৰ অংশবিশেষ কামৰূপত চামিল কৰা সম্ভৱ হৈছিল। কামৰূপ ৰাজ্যৰ পৰাক্ৰম সহিব নোৱাৰি পৰৱৰ্তী ৰজা হৰ্ষপালৰ দিনত পূৰবঙ্গৰ ৰজা জাতবৰ্মনে কামৰূপ আক্ৰমণ কৰিছিল, আৰু উত্তৰ বঙ্গৰ অংশ বিশেষ কাঢ়ি আনিছিল বুলি ধৰি লব পাৰি। এই সময়তে চালুক্যৰ ৰজা বিক্ৰমাদিত্যৰো (৬ষ্ঠ) দিগ্বিজয় আৰম্ভ হৈছিল। বিলহণৰ বিক্ৰমাঙ্ক চৰিত পুথিয়ে উক্ত ৰজাজনাই মগধ, অঙ্গ, গৌড় আৰু কামৰূপ ৰাজ্যত আক্ৰমণ চলোৱা বুলি উল্লেখ কৰিছে। হৰ্ষপালে এই আক্ৰমণ প্ৰতিহত কৰিব নোৱাৰিলে সঁচা, কিন্তু কামৰূপ ৰাজ্যৰ বিশেষ সঙ্কোচন ঘটা নাছিল। চালুক্যৰাজে আক্ৰমণ কৰিয়েই উক্ত ৰাজ্য-সমূহৰ পৰা আতৰি গৈছিল, আদৰ্শী বিক্ৰমাদিত্যৰ দিগ্বিজয়ৰ আদৰ্শ ৰক্ষা কৰি।

হৰ্ষৰ পৰৱৰ্তী ৰজা ধৰ্মপালৰ ৰাজত্বকালত পুনৰ ৰাজনৈতিক অভ্যুত্থান ঘটে। এই ৰজাজনৰ এতিয়ালৈকে পোৱা তিনিখন তাম্ৰশাসন দুৰ্মূল্য আপুৰুগীয়া উপাদান। উত্তৰ বঙ্গৰ দিনাজপুৰ অঞ্চলত মাটি দান কৰা ঘটনাৰ উল্লেখে বনমালৰ দিনৰ কামৰূপৰ সীমা পুনৰ নিৰ্দ্ধাৰিত কৰাত সহায়তা কৰিছে। এই ৰজাজনাই বৰ্ত্তমানৰ উত্তৰ গুৱাহাটীত কামৰূপ নগৰ নাম দি এখনি সুন্দৰ ৰাজধানী স্থাপন কৰিছিল। গৌড়ৰ ফালৰপৰা ঘনাই হোৱা আক্ৰমণৰ বিৰুদ্ধে লোৱা প্ৰত্যক্ষ ব্যৱস্থাৰ ভিতৰত এইটোৱেই প্ৰধান আছিল। উত্তৰ গুৱাহাটীৰ ৰাজাদুৱাৰেই প্ৰাচীন কামৰূপনগৰৰ সাক্ষ্য বহন কৰি আছে।

উক্ত ৰাজধানীয়ে প্ৰাগজ্যোতিষপুৰৰ অংশৰূপে প্ৰতিষ্ঠিত হৈ প্ৰাচীন ৰাজধানীৰ সুবৃহৎ আকাৰৰ প্ৰমাণ ধৰিছে।

ধৰ্মপাল ৰজাই ৰাজনৈতিক আৰু সাংস্কৃতিক দুই ক্ষেত্ৰতে নিজৰ প্ৰতিভাৰ চিনাকি দিব পাৰিছে। ৰাজ্য আৰু প্ৰজাৰ ধৰ্ম, অৰ্থ আৰু কৰ্মৰ সমানে ৰক্ষণাবেক্ষণ দি এই ৰজাজনাই সকলোৰে মাজত সুখ্যাতি অৰ্জন কৰিছিল। নিজে সংস্কৃত ভাষাত প্ৰশস্তি, কাব্য ৰচনা কৰাৰ উল্লেখে আৰু প্ৰমাণ কৰিছে, কেৱল পৃষ্ঠ-পোষকতা কৰাই নহয়, পুৰন্দৰ পালৰ নিচিনা এই ৰজা-জনাইও আৰ্য্য ভাষা-সংস্কৃতিৰ প্ৰচাৰ কৰাত বিশেষ অৰিহণা যোগাইছিল। এওঁৰ পৰবৰ্ত্তী ৰজা জয়পালৰ ৰাজনৈতিক প্ৰতিভাৰ দৃষ্টান্ত প্ৰহাসৰ শিলিমপুৰৰ প্ৰস্তৰ শিলালিপিয়ে প্ৰমাণ কৰিছে। ধৰ্মপালৰ ৰজাৰ ৰক্ষণাবেক্ষণ দিয়াই নহয়, তেওঁৰ দেহৰ ওজনৰ সমান (**তুলাপুৰুষ**) ন শ সুবৰ্ণ মুদ্ৰাৰ দানে কামৰূপৰ নদন-বদন অৱস্থাৰ চানেকি বাকৈয়ে দাঙি ধৰিছে। এই অৱস্থাৰ কিন্তু লাহে লাহে অৱনতি ঘটিল। গৌড়ৰ ৰামপালৰ পৰাক্ৰমত কামৰূপৰ ৰজা পৰাভূত হোৱা ঘটনাৰ উল্লেখ সন্ধ্যাকৰনন্দীৰ **ৰামপালচৰিতত** পাইছো। কুমাৰপালৰ দিনত তেওঁৰে মন্ত্ৰী তিঙ্গ্যদেৱ আৰু এওঁৰ পিছত বৈদ্যদেৱৰই কামৰূপৰ অংশবিশেষ শাসন কৰা ঐতিহাসিক ঘটনাৰ উল্লেখ বৈদ্যদেৱৰ কৌমলী ৰাজশাসনত পোৱা হৈছে। গতিকে জয়পালৰ সমসাময়িকৰূপে আৰু এওঁৰ মৃত্যুৰ পিছতো দ্বাদশ শতিকাৰ মাজভাগলৈকে বৈদ্যদেৱে কামৰূপৰ অন্ততঃ পশ্চিম অংশত ৰাজ্য শাসন কৰিছিল। পালবংশৰ যে পুনৰুত্থান হৈছিল, এই কথাৰ প্ৰমাণ আমবাৰীৰ শিলালিপিয়ে কৰিছে। ইয়াত উল্লেখ কৰা ৰজা সমুদ্ৰপালে ১১৫৪ শকত যোগীহাটী—গুৱাহাটীত (আমবাৰী) এখন তান্ত্ৰিক-বৌদ্ধ যোগী সকলৰ কাৰণে সৱাসিক সত্ৰৰ ৰক্ষণা-বেক্ষণ দিছিল। আজি কিছুদিন আগতে আৱিষ্কৃত হোৱা আমবাৰীৰ প্ৰত্নতাত্ত্বিক ভগ্নাৱশেষ আৰু মূৰ্ত্তি আদিয়ে উক্ত সত্ৰৰ অৱস্থিতিৰ প্ৰমাণ দাঙি ধৰিছে। আৰু ইয়াকো প্ৰমাণ কৰিছে, পালবংশৰ দিনতে ৰজা-প্ৰজাৰ প্ৰচেষ্টাত কামৰূপৰ ৰাজনৈতিক-সাংস্কৃতিক জীৱন উচ্চ শিখৰত উঠিব পাৰিছিল। কিন্তু এই বংশৰ ৰাজত্বৰ শেষৰ ফালে নানা আহকালে দেখা দিয়ে। বঙ্গৰ পৰা সেনবংশৰ ৰজাৰ আক্ৰমণ আৰম্ভ হয়। জয়পালৰ পিছতেই বিজয়সেনে দ্বাদশ শতিকাৰ মাজভাগত কামৰূপ আক্ৰমণ কৰিছিল। আৰু কামৰূপৰ পশ্চিম অংশৰ ৰজা বৈদ্যদেৱ ইয়াৰ দ্বাৰা পৰাভূত হৈছিল। কিন্তু বল্লভদেৱৰ ৰাজশাসনে প্ৰমাণ কৰে, তেওঁৰ বংশৰ ৰজা

ৰাম্নাৰিবেৱই বঙ্গৰ ৰজা বিজয়সেনক যুদ্ধত পৰাজিত কৰিছিল। বল্লভদেৱে নিজেও সেনৰজা লক্ষ্মণ সেনৰ কামৰূপ আক্ৰমণৰ কাৰণে যুদ্ধত লিপ্ত হৈছিল। দ্বাদশ শতিকাৰ শেষ ভাগত কামৰূপত এইবোৰ ৰাজনৈতিক উত্থান-পতন আৰু পট-পৰিবৰ্তনৰ সূচনা হৈছিল। বখ্‌তিয়াৰ খিলজিৰ কামৰূপ আক্ৰমণত লিপ্তহোৱা কামৰূপৰ বিক্ৰমশালী ৰজাজনা আছিল পৃথু আৰু তেওঁ জয়পালৰ বংশধৰ বুলি ঠাৱৰ কৰিব পাৰি। কানাই বৰশী শিলালিপিয়ে প্ৰমাণ কৰিছে, ১১২৭ শকত (১২০৫-খৃঃ) উক্ত বখ্‌তিয়াৰৰ সেনাবাহিনী কামৰূপী সেনাৰ আক্ৰমণত মৃত্যু মুখত পৰিছিল। মুছলমানৰ প্ৰথম আক্ৰমণে এনেদৰেই কোনো ফল নধৰিলে। কামৰূপৰ ৰাজনৈতিক পট-পৰিবৰ্তনৰ কাৰণে আৰু ৰাজ্যৰ নানা অংশত স্বাধীন শাসন প্ৰবৰ্তনৰ ফলস্বৰূপে ৰাজ্যৰ কেন্দ্ৰীয় শাসনতন্ত্ৰ দুৰ্বল হৈ পৰে, ফলত এটাৰ পিছত আনটো বহিঃআক্ৰমণে ৰাজ্যখনৰ ৰাজনৈতিক ছবি ম্লান কৰি তোলে। এক কথাত, প্ৰাগজ্যোতিষৰ পুৰণি আৰ্য্য-হিন্দু বংশৰ বিভাজনত ত্ৰয়োদশ শতিকাত সৃষ্ট হোৱা, ভূঞা-বাৰভূঞাই ৰাজ্যৰ নানা ঠাইত স্বাধীন সৰু সৰু ৰাজ্য প্ৰতিষ্ঠা কৰি একগোটীয়া কেন্দ্ৰীয় শাসনতন্ত্ৰ দুৰ্বল কৰি ইয়াৰ ৰজা-প্ৰজাৰ ৰাজনৈতিক-সাংস্কৃতিক জীৱন ধাৰাত এটি নতুন দুৰ্বল সুঁতিৰ অৱতাৰণা কৰে। এই সুঁতিৰ গতি পৰবৰ্ত্তী কালত, কোঁচ-আহোমৰ ৰাজত্বকাল শেষ নোহোৱালৈকে চলি আছিল, আৰু ইয়াৰ ভাব-ভঙ্গী বৰ্ত্তমান কালতো সময়ে সময়ে উজাৰ দি থাকে।

এই বিশাল কামৰূপ ৰাজ্যৰ প্ৰতিষ্ঠাতাসকলে ভাৰতীয় ঐতিহ্যতে শিক্ষা লৈ এক অভিনৱ শাসন তন্ত্ৰৰ পাতনি মেলে। এই শাসন তন্ত্ৰই সকলো জাতি-জনজাতিৰ লোকক এক ৰাজনৈতিক গোটত ৰাখি সুশাসনৰ ব্যৱস্থা কৰাইছিল। ৰাজতন্ত্ৰ হলেও, সকলো প্ৰজাৰে জাতি-বৰ্ণ নিৰ্বিশেষে নিজৰ নিজৰ সা-সুবিধা দি সামাজিক জীৱন যাপনৰ দিহা লগাইছিল। ৰজা স্বেচ্ছাচাৰী হব নোৱাৰিছিল। ৰজাই মন্ত্ৰীপৰিষদ আৰু অন্যান্য শাসনতন্ত্ৰৰ অঙ্গৰ দ্বাৰা পৰিচালিত হোৱা ঘটনাৰ উল্লেখ ৰাজশাসনত পাব পাৰি। পিতৃৰ পিছত বৰপুত্ৰ যুবৰাজ হৈ ৰাজপাটত উঠিলেও, সময়ত শাসনতন্ত্ৰৰ কৰ্ণধাৰসকল আৰু বিশিষ্ট প্ৰজাবৰ্গৰ দ্বাৰাও ৰজা বাছনিত উঠিছিল। নানাকাৰণত স্বইচ্ছাই ৰাজ্যভাৰ পৰিত্যাগ কৰা ৰজাৰো উল্লেখ পাইছো। এই সকলোবোৰে প্ৰমাণ কৰে, কামৰূপৰ ৰাজ-শাসন পদ্ধতি ভাৰতীয় ৰাজনীতিৰ ঐতিহ্য ৰক্ষা কৰি প্ৰতিষ্ঠিত আৰু প্ৰচলিত হোৱা সুব্যৱস্থাৰ নিদৰ্শন।

শাস্ত্রীয় নীতি-নিয়ম পালন কৰি ৰাজ্যাভিষেকৰ ব্যৱস্থা কৰি ৰজাই ৰাজ-পাটত উঠাৰ উল্লেখ নানা ঠাইত পাইছো। ৰাজ্যজয়ৰ পিছত অশ্বমেধ যজ্ঞ কৰি পৰাক্ৰম বিস্তাৰ কৰা ঘটনাৰো উল্লেখ পাইছো। মুঠৰ ওপৰত ৰজাই ৰাজধৰ্ম ৰক্ষা কৰি কামৰূপ ৰাজ্যত সুশাসনৰ ব্যৱস্থা কৰিছিল। নানা ঠাইত মাটি দান দি, আৰ্য্য-হিন্দু, শিক্ষা-দীক্ষা, ধৰ্ম-প্ৰচাৰৰ ব্যৱস্থা কৰি এই ৰাজ্যখনৰ হিতাৰ্থে আহোপুৰুষাৰ্থ কৰা ঐতিহাসিক ঘটনাৰ হুবহু বৰ্ণনা সমসাময়িক সাহিত্যতেই নহয়, ৰজাসকলৰ নিজৰ নিজৰ তাম্ৰপত্ৰাদি অভিলেখসমূহ আৰু অপৰ্য্যাপ্ত প্ৰত্নতাত্ত্বিক স্থাপত্য ভাস্কৰ্য্যৰ নিদৰ্শনত পাব পাৰি।

মন্ত্ৰীপৰিষদৰ মন্ত্ৰণাৰ দ্বাৰা পৰিচালিত হোৱা ৰাজতন্ত্ৰৰ আৰ্হি কামৰূপতো আছিল। মন্ত্ৰীসকলক অমাত্য আৰু সচিব আখ্যাও দিয়া হৈছিল। **কালিকা-পুৰাণৰ** ৰাজধৰ্ম অধ্যায়ত উল্লেখ কৰাৰ দৰে মন্ত্ৰীপৰিষদৰ উপদেশ ৰজাসকলে সৰ্বদা প্ৰয়োজনানুসাৰে লৈছিল। শাসনতন্ত্ৰ ৰাজহ বিভাগ, ন্যায়বিচাৰ বিভাগ, সামৰিক বিভাগ আদিত বিভক্ত কৰি এটাৰ লগত আনটোৰ সম্বন্ধ ৰক্ষা কৰি, সুশাসন পদ্ধতিৰ প্ৰচলন কৰাই ৰাজ্য আৰু প্ৰজাৰ সুখ-সমৃদ্ধিৰ কাৰণে ৰজাসকলে যৎপৰোনাস্তি চেষ্টা কৰিছিল।

ৰজাসকলৰ তাম্ৰশাসন আৰু অন্যান্য অভিলেখাদিয়ে কামৰূপৰ ৰাজহ বিভাগৰ উন্নত ধৰণৰ সুব্যৱস্থাৰ নিদৰ্শন দাঙি ধৰিছে। মাটিৰ প্ৰকাৰ নিৰ্দ্ধাৰণ, আয়ৰ আৰু ব্যয়ৰ মাজত সমন্বয় ৰাখি ৰাজহৰ বিতৰণ, ৰাজহ বিভাগৰ কৰ্মচাৰী নিয়োগৰ ব্যৱস্থাদি কৰি ৰজাসকলে উক্ত বিভাগটি সুপৰিকল্পিতভাবে চলোৱাত বিশেষ চকু দিছিল। ইয়াৰ ফলত প্ৰজাবৰ্গই এফালে সুখ-স্বচ্ছন্দে জীৱন-যাপন কৰিবলৈ সুযোগ-সুবিধা পাইছিল, আৰু আনফালে আৰ্যসভ্যতা বিস্তৃতিৰ সহায়ক হৈছিল। এফালে ব্ৰহ্মোত্তৰ-দেৱোত্তৰ মাটি নিষ্কৰ কৰা হৈছিল, আনফালে সময়োপযোগী কৰ-কাটল, উপৰিকৰ-উট্‌খেটন লগাই ৰাজ্য চলোৱাৰ সুব্যৱস্থা কৰাইছিল। উক্ত একে প্ৰণালীতে ন্যায়বিচাৰ বিভাগৰ প্ৰশাসন ব্যৱস্থিত হৈছিল। ৰজাসকলৰ অভিলেখাদিয়ে বিষয়াবৰ্গৰ সৈতে এই বিভাগৰ সুব্যৱস্থাৰ চানেকি দাঙি ধৰিছে। সৰু সুবা আৰক্ষী বাহিনীৰ পৰা আৰম্ভ কৰি দণ্ডাধীশলৈকে সকলো প্ৰকাৰৰ কৰ্মচাৰী নিয়োগ কৰি, নীতিগত শাস্তি বিধানৰ উপায় উদ্ভাৱন কৰি শৃঙ্খলাবদ্ধৰূপে বিচাৰালয়ত ন্যায়বিচাৰ কৰাৰ ব্যৱস্থা ৰাজকৈয়ে কৰা হৈছিল। এই একে সুব্যৱস্থাৰ আৰ্হি সামৰিক বিভাগতো পাব পাৰি। দূত আৰু চোৰাং চোৱাৰপৰা আৰম্ভ কৰি উক্ত বিভাগ পদাতিক,

অশ্বাৰোহী, হস্ত্যাৰোহী, নৌ আৰু দুৰ্গ এই চাৰি অংশত ভাগ কৰি, প্ৰত্যেকতে সেনাধ্যক্ষ বা সেনাপতি, মহাসেনাপতি নিয়োগ কৰি, ৰজাই নিজে সৰ্বাধিনায়ক হৈ ৰাজ্যখনৰ বিশাল সামৰিক বিভাগটো শক্তিশালী কৰি ৰাখিছিল। কি প্ৰাগজ্যোতিষপুৰ, কি দুৰ্জয়া, কামৰূপনগৰ, হাৰুপেশ্বৰ, আৰু কি ৰজৰ কৰ্ণসুবৰ্ণ, সকলো ৰাজধানী বা প্ৰধান নগৰবে প্ৰতিৰক্ষাৰ সুব্যৱস্থা কৰি দূত-চোৰাং চোৰাৰ সহায়ত ওচৰচুবুৰীয়া ৰাজ্যৰ সামৰিক শক্তিৰ গুপ্ত-বাতৰি লৈ, সময়ত ইয়াক আক্ৰমণ কৰি, আৰু সময়ত ইয়াৰ লগত মিত্ৰতা স্থাপন কৰি নিজ কৰ্ম-স্বাৰ্থ সিদ্ধি কৰাত উদ্যত হোৱা ঐতিহাসিক ঘটনাৰ বৰ্ণনা নানা বুৰঞ্জীৰ সমলে দিছে। ইবোৰে ৰজা-প্ৰজাৰ ৰাজনৈতিক পৰিপক্কতাৰ, বিচক্ষণতাৰ পৰিচয় দিছে।

ৰাজ্যখনৰ শাসন ব্যৱস্থাত শাসন বিকেন্দ্ৰীকৰণ অন্য এটি উল্লেখনীয় ঐতিহাসিক ঘটনা। ভুক্তি, মণ্ডল, বিষয়, অগ্ৰহাৰ, পুৰ, নগৰ আদি কেন্দ্ৰীয় ঠাচত স্বকীয় শাসনৰ ব্যৱস্থা কৰি, ৰাজ্যখনৰ বৃহৎ স্বাৰ্থত আৰু প্ৰজাবৰ্গৰ ৰাজনৈতিক আশা-আকাঙ্ক্ষা পূৰণ কৰাত সহায় কৰিবলৈ বৰ্তমানৰ প্ৰকৃত পঞ্চায়তীৰাজ ব্যৱস্থাৰ অনুশীলনৰ মাজেৰে প্ৰজাতন্ত্ৰৰ অৱতাৰণা কৰাৰ উদাহৰণ ৰাজশাসন বা অভিলেখসমূহে ৰাকৈয়ে দিছে। বণিক, তন্তুবায় আদি অৰ্থনৈতিক শ্ৰেণীবিভাগ আৰু ইবোৰৰ ৰাজনৈতিক প্ৰভাৱতো উক্ত প্ৰজাতন্ত্ৰ বা গণতন্ত্ৰৰ নমুনা পোৱা গৈছে। আমাৰ কলা-কৃষ্টি, সংস্কৃতিত প্ৰতিফলিত হোৱা দেখা পাইছো সেই একে পুৰণি শাসন-ব্যৱস্থাৰ সুন্দৰ ছবি এখন। নাইবা পুৰণি অসমৰ পুষ্ট-সমৃদ্ধ সমাজ-সংস্কৃতিয়ে ৰজা-প্ৰজাৰ ৰাজ-নৈতিক বিচাৰবুদ্ধি আৰু বিচক্ষণতাৰে চিনাকি দিছে। এই বিচাৰবুদ্ধিৰ শিক্ষা বৰ্ত্তমানৰ অসমৰ কৰ্ণধাৰসকলে অনুসৰণ কৰা দেখা পালে বুৰঞ্জীবিদে, বুৰঞ্জী-পঢ়ুৱৈ সমাজে, তথা নিচলা অসমীয়া ৰাইজে নিশ্চয় আনন্দ পাব।*

---

* অসম সাহিত্য সভাই প্ৰকাশ কৰা (১৯৭৪ চন) অসমীয়া জাতিৰ ইতিবৃত্ত পুস্তকত প্ৰকাশিত।

অবিভাজিত অসম কংগ্ৰেছৰ ঊৰ্দ্ধমহলৰ ক্ষুদ্ৰাংশ

মনোবিজ্ঞানত পোৱা কথা : নতুন অত্যাৱশ্যকীয় তথ্যপাতি মগজুত ধৰি ৰাখিবলৈ হলে মানুহে ধৰা কিছুমান পাহৰি যাব লাগে। কিন্তু, পুৰণিবোৰ কথা মগজুৰ গেৰুৱা (grey matter) অংশত অঙ্কিত হৈ থাকে। পুৰণি নতুন হয়, নতুন পুৰণি। গতিকে অগা-পিচা হব পাৰে। চন-তাৰিখতো ভুল হৈ যাব পাৰে। লিখি ৰখা হোৱা নাছিল। ক্ষমা প্ৰাৰ্থনীয়। আত্ম-কথাও দিয়া হৈছে।

কিবা প্ৰকাৰে অসম কংগ্ৰেছত সোমাই পৰো ১৯৫১ চনৰ আগভাগত। অসুবিধা নাছিল, খাদী পিন্ধো ১৯৩৫ চনৰপৰাই। ১৯৪২ চনৰ গণ-বিপ্লৱৰ আৱৰ্ত্তণিতে আছিলো কাশী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ ৰূপে। ইয়াৰ মাজত পৰি কি কৰিছিলো, সবিশেষ জ্ঞাত কৰিবলৈ মান্য ব্যক্তি শ্ৰীপ্ৰভাত শৰ্মালৈ ঠেলি দিলো। শ্ৰীশৰ্মাই কাৰাবৰণ কৰি ৰাজনৈতিক পেঞ্চন পালে নে নাই কব নোৱাৰো। আমাৰ ফালৰপৰা হাত মেলা নহ'ল। ১৯৫২ চনৰ নিৰ্বাচনৰ কাৰণে শ্ৰীমহাদেৱ দাসক (এতিয়াও কংগ্ৰেছৰ পুৰণি ছপাশাল চলাই আছে হেমীভিলাত সোমোৱাৰ পথৰ কাষত) কংগ্ৰেছৰ প্ৰাৰ্থীত্ব দিবলৈ খাতনি ধৰিছিলো নিনাস্বাৰ্থত, কাৰণ মোৰ অধ্যাপনা আছিল গুৱাহাটী বিশ্ববিদ্যালয়ত। বিধায়ক হৈছিল মোৰ শ্ৰদ্ধাভাজন শহুৰ অক্ষয় কুমাৰ দাসৰ প্ৰচেষ্টাত। ১৯৫১ চনৰ ছেপ্টেম্বৰ মাহত বিলাতলৈ গৈ প্ৰায় দুবছৰ তাত থাকিবলগীয়া হোৱাত উক্ত নিৰ্বাচন নাপালো। দাস ডাঙৰীয়া সৰভোগ সমষ্টিৰপৰা নিৰ্বাচিত হোৱাত বিষ্ণুৰাম মেধি ডাঙৰীয়া দলপতি হৈ মুখ্যমন্ত্ৰীত্বৰ বাব লৈ তেওঁক ৰাজহ মন্ত্ৰীৰ বাব যাচিছিল। মোক এই কথাৰ সদৰী কৰে কেবাবছৰৰ পাছত। তেওঁৰ উত্তৰ আছিল : মই নলওঁ, মহেন্দ্ৰক (মহেন্দ্ৰ মোহন চৌধুৰী) কিবা এটা দিয়ক। মেধী ডাঙৰীয়াই কৈছিল : দিম, কিন্তু আপুনি লব লাগিব। পুনৰ উত্তৰ দিছিল একেদৰেই আৰু লগতে কৈছিল, গোৱালপাৰাৰ হৰেশ্বৰ দাসক দিলে ভাল হব। তদনুযায়ী কৰা হৈছিল। মন্ত্ৰীসভাখন তাকৰীয়া

আছিল, যদিওবা প্ৰাৰ্থী বহুত আছিল। খোৱা-কামোৰা তেনেকৈ নাছিল বুলি শুনিছিলো।

মই বিলাতলৈ যাওঁতে অহা-যোৱা খৰচ বাবদ মন্ত্ৰী মতিৰাম বৰা ডাঙৰীয়াই অলপ ধন আগ বঢ়াইছিল। কৃতজ্ঞ আছিলো, পাহৰিব নোৱাৰো। কংগ্ৰেছৰ কাৰ্যকৰী কমিটীয়ে মোক ১৯৫৪-৫৫ চনত ৰাজ্যিক পুনৰ্গঠন আয়োগৰ হাতত দিবলৈ এখন দীঘলীয়া স্মাৰকপত্ৰ লিখিবলৈ নিৰ্দেশ দিছিল। চোৰাচিতা, পৰামৰ্শাদি দিবলৈ ডাঃ ভুবনেশ্বৰ বৰুৱা, ডঃ সূৰ্য কুমাৰ ভূঞা আৰু ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাক লৈ এখন সৰু কমিটী কৰি দিছিল। তুৰাবমান আলোচনা কৰাৰ পাছত তেওঁলোকৰ পৰামৰ্শানুযায়ী ময়েই গোটেইখন পুস্তক আকাৰত লিখি পেলালো। নামকৰণ কৰা হৈছিল : Assam's Case Before the State Reorganisation Commission। যথেষ্ট তথ্যপাতি সন্নিবিষ্ট কৰা হৈছিল। তেওঁলোকে চাই-চিতি ছপা কৰাবলৈ কলে। মই কিন্তু কৈছিলো, কংগ্ৰেছৰ নামত ছপা হলেও কেৱল মোৰ নামতহে ওলাব। প্ৰুফ চাই দিম, পইচা নালাগে। তেওঁলোকে মান্তি হ'ল। পুস্তক ওলাল। আয়োগ অহাৰ কিছুদিন আগত দীঘলীপুখুৰীৰ পাৰৰ জিলা কংগ্ৰেছ ভৱনত বৃহৎ সভা বহিল। মুখ্যমন্ত্ৰী, মন্ত্ৰী সমন্বিতে কংগ্ৰেছৰ বৰমূৰীয়াসকল আলোচনাত বহিল। মোৰ উপস্থিতিতেই এজন গণ্যমান্য কংগ্ৰেছীয়ে (লোকসভাৰ সদস্য আছিল নেকি ?) মন্তব্য কৰিছিল : স্মাৰক পত্ৰখন ভালেই হৈছে, কিন্তু too academic হোৱা বুলি ধাৰণা হয়। আন এজনে কৈছিল, হোৱাৰেই কথা, এজন বিদ্যায়তনিকে লিখিছে আৰু ইয়াৰ ভিতৰত ৰাজনৈতিক-সাংস্কৃতিক অৱস্থান সম্পৰ্কে সম্যক আলোচনা আছে নৃতাত্ত্বিক-ঐতিহাসিকৰ উদ্ধৃতিসহিত ১৯৫১ চনৰ পিয়লৰ ভিত্তিত। গোৱালপাৰা জিলাক পশ্চিম বংগৰ লগত সামৰি লবলৈ তাৰ কংগ্ৰেছে চেষ্টা কৰিছিল। বৰাক উপত্যকাতো বেলেগ ৰাজ্য গঠনৰ প্ৰয়াস হৈছিল। আমাৰ স্মাৰকপত্ৰ, তথা পুস্তকত কোচবিহাৰলৈ হাত মেলা হৈছিল ঐতিহাসিক যুক্তি দাঙি ধৰি। এজনে সভাত কোৱা শুনিছিলো, উক্ত অংশ বিচৰা ঠিক হোৱা নাই। মন্ত্ৰী বৰা ডাঙৰীয়াই মন্তব্য কৰিছিল, ঠিক হৈছে। তেতিয়াহে গোৱালপাৰা আমাৰ ভাগত ৰব। আয়োগে আমাৰ যুক্তি মানি লৈ অসমৰ ভৌগোলিক অখণ্ডতা ৰক্ষা কৰিছিল। কিন্তু, আমি বিচৰামতে হব লাগিছিল— কৰতোয়াং সমাৰভ্য যাৱদ্ দিক্করবাসীনীং। কেন্দ্ৰীয় মন্ত্ৰী এজনে কোচবিহাৰ অসমত থাকিব লাগে বুলি মাত মাতিছিল। হৈ নুঠিল। উল্লেখনীয়, দেৱেশ্বৰ

শৰ্মাদেৱে মোক আন এখন স্মাৰকপত্ৰ পশ্চিমবংগ কংগ্ৰেছৰ স্মাৰকপত্ৰৰ প্ৰশ্নোত্তৰ আকাৰত লিখিবলৈ কৈছিল। লিখা নহ'ল। কিন্তু, Goalpara—Part and Parcel of Assam নাম দি আন এখন পত্ৰ লিখি ছপোৱা হৈছিল। প্ৰবন্ধ আকাৰত Assam Tribuneত প্ৰকাশো কৰা হৈছিল।

১৯৫৬ চনৰ অক্টোবৰ মাহ। ১৯৫৭ চনৰ নিৰ্বাচন আসন্ন। লেখক তেতিয়া বুৰঞ্জী পুৰাতত্ত্ব বিভাগত, মেধি ডাঙৰীয়া আৰু অমীয় কুমাৰ দাস দেৱৰ মৰমলনা আগ্ৰহত। অসম চৰকাৰৰ নিৰ্দেশানুযায়ী অসম ৰাজ্যিক প্ৰত্নতত্ত্বৰ আঁচনি এখন কলিকতালৈ গৈ, তৈয়াৰ কৰি বিমানেৰে ওভোতাৰ পথত মেধি ডাঙৰীয়াক বিমানতে সুধিছিলো, ১৯৫৭ চনৰ নিৰ্বাচনৰ প্ৰাৰ্থীৰ মনোনয়ন কি হ'ল? বিমৰ্ষ সুৰত কৈছিল: বিমলা চলিহাই দিল্লীতেই মন্তব্য কৰিছে: আপুনি এইবেলি দলপতি হব নোৱাৰে। অৰিয়া-অৰিৰ পৰিস্থিতি। কিন্তু, মেধি ডাঙৰীয়া পুনৰ দলপতি হৈ মুখ্যমন্ত্ৰী হৈছিল। প্ৰতিদ্বন্দ্বিতা নোহোৱাকৈ থকা নাছিল। মুখ্যমন্ত্ৰী হৈ থাকোঁতে তেতিয়াৰ কাৰ্জন হলত গধূলি অনুষ্ঠিত সভাত এক হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হৈছিল। প্ৰত্যক্ষদৰ্শী আছিলো। তেওঁক প্ৰশ্ন কৰা হৈছিল, শোধনাগাৰ স্থাপন কৰা হব নে নাই? ইতিমধ্যে বিজুলী বাতি নিৰ্বাপিত কৰা হল। কথমপি আৰক্ষীয়ে আবৰি লৈ মেধি ডাঙৰীয়াক নিজ বাসভৱন পোৱাইছিল। আমি জনাত, তেওঁ এই বিষয়ত চেষ্টাৰ ত্ৰুটী কৰা নাছিল। কিছুদিন পাছৰ কথা। ১৯৫৭ চনৰ আৰম্ভণিৰ লগে লগে নগা-পাহাৰত গোলমালৰ সূচনা হ'ল। তেতিয়াৰ প্ৰধান মন্ত্ৰী পণ্ডিত নেহৰুজী কোহিমালৈ আহিব। তেওঁৰ হাতত দিল্লীত বা কোহিমাতেই স্মাৰকপত্ৰ দিব। তেওঁৰপৰা বুৰঞ্জী-পুৰাতত্ত্ব বিভাগলৈ জৰুৰী চিঠি আহিল, Assam-Naga Relationsৰ ওপৰত এখন তথ্য-পূৰ্ণ স্মাৰকপত্ৰ লিখি তেওঁক দিব লাগে। ডঃ ভূঞা তেতিয়াও বিভাগটোত আছে। তেওঁ নিলিখি মোকে লিখিবলৈ দিলে। বিমোৰত পৰিলো, হাতত সময় কম। তথাপি লিখি উলিয়াই পঠালো। ফল নধৰিলে। ব্যৰ্থ চেষ্টাত পৰিণত হ'ল। নানা কাৰণত মেধি ডাঙৰীয়াৰ বিৰুদ্ধে এচাম তেওঁৰে সতীৰ্থই (বিশেষকৈ সংসদৰ সদস্যসকলে, নাম নকওঁ) পণ্ডিত নেহৰুৰ কাণত বিষ ঢালিছিল। নাগালেণ্ডৰ জন্ম হৈ উঠিল। পণ্ডিতজীক কোৱা হৈছিল, মেধি ডাঙৰীয়া মুখ্যমন্ত্ৰী হৈ থাকিলে অসমৰ অৱস্থাৰ আৰু অৱনতি ঘটিব।

১৯৫৮ চনৰ প্ৰাগজ্যোতিষপুৰত অনুষ্ঠিত হৱলগীয়া সৰ্বভাৰতীয় কংগ্ৰেছৰ

অধিবেশনৰ কিছুদিন আগৰ কথা। ধুবুৰীত বহা অসম কংগ্ৰেছৰ অধিবেশনে অক্ষয় কুমাৰ দাসদেৱক সভাপতি পতা কথা ওলাওঁতে উক্ত পদৰ কাৰণে মহেন্দ্ৰমোহন চৌধুৰীৰ হেপাহ হ'ল। স্বাৰ্থহীন, সঁচা কংগ্ৰেছী দাসদেৱে উপ-সভাপতিৰ পদকে ললে। চৌধুৰী ডাঙৰীয়াই তেওঁৰে উপকাৰীজনক সভাপতি-ৰূপে মানি লব লাগিছিল। নললে। দাসদেৱে চৌধুৰীদেৱৰ তলতীয়া পদ লৈ ভাল কৰা নাছিল বুলি মই কৈছিলো। মেধি ডাঙৰীয়াৰ আৰু এটি উপায়হীন পৰিস্থিতিৰ উদ্ভৱ হ'ল, যেতিয়া নেহৰুজীয়ে ফখৰুদ্দিন আলী ডাঙৰীয়াক (তেতিয়া তেওঁ এডভোকেট জেনেৰেল আছিল) মন্ত্ৰীসভাত অচিৰে লবলৈ কলে। নিৰ্দেশানুযায়ী কাম কৰা হ'ল। সতীৰ্থসকলে ইতিমধ্যে উদ্যত হ'ল অসমৰপৰা মেধি ডাঙৰীয়াক আঁতৰাবলৈ। তাকে কৰা হ'ল। স্বাধীনতা সংগ্ৰামী, দেশপ্ৰেমী, সক্ষম, কৰ্ত্তব্যনিষ্ঠ, দানপৰায়ণ ব্যক্তি মেধি ডাঙৰীয়াক মাদ্ৰাজৰ ৰাজ্যপালৰূপে পঠোৱা হ'ল। বিমলা চলিহাদেৱে মুখ্যমন্ত্ৰীৰূপে শাসনভাৰ চলালে। তেতিয়া অসম কংগ্ৰেছত কি পৰিস্থিতিৰ উদ্ভৱ হৈছিল সেয়া সকলোৰে অৱগত। আলী চাহাবেই মুখ্যমন্ত্ৰীৰ কাম-কাজ চলাইছিল বুলি শুনা যায়। অৱশ্যে অসমৰ ভাষা আন্দোলনত তেওঁৰ ভূমিকা গুৰুত্বপূৰ্ণ আছিল বুলি জনা যায়। কিন্তু, অসমখন দ্বিভাষী ৰাজ্য কোনে কৰিলে? ভাৰতৰ কোন প্ৰান্তত, ৰাজ্যত উক্ত ব্যৱস্থা আছে? পণ্ডিত নেহৰুজীয়ে কোৱা নাছিল নে, অসমত অসমীয়া একমাত্ৰ ৰাজ্যিক ভাষা নহৈ বোম্বাইত হব নে? কৰা নহ'ল, অসাংবিধানিক কৰা হ'ল, চলিহাদেৱৰ মুখ্যমন্ত্ৰিত্বতেই। তেনেকৈ অকংগ্ৰেছী আছিল, যদি কোনোবা কংগ্ৰেছৰ উপ-সভাপতিয়ে অলৈ তলৈ গৈ কমতাৰাজ্য প্ৰতিষ্ঠা কৰিবলৈ প্ৰয়াস কৰিছিল। জানো, নাম নকওঁ। মেধি ডাঙৰীয়াই মাদ্ৰাজৰপৰা উভতি আহি মোক মাতি নি তেওঁৰ ভাষণৰ খণ্ডসমূহ প্ৰকাশ কৰিবলৈ কৈছিল। মই কংগ্ৰেছলৈ আঙুলিয়াইছিলো। কৰা নহ'ল। জীৱনৰ সৰ্বস্ব দান নকৰা হলে তেওঁৰেই ছপাব পাৰিলেহেঁতেন। ইয়াৰ, তথা জীৱনাদৰ্শৰ স্বীকাৰস্বৰূপে জনতাৰ মাজৰ যোগ্যজনে আজিলৈকে একো পোৱা নাই।

চলিহাদেৱে অৱশ্যে এটি অত্যাৱশ্যকীয় কাম কৰিব বিচাৰিছিল। মোক শ্বিলঙলৈ মাতি নি বুৰঞ্জী পুৰাতত্ত্ব বিভাগ, ৰাজ্যিক সংগ্ৰহালয় আৰু প্ৰত্নতাত্বিক বিভাগটো সামৰি এখন আঁচনি তৈয়াৰ কৰি পঠাব কৈছিল। কামটো কৰা হৈছিল, শ্ৰীমুৰাৰি চৰণ দাসৰ লগত আলোচনা কৰি। ফল ধৰিলেহেঁতেন যদি ইতিমধ্যে (১৯৬৯ চন) ৰাহুগ্ৰস্ত আমবাৰীৰ সাবু নোলালেহেঁতেন আৰু শিক্ষা-

মন্ত্রী হাগজেৰৰ সাহসী পদক্ষেপ থাকিলহেঁতেন। আমবাৰীৰ সাধু শিলালিপিয়ে চূৰ্ণ-বিচূৰ্ণ কৰিলে। লেখকৰ স্থিতিতে জয়ৰ জিলিকনি পৰিল। কিন্তু আচনিত যৱনিকা পৰিল। বিভাগ কেইটাৰ পৰিস্থিতি আগৰদৰেই থাকিল। এতিয়া বা কেনেকুৱা ?

চলিহাদেৱৰ আন এটি দিশ : তিনিচুকীয়াত বহা অসম কংগ্ৰেছৰ অধিবেশনলৈ আঙুলিয়াইছো। শুনা কথাহে, দেৱেশ্বৰ শৰ্মাদেৱৰ লগত মইনুল হক চৌধুৰীৰ মনোমালিন্য। গুৰুত্ব দি চলিহাদেৱে শৰ্মাদেৱক শিক্ষামন্ত্ৰিত্ব এৰিব কলে। তেতিয়াৰ কেন্দ্ৰীয় শিক্ষামন্ত্ৰী শ্ৰীমালী গুৱাহাটীলৈ অহাত সভা এখন অনুষ্ঠিত হৈছিল (চন তাৰিখ মনত নাই)। সভাৰ শেষত লগ ধৰি শৰ্মাদেৱক পদত্যাগ নকৰিবলৈ বাধা দিছিলো। শুগুনিলে, বৰ্খাস্ত কৰাৰ ভয়ত, (পুতেকে বাপেকক) লাজ দিব বুলি। যেথি ডাঙৰীয়াৰ পাছত মুখ্যমন্ত্ৰী হোৱাৰ যোগ্য, স্বাধীনতা যুঁজাৰু, অসমক ভাল পোৱা, বিচক্ষণ, তীক্ষ্ণ বুদ্ধিৰ শৰ্মা ডাঙৰীয়াৰ এনেকৈয়ে ৰাজনৈতিক জীৱনৰ প্ৰায় ওৰ পৰিল। শিক্ষামন্ত্ৰী থাকোতে লেখকক বৃন্দাবনলৈ পঠাব বিচাৰিছিল, শ্ৰীমন্ত শঙ্কৰদেৱৰ আসনত বহিবলৈ। আপত্তি দৰ্শাই এৰা পৰিছিলো।

চলিহাদেৱৰ আৰু এটি দিশ : উইলিয়ামচন চাংমাক কংগ্ৰেছত যোগ নিদিয়াকৈ মন্ত্ৰীসভাত লবলৈ উদ্যত হৈ অক্ষয় কুমাৰ দাসদেৱৰ লগত পৰামৰ্শ কৰিছিল। হকা-বধা শুগুনি চলিহাদেৱে তাকে কৰি মেঘালয়ৰ জন্ম দিয়াত এখোপ আগ বঢ়াইছিল। উক্ত কাৰ্য সমূহে কংগ্ৰেছ মহলত আলোড়নৰ সৃষ্টি কৰিছিল। দুই এজনে তেওঁৰ বিৰুদ্ধে উঠিপৰি লগাতো কৰ্ণ-দৃষ্টি গোচৰ হৈছিল। শেষৰ ফালে ৰুগ্ন হোৱাত চলিহাদেৱৰ প্ৰতিনিধিত্ব কৰিছিল মহেন্দ্ৰ মোহন চৌধুৰীদেৱে— যেতিয়া তেতিয়াৰ ৰাষ্ট্ৰপতি জাকিৰ হুচেইনে অসমলৈ আহি বুৰঞ্জী পুৰাতত্ত্ব বিভাগত পদাৰ্পণ কৰে (১৯৬৯) এই লেখক সঞ্চালকৰ দায়িত্বত থকা অৱস্থাত।

অসম কংগ্ৰেছৰ ভিতৰখনত লাহে লাহে বেছিকৈ অৱিয়া-অৱিৰ সৃষ্টি হয়। কি অৱস্থাত ২৪ ঘণ্টাৰো কম নোটিচত শ্ৰীচৌধুৰীদেৱে মুখ্যমন্ত্ৰিত্ব এৰি পাঞ্জাবৰ ৰাজ্যপাল হয় আৰু গাদীখনৰ অধিকাৰী শ্ৰীশৰৎ চন্দ্ৰ সিংহ হৈছিল, ইত্যাদি ঘটনা সকলোৰে জ্ঞাত।*

* অসম বাণীৰ ১০ মাৰ্চ, ১৯৯৫ তাৰিখত প্ৰকাশিত।

অসমৰ (লোক) পিয়লৰ প্ৰতিবেদনত এভুমুকি

সঁচা গল্প লিখি, পটভূমি দিছো: বিশেষকৈ ১৯৫১ চনৰ পিয়লৰ ভিত্তিত ১৯৫৪-৫৫ চনত অসম কংগ্ৰেছৰ নিৰ্দেশত (তেতিয়া গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষক) ৰাজ্যিক পুনৰ্গঠন আয়োগৰ হাতত দিবলৈ প্ৰতিবেদন (শক পুস্তক) লিখি দিছিলো, ছপা কৰাই। বিদ্যায়তনিক দিশৰ আলম লৈ ৰাজনৈতিক অৱস্থা বিশ্লেষণ কৰি অসমৰ ভৌগোলিক অখণ্ডতা, তথা ৰাজ্যখনৰ সাংস্কৃতিক গোটটি ৰক্ষাৰ উদ্দেশ্য আগত ৰাখি অসমীয়া প্ৰেমত (অসমীৰ নহয়) আপ্লুত হৈ লিপিবদ্ধ কৰিছিলো। অৱশ্যে তেনেকৈ Demographic-land tenuric দৃশ্যপট অঁকা নহৈছিল। তত্ৰাচ উদ্দেশ্য সিদ্ধি হৈছিল। আমাক ইয়াৰ পাছত কিহে পালে নোকোৱাই সজ। ইতিহাসৰ ঘটনাৰ পুনৰাবৃত্তি নেকি? উক্ত দুৰ্ঘটনাকাৰীক ঐতিহাসিকে সুদাই নেৰে: মনত ৰখাটো ভাল হব। চন্দ্ৰকান্ত, পূৰ্ণানন্দ, বদনসকলৰ দোষ মাৰ্জনীয়। ই সকলৰ হব নোৱাৰে। অসমত থকাৰ ই সকলৰ কোনো অধিকাৰ নাই।

লোকপিয়লৰ লক্ষ্য আছে। উদ্দেশ্য আছে ইতিহাসৰ পাতত-জিলিকা শাসকবৰ্গৰ, ইয়াৰ ওপৰত কলম ধৰা সকলৰ। স্ব-উদ্দেশ্যৰ কথা সম্ভহতে নকও। এক কথাতে কৈ থও, লোকপিয়লৰ লক্ষ্য হব লাগে সকলো দিশৰ সামাজিক ক্ৰমবৰ্দ্ধমান উন্নতি, অধোন্নতি নহয়, ৰাজনৈতিক হেপাহ পলোৱাটোও নহয়, সমস্যা সমাধানৰ উপায় নিৰ্ণয়ৰ নিৰ্দেশ, নতুন সমস্যাৰ অৱতাৰণা নহয়। উন্নতি, প্ৰগতিৰ নামত টেটুফালি চিঞৰি ৰাজনৈতিক অভিসন্ধিৰে সস্তীয়া শ্লোগানসহিত, গামোচা গলত মেৰাই, ফিটা কাটি, বটা বিলাই, নিজেও নানা উপায়ে বঁটা আহৰণ কৰি, অপৰিপক্ক তথাকথিত Welfare State একে ৰাতিতে ব্যৱস্থা কৰাৰ অপ্ৰয়াস নহয়। তাকে আজি কৰা হৈ আছে ৰাইজৰ ধনৰ অপচয় কৰি।

লোকপিয়লৰ অৰ্থই বা কি? নানা সময়ত ইয়াৰ অৰ্থ-লক্ষ্যৰ তাৰতম্য ঘটি আহিছে। আমি বুজাত, স্থায়ীভাবে বসবাস কৰা লোকৰ পঞ্জীকৰণ, ঠিকনাদি সহিত ব্যক্তিৰ তালিকা, বহিৰাগত ভাৰতীয় নাগৰিকৰ ব্যৱসায়

সহিত সংখ্যা পঞ্জীভুক্ত, বিদেশীৰ সংখ্যা নিখুঁতভাবে নিৰূপণ। ইয়াত থাকিব লাগে গাঁও-নগৰ নিবাসী মুনিহ-তিৰোতাৰ সংখ্যা নিৰূপণ। আৰু অতি লাগতিয়াল, ইয়াত সন্নিবিষ্ট হ'ব লাগে সামাজিক, অৰ্থনৈতিক, ধৰ্মীয় ব্যৱস্থাদিৰ সম্যক বিৱৰণ। বেলেগ বেলেগ জমিৰ উল্লেখৰ লগতে ইয়াত থাকিব লাগে খেতি-শিল্পাদিৰ আয়-ব্যয়ৰ, বয়-বস্তুৰ দৰ-দামৰ, বেচা-কিনাৰ, অন্যান্য ব্যৱসায়ৰ উল্লেখ। গোষ্ঠী সমূহৰ ভাষা, জীৱিকাৰ উপায়, ৰাজহ, কৰ-কাটলৰ পৰিমাণাদিও ইয়াত থাকিব লাগে। আৰ্য্য-অনাৰ্য্য, ব্ৰাহ্মণ-শূদ্ৰ, জাতি-জনজাতি (সাম্প্ৰদায়িক শ্ৰেণী বিভাগৰ বাহিৰে), তথা ট্ৰাইবেল, অনাট্ৰাইবেলৰ বিভাজনকৰণ আজিৰ যুগত অমূলক, অন্ততঃ আমাৰ নিচিনা অৰাজনৈতিক ব্যক্তিৰ মানত। আৰ্য্য-অনাৰ্য্য, জাতি-জনজাতিৰ সংমিশ্ৰণত অসমীয়া সাহিত্য, কলা-কৃষ্টিৰ জন্ম আৰু ইয়াৰ দ্বাৰাই পৰিপুষ্ট। প্ৰশ্ন উঠিব দুৰ্বলীৰ সংৰক্ষণ লাগে, ভাষা-ধৰ্মীয় ক্ষুদ্ৰ গোষ্ঠীৰ ৰক্ষণাবেক্ষণ লাগে। কিন্তু বৃহৎ গোষ্ঠীৰ লোক আজি কোন? যুগ যুগ ধৰি অসমীয়াৰ লগত থাকি, ফালৰি কাটি গৈ বেলেগ বেলেগ গোষ্ঠীৰ জন্ম দি নিজাজ অসমীয়ালোক ক্ষুদ্ৰ গোষ্ঠীত পৰিণত হোৱা নাইনে? সাংবিধানিক নীতি-নিয়মৰ নতুন সংস্কৰণ লাগে অসমীয়াক জীয়াই ৰাখিবৰ উদ্দেশ্যে। ১৯৫১ চনৰ লোকপিয়লে অসমীয়া ভাষা-ভাষী লোকৰ সংখ্যা ষাঠি শতাংশৰ ওপৰত ৰাখিছে। ইয়াৰ পাছৰ পৰা কি অৱস্থা হ'ল? একৰকম স্থায়ী বাসিন্দা আলী-কুলীক বেলেগ নামকৰণ কৰি, ৰাজনৈতিক উদ্দেশ্য আগত ৰাখি, বিভাজনৰ সৃষ্টি কৰা হোৱা নাইনে? এইবোৰ উক্তি কৰোতাসকল দেশদ্ৰোহী হৈ থাকিব, আজি অসমত এজনো বিদেশী নাগৰিক নাই বুলি কোৱা ৰাজনৈতিক মহাপণ্ডিত সদৃশ। কোনো সময়ৰ গতিয়ে এই সকল অজ্ঞ অসমীয়া, তথা অভাৰতীয়ক ক্ষমা নকৰে। উক্ত বিশ্লেষণৰ পৰা লোকপিয়লৰ সমীক্ষা আগ বঢ়াম।

প্ৰাক্-আহোম যুগৰ লোকপিয়লৰ উল্লেখ নাই। কিন্তু ৰাজশাসন, তথা তাৰৰ ফলিত ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক, ধৰ্মীয় ব্যৱস্থাদিৰ আভাস পাইছো। মাটিৰ শ্ৰেণী বিভাগসহ ৰাজহ, কৰ-কাটলৰ উল্লেখ অৱশ্যে পাইছো। নিষ্কৰ ব্ৰহ্মোত্তৰাদি মাটি দান কৰি শাসকবৰ্গই landowning aristocracyৰ জন্ম দিয়া নাই। উদ্দেশ্য আছিল, পণ্ডিত-সজ্জন আনি নানা ঠাইত বসবাস কৰিবলৈ দি শিক্ষা-দীক্ষা, ভাষা-সাহিত্য, কলা-কৃষ্টিৰ বিকাশ সাধন কৰা। কেৱল যে এই সুবিধা ব্ৰাহ্মণলৈকেই আগ বঢ়াইছিল, এনে নহয়। উত্তৰ-পূব ভাৰতৰ সম্ৰাট ভাস্কৰবৰ্মনৰ নিধনপুৰ তাম্ৰশাসনে প্ৰমাণ কৰে অব্ৰাহ্মণেও এই সুবিধা পাইছিল।

মাটি দিয়া হৈছিল উত্তৰ বংগত আৰু নামৰ পাছৰ উপাধিয়ে (surnames) পণ্ডিত পদ্মনাথ বিদ্যাবিনোদৰ মন্তব্য খণ্ডন কৰি সাব্যস্ত কৰে, ২০৫ ঘৰ অব্ৰাহ্মণে এই বৃহৎ পৰিমাণৰ মাটি পাইছিল। উপাধি সমূহৰ ভিতৰত আছিল, নন্দী, ঘোষ, পালিতাদি, যিবোৰ অসমীয়াৰ মাজত নাই। উদ্দেশ্য আছিল বৰাজনাই ৰাজনৈতিক ভূগোলৰ সীমা নিৰ্দ্ধাৰণ কৰাটো। অৱশ্যে ভাস্কৰবৰ্মনৰ বহু আগৰ ভূতিবৰ্মাই উক্ত শাসনখন কৰাইছিল। এনেকুৱা ৰাজশাসন অনেক আছে। অন্যান্য তথ্য-পাতিৰ লগতে কিন্তু অব্ৰাহ্মণক মাটি দান কৰাৰ উল্লেখ নাই। অৱশ্যে সন্দেহ হয়, দান পোৱাসকল প্ৰকৃত আৰ্য্য ব্ৰাহ্মণ আছিল নে নাই। সি যি কি নহওক, প্ৰাক্ আহোম যুগত স্বৰূপাৰ্থত লোকপিয়ল নাছিল। শ্ৰেণীবিভাগ, শিল্প-কলাদি অৰ্থনৈতিক বিকাশত হলে থাককৈয়ে ৰঙণি যোগোৱা হৈছিল। শিল্প-কলাদিত উৎকৃষ্ট সাধনৰ নিদৰ্শন অকল বাণভট্টৰ হৰ্ষচৰিততেই পোৱা যায়।

আহোম স্বৰ্গদেউসকলৰ প্ৰায় সকলোৱেই কম বেছি পৰিমাণে পিয়ল কৰাইছিল বেলেগ বেলেগ উদ্দেশ্যৰে। দুই-এজন, যথা চুচেংফাই প্ৰায় সম্পূৰ্ণ লোকপিয়ল কৰাইছিল। তেওঁলোকৰ পিয়লৰ মুখ্য লক্ষ্য আছিলেই বা কি? মনত ৰাখিব লাগিব, সেই সময়ৰ লোকপিয়ল সমূহ পাইক প্ৰথাৰ ওপৰত প্ৰতিষ্ঠিত আছিল: ঘৰে ঘৰে সামৰ্থবান লোকৰ পঞ্জীকৰণ কৰি সেইসকলক ৰাজ্যৰ নানা কামত লগোৱা। আহোম সম্প্ৰদায়ৰ খেলাদিৰ বাহিৰেও ইবোৰত অন্যান্য শ্ৰেণীবিভাগৰ সম্যক আভাস পাও। স্বৰ্গদেউ সকলৰ সামৰিক বাহিনীয়ে প্ৰমাণ কৰে, পাইকৰ লগতে হিন্দু, আনকি মুছলমান সকলেও সময় বিশেষে উচ্চস্থান পাইছিল। আভাস পাও, স্বৰ্গদেউসকলৰ পৃষ্ঠপোষকতাত গঢ় লৈছিল কুটীৰ শিল্প, ভাষা-সাহিত্য, কলা-কৃষ্টি, গীত-মাত, নাচ-ভাওনা, বেহা-বেপাৰাদিৰ। সাহিত্যকাৰ, শিল্পকাৰ, কলাকাৰ, বোৱনী, খেতিয়ক আদিক বেলেগ বেলেগ ঠাইত পাতি দুজনা শুক সদৃশ অসমীৰ বিদ্যা, কলা-কৃষ্টিৰ ভাণ্ডাৰলৈ প্ৰভূত যুগমীয়া অৱদান যোগোৱাৰ ঘটনা বুৰঞ্জীৰ পাতে পাতে। সেইসকলৰ জনসংখ্যাবো হিচাপ লিপিবদ্ধ কৰাইছিল, যদিওবা ইবোৰৰ সঠিক সংখ্যা পাবলৈ নাই। আজিৰ ভোটৰ কাৰণে আৱশ্যক বুলি ভাবিলে হয়তো স্বৰ্গদেউ, কোঁচৰাজবৰ্গ ই জনগণৰ হিচাপ-নিকাচ কৰি ৰাখিলেহেঁতেন। এই বিষয়ত মন্তব্য কৰা উচিত হব, মূলতঃ আহোমৰাজৰ পাইক প্ৰথাৰ ওপৰত প্ৰতিষ্ঠিত লোকপিয়লে কেন্দ্ৰীয় শাসনতন্ত্ৰ দুৰ্বল কৰাৰ লগতে landowning aristocracyৰ সৃষ্টি কৰিছিল। ৰাজপৰিয়াল, পাত্ৰ-মন্ত্ৰী, ডাঙৰীয়া সকলক পাইকে সৈতে প্ৰচুৰ পৰিমাণৰ মাটি

দান কৰি শাসনতন্ত্ৰত যেমেজালি আনিছিল। ইয়াৰ ফলস্বৰূপে ৰাজ্যৰ ধন-কোষলৈ ৰাজহ, কৰ-কাটল (যিবোৰৰ উল্লেখ তাম্ৰফলিত পাও) বৎসাবাক্সহে আহিছিল। প্ৰচুৰ নিকৰ মাটি ব্ৰহ্মোত্তৰ, ধৰ্মোত্তৰ, দেৱোত্তৰ কৰি, অৰ্থাৎ সত্ৰ, দৌল-দেৱালয়, মন্দিৰ আদিলৈ দান কৰি, তেতিয়াৰ শাসকবৰ্গই এক-ৰকম ভুল কৰা বুলি ধৰি লব পাৰি দেশখনৰ সামূহিক সুস্বাস্থ্যৰ খাতিৰত, যদিওবা জৰীপ কৰা মাটিৰ শ্ৰেণীবিভাগ, যথা খেৰাজ, নিস্পি খেৰাজ, লাখেৰাজ, ফৰিংগতি, বাওতলী, বস্তিমাটি, উবাৰ জমি আদি তেওঁলোকৰ ৰাজহ শাসনৰ এটি আপুৰুগীয়া অৱদান। এডোৱাৰ্ড গেইট চাহাবৰ Progress of Historical Research in Assam (1897) আৰু তেওঁৰে Revenueৰ ওপৰত লিখা মূল্যবান পুথি দুখনত অন্যান্য কথাৰ লগতে নিষ্কৰ ভূমিৰ পৰিমাণৰ উল্লেখ আছে। অৱশ্যে শেষৰপিনে দুৰ্দিন অহাত আহোমৰাজে ইয়াৰ পৰাও কৰ-কাটল আহৰণ কৰাৰ প্ৰয়াস কৰিছিল। সেয়ে হলেও, ধৰ্মীয় অনুষ্ঠানৰ প্ৰতি দেখুওৱা বদান্যতা আহোমৰাজৰ স্থায়ী সুকীৰ্ত্তি। ইয়াৰ মাজত শাসনতন্ত্ৰ জনপ্ৰিয়, টনকিয়াল কৰি প্ৰজাবৰ্গৰ আধ্যাত্মিক উন্নতি সাধনৰ বাহিৰে অন্য উদ্দেশ্য বিচাৰি পোৱা নাযায়, যদিওবা সূক্ষ্ম বিচাৰত সমগ্ৰ ধৰ্মীয় ব্যৱস্থাত ৰাজনীতিৰ গোন্ধো অলপ-অচৰপ হলেও পাব পাৰি। সেয়ে হলেও, এই পটভূমিত আৰু ধৰ্মীয় অনুষ্ঠান সমূহে দৌলত্ আহৰণ কৰি সন্ত-মহন্ত, দলৈসকলে ৰাজনীতিৰ মেৰপাকত সোমোৱাৰ প্ৰয়াসত বিচাৰিব লাগিব অতীব দুখলগা মোৱামৰীয়া বিদ্ৰোহ। ইয়ে জনসংখ্যাৰ, জীৱন-নিৰ্বাহৰ ওপৰত মচিব নোৱৰা আচাৰ পেলাইছিল। সেই আচাৰ নোশুকাওতেই আহি পৰিল বগা বৎগাল, মানৰ আক্ৰমণ ওপৰা-উপৰিকৈ। মৰুভূমিত পৰিণত কৰালে অসমখন। জনসংখ্যা ভাকৰ হ'ল। লোকপিয়লৰ পৰিসমাপ্তি ঘটিল। পৰিসমাপ্তি ঘটিল সবল, সংস্কৃতিপুষ্ট, অথচ সাহসী ৰাজপৰিয়ালৰ, প্ৰজাবৰ্গ সৈতে স্বাধীন মনোবৃত্তি। নতুনকৈ পতা দুজনা শুকৰ কলা-কৃষ্টি সম্বলিত সত্ৰানুষ্ঠানতো আচাৰ নপৰাকৈ থকা নাছিল। ৰাজপৰিয়ালে সকলোফালৰ পৰা সমৃদ্ধ কৰা অসমীয়া সমাজখন ঠান-বান হৈ পৰিল। লোকপিয়লৰ উদ্দেশ্যত সামাজিক-ৰাজনৈতিক অৱিয়া-অবিৰ সংঘাতে যৱনিকা পেলালে। ইয়াৰ কাৰণে যিশেৰ এজন বা দুজন দায়ী বুলি ঠিৰাং কৰিব নোৱাৰি সামূহিক দৃষ্টিকোণৰ পৰা।

উক্ত কুক্ষণতে আহি পৰিল বিদেশী বগা বঙালৰ, তথ্য কোম্পানী বৃটিছ সাম্ৰাজ্যবাদীৰ খোপনি আৰু ৰাজত্বকাল। অৱশ্যে গৌৰীনাথ সিংহৰ আগতেও,

কাপ্তান বেলছক মাটি অনাৰ পূৰ্বে বেপাৰ-বাণিজ্যৰ সুযোগ বিচাৰি সি সকলে পদাৰ্পণ কৰিছিল। লগে লগে আহি পৰিল White man's burden (বগা লোকৰ দায়িত্ব)। জাতি-জনজাতি, হিন্দু মুছলমান-শিখৰ লগত লগ লাগিল মিশ্বনাৰীসকল, চাহ বাগিচাৰ বনুৱা, পূব বংগৰ খেতি-খোলা কৰা লোক। পিয়লে ৰূপ সলালে। Demographic Change আৰু ইয়াৰ লগত সংলগ্ন সমস্যা'ৰ উদ্ভৱ হ'ল। অন্যান্যৰ বাহিৰেও এই বিষয়ত উল্লেখনীয় বেজৰ জেংকিন্সৰ উনৈশ শতিকাৰ চতুৰ্থ-পঞ্চদশকৰ কৰ্মৰাজি। ৰাজহ বঢ়াবৰ কাৰণে মাটি জৰীপ কৰি ধৰ্মীয় অনুষ্ঠানতো হাত দিলে। নিষ্কৰ মাটিৰ তামৰফলি পৰীক্ষা কৰি, ফলি নথকা সকলৰ মাটি ৰাজকীয় কৰাৰ ব্যৱস্থা কৰা হ'ল। ৰাজহ বঢ়োৱাৰ এয়াই প্ৰয়াস। লাহে লাহে পাইক প্ৰথাৰ মূদা মাৰিলে। যিকোনো উপায়ে ৰাজ-কোষ বঢ়োৱাত লাগিল, বিশেষকৈ খেতিৰ মাটিৰ ওপৰত ক্ৰমান্বয়ে খাজনা বঢ়াই। ইয়াৰ মাজত বিচাৰিব লাগিব উনৈশ শতিকাৰ শেষ দশকত ঘটা প্ৰজাবিদ্ৰোহ, যিয়ে বৃটিছ শাসন কঁপাই পেলাইছিল। বৃটিছৰ বিৰুদ্ধে ১৮২৮ চনৰ পৰা ঘটা বিদ্ৰোহৰ কথা ইয়াত অনা নাই। কাৰণ পিয়লৰ লগত ইবোৰৰ বিশেষ সম্বন্ধ নাই। ১৮৫৪ চনত প্ৰকাশিত মিলছ চাহাবৰ Report on Assamত তেনেকৈ পিয়লৰ তথ্য-পাতি নাথাকিলেও অ'ত ত'ত ইবোৰৰ উল্লেখ পোৱা যায়। জিলানুযায়ী জনসংখ্যাৰ পৰিসংখ্যা খেতিৰ মাটিৰ ৰাজহৰ পৰিমাণাদি দিয়া আছে অসমৰ আয়ুক্তৰ অধীনত। জনসংখ্যা ঠিৰাং কৰা আছে ১২,০১১৫১ত। এই সংখ্যা কিমানদূৰ নিখুঁত, কোৱা টান। বৃটিছৰ দিনত প্ৰথম লোকপিয়ল প্ৰকাশ কৰা হয় ১৮৭২ চনত। ১৮৮১ চনৰপৰা ১০ বছৰ অন্তৰে অন্তৰে অৰ্থাৎ ১৮৯১, ১৯০১, ১৯১১, ১৯২১, ১৯৩১ ইত্যাদিত লোকপিয়ল প্ৰকাশ পায়। উক্ত লোকপিয়লসমূহ নতুন তথ্যপাতিসহ ৰূপান্তৰ ঘটিল। স্বৰূপাৰ্থত ইবোৰতেই মহকুমা, জিলা, গাওঁ-নগৰৰ উল্লেখ সমন্বিতে খেতি-বাতি, অন্যৰূপে জীৱন নিৰ্বাহ কৰা ব্যক্তি গণনাৰ সূচনা হৈছে। কিমানদূৰ নিখুঁত চিত্ৰ দাঙি ধৰিছে, তাকেহে কোৱা টান। Vital statistics যৎসামান্য আছে।

উক্ত লোকপিয়লৰ মুখ্য উদ্দেশ্য আছিল শাসনতন্ত্ৰৰ বাঘজৰীৰে প্ৰজাক সীমা এটিৰ মাজত বান্ধি, আৱশ্যকানুযায়ী স্থান বিশেষত সামাজিক, অৰ্থনৈতিক, শিক্ষা-দীক্ষাৰ সুব্যৱস্থাৰ সূচনা কৰি বৃটিছৰ প্ৰতি আনুগত্য স্বীকাৰ কৰাই শাসনতন্ত্ৰ কটকটীয়া কৰাটো। সমান্তৰালভাৱে ভৰণ-পোষণ দি, বিশেষৰপৰা

ধন অনাই কোম্পানীৰ ফিনেবেপৰা মিশ্যনাৰীসকলৰ পৃষ্ঠপোষকতা কৰি শিক্ষাৰ মাধ্যমত ধৰ্মান্তৰ, তথা খ্ৰীষ্টধৰ্ম সাম্ৰাজ্যৰ পাতনি মেলা হ'ল বিশেষকৈ পৰ্বতৰ জনজাতিৰ মাজত। লোকপিয়লত তেনেভাৱে সি সকলৰ সংখ্যা নিৰূপণ কৰি অন্তৰ্ভুক্ত কৰা হ'ল। এলান চাহাবৰ অসমৰ জিলাসমূহৰ গেজেটীয়াৰত আৰু হাটন, মিলছ, হড্‌চন, এণ্ডেল, প্লেফেয়াৰ চাহাব আদিৰ Monographsত ইয়াৰ সবিশেষ পোৱা গৈছে। Mr. Swordৰ Baptists in Assam পুথিত বিশদ বিৱৰণ আছে। অৱশ্যে ব্ৰাউন, ব্ৰনচন্ আদি চাহাবে অসমীয়া ভাষা-সাহিত্য আৰু শব্দ কোষলৈ বিশেষ বৰঙণি যোগাইছিল। এই বিষয়ত মিশ্যনাৰীসকলৰ অৱদান স্বীকাৰ্য্য।

আগতে কৈ অহা হৈছে, বৃটিছৰ দিনত প্ৰথম পিয়ল কৰা হৈছিল ১৮৭২ চনত। ১৮৮১ চনৰ Mr. Drbergৰ দ্বাৰা সংকলিত পিয়লত জনগণৰ সংখ্যাৰ লগতে শ্ৰেণী বিভাগ, ভাষা, অৰ্থনৈতিক অৱস্থা, ব্যৱসায়, জাতি-জনজাতি আৰু মুছলমানৰ সংখ্যাও সন্নিবিষ্ট কৰা আছে। অতি মূল্যবান এডোৱাৰ্ড গেইট চাহাবৰ ১৮৯১ চনৰ পিয়লত আছে জনসংখ্যাৰ সৈতে বসবাস কৰিবৰ যোগ্য স্থান, খেতিৰ মাটি আৰু পৰিমাণৰ পৰিসংখ্যা, জনগণৰ বিভিন্নতা, ধৰ্ম, বয়স, শিক্ষা-দীক্ষা, ভাষা, জন্মস্থান, মুনিহ-তিৰোতাৰ সংখ্যা, বিবাহ, শ্ৰেণী বিভাগ (ট্ৰাইবেল-অট্ৰাইবেলৰ), মুছলমান আৰু চাহ বাগানৰ বনুৱাৰ সংখ্যা, জনগণৰ ব্যৱসায় আদি। ইমানবোৰ তথ্য থকা সত্বেও পাতনিত উল্লেখ কৰা আছে এনেদৰে : "The operations of the census have been discussed in some detail—to avoid the mistakes of the present census and surmount the difficulties which are inseparable from an undertaking of the sort." উক্তিটো অতীব গুৰুত্বপূৰ্ণ। ইয়াৰ পাছৰ C. S. Mullan চাহাবৰ ১৯৩১ চনৰ census সকলো দিশৰপৰা তাৎপৰ্য্যপূৰ্ণ। তাত সন্নিবিষ্ট কৰা আছে জনসংখ্যাৰ বাসস্থানৰ বিৱৰণ, অহা-যোৱা কৰা সকলৰ তথ্য সহিত, জনসংখ্যা বৃদ্ধিৰ কাৰণ, নগৰ-গাওঁবাসীৰ গণনা, বেলেগ বেলেগ জাতিৰ লোকৰ বয়স, মুনিহ-তিৰোতাৰ সংখ্যা, বিবাহ পদ্ধতি, ব্যৱসায়, শিক্ষাৰ মান, ভাষা, ধৰ্ম, জাতি-জনজাতি আৰু বিভিন্ন সম্প্ৰদায়ৰ লোকৰ গণনা, পিছপৰা লোকৰ উল্লেখ, ইত্যাদি। সেই সময়ৰ অসমৰ জনসংখ্যা ৯২,৪৭৮৫৭ বুলি ঠিৰাং কৰা হৈছে। এই সংখ্যা ব্ৰহ্মপুত্ৰ উপত্যকা, মণিপুৰ আৰু বাৰিপাৰা, শদিয়া অঞ্চলক লৈ কৰা হৈছে। জনসংখ্যাৰ বৃদ্ধিৰ হাৰ দেখুওৱা হৈছে এনেদৰে :

১৮৭২ – ৮১ = ২৩.৬ শতাংশ ; ১৮৮১ – ৯১ = ৬.৮ ; ১৮৯১ – ১৯০১ = ১১.৮ ; ১৯০১ – ১৯১১ = ১৫.২ ; ১৯১১ – ২১ = ১৩.২ ; ১৯২১ – ১৯৩১ = ১৫.৭ শতাংশ। তত্ৰাচ জনসংখ্যা তাকৰ হোৱা বুলি মন্তব্য কৰা হৈছে এনেদৰে : "The reasons for this are largely historical and can be found in Gaits' *History of Assam*. Briefly the civil wars and disturbances which marked the decay of the Ahom kingdom and the subsequent invasions and capture of the Assam Valley by the Burmese who massacred tens of thousands and are said to have carried off 30,000 slaves—ruined the country and reduced the surviving inhabitants to abject misery." এই উক্তিৰ লগত সামঞ্জস্য নাৰাখি Mullan চাহাবে জনসংখ্যাৰ বৃদ্ধিহে দেখুৱাইছে। তেওঁৰ মতে জিলানুযায়ী জনসংখ্যাৰ বৃদ্ধিৰ কাৰণৰ ভিতৰত হৈছে : It was "due to the immigration of East Bengal colonists and Nepalis." আৰু লিখিছে : : "It is sad but by no means improbable that in another thirty years (that is by 1961) Sibsagar district will be the only part of Assam in which an Assamese will find himself at home." এই ভৱিষ্যৎ বাণী অতি তাৎপৰ্য্যপূৰ্ণ, নিৰপেক্ষ আৰু সুদূৰপ্ৰসাৰী। আজি সেয়ে হৈছেগৈ। অলপ আগলৈ যোৱাৰ অৱকাশ আছে। ৰাজেশ্বৰ সিংহৰ দিনত (১৭৫১-৬৯) অসম উপত্যকাৰ জনসংখ্যা আছিল ১৭ লাখ ; পৰ্বতবাসীক লৈ আছিল ২৪ লাখ। ১৮৩৫ চনত উপত্যকাৰ জনসংখ্যা হয়গৈ ৭,৯৯৫১৯ আৰু এই সংখ্যা কোম্পানীৰ শাসন কাল ঠিক আৰম্ভণিৰ পাছৰ। এঠাইত লিখিছিলো (*I. C. H. R. Souvenir* p. 8)—"We have figures of the alarming growth of population since 1901. For tea garden alone labourers from Orissa, Bihar, U. P., Madras, etc were imported and in the said year the figure stood at 6,540C0 (including Sylhet), about 1/10th of the total population. Between 1911-20 the imported labour population stood at 76,9000 and during 1921-30 the figure was 16,9000. The Census of 1951 shows that about 11% of the total population is supported by

the tea industry. There were also ex-tea garden labourers, enumerated as indigenous." এইখিনিতে কৈ থও, বৃটিছে অসংখ্য চাহবাগান খোলাৰ সুযোগ-সুবিধা দি, খেতিৰ মাটিৰ পৰিমাণ কমাই একচেটিয়া ব্যৱসায়ৰ সুবিধা দি, landowning aristccracyৰ সৃষ্টি কৰাই জনগণ, তথা ৰাজ্যখনৰ অৰ্থ নৈতিক দিশত শেল হানিছিল। আনকি মালিকসকলে ৰাজনৈতিক সা-সুবিধাও পাইছিল। অৱশ্যে চাহৰ খেতিয়ে মুষ্টিমেয় মালিকক আঢ্যৱন্ত কৰাৰ লগতে ভাৰত চৰকাৰৰ ৰাজহ বঢোৱাত সহায়ক হৈছে। মন কৰিবলগীয়া কথা হৈছে: "More than 50% of the tea produced in India is now from the Assam valley, and in terms of Foreign exchange alone, of the total amount of Rs 5309 crores earned by India during the period 1947-48 to 1979 80, Assam tea contributed about Rs 3716 crorers." কয়লা, পনীয়া সোণ (Oil) আৰু plywoodৰ ব্যৱসায়ৰ পৰা কোন কোন লাভবান হৈছে, এই বিষয়ে সকলোৰে অৱগত। ইয়োৰো একচেটিয়া; অসমৰ বুকুৰ কলিজা ফালি নানা উপায়ে ধন আহৰণ কৰাৰ কৌশল। আয়খিনি ভিক্ষা কৰিও অসমে নাপায়। অসমৰ শিক্ষা, বাণিজ্যাদিৰ উন্নয়নৰ নামত ভাৰত চৰকাৰৰ লগতে, ইয়োৰৰ হৰমুৰীয়া কৰ্মকৰ্তা-সকলৰ, ঠিকাদাৰ সমন্বিতে, উভৈনদী ধন-বিত্তৰ পৰিসংখ্যাৰ গণনা বিচাৰ্য্য।

পুনৰ জনসংখ্যাৰ-পৰিসংখ্যাৰ দিশলৈ আহিছো। Mullan চাহাবেই ১৯৩১ চনৰ বিদেশী নাগৰিকৰ সংখ্যা দিছে। পূব বঙ্গৰ পৰা অহা খেতি-খোলা কৰা লোকসকল প্ৰথমে ১৮৯১-১৯১১ চনৰ ভিতৰত গোৱালপাৰাত সোমায়। ১৯১১-১২ চনত তেওঁলোকৰ সংখ্যা আছিল ২৬৪০০০ আৰু ১৯২১ চনৰ ভিতৰত হয়গৈ ৩ লাখ। ১৯৩১ চনৰ সংখ্যা ৫,৭৫০০০। অৰ্থাৎ ক্ৰমান্বয়ে বাঢি গৈ থাকে। সেয়ে চাহাবজনে লিখিছিল, অতি হতাশাৰ সুৰত এনেদৰে: This influx is "likely to alter permanently the whole future of Assam and to destroy more surely than the Burmese invaders of 1820 the whole structure of Assamese culture and civilisation." তথাকথিত বিজ্ঞ ৰাজনীতি খেলা ধূৰ্ত ব্যক্তিসকলে মন কৰিছেনে? নাজানে, পঢ়া নাই, নাইবা জানিও নাজানে, অথবা নাজানে যে নাজানে। R. B Vaghaiwallaই ১৯৩১-৫১ চনৰ মাজত পূব বঙ্গৰ পৰা অহা লোকৰ সংখ্যা ৪,৩০০০০ পাইছিল, যি সংখ্যাৰ ভিতৰত অৱশ্যে আগতে

অহা অসমৰ স্থায়ী বাসিন্দা বুলি নিৰ্ণয় কৰা উক্ত বিদেশীক ধৰা হোৱা নাই। "The total settlers in 1951 therefore stood at 15 lakhs which went on increasing as indicated by the Census figures of 1961 and 1971." In cur modest estimate, in view of the day to day incursions of the Bangladeshis, the figure would stand at 50 lakhs. ইয়াত মুছলমানৰ বাহিৰে অন্যান্য সম্প্ৰদায়ৰ লোকক ধৰা হোৱা নাই। ফলস্বৰূপে অসমৰ স্থায়ী বাসিন্দা, তথা অসমীয়া ভাষা-ভাষী লোকৰ সংখ্যাত আটাৰ পৰি ক্ষুদ্ৰ গোষ্ঠীত পৰিণত হৈছে, যিটোৱে ভাৰতৰ সংবিধান সংশোধন কৰাৰ যুক্তি সাব্যস্ত কৰাইছে, যাতে অসমীয়াৰ নিজস্ব সাহিত্য, সংস্কৃতি, কলা-কৃষ্টিৰ ৰক্ষণাবেক্ষণ দিয়া হয়। ছাত্ৰ সমাজে আন্দোলন কৰি অসম চুক্তিত উক্ত গুৰুত্বপূৰ্ণ সমস্যাটো লিপিবদ্ধ কৰাইছিল। আজিলৈকে কোনো ফল ধৰা নাই। আৰু লিপিবদ্ধ কৰাইছিল ১৯৭১ চনৰ পাছত অহা বিদেশীক চিনাক্ত কৰি যথোচিত ব্যৱস্থা লোৱাৰ। কাৰো এই বিষয়ত মন-কাণ দিয়া দেখা পোৱা নাই, যদিওবা ছাত্ৰ সমাজে অসম চুক্তিৰ সকলো সূচী ৰূপায়ণত আজিও লাগি আছে। বিদেশী নাগৰিকৰ বেলিকা কথাই নাই। জয়তু অসমৰ অসমীয়া ছাত্ৰ সমাজ!

১৯৫১ চনৰ পিয়লৰ পাছৰ পিয়লৰ তথ্য-পাতি ইয়াত সন্নিবিষ্ট কৰা হোৱা নাই, কাৰণ শুদ্ধ তালিকা সিবোৰত পোৱা নাই। জনগণৰ সংখ্যা-পৰিসংখ্যা আছে। এই বিষয়ত বিস্ফোৰণ ঘটিছে, বিশেষকৈ ৰাজনৈতিক কূটনীতি, আৰু বিশেষ বিশেষ জনগোষ্ঠী, সম্প্ৰদায়সমূহৰ নিজস্ব স্বাৰ্থসিদ্ধিৰ চাকনৈয়াত। বাহিৰৰ ৰাজনীতিও ইয়াৰ মাজত সোমাই পৰিছে। সকলো বিদেশীকে ভাৰতীয় নাগৰিকত্ব লাগে, আইন নহ'লেও ভোটৰ খাতিৰত, উপনিবেশ বিস্তাৰৰ উদ্দেশ্যে। উপনিবেশ সমূহ গঢ় লৈ উঠিল বিশেষকৈ আমাৰ চৰকাৰৰ পৃষ্ঠপোষকতাত, ভৰণ-পোষণত, বাংলাদেশ জন্ম হোৱাৰ লগে লগেই। অবিৰাম গতিত বাংলাদেশী লোকৰ সমাবেশ ঘটিল। ইয়াৰ প্ৰতিৰোধৰ চেষ্টা কৰা হৈছেনে? কাৰণ বিচাৰি চোৱা হৈছেনে কিয় ১৯৯১ চনৰ লোকপিয়লত মাতৃভাষা আৰু ধৰ্মৰ তথ্য-পাতি আজিলৈকে প্ৰকাশ পোৱা নাই? কাৰণ একেটাই। সকলো বিদেশীকে ভাৰতীয় নাগৰিকত্ব দিয়াটো, যাতে কংগ্ৰেছৰ (ই) ভোট বেংক উপচি পৰে। যাতে কব পৰা যায়, অসমত এজনো বিদেশী নাগৰিক নাই। তেনেকৈ কোৱাজন, আৰু তেনেকৈ কোৱাজনৰ সহযোগী তথাকথিত নবল স্বদেশী

নাগৰিকৰ গোষ্ঠীসমূহ সমানে দায়ী, দেশদ্ৰোহী। সেইসকল ভাৰতীয় নহয়, অসমীয়াৰ কথাই নাই। স্থায়ী, জন্মস্বত্ব থকা অসমীয়া বাসিন্দাক বোকাত পেলাই ৰাজনৈতিক মহা পণ্ডিতৰ গাদী দখলৰ অভিসন্ধি, তথা কুকাৰ্য্য অলিখিত বুৰঞ্জীৰ পাতত জিলিকি আছে, থাকিব। এই বিষয় সামৰি কলম ধৰাৰ সাহকণ সাহিত্য-সংস্কৃতিৰ জয়ঢোল বজোৱাসকলৰ থাকিব লাগিছিল। নকৰে, কৰিব নোৱাৰে। কাৰণবোৰ নকও, কোনোবাই হয়তো উপলুঙা কৰিব পাৰে বুলি ভয় পাই। অসমক বচোৱা সাহিত্য সভাৰ কৰ্ত্তব্য নহয়নে ?

সামৰণিত আমি দেখিছো, লোক-পিয়লে কেৱল জনসংখ্যাকে সুবুজায়। বুজায়, ব্যক্তি-জীৱনৰ সকলো দিশ সামৰি লিপিবদ্ধ কৰা পৰিসংখ্যা (vital statistics)। মন কৰিবলগীয়া, উক্ত পিয়লসমূহত এটি অত্যাৱশ্যকীয় সা-সামগ্ৰী বস্তুপাতিৰ যুগে যুগে দৰদামে সৈতে পৰিসংখ্যাৰ প্ৰায়েই অভাৱ। Price-index এ সামাজিক-অৰ্থনৈতিক উন্নতি-অধোন্নতি প্ৰতিফলন কৰে। চাহাবে লিখা দুই এখন গ্ৰন্থত যিকণ পাইছো, যথেষ্ট নহয়। Captain Welsh চাহাবে ১৭৯৩ চনতেই অৰ্থাৎ আহোমৰ দিনৰ কিছুমান বস্ত্ৰ-বস্তুৰ দৰ-দামৰ উল্লেখ কৰা পাও। ব্যৱসায়ৰ লগতে খেতি-জাত, কুটীৰ শিল্প-জাত, খেতি-বাতি, বেপাৰ-বাণিজ্য কৰি পোৱা আয়-ব্যয়ৰ হিচাপ, বেচা-কিনাৰ প্ৰকাৰ-নীতি, মুদ্ৰাদিৰ প্ৰচলন, শিক্ষাৰ মান, প্ৰসাৰতা, তথা জনগণৰ সামগ্ৰিক অৰ্থনৈতিক দিশৰ উন্নতি-অধোন্নতি সম্বন্ধে তথ্য-পাতি সম্বলিত লোকপিয়লে একৰকম হুবহু চিত্ৰ অঙ্কন কৰি জাতীয় জীৱনৰ, জীৱন-নিৰ্বাহৰ উপায় আদি লিপিবদ্ধ কৰাই ইয়াৰে পৰিপূৰ্ণতা আনি দিয়ে। এইটো সম্ভৱনে ? জনসংখ্যা ক্ৰমবৰ্দ্ধনৰ কাৰণবোৰৰ বিস্ফোৰণৰ পৰিসংখ্যাৰ লগতে সামাজিক, ধৰ্মীয় ঘাত-প্ৰতিঘাতৰ নিখুঁত ছবি এখনৰো অত্যন্ত প্ৰয়োজন, আমাকে তাৰ মাজত বিচাৰি উলিয়াবলৈ। জনগণৰ ম্লান পৰা আশা-নিৰাশা জানিও, নিৰাময়ৰ উপায় দুলিয়ালে জীৱন ধৰি থকাৰ অৰ্থই বা কি ? নে আমাক কেৱল ভোটে (ভূতে) পায়েই থাকিব। চৰিতাৰ্থত, সমস্যা-জৰ্জৰিত অসমৰ নিখুঁত লোকপিয়ল, যিহৰ ওপৰত নিৰ্বাচন প্ৰতিষ্ঠিত কোনেও, কেতিয়াও উলিয়াব নোৱাৰে যেতিয়ালৈকে স্বাৰ্থান্ধতাই আমাক আবৰি ধৰি থাকে, যেতিয়ালৈকে ৰাজনীতি কৰা ভাৰত চৰকাৰ-ৰাজ্য চৰকাৰসমূহ জনগণৰ জাত-পাত, সম্প্ৰদায়াদিৰ ওপৰত নিৰ্ভৰশীল হৈ থাকে, আৰু যেতিয়া-লৈকে লোকপিয়ল শাসনতন্ত্ৰৰ চাপৰ পৰা মুক্ত নহয়। চৰকাৰৰ তত্ত্বাৱধানত যেচৰকাৰীভাৱে কৰালে, স্বাৰ্থহীন গণনাকাৰী কামত লগালে, গণতান্ত্ৰিক দেশৰ

নাগৰিকে সমানে আগভাগ ললে, হয়তো কিছু পৰিমাণে হলেও শুদ্ধ পিয়ল তালিকা পাম। আমাৰ ছাত্ৰ সমাজে বা কি ভাবি আছে? ১৯৯১ চনৰ লোকপিয়লেই শেষ নহয়। ২০০১ চনৰ পিয়লে অসমৰ demography ৰ প্ৰভূত বিভিন্নতা, পৰিবৰ্তন আনিব; ইতিমধ্যে হয়তো অসমৰ নামেই লোপ পাব। সষ্টম হৈ থাকিবৰ হ'ল। আমি দেখা নাপাম। সেয়েহে দুৰদৰ্শীৰ বাণী শুনাইছো। এই বাণী ভবিষ্যৎ বাণী বুলি ধৰি লব, দুৰ্বল, নিচলা, অতিথি সেৱাত ৰত স্থায়ী অসমবাসী ৰাইজ। গেলা ৰাজনীতি কৰা, আমাৰে মুৰৰ ওপৰত ভৰি দি ৰজা-মহাৰজা, তথা VIP, VVIP উপাধিসিক্ত মহাপুৰুষ হোৱা লোকবৃন্দই কাণত সোপা দি থাকক: শুনেও, শুনিব নালাগে।*

* অসম বাণীৰ ৯ জানুৱাৰী, ১৯৯৫ত প্ৰকাশিত

বৌদ্ধধৰ্ম্ম আৰু অসম*

শ্ৰীমদ্ভাগৱদগীতাৰ আদৰ্শ ক্ষত্ৰিয় শাক্যবংশীয় কোঁৱৰ গৌতম চিৰকালৰ বাবে অমৰ। তেওঁ অমৰ হৈ থকাৰ কাৰণ হৈছে তেওঁ বুদ্ধ আৰু চিৰ-জ্যোতিষ্মান হ'ব পাৰিছিল। তেওঁ মহাপৰিনিৰ্ব্বাণ প্ৰাপ্তিৰ লগে লগেই অনিৰ্ব্বাণ হৈ ৰ'ল। তেওঁ আৰু তেওঁৰ শিকনিসমূহে ভাৰতবাসীৰ পবিত্ৰ অন্তৰ অধিকাৰ কৰি আছে। অকল সেয়েই নহয়, তেওঁ আৰু তেওঁৰ শিকনিসমূহে চৰ্কাৰী বাকত-পত্ৰৰ মাজতো বিশিষ্ট স্থান লভি, ভাৰত চৰকাৰৰ অমূল্য সম্পদৰূপে পৰিগণিত হ'ল। ভগৱান বুদ্ধৰ ২৫শতম মহাপৰিনিৰ্ব্বাণ তিথি উপলক্ষে ইয়াতকৈ আন কোনো যোগ্যতৰ সোঁৱৰণ হ'ব নোৱাৰে। বুদ্ধ, সংঘ আৰু ধৰ্ম্মৰ স্মৃতিৰ অৰ্থে উৎসৰ্গীকৃত হীনযান আৰু মহাযান উভয় পন্থৰে অনেক মঠ, মন্দিৰ, স্তূপ আজিও ভাৰতময়, প্ৰধানকৈ সাঞ্চি, ভাৰহুত, মথুৰা, সাৰনাথ, নলন্দা, অমৰাৱতী, কাৰ্লে আৰু অজন্তাত সিঁচৰতি হৈ আছে। কিন্তু প্ৰশ্ন হ'ল, অসমত বৌদ্ধধৰ্ম্মী লোকৰ সংখ্যা ইমান তাকৰ কিয়? আমাৰ অসম দেশখন প্ৰধানতঃ অনাৰ্য্য-ধৰ্ম্মী লোকৰ বাসস্থান হোৱা হেতুকে বৌদ্ধধৰ্ম্মই প্ৰথম অৱস্থাত ইয়াত শিপাবলৈ সুযোগ পোৱা নাছিল বুলি যদি কওঁ, এই কথা সমীচীন হ'বনে? দৰাচলতে এই কথা ঠিক, কিয়নো যেতিয়া ৰাজাধিৰাজ অশোকে বৌদ্ধধৰ্ম্ম প্ৰচাৰৰ অৰ্থে ভাৰতবৰ্ষৰ চাৰিওদিনে আৰু ভাৰতৰ বাহিৰেতো বৌদ্ধধৰ্ম্মৰ শিকনিবোৰ স্তম্ভ, গুহা, প্ৰস্তৰ আদিত খোদিত কৰাইছিল সেই সময়ত বৌদ্ধধৰ্ম্মৰ পোহৰৰ চল অসমলৈ বাগৰি অহা নাছিল।[১] অশোকৰ দিনৰ নাইবা হীনযান পন্থীৰ প্ৰথম যুগ ছোৱাৰ মঠ-মন্দিৰ আদি নথকাটোৱেও এই কথাকে বিশেষৰূপে প্ৰমাণিত কৰে। আনপক্ষে এইটোও আচৰিত যে বৌদ্ধধৰ্ম্মৰ কীৰ্ত্তি-চিহ্ন নোহোৱা এই

* অসম সাহিত্য সভা পত্ৰিকাৰ ১৯৫৬ চনত প্ৰকাশিত। বিশদ বিৱৰণ লিখকৰ *History of Civilisation of the People of Assam*ত পাব।

১। N. N Dasgupta: *I. H Q* XXVI p 333 f.; R. C. Majumdar: *Ancient India*, pp 270-71; N K Bhattasali: *I H. Q* XXII, p 252; P. N. Bhattacharyya: *J A. R. S.* 1936, p 115 f.

অসমদেশখনৰ মাজেদিয়ে ভাৰতবৰ্ষৰ বৌদ্ধধৰ্ম প্ৰচাৰকসকলে পুৰণি কালতে ব্ৰহ্মদেশ, চীন আৰু এছিয়াৰ দক্ষিণ-পূব অঞ্চললৈ যাতায়ত কৰিছিল।[২]

কিন্তু কিছুমান এনে প্ৰবল ঐতিহ্য আছে যে অসমত অতি পুৰণি কালৰপৰাই এই ধৰ্মৰ প্ৰচলন আছিল। যদি আমি বৌদ্ধ লিখক তাৰানাথৰ কথা বিশ্বাস কৰোঁ তেতিয়াহ'লে এই কথা আমি সঁচা বুলি মানি ল'ব লাগিব যে অসমত বৌদ্ধধৰ্মৰ প্ৰভাব খৃষ্টাব্দ দ্বিতীয় শতাব্দীৰ গ্ৰন্থকাৰ অশ্বঘোষৰ সময়তেই দেখা গৈছিল। প্ৰবাদ আছে যে বৌদ্ধধৰ্মত দীক্ষিত হোৱাৰ আগতেই অশ্বঘোষ কামৰূপলৈ আহিছিল আৰু এই ঠাইৰ বৌদ্ধ প্ৰতিদ্বন্দ্বীসমূহক তৰ্কত পৰাস্ত কৰিছিল।[৩] এই কথা বিশেষভাৱে মন কৰিবলগীয়া যে বৌদ্ধ নিকায়সমূহ ৰচিত হোৱাৰ সময়ছোৱাত মধ্য-ভাৰতৰ মানুহবিলাকে এই ঠাইক লৌহিত্য (পালি-লোহিচ্চ) বুলি জানিছিল আৰু প্ৰমাণ আছে যে কামৰূপী ব্ৰাহ্মণসকলৰ বৌদ্ধ শ্ৰমণসকলৰ লগত ঘনিষ্ঠ সংস্পৰ্শ আছিল।[৪] আৰেৌ তিব্বত, ভূটান, নেপাল আৰু অসমত প্ৰবল কিংবদন্তী আছে যে বুদ্ধদেৱৰ মহাপৰিনিৰ্বাণ কামৰূপতেই ঘটিছিল। সম্ভৱতঃ উল্লিখিত কিংবদন্তী বিশ্বাস কৰিয়েই ওৱাদেল চাহাবে পশ্চিম অসমৰ গুৱালকুছি নাইবা বৰ্তমানৰ হাজোৰ মন্দিৰৰ ওচৰত বুদ্ধদেৱৰ মহাপৰি-নিৰ্ব্বাণ হৈছিল বুলি মত প্ৰকাশ কৰিছে।[৫] এই বিশ্বাস সত্য বুলি হাঙ্গেৰীৰ ভ্ৰমণকাৰী কছমো দি কোৰছেও মত প্ৰকাশ কৰিছে।[৬] এল্ ডব্লিউ শ্বেক্সপিয়ৰৰ মতে কামৰূপত অকল বুদ্ধৰ দেহ ত্যাগেই হোৱা নহয়, বৌদ্ধধৰ্মৰ দ্বিতীয় মহামেল-খনো ইয়াতেই বহিছিল আৰু বৌদ্ধধৰ্মীসকলে অসমখনক বেলেগ নামেৰে জানিছিল।[৭] এনে বিশ্বাস আছে যে হাজোৰ মনিকূটো এটা বৌদ্ধ চৈত্যহে— এই চৈত্য বুদ্ধদেৱৰ দেহভস্মৰ ওপৰত নিৰ্ম্মাণ কৰা হৈছিল। এই কথা তাৰানাথৰ গ্ৰন্থতো পোৱা যায়। তিব্বত আৰু ভোটানৰ বৌদ্ধসকল হাজোৰ

২। P. C. Bagchi: *India and China*, pp 7 f, 16f.; R. C. Majumdar *Hindu Colonies in the Far East*, pp 226-27.

৩। J C Ghosh: *J. A. R. S* IV pp 47-48; *Indian Culture*, III, p 133.

৪। B M. Barua: *I. H. Q.* XXIII, p 203, দীঘ নিকায়—১ম অ: ২২৪ পৃ:; সংযুক্ত নিকায় ৪ৰ্থ অ: ১১০ পৃ:।

৫। L. A. Waddell. *Buddhism of Tibet*, p 307 f, K. L. Barua: *J. A. R S*, II, p 39 f.

৬। *Asiatique Researches*, XX, p 295.

৭। *History of Assam, Upper Burma*, etc, p 73 f.

মন্দিৰৰ প্ৰধান বিগ্ৰহ 'হয়গ্ৰীৱ মাধৱ' দৰ্শন কৰিবলৈ আহে; এওঁলোকে ইয়াক মহামুনিৰ বিগ্ৰহ বুলি বিশ্বাস কৰে। যি শিলাখণ্ডৰ ওপৰত ভগবান বুদ্ধৰ মহাপৰিনিৰ্ব্বাণ হৈছিল বুলি কোৱা হয়। তাৰ ওপৰত তিব্বতীয় হৰফেৰে 'ওম্ মণিপদ্মে হুম্' এই গুহ্য মন্ত্ৰটো খোদিত কৰা আছে। কেদাৰনাথৰ লিঙ্গ-যোনি প্ৰতীকো বুদ্ধদেৱৰ লগত জড়িত কৰা হৈছে।

বুদ্ধদেৱৰ পৰিনিৰ্ব্বাণ হাজোত নাইবা অসমৰ আন কোনো ঠাইত হোৱা বুলি যি প্ৰবাদ আছে সি যুক্তি-সঙ্গত নহয়, কাৰণ এই বিষয়ে অনুসন্ধানকাৰী বিশেষজ্ঞসকলে থাটাংকৈ ঠিৰাং কৰিছে যে বুদ্ধদেৱৰ মহাপৰিনিৰ্ব্বাণ আজি-কালিৰ গোৰখপুৰ জিলাৰ অন্তৰ্গত কুশীনগৰত হে ঘটিছিল। এই ঠাইতে বুদ্ধদেৱৰ এটা প্ৰকাণ্ড প্ৰতিমূৰ্ত্তি হেলনীয়া অৱস্থাত পোৱা গৈছিল।[৮] আমি জনাত বুদ্ধদেৱৰ তেনেকুৱা কোনো মূৰ্ত্তি ভাৰতবৰ্ষৰ আন কোনো ঠাইত পোৱা হোৱা নাই।[*] যদি কুশীনগৰক বৰ্ত্তমানৰ হাজো বুলি আখ্যা দিয়া হয় আৰু যদি এই ঠাইলৈ (অসমলৈ) খৃষ্টাব্দ ৭ম শতিকাত চীন পৰিব্ৰাজক হিউয়েনচাং আহিছিল, তেতিয়াহ'লে চীন পৰিব্ৰাজকে এই কথা বিশেষভাবে উল্লেখ কৰি থৈ গ'লহেঁতেন। আমি হিউয়েনচাঙৰ কামৰূপলৈ অহা কথাৰ প্ৰসঙ্গত কেৱল এইখিনিয়েই জানো যে তেওঁ সেই সময়ৰ কামৰূপৰ ৰজা ভাস্কৰবৰ্ম্মাৰ ৰাজধানীত আছিল। ইয়াৰ উপৰিও কোনো প্ৰাচীন নাইবা অৰ্ব্বাচীন বৌদ্ধগ্ৰন্থত আনকি মহাপৰিনিৰ্ব্বাণ সূত্ৰতো হাজো নাইবা অসমৰ আন কোনো অঞ্চলতেই বুদ্ধদেৱৰ মহাপৰিনিৰ্ব্বাণ হোৱা কথাৰ উল্লেখ নাই। আনহাতে মহাপৰিনিৰ্ব্বাণ সূত্ৰই দেখুৱাইছে যে মহাপ্ৰভুৰ মহাপৰিনিৰ্ব্বাণ গোৰখপুৰ জিলাৰ কুশীনগৰত হে হৈছিল।

কিন্তু এই কথাও স্বীকাৰ কৰিব লাগিব যে বৌদ্ধসকলে অসমক বেলেগ নামেৰেহে জানিছিল। আৰু যদি এই ঐতিহ্যবোৰ ঐতিহাসিক সত্য হিচাবে আলোচনা কৰিবলগীয়া হয় তেতিয়াহ'লে এইখিনিয়েই ক'ব লাগিব যে বুদ্ধদেৱৰ কিছুমান দেহাবশেষ এই দেশলৈ অনা হৈছিল আৰু আজি যি ঠাইত হয়গ্ৰীৱ বিষ্ণুৰ প্ৰধান বিগ্ৰহ লৈ হাজোৰ মন্দিৰটো অৱস্থিত তাতে ইয়াক শ্ৰদ্ধাৰে সংৰক্ষণ কৰা হৈছিল। হয়তো সাঁচি স্তূপৰ দৰে বুদ্ধৰ অস্থিৰ ওপৰত চৈত্যও

৮। Cunningham · *Archaeological Survey Report*, I, XVIII, XXII; W. Hoey: *J. A. S. B*, 1900, I, p 74 f., 1901, p 29 f.

* কামাখ্যাৰ ভৈৰৱ শৱশয্যা বুদ্ধৰ পৰিনিৰ্ব্বাণৰ মূৰ্ত্তি বুলি কোনো কোনোৱে চিনাক্ত কৰিছে।

নিৰ্ম্মাণ কৰা হৈছিল। কিন্তু সেইবুলি এই স্তূপ ঠিক বুদ্ধদেৱৰ দেহ সংস্কাৰ কৰা ঠাইৰ ওপৰত নিৰ্ম্মিত হৈছে বুলি ক'ব নোৱাৰি, আৰু এনেকুৱা চৈত্য খ্ৰীষ্টাব্দ ৭ম শতিকাৰ আগতে হোৱাৰ সম্ভাৱনা দেখা নাযায়। এই কথা তিব্বতী বৌদ্ধ (তান্ত্ৰিক) শিলালিপিৰপৰা প্ৰমাণিত হৈছে। এই শিলালিপিত দুটা মূল তত্ত্বৰ (মণি-পদ্ম) প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰা হৈছে। মুঠতে এই কথা ন দি ক'ব পাৰি যে চৈনিক পৰিব্ৰাজকৰ আগমনৰ আগতে অসমৰ কোনো ঠাইতে বৌদ্ধ স্তূপ, মন্দিৰ আদি নাছিল।

পুৰণি অসম দেশত যে বৌদ্ধ ধৰ্ম্মৰ প্ৰবৰ্ত্তন আছিল এই কথা সুস্পষ্টভাবে দেখুৱাবলৈ আমাৰ যথেষ্ট আহিলা-পাতি আছে।[৯] উপগুপ্তৰ পাছত বৌদ্ধ ভিক্ষু ধীতিকে আচাৰ্য্য পদত অধিষ্ঠিত হৈ কিদৰে কামৰূপত বৌদ্ধধৰ্ম্মৰ প্ৰবৰ্ত্তক হৈ পৰিছিল সেই কথা তাৰানাথে লিখি থৈ গৈছে।[১০] তেওঁ আৰু কৈছে যে কামৰূপত অখণ্ডভাবে মহাযান মত প্ৰচাৰ কৰিছিল।[১১] জিনপ্ৰভ সূৰিৰ 'মঞ্জুশ্ৰী-মূলকল্প'য়ো এই কথাকে প্ৰমাণ কৰে।[১২] হিউয়েনচাঙৰ লিখিত বিৱৰণীয়ে অৱশ্যে এই সম্বন্ধে নতুন সত্য পোহৰলৈ আনিছে। ভাস্কৰবৰ্ম্মাৰ ৰাজ্যৰ পৰিস্থিতি সম্পৰ্কে লিখিবলৈ গৈ হিউয়েনচাঙে এনে মত প্ৰকাশ কৰিছে যে "তেওঁৰ ৰাজ্যৰ সীমাৰ ভিতৰত বুদ্ধৰ নীতিসমূহৰ বহুল প্ৰচলন হোৱা নাছিল" আৰু "যিবিলাক বৌদ্ধধৰ্ম্মী লোক ইয়াত আছিল তেওঁলোকে গোপনে হে ধৰ্ম্ম চৰ্চ্চা কৰিছিল।[১৩] এই কথাৰপৰা ভালদৰে জানিব পাৰি যে এই দেশত তাকৰসংখ্যক হ'লেও বৌদ্ধধৰ্ম্মী লোক আছিল। এই প্ৰসঙ্গত আমি অভিনৱ গুপ্তৰ নাম উল্লেখ কৰিব পাৰোঁ। নবম শতিকাৰ ব্ৰাহ্মণ্যধৰ্ম্মী প্ৰসিদ্ধ দাৰ্শনিক শঙ্কৰাচাৰ্য্যৰ লগত অভিনৱ গুপ্তই ধৰ্ম্ম সম্বন্ধে তৰ্কত প্ৰবৃত্ত হৈছিল বুলি উল্লেখ

৯। A. Roy: *J A. R. S* IV. pp 18-22; L. W. Shakespear: *History of Upper Assam, Upper Burma* etc. p 71 f, *A. C. R.*, 1891; Hunter: *Statistical Account of Assam*, I, p 39; Butler: *Sketch of Assam*, p 134.

১০। *I. H. Q.*, V, p 720.

১১। *Taranath* History of Buddhism, p. 199.

১২। Ed, K. P. Jayaswal.

১৩। Watters: *Yuan Chwang*, I p 348; II p 185 f.; Beal II, p 195 f.; *Life of Yuan Chwang*, p 165 f.; ভাস্কৰ বৰ্ম্মাই মন্ত্ৰী সমন্বিতে বৌদ্ধধৰ্ম্ম লৈছিল বুলি কোৱা আছে। তেতিয়াৰ ধৰ্ম্ম অৱশ্যে সহৰ'ম আছিল। (Walley; A. *The Real Tripitaka*, 59-60)

পোৱা যায়।[১৪] তাম্ৰ ফলি, শিলালিপি আদিৰপৰা হ'লে প্ৰাচীন যুগৰপৰাই অসমত বৌদ্ধ ধৰ্ম প্ৰচলন হোৱাৰ সপক্ষে আহিলা পোৱা নেযায়। কেৱল একাদশ শতিকাৰ ৰজা ইন্দ্ৰপালৰ এখন ফলিত (গুৱাহাটী গ্ৰাণ্ট) তথাগতৰ উল্লেখ আছে। নামটোলৈ চাই এনে অনুমান হয় যেন ৰজাই দান কৰা মাটিৰ ওচৰত এটা বৌদ্ধ চৈত্য আছিল আৰু তাৰ উদ্দেশ্যেই দান আগবঢ়োৱা হৈছিল। কিন্তু তথাপি এই কথাও সত্য যে আমি জনাত অসমৰ কোনো প্ৰাচীন ৰজাই বৌদ্ধধৰ্মৰ পৃষ্ঠপোষকতা কৰি দান দিয়া নাছিল, আনহাতে তেওঁলোকৰ বেছি-ভাগেই হিন্দু ধৰ্মৰ উন্নতিকল্পেহে দান আদি দিছিল।

হীনযানপন্থী বৌদ্ধসকলৰ কোনো স্মৃতি সংৰক্ষণৰ চিহ্ন অসমত আজিলৈকে উদ্ধাৰ পৰা নাই। হাজো, শিঙৰি, তেজপুৰ, শদিয়া আৰু গোৱালপাৰাত যিবিলাক বৌদ্ধধৰ্মৰ কীৰ্ত্তি-চিহ্ন আছে সেই আটাইবোৰ মহাযান যুগৰ, হয়তো পিচৰো হ'ব পাৰে। অৱশ্যে এইটোও ঠিক যে অসমত বুদ্ধদেৱৰ যিখিনি স্মৃতিচিহ্ন আছে সি দলিয়াই পেলাবলগীয়া নহয়, আৰু পিচৰ যুগৰ কিছুমান হিন্দু মন্দিৰ যে বৌদ্ধ মঠৰ ভেটিৰ ওপৰত নাইবা তাৰ সাঁ-সজুলি লৈ নিৰ্মাণ কৰা হৈছিল এই বিশ্বাস অমূলক নহয়। বৌদ্ধ কীৰ্ত্তি-চিহ্ন অতি কমসংখ্যক আৱিষ্কৃত হোৱাৰ ইও এটা কাৰণ বুলি ধৰা হয়।[১৫] গোৱালপাৰা জিলাৰ পঞ্চৰত্নত এটা বৌদ্ধ চৈত্য আছিল বুলি অনুমান হয়, কিয়নো তাত বুদ্ধৰ ধৰ্মচক্ৰ খোদিত থকা শিল এছটা পোৱা গৈছে। ঠিক তেনে ধৰণৰ আন শিলাঙ্কন গোৱাল-পাৰাৰ ডেকধোৱাতো পোৱা গৈছে।[১৬] মধ্যযুগৰ আদি ভাগৰ যিবোৰ বুদ্ধৰ মূৰ্ত্তি পোৱা যায় তাৰ ভিতৰত পাতল শিল এছটাৰ ওপৰত অভয়মুদ্ৰাবিশিষ্ট মূৰ্ত্তি এটাও আছে।[১৭] বুদ্ধদেৱৰ এই অৱস্থাটোক **অমোঘসিদ্ধ** বোলা হয়। অমোঘসিদ্ধ আদিবুদ্ধ আৰু আদিপ্ৰজ্ঞাৰপৰা ওপজা পঞ্চ ধ্যানী বুদ্ধৰ এজন।[১৮] পোৰা মাটিৰ ফলকৰ ওপৰত অঙ্কিত ভূমিস্পৰ্শ মুদ্ৰাৰে বুদ্ধদেৱৰ আন এটি মূৰ্ত্তি

১৪। C N K Aiyar *Samkaracharya, His Life and Times*, p 56; R M. Nath *J A R S* IV pp 31-39

১৫। Dalton *J A S. B.*, XIV, p 10 f, Hannay. *J A. S. B.*, XVII, I.

১৬। S Kataki *J A R S.*, April, 1934.

১৭। P. D. Chaudhury: *J. A. R. S.*, 1944, p 39 f; *Early History of Kamarupa*, pp 155-56.

১৮। N. K. Bhattasali: *Iconography of the Buddhist and Brahmanical Sculptures in the Dacca Museum*, p 16 f.

পোৱা গৈছে।[১৯] বুদ্ধদেৱৰ এই অৱস্থাটোক অক্ষোভ্য বুলি কোৱা হয়।[২০] উৰ্ব্বশীত শিল কাটি নিৰ্ম্মাণ কৰা এটি বুদ্ধমূৰ্ত্তি আছে; এই মূৰ্ত্তি বুদ্ধদেৱক পদ্মাসন কৰি ভূমিস্পৰ্শ মুদ্ৰাত থকা দেখা যায়।[২১] অৱশ্যে এই কথা ঠিক যে প্ৰত্নতাত্ত্বিক ভূমিখনন কাৰ্য্যৰ উন্নতিৰ লগে লগে হয়তো বহুতো নতুন নতুন বৌদ্ধ কীৰ্ত্তি-চিহ্ন আৱিষ্কাৰ হ'ব পাৰে, আৰু তেতিয়াহ'লে অসমত বৌদ্ধধৰ্ম্মৰ প্ৰভাৱ সম্পৰ্কে আমি নতুন আহিলা-পাতি পাব পাৰোঁ।

বৰ্ত্তমান অসমত বৌদ্ধধৰ্ম্মী লোকৰ সংখ্যা অতিকৈ কম আৰু সিও জনজাতীয় লোকৰ মাজতেই সীমাবদ্ধ। কিন্তু অসমবাসীৰ মাজত বৈষ্ণৱধৰ্ম্মী লোক যথেষ্ট আছে; আৰু এওঁলোকে বেলেগ বেলেগ ভাবধাৰাৰ মাজেৰে বৌদ্ধ ধৰ্ম্মমতকে সাৱটি আছে। কাৰণ শ্ৰীশঙ্কৰ-মাধৱৰ পন্থাই মহাযানপন্থীয় বৌদ্ধসকলৰ নিচিনা বুদ্ধদেৱক বিষ্ণুৰ দশাৱতাৰৰ এজন বুলি গ্ৰহণ কৰিছে। আজিলৈকে অসমীয়া মানুহৰ সমাজ আৰু ধৰ্ম্ম জীৱনৰ কেন্দ্ৰ স্বৰূপ বৈষ্ণৱ সত্ৰসমূহ জানো বৌদ্ধ বিহাৰৰ আদৰ্শত গঢ়ি উঠা নাই?[২২] জাতি আৰু বৰ্ণৰ বৈষম্যহীন অসমৰ নৱ বৈষ্ণৱ ধৰ্ম্মৰ উদাৰ সাৰ্ব্বজনীন মতবাদ মূলতঃ বৌদ্ধধৰ্ম্মৰ ভাবধাৰা, আদৰ্শ আৰু কাৰ্য্যক ভেটি কৰিয়েই গঢ়ি উঠিছে।*

১৯। P. D Chaudhury *J. A. R. S.*, 1944, p 39 f.

২০। N. K Bhattasali · *Iconography of the Buddhist* etc. p 16 f.

২১। K L. Barua · *J. A. R. S.* II, pp 104-5; পিংগলেশ্বৰ দেৱালয়ৰ ভগ্নাৱশেষৰ মাজত বটবৃক্ষৰ তলত এটি সুন্দৰ বুদ্ধমূৰ্ত্তি পোৱা গৈছে। ইয়াৰ ওপৰত লিখা ইংৰাজী প্ৰবন্ধত পাব।

২২। S. C. Goswami : *I. H. Q.* III, p 747 f.

* মূল ইংৰাজী প্ৰবন্ধৰপৰা শ্ৰীভূপেশচন্দ্ৰ দত্তৰ দ্বাৰা অসমীয়াত অনূদিত। মন কৰিবলগীয়া, কামাখ্যাত বুদ্ধৰ মূৰ্ত্তি, অন্যান্য আহিলাপাতিয়ে প্ৰমাণ কৰে সুদূৰ কালত ইয়াত এটি বৌদ্ধস্তূপ আছিল। হাজোৰ হয়গ্ৰীৱ মাধৱ তিব্বতীয় বৌদ্ধ ধৰ্ম্মৰ অৱতাৰৰ এটা বুলি উল্লেখ আছে। হাজোৰপৰা মাটি নি তিব্বতত পদ্মসম্ভৱে প্ৰথম বৌদ্ধ মন্দিৰ নিৰ্ম্মাণ কৰাৰ কথাৰো উল্লেখ পাইছো। সম্ভৱতঃ উক্ত গুৰুজনাই হাজোত ইহলীলা সম্বৰণ কৰে, আৰু ইয়াত স্তূপ নিৰ্ম্মাণ কৰা হৈছিল।

বৈষ্ণৱ সত্ৰৰ আঁতিগুৰি ঃ সুন্দৰীত থান প্ৰতিষ্ঠা

পুৰণিৰ আঁত বিচাৰি অনুসন্ধিৎসু মনৰ হেপাহ পলুওৱা লেখকৰ একপ্ৰকাৰ নিচা। সত্ৰ শব্দই সাধুসমাজত বহি শাস্ত্ৰালাপ কৰি সাধুক ত্ৰাণ কৰা বুজায়। ভাগৱত মহাপুৰাণত নৈমিষাৰণ্যত ভাগৱত ব্যাখ্যা সহিত যজ্ঞাদি কৰাৰ লগত সত্ৰ শব্দৰ উল্লেখ আছে। যজ্ঞই আহুতিক বুজায়, পূজা-বলিক নহয়, সত্ৰকো নহয়। টানি আনি একে অৰ্থ কৰাটো সমীচীন নহয়। ভাগৱত ব্যাখ্যাৰ লগতো আমাৰ সত্ৰৰ সম্বন্ধ নাই। সত্ৰ শব্দ দুজনা গুৰু শ্ৰীমন্ত শংকৰ-মাধৱে তেওঁলোকৰ লেখাত প্ৰয়োগ কৰা নাই। অথবা গুৰুচৰিতকাৰে ভাগৱতৰপৰা উক্ত শব্দ আনি ব্যৱহাৰ কৰা নাই, আৰু শ্ৰীমন্ত শংকৰে কেৱল ভাগৱতৰ ওপৰত নিৰ্ভৰ কৰি ইয়াত এক শৰণ, এক ভগৱান-কৃষ্ণযুক্ত বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ পাতনি মেলা নাছিল। আন নালাগে, তেওঁৰ 'ভক্তিৰত্নাকৰে'ই ইয়াৰ সাক্ষী। মাধৱ মহাপুৰুষৰ "নামঘোষা" সমস্ত শাস্ত্ৰৰেই সাৰ। ত্ৰিহুটৰ জগদীশ মিশ্ৰই জগন্নাথৰ নিৰ্দেশত পুৰীৰপৰা ভাগৱত অনাৰ বহুত আগতেই শ্ৰীমন্ত শংকৰে বটদ্ৰৱাত ব্ৰাহ্মণক শৰণ দিয়াৰ উদ্দেশ্যে "গোপী উদ্ধৱ সংবাদ" আৰু "হৰিশ্চন্দ্ৰ উপাখ্যান" প্ৰণয়ন কৰিছিল। ভাগৱতত পূৰ্ণাংগ সত্ৰানুষ্ঠানৰ উল্লেখ নাই। উল্লেখ নাই, তেওঁৰ সমসাময়িক ভাৰতৰ অন্যান্য ধৰ্মপ্ৰচাৰকসকলে তেনেকুৱা অনুষ্ঠানৰ গঢ় দিছিল। দুজনা গুৰুৱে এটা স্থায়ী ধৰ্মানুষ্ঠানৰ জৰিয়তে নিগুৰ্ণ কৃষ্ণৰ ভকতি কৰাৰ উদ্দেশ্যে নাম-কীৰ্ত্তন, ভাওনাৰ পাতনি মেলিছিল। ধৰ্ম-সমাজ পাতিছিল বৌদ্ধ সম্ৰাট অশোকে বৌদ্ধ ধৰ্ম প্ৰচাৰৰ অৰ্থে। ধৰ্মসমাজৰ উৎপত্তি তাতেই পাওঁ। বহু পাছৰ, অৰ্থাৎ ৯ম-১০ম শতিকাত প্ৰণীত ভাগৱতলৈ যাব নালাগে। হৰি-নাৰাণৰ নাম-কীৰ্ত্তনৰে সৈতে হৰি-হৰৰ যুগ্মমূৰ্ত্তি প্ৰদান ৮ম-৯ম শতিকাৰ কেবাখনো শিলালিপিত পাইছো। ১২৩২ চনৰ আমবাৰী শিলালিপিত যদিওবা সত্ৰ, হাটীৰ উল্লেখ পাইছো, তাত অৱস্থিত তান্ত্ৰিক-বৌদ্ধ মন্দিৰত সগুণ ক্ৰিয়াৰ প্ৰচলন আছিল। ১৩৫২ চনৰ লংকাৰ শিলালিপিত বিষ্ণুৰ নাম-কীৰ্ত্তনে সৈতে সত্ৰ, হাটী শব্দৰ উল্লেখ আছে। ইবোৰত শাস্ত্ৰ

অধ্যয়ন, চৰ্চ্চাৰ উল্লেখ নাই। নাম-কীৰ্ত্তনৰ পাছত, চাৰিনাম, যথা ৰাম, কৃষ্ণ, নাৰায়ণ, হৰিৰ নাম লৈ ভাগৱত পাঠ কৰাৰ নিয়ম আমাৰ সত্ৰত প্ৰচলন হয়, আগত নহয়। আজিও সেইটো প্ৰচলিত।

আমাৰ সত্ৰানুষ্ঠানটি কম বেছি পৰিমাণে বৌদ্ধ অনুষ্ঠানৰ লগতহে ৰজিতা খায়। ঠিক যেনেকৈ আমাৰ ভাষা-সাহিত্যত দোহাকোষৰ প্ৰভাৱ বিদ্যমান। চাৰি বস্তুৰ ভিতৰত মণিকূট পুৰাণত উল্লিখিত, বুদ্ধৰ অস্থি-কুম্ভ তলত ৰাখি প্ৰায় স্তূপাকৃতিৰ নিৰ্মাণৰ ঠাচত কৰা হৈছে। আমাৰ কেৰলীয়াহাটী বৌদ্ধভিক্ষু থকা আবাস গৃহৰূপত কৰা হৈছিল। ভক্ত বৃদ্ধিৰ কাৰণে নাম-গুণ, শাস্ত্ৰালাপ কৰাৰ অৰ্থে এটি স্থায়ী অনুষ্ঠান কৰাৰ আৱশ্যকতা অনুভৱ কৰিলে। কিন্তু, গুৰুজনা শংকৰ-মাধৱৰ লেখাত সত্ৰৰ প্ৰয়োগ নাই। হৰিগৃহহে বোলা হৈছে। তেনেকুৱা হৰিগৃহ শ্ৰীমন্ত শংকৰে কৰাইছিল বটদ্ৰৱা, গাংমৌ, ধুৱাহাট বেলগুৰী আদি ঠাইত। বটদ্ৰৱাত চিহ্নযাত্ৰা কৰি ভক্তসমাজ পাতি গুৰুজনাই নানা ভাও লৈ, নাচি-বাগি, বাজনা বজাই সকলোকে আপ্যায়িত কৰিছিল বুলি চৰিতত আছে। তাতেই ব্ৰাহ্মণ-অব্ৰাহ্মণ সমাজত অলৌকিক প্ৰতিভা দেখুওৱাৰ পাছত আন নালাগে, শিক্ষাগুৰু মহেন্দ্ৰ কন্দলী আৰু কুল গুৰু ৰামৰামে (শৰ্মা নহয়, ৰামৰাম মিশ্ৰই) তেৰাত শৰণ লোৱা ঘটনা চৰিতত বৰ্ণিত আছে। এই শৰণ প্ৰথাও বৌদ্ধ অনুষ্ঠানৰপৰা আহিছে। ভাগৱতৰপৰা নহয়। সি যিকি নহওক উক্ত হৰিগৃহ স্বৰূপাৰ্থত সত্ৰ নহয়। হাটী, বাটী, নামঘৰ, মণিকূট, গুৰু আসনেই সত্ৰ। পাছত লগ লাগে আহোম ৰজাদিনীয়া মঠ, সৰু গৃহসৈতে, দৌলঘৰ, নাট বা ৰংঘৰ, ভক্তশালাদি, সেৱাৰ বস্তু পবিত্ৰ গুৰু আসনথন, অখণ্ড প্ৰদীপ আৰু ঠগীত ৰখা শাস্ত্ৰথন। ভাগৱতত্তকৈ মাধৱগুৰু জনাই গুৰু কীৰ্ত্তন, দশম, নামঘোষা আৰু ভক্তিৰত্নাৱলীকহে থাপনাৰ শাস্ত্ৰ বুলিছে পদ্ম আতাৰ আগত। গুৰু আসন সাত বৈকুণ্ঠ বা সাতথলপীয়া বৈকুণ্ঠৰ বিষ্ণু-সিংহাসনৰ প্ৰতীক। শাস্ত্ৰথনৰ সৈতে অনিৰ্বাপিত চাকিগছ ভাৰতীয় পৰম্পৰা, তথা দৰ্শনৰ নিদৰ্শন। অগ্নি, সূৰ্যৰ প্ৰকাশিকা শক্তি। বেদৰ অগ্নি, দ্বাদশাদিত্যৰ ভিতৰৰ বিষ্ণু-কৃষ্ণ : বিষ্ণুৰ হাতৰ চক্ৰ বা কৃষ্ণৰ হাতৰ সুদৰ্শন চক্ৰ সূৰ্যৰ ৰশ্মিৰ প্ৰতীক। শ্ৰীকৃষ্ণ-দোলত অগ্নিৰ উপাসনা কৰা প্ৰথা আছে। গুৰুআসনৰ ওপৰত চন্দ্ৰতাপৰ ৰং শুদ্ধ বগা-হালধীয়া হ'ব লাগে বিষ্ণুক বুজাবলৈ। আইন ৰঙে ৰাজতা নাখায়। যেনেকৈ ৰজিতা নাখায় মঠ, দৌলৰ শিখৰৰ ত্ৰিশূল। গুৰু আসনৰ সৈতে উপৰুক্ত চাৰিবস্তুৰ শিখৰত আৰু দৌলঘৰৰ ওপৰত চক্ৰ থাকিব লাগে। আইন সম্পদ

নহয়। কাৰণ বিষ্ণু-কৃষ্ণই দুজনা গুৰুৰ আৰাধ্যদেৱ। ভাৰতীয় ধৰ্ম-কৰ্মৰ সৰ্বোত্তমখিনি দুজনা গুৰুৱে ইয়ালৈ আনি প্ৰচাৰ কৰিছিল নাম-কীৰ্ত্তনৰ যোগে জীৱ-কল্যাণ, তথা আধ্যাত্মিক সুখৰ কাৰণে। কি কি আধাৰৰ প্ৰয়োজন আছিল ইয়াৰ সবিশেষ মাধৱ মহাপুৰুষে প্ৰবৰ্ত্তাইছিল। পাছত বিৱৰণ দিয়া আছে, চৰিত পুথিৰ সহায়ত। আগতে কৈ ৰাখোঁ, আমাৰ ধৰ্ম ঠিক মহাপুৰুষীয়া, ভাগৱতী ধৰ্ম নহয়।* আমাৰ কৃষ্ণ-ভক্তি ধৰ্ম, নাম-শৰণসিক্ত। হৰিৰ নাম, হৰিত শৰণ, নামত শৰণ, গুৰুত শৰণ, ভকতত শৰণ। আমাৰ ধৰ্ম নাম ধৰ্ম কেৱলে মুক্তিৰ পথ। এই সমস্ত ভক্তিৰ আধাৰৰ নাম-ধৰ্ম দুজনা গুৰুৰ ভাৰতীয় দৰ্শনলৈ স্থায়ী অৱদান।

শ্ৰীমন্ত শংকৰে প্ৰথমে সত্ৰ পাতে বৰপেটাৰ চুণপোৰাত। অংগ বিশেষ ভাত আছিল। প্ৰধান শিষ্য মাধৱদেৱ, নাৰায়ণ দাস ঠাকুৰ, শ্ৰীৰাম আতাদি শিষ্য-বৰ্গই বাহা কৰি তাত আছিল। অস্থায়ী সত্ৰটি ভাঙি পৰাত গুৰুজনাই পাটবাউসীলৈ গৈ সত্ৰ পাতি মাধৱদেৱৰ সৈতে সাতকুৰি ভকতৰ সমাজত নাম-প্ৰসঙ্গ কৰি, অসংখ্য লোকক শৰণ দি শাস্ত্ৰ লিখে। ভাগৱত পঢ়িছিল হৰিদেৱে। নাম-প্ৰসংগত ভাগ লৈছিল দামোদৰদেৱে। চুণপোৰাত থাকোতেই তাঁতীকুছিত বৃন্দাবনীয়া কাপোৰ বোৱনৰ কাম আৰম্ভ কৰিছিল। এই কামত মাধৱদেৱেও ভাগ লৈছিল। বেছিকৈ বোৱনৰ কাৰণে গুৰুজনাই তেওঁৰ শিষ্যক বঢ়াৰ পো নামকৰণ কৰা বুলি চৰিতত আছে। পাটবাউসীত থাকোতেই চান্দসাই যৱনক শৰণ লগায়। পাটবাউসীৰ সকলো ঠাইতেই চক্ৰ বিদ্যমান। গুৰু আসন এখন। চন্দ্ৰতাপৰ ৰং ঠিক নহয়। গুৰুজনাই নিজে গুৰু-আসন প্ৰতিষ্ঠা কৰা নাই।

মাধৱদেৱে প্ৰথমে বাৰাদিত থাকি অসুবিধা পাই, ঠাকুৰ আতাৰ সহায়ত গণককুছিত হাটী, বাটী, নামঘৰ, মণিকূটাদি সমন্বিতে সত্ৰ পাতে। বকুলৰ ফুলৰ বাগিচা, কুঁৱা সৈতে গুৰুজনাৰ আৰু শ্ৰীৰাম আতাৰ বাহা আজিও বৰ্তমান। গুৰুজনে গুৰু আসন প্ৰতিষ্ঠা কৰা নাছিল। ইয়াৰ পৰাই মাধৱ-দেৱে নিতৌ পাটবাউসীলৈ গৈ তেওঁৰ গুৰু-সংগত শাস্ত্ৰালাপ, নাম-গুণ গাই, গুৰু সেৱা কৰি অহা-যোৱা কৰিছিল। চৰিতত আছে, মধুপুৰলৈ যোৱাৰ আগৰাতি তেওঁাই মাধৱৰ লগত শুই, এনে কৈ অলৌকিক অৱস্থা দেখুৱাইছিল

* মহাপুৰুষীয়া বুলি ক'লে, বহুত সত্ৰ বাদ পৰে, যেনে ভাগৱতী বুলি ধৰিলে বহুত শাস্ত্ৰ বাদ পৰে। এনে কৰিলে ঐক্য নাহে। সমন্বয়ও নহয়।

নিকাম ভক্তবৃন্দক। বিয়াসযোগ্য বুলি ধৰি ল'বলৈ সেই অৱস্থালৈ উঠিব লাগিল। মাধৱৰ সৈতে গুৰুজনা আছিল এজন পূৰ্ণ মানৱ। সম্বন্ধ আছিল, কৃষ্ণাৰ্জুন, কৃষ্ণ-উদ্ধৱ সদৃশ। ভকতেই গুৰু, গুৰুৱেই ভকত। চৰিতত বিশদ বিৱৰণ আছে। প্ৰমাণ আছে, গুৰুজনাই কৈছে : বুঢ়াৰ পো, তোমাক পাই মই সম্পূৰ্ণ হ'লো।

মাধৱে সুন্দৰীলৈ আহিব বিচাৰিছিল গুৰুজনা বাউসীত থাকোতেই। নাৱেৰে ভটিয়াই আহোতেই দুজনা গুৰুৱে ভক্তবৃন্দৰ সৈতে ইয়াত উঠিব বিচাৰিছিল। মাধৱৰ ইচ্ছাত বাধা পৰিল। গুৰুজনাই ক'লে, মাধৱ, তাইলৈ গ'লে সুন্দৰীয়ে তোমাক মুহিব। জন সুন্দৰ, স্থল সুন্দৰ, জল সুন্দৰ, নথগুৱা-চাউলখোৱা নৈ আবৃত সুন্দৰীথান (সুন্দৰীদিয়া)। থানৰ বৰ্ণনা এনেদৰে আছে : গুৰুগুৰু নন্তি জীৱ ভৈলন্ত নিৰন্তৰী। এতেকতে থানৰ নাম ভৈলন্ত সুন্দৰী। ১৫৬৮ চনত শংকৰ গুৰুৰ প্ৰয়াণত গুৰুভাৰ্য্যা কালিন্দী আইৰ নিৰ্দেশত ইয়াত ভৰি দিলে মহাপুৰুষ নিকাম ভকত জনাই। চৰিতত আছে মাধৱদেৱে ৬ মাহ মান বৈনায়েক ৰামদাসৰ বাসস্থানত আছিল। এইখন তেওঁৰ আদিভিঠি নহয় যেন লাগে। ৰামদাসৰ লগত থাকোতে তেওঁৰ মনত বিষাদ আহিছিল, যেন অসহায় অৱস্থাত পৰিছিল। এদিন ৰাতি সপোনত তেওঁৰ গুৰু শংকৰক আকাশমাৰ্গত দেখি আক বেছি চিন্তিত হ'ল। ঠাকুৰআতা আহিলত সপোনটি চৰ্চ্চি ক'বলৈ ক'লে। আতাই উত্তৰ দিছিল : কয়, কিন্তু আপুনি খং কৰিব। গুৰুজনাই ক'বলৈ কৈছিল, খং নকৰো বুলি কৈ। ঠাকুৰ আতাই ক'লে : বাপ, আপুনি ভক্তসহিতে শ্ৰৱণ-কীৰ্তন নকৰি, শৰণ নলগাই বহি থকাৰ কাৰণে দয়ালু গুৰুজনাই আপোনাক দেখা দিছে। তেওঁৰে কৈছিল : যাৰ সন্তান ধাৰিত থৱলৈকেও ঠাই নোজোৰে, তেনেকথা সিজনে যোক ক'ব পায়নে ? উত্তৰত ঠাকুৰআতাই কৈছিল : বাপ, আপুনি কৈছিল নহয়, খং নকৰে। গুৰুজনাই কৈছিল : কি কৰিব লাগে ? ঠাকুৰআতাই কৈছিল : লোকজন গোটাই, শৰণ লগাই নাম-কীৰ্তনৰ ব্যৱস্থা কৰি গুৰুজনাৰ ধৰ্মপ্ৰচাৰত লাগিব লাগে। মই নানা ঠাইলৈ গৈ শিষ্য গোটাম। সত্ৰ পাতক। ইয়াৰ পাছতেই খিৰা (ক্ষীৰ) মৰলৰ বাৰীত আদিভিঠি অথবা হাটী, বাটী, নামঘৰ, মণিকূট নিৰ্মাণ কৰাই, শৰণ লগাই, ভকত বঢ়াই, শাস্ত্ৰ লিখি নাম-কীৰ্তনৰ সোঁতাৰ মেলে।‡ ইয়াৰ নামঘৰ সহিত অন্যান্য অনুষ্ঠানবোৰ ভাগি পৰাত, ৬চৰৰে ৬থ

‡ আদিভিঠি আইন ঠাইত আছিল বুলিও কয়।

ঠাইত সত্ৰাধিষ্ঠানটি প্ৰতিষ্ঠা কৰা হ'ল। এই আদিপ্ৰতিষ্ঠিত নতুনকৈ হৰিগৃহ এটি স্থাপন কৰা হৈছে, গুৰু আসন প্ৰতিষ্ঠা কৰি ঐতিহ্য ৰক্ষাৰ খাতিৰত। গুৰু আসনৰ ওপৰত চক্ৰ।

গুৰুজনাৰ আজ্ঞা পাই ঠাকুৰ আতাই প্ৰথমে সুন্দৰীৰ গাতে লাগি থকা বামুণগাঁৱৰপৰা লোকজন আনি বসতি লগায়। ক্ৰমাম্বয়ে শিষ্যৰ সংখ্যা বাঢ়িবলৈ ধৰে। মাধৱদেৱে শংকৰ গুৰুৰ নামত গুৰু আসন প্ৰতিষ্ঠা কৰাৰ বৃত্তান্ত চৰিতত অলৌকিকভাৱে দিয়া পাইছো। ঠাকুৰ আতাই মালচাৰ বৰবিষ্ণুক সুন্দৰীদিয়াৰ পিনে সাতখাৰ দণ্ডৱতে সেৱা জনাই গুৰুৰ ওচৰলৈ আনিলে। দণ্ড কৰি গুৰুজনাই আতাক ক'লে : চটুৱা, মোৰ মস্তকে মোকে ভেটুৱা। কলথাই বাপজি, সাহ থৈ বাহুটিহে আমালৈ আনিছা। আতাই বিনম্ৰ ক'লে : বাপ, বাকলি দেলাই কলটিহে আপোনালৈ অনা হৈছে। সাহ, বাহ যি বোলে সকলোখিনি আপোনাৰে। সন্তোষ পাই বৰবিষ্ণুক যথানিয়মে দণ্ডৱত কৰাই গুৰু আসনৰ পিনে চাই কি দেখা পালে সুধিলত, একো দেখা নাই বুলি ক'লে। গুৰু আসনৰ সন্মুখৰ বন্তি গছা পশ্চিমৰ পৰা পূৱমুৱা কৰি আতাক সোধাত ক'লে : বাপ, গুৰু আসনত ১২ জন বৈষ্ণৱ, চৈধ্যজন পাৰিষদৰ লগত শ্ৰীকৃষ্ণক বহি থকা দেখিছো। গুৰুজনে ক'লে : এইজনেই আমাৰ পৰম গুৰু; দণ্ডৱতে সেৱা কৰা। আতাই সেৱা জনাই ধৰ্মবস্তু পালে। গুৰু আসনৰ প্ৰতিষ্ঠা বৰবিষ্ণু আতাৰ আগমনৰ কিছু আগৰ বুলি উক্ত বৃত্তান্তই সাব্যস্ত কৰে। নামৰ শাৰী, সত্ৰানুষ্ঠানত নাম-প্ৰসঙ্গ কৰাৰ নিয়ম, কোনে ক'ত বহিব লাগে, সত্ৰৰ মাজমাজৰী, ইত্যাদি সকলো ব্যৱস্থাও সঁচা আখ্যানযোগে প্ৰচলন কৰাৰ উল্লেখ চৰিতত সবিশেষ আছে। সুন্দৰীৰ পূৱপ্ৰান্তত বৰদিলৰ উৎপাত। শ্ৰীৰাম আতাই স্নান কৰিব নোৱাৰি গুৰুজনাক জনাইছে। অখণ্ড পাললাৰত বৰ নোৱাৰি, দৈত্যবোৰ পলাল। গৰুড়ৰ কান্ধত ভগৱন্ত অহাতহে চৈধ্য প্ৰসংগ কৰা হ'ল। হৰি কীৰ্তনৰ ধ্বনিত বৰ নোৱাৰি শ্ৰীকৃষ্ণ গৰুড় কান্ধত সুন্দৰীলৈ অহাত, গৰুড় বট বৃক্ষত পৰাত ডাল ভাগি পৰিল। গুৰুজনে ব্যাখ্যা কৰে এনেদৰে : ভগৱান শ্ৰীকৃষ্ণ বৈকুণ্ঠৰ হৰিনাম ৰণত আপ্লুত হৈ ভকতৰ মাজলৈ চাপলি খেলিও আসন, নামৰ শাৰী নথকা বাবে ভকতৰ মাজত উপস্থিত হ'ব নোৱাৰি ভাগি পৰিল। তেতিয়া গুৰুজনে আসন পাতি, গুৰু আসনৰ সন্মুখৰ পৰা দুটা আঙুলিৰে দুটা আঁচ মাৰি নামঘোলাৰ (নামগোৱা ঠাইৰ) ব্যৱস্থা কৰি বহাৰ ক্ৰম লগালে। ওজা-পাঠক, পাঠক, ভক্ত আতৈসৱ ক্ৰম অনুযায়ী

-ৰহাৰ নিয়ম এনেকৈয়ে কৰা হৈছিল। বাৰজন বুঢ়াই শৰণ লোৱাত গুৰুজনাই সেইবাৰবো সৃষ্টি কৰিছিল। পাছত গায়ন, দেউৰী, বায়ন, পাজধৰা, বুঢ়া ভকত, ইত্যাদিবো ব্যৱস্থা কৰা হয়। উক্ত নিয়ম আজিও চলি আছে। আৰু চলি আছে পঞ্চায়তী ৰাজৰ মা-বাপ বাক্-বিতণ্ডা মীমাংসাৰ নিষ্পত্তি সত্ৰত বহা সভা মেল যোগে, য'ত উপস্থিত থাকে বৰমূৰীয়া ভকত, তথা মেলৈকী, মজুমদাৰ।

বামুণাৰ পাছত বৰনগৰৰ গোপাল, কলিয়া, শুভংকৰ, অমৃতকৰ্ণ, [illegible] আদি কৰি তিনি কুৰি লোক আহি গুৰুজনাত শৰণ লয়। দামোদৰদেৱক ব্ৰাহ্মণক শৰণ লগাবলৈ আজ্ঞা দিয়া ঘটনা চৰিতত আছে। এই ব্যৱস্থা স্বয়ং শ্ৰীমন্তশংকৰেই কৰিছিল। কিন্তু ক'লে ভুল হ'ব, বাড়িলীক বাদ দি বৰপেটা অঞ্চলত দামোদৰ গুৰুৱে সত্ৰৰ পাতনি মেলিছিল। পণ্ডিত ভট্টদেৱক শংকৰ গুৰুজনাই দামোদৰ গুৰুৰ ওচৰলৈ পঠাইছিল। বিশেষ কাৰণ নাপাওঁ।

সুন্দৰীৰ থান এক অলৌকিক ঘটনা। গুৰুজনাৰ আজ্ঞানুসাৰে তেৱাৰ শিষ্যগণ সত্ৰৰপৰা অলপ দূৰৈত তেৰতেৰী নামে ঠাইত একত্ৰিত হৈ ৭ দিন নাম-কীৰ্ত্তন কৰি থাকিল। নামৰ শেষৰ ৰাতি এটা ডাঙৰ শব্দ হ'ল। পুৱা দেখিলে, য'ত কল খাই বাকলি পেলাইছিল তাত এটা প্ৰকাণ্ড পুখুৰী হৈছে। নাম ৰাখিলে কলয়া (কলীয়া) গঙ্গা, বটদ্ৰৱাৰ আকাশীগঙ্গা সদৃশ। গুৰুজনাই ইয়াৰ পানীৰে হাতমুখ ধুই তিনি চোল পানী মুখত লোৱা বুলি কথিত আছে। আন চৰিতত আছে, হৰিগৃহ কৰিবৰ কাৰণে ভিটি খন্দাবলৈ সেই ঠাইত মাটি খান্দোঁতে এটা বিগ্ৰহ ওলায় আৰু তাত পুখুৰীৰ সৃষ্টি হয়। বিষ্ণু বিগ্ৰহটি আজিও সত্ৰৰ পূজাৰীৰ ঘৰত আছে বুলি কয়। নাম ৰখা হৈছে কলীয়া ঠাকুৰ। জাগ্ৰত অৱস্থাত বিদ্যমান। যি ঘটনাই সঁচা হওক, উক্ত দিনৰপৰা আজিলৈকে মাঘৰ বৰবিহুৰ দিনা পুখুৰীৰ ঘাট সেৱা হয় আৰু হৰিগৃহত নামকীৰ্ত্তন, চৰিত তুলা উপলক্ষে অনেক ঠাইৰ লোক আহি তাত সভা পাতে। ধৰ্মসমাজ হয়। আজিও চৰিত তুলা হয়। বাল্যকালত সত্ৰৰ বৰবাহাত সৈ অমৃতময় চৰিত শুনা আজিও মনত আছে।

গুৰুজনে নিজে ভৱানীপুৰ, গোমুৰা, কালঝাৰ, মালচা, চমৰীয়া আদিলৈ গৈ ধৰ্ম প্ৰচাৰত আত্মানন্দক সহায় কৰিছিল। মন কৰিবলগীয়া, শংকৰগুৰু সদৃশ ১২ জন প্ৰধান শিষ্য (৬ জন ব্ৰাহ্মণ আৰু ৬ জন উচ্চবৰ্ণ হিন্দু) মাধৱ গুৰুৱে নানা ঠাইলৈ সত্ৰ পাতিবলৈ পঠাইছিল, নামধৰ্ম প্ৰচাৰৰ অৰ্থে। তেৱাই বংশীগোপালক

আউনীআটী আৰু পাছত পদ্ম আতাক কলাকটা (কমলাবাৰীলৈ) পঠাই তাত নামধৰ্মৰ পাতনি মেলিছিল।

সুন্দৰীত আৰু এখন থানৰ জন্ম হৈছিল। কালিন্দী আই শেষ বয়সত ইয়াত থাকিবলৈ লয় ইয়াৰ মাহাত্ম্য উপলব্ধি কৰি। উক্ত থান ৰামচৰণ ঠাকুৰৰ বাসস্থানৰ ওচৰতেই অৱস্থিত। সককালত জীৰ্ণাৱস্থাত থানখন দেখিছিলো। এতিয়া উক্ত ভিঠিত নতুনকৈ গৃহ, তথা হৰিগৃহ নিৰ্মাণ কৰাই আইজনীৰ লগতে শংকৰগুৰুৰ প্ৰতি শ্ৰদ্ধাঞ্জলি যচা হৈছে।

ঠন ধৰি উঠা সত্ৰানুষ্ঠানৰ উদ্দেশ্যে আহোম ৰজা শিৱসিংহই ফলি কৰি ১৬৬০ শকত কানুৰাম মেধিৰ দিনত ২খন বিলসহ ২০ পুৰা জমি নিষ্কৰ কৰি দিছিল। উক্ত কানুৰাম ৰামচৰণ ঠাকুৰৰ বংশোদ্ভৱ। মোমায়েক মাধৱগুৰুই পতা সত্ৰাধিকাৰ ৰামচৰণৰ বংশই আজিও সেই আসনখন অলংকৃত কৰি আছে। বৰপেটাৰ সত্ৰ সদৃশ ইয়াত নিৰ্বাচন পদ্ধতি নাই।‡

সুন্দৰীতে গুৰুজনাই নামঘোষাৰ পদ ৰচনা কৰে। ভালেমান বৰগীত, ভক্তিৰত্নাৱলীৰ বাহিৰেও তেৰাই নাটসমূহ, যথা চোৰধৰা, পিম্পৰা গুচোৱা, ভোজনব্যৱহাৰ ৰচনা কৰে। আদিকাণ্ড ৰামায়ণৰ পদ ইয়াতেই কৰে। ৰামচৰণ ঠাকুৰে ভক্তিৰত্নাকৰৰ অসমীয়া পদ ৰচনা কৰাই নহয়, মোমায়েকক শাস্ত্ৰসমূহ প্ৰণয়নত সহায়ো কৰিছিল। তেৰাৰ নিৰ্দেশত ঠাকুৰজনাই কীৰ্তনৰ অধ্যায়সমূহ গোটাইছিল বুলি চৰিতত উল্লেখ আছে। গোবৰ্দ্ধন নাটৰ ভাওনা ইয়াতেই তেৰাই কৰাইছিল। সুন্দৰীত সত্ৰৰ সকলো নিয়ম-কানুনৰ ব্যৱস্থা কৰি, ১৪ বছৰ ছমাহ অৱস্থান কৰি বৰপেটা সত্ৰ নিৰ্মাতা, তথা প্ৰথম অধিকাৰ মথুৰাদাস বুঢ়া আতাৰ লগ লাগে। ভক্তদ্ৰোহত পৰি গুৰুজনাই সুন্দৰী এৰা বুলি কোৱা হয়। ভক্তদ্ৰোহী কোন আছিল চৰিতত আছে। দ্ৰোহীৰ ভিতৰত মাধ মৰলৰ ভায়েক গোপালো আছিল। (বেজবৰুৱা: শংকৰদেৱ আৰু মাধৱদেৱ, পৃঃ ১৯৬।) তাত ৰঙিয়ালঘৰ সজাই, ভাওনাৰ ব্যৱস্থা কৰাই সত্ৰখন সুন্দৰী সদৃশ পূৰ্ণাংগ অৱস্থাত পৰিণত কৰায়। গুৰুজনাৰ কৰ্মৰাজিৰ স্মৃতিচিহ্ন

---

‡ বংশাৱলী অনুযায়ী ৰামচৰণৰ তিনিপুত্ৰ, দৈত্যাৰি, ত্ৰিপুৰাৰি আৰু নৰহৰি। ত্ৰিপুৰাৰিৰ পুত্ৰ সাৰংগপাণি। সাৰংগপাণিৰ দ্বিতীয় পুত্ৰ মণিৰাম। এওঁৰ চতুৰ্থ পুত্ৰ কানুৰাম। মণিৰামক সত্ৰৰ প্ৰথম অধিকাৰ কৰি কানুৰামক দ্বিতীয় অধিকাৰ বোলা হৈছে। আমাৰ মতে মাধৱদেৱে ৰামচৰণৰ ওপৰত সত্ৰৰ গুৰুভাৰ দিহে বৰপেটালৈ গৈছিল। তেওঁৱেই প্ৰথম অধিকাৰ।

বৰপেটা সত্ৰৰ ঠায়ে ঠায়ে আজিও বৰ্তমান। বৰপেটাৰ আজিৰ ঠাইত অৱস্থিত দ্বিতীয় সত্ৰানুষ্ঠানৰ মহিমাসমূহ ভক্তপ্ৰাণ বাইজৰ অৱগত। দুজনা গুৰুৰ কৃপাত আৰু বুঢ়াআতাৰ আপ্ৰাণ চেষ্টাত এবাৰ পুৰি যোৱা সত্ৰখন ঠন ধৰি উঠি সকলোকে চমক লগায়। খুব সম্ভৱ মাধৱ গুৰুৰ আশীৰ্বাদত মথুৰাদাসে নতুনকৈ নিৰ্মাণ কৰা কীৰ্তনঘৰত গুৰু আসন প্ৰতিষ্ঠা কৰে সুন্দৰী থানৰ আৰ্হিত। বাউসীত কোনে কেতিয়া এই আসন প্ৰতিষ্ঠা কৰে জনা নাযায়। গুৰুজনাৰ আজ্ঞাতেই গুৰু-কৰৰ জন্ম।

বটদ্ৰৱাক যদি পুৰী বোলা যায়, তেন্তে বাউসী কাশী, সুন্দৰী বৃন্দাৱন, বৰপেটা মথুৰাপুৰী, উজনীৰ বাপু দম্ম আতাৰ কমলাবাৰী গোকুল আৰু তিনি আচাৰ্য্য শংকৰ, মাধৱ, দামোদৰৰ সিপুৰীৰ মিলনস্থলী বেহাৰ মধুপুৰ প্ৰভাস সহিত দ্বাৰকাপুৰী। ৰমানন্দ, ৰামচৰণ শ্ৰীকৃষ্ণ প্ৰয়াণৰ শোকবাৰ্তাবাহী উদ্ধৱ। এই বাণী উপলদ্ধ। গুৰুৰ আশীৰত কৈছো।

শেষত ক'ব বিচাৰিছো, সুন্দৰীৰ পৰাই সেৱাৰ বস্তু গুৰু আসনখন, নাম-প্ৰসংগৰ, ভকত বহাৰ নিয়ম, শাস্ত্ৰখনৰ সৈতে অখণ্ড প্ৰদীপৰ মাহাত্ম্য, সত্ৰৰ বাৰসমূহ, বুঢ়াভকত, বাৰ বুঢ়া, শৰণ-ভোজন, চৰিততুলা প্ৰথাদিৰ আৰ্হি অন্যান্য সত্ৰানুষ্ঠানলৈ গতি কৰে। এতিয়া কেনেকৈ চলি আছে বোলা নাযায়। আমাৰ বৈষ্ণৱ ধৰ্ম একশৰণ নাম-ধৰ্ম। দুজনা গুৰুৱে কৈছে, কলিকালত একমাত্ৰ নামেই সৰ্বস্ব। নামত সকলোকে পোৱা যায়। এই ধৰ্মক ভাগৱতী বা মহাপুৰুষীয়া বুলি আখ্যা দিয়া সিমান সমীচীন নহয়। এই ধৰ্ম বেদ, বেদাংগ, গীতোপনিষদ, বেদান্ত, ভাগৱতাদি পুৰাণ আৰু বৌদ্ধ ধৰ্মৰ (হীনযানৰ) ওপৰত প্ৰতিষ্ঠিত, নাইবা সৰ্বশাস্ত্ৰৰ সাৰ। কেৱল এখন শাস্ত্ৰৰ উল্লেখ তেখাসৱৰ লেখাত আৰু চৰিতকাৰৰ বৃত্তান্তত নাই। সত্ৰানুষ্ঠানত পিতৃকৃত্য, তথা গুৰুসকলৰ তিথি নামেৰেই শুদ্ধ কৰা হয়। নিজ বাসভৱনত পিতৃ-কৃত্যৰ উল্লেখ চৰিতত আছে। সিও নামঘোষা পাঠ কৰি, নামেৰেই শুদ্ধ কৰা হয়। এইবোৰৰ অৰ্থ যেয়ে যেনেকৈ কৰক, আপত্তি নাথাকে। শংকৰ সংঘৰ আৰু সত্ৰ মহাসভাৰ নিয়মাৱলী অৱগত। চাৰি বৈষ্ণৱ সংহতিক সামৰি লৈছে নে নাই ক'ব নোৱাৰো। নিকা কৰি লোৱাটো অপৰিহাৰ্য্য হৈ পৰিছে আজিৰ বেমেজালিৰ মাজত। মনত ৰাখিব লাগিব, সত্ৰই অসমীয়া জাতিক জীয়াই ৰাখিছে। অইনবোৰ হেৰুৱালো। সত্ৰানুষ্ঠানৰ মাধ্যমেৰে দুজনা গুৰুৱে নাম-ধৰ্ম প্ৰচাৰি, সুবৃহৎ অসমীয়া জাতি গঢ়ি (জাতি-জনজাতি, বৰ্ণ-সম্প্ৰদায়ক এক কৰি) অমূল্য শাস্ত্ৰ প্ৰণয়ন কৰি

(শঙ্কৰে-মাধৱে যুগতকৈ) সাহিত্যৰ মাজেৰে উপচাই সমাজ-ভাওনা, অসমৰ কৰ্ম-ধি, সত্ৰ নামঘৰ প্ৰতিষ্ঠা কৰি আমাৰ জাতীয় জীৱনটো স্থায়ী, অসমবাসীৰ অন্তৰত জাগৰূক কৰিছে। তেওঁলোকৰ জীৱনাদৰ্শ, কৰ্মবাণী ভাৰতীয় চাক-শাস্ত্ৰ-সম্মত। জীৱ-মুক্তিৰ বাহক তেওঁলোক। আশীৰ্বাদ লোৱা হওঁক এনেদৰে: নাম স্মৰণি চাৰি নাম, ৰাম, কৃষ্ণ, নাৰায়ণ, হৰি উচ্চাৰণ কৰি মুক্তিকামী কৈছিল, আৰুও কয়: কেনে শোভা বায়, বাপুসকল: ভাল। চিৰ জীৱন্ত অমৰধীৰ বৃন্দাৱন থান। মুক্তিমতিয়ে ভণিছে। চৰিত্ৰসমূহত ক্ৰমৰ ব্যতিক্ৰম হ'ব পাৰে। তুলনা গুৰুৰ তিনিখাতাৰ "ভকত বৰুৱাই" মবিয়ণ কৰে যেন।*

* অসম বাণীৰ ৭।১।১৯৫৮ সংখ্যাত প্ৰকাশিত।

বুৰঞ্জীৰ উপলব্ধি

বুৰঞ্জীৰ উপলব্ধি কেৱল ঘটনাৰ বিৱৰণ লিখিলে, পঢ়িলেই নহয়। এইবোৰৰ তাৎপৰ্য্য ফঁহিয়াই দেখুৱাই দেশখনক, সমাজখনক সুপথে চলাত সহায়তা কৰাটোৱেই বুৰঞ্জী লিখা, বুৰঞ্জী পঢ়াৰ মুখ্য উদ্দেশ্য। কিন্তু, অইন নালাগে, আগতে কৈ অহা কাৰণেই ক'ব লাগিব বুৰঞ্জীৰ বাণী আমি শুনিব, শুনাব জনা নাই। বুৰঞ্জী লিখাৰ মুখ্য উদ্দেশ্য অভাৱ দূৰ কৰা, জাতীয় সম্পদৰ উদ্ধাৰ, সংৰক্ষণ আৰু প্ৰচাৰ কৰা, টকা ঘটাৰ উপায় নহয়। ডিগ্ৰী পালেও বুৰঞ্জী লাগনাকৈ থকা একো আচৰিত নহয়। দিনকে দিনে তথ্য-পাতি নোহোৱা হৈ যাব ধৰিছে, আৰু লিখকৰ অভাৱত ঐতিহাসিক যুগৰ ঘটনাসমূহো প্ৰাগ্-ঐতিহাসিক যুগৰ বিষয়-বস্তুত পৰিণত হোৱা আমি দেখা পাইছো। এনে এদিন আহিব পাৰে যিদিনা পণ্ডিতসকলে ক'ব, সিন্ধু উপত্যকাৰ ঘটনাসমূহ প্ৰাগ্-ঐতিহাসিক নহয়; আৰু আনকালে তেওঁলোকেই ক'ব (বহুতে এতিয়াই কয়) কামৰূপৰ বৰ্মন ৰাজত্বৰ আগৰ ৰাজনৈতিক বুৰঞ্জী প্ৰাগ্-ঐতিহাসিক যুগৰ কল্পনা মাত্ৰ। ইয়াৰ কাৰণ কি হ'ব পাৰে আপোনালোকেই চিন্তা কৰি চাওক। জাতি এটাৰ সভ্যতাৰ বুৰঞ্জী, যিয়ে বৰ্ত্তমানক যুক্তিবলে সহায়তা কৰে আৰু য'ত ভৱিষ্যতৰো পথ-প্ৰদৰ্শক তথ্য-পাতি নিহিত থাকে, সেই বুৰঞ্জীৰ পৃষ্ঠপোষকতা কৰা, চৰ্চ্চা কৰা কেৱল ছাত্ৰৰে কৰ্ত্তব্য হৈ থকা নাই; ই কল্যাণকামী ৰাষ্ট্ৰ আৰু উত্তৰাধিকাৰী সূত্ৰে গোটেই জাতিটোৰে লক্ষ্য হোৱা কাম্য। কিন্তু, কুৰি শতিকাতো ইয়াৰ আলোচনা হোৱা নাই; ইয়াৰ উপলব্ধি হোৱা নাই। অৱশ্যে আগতেও হোৱা নাছিল। নহ'লেনো মীৰজুমলাক আহোম ৰজাৰ বৈদাম গ্ৰাম অপৰ্য্যাপ্ত ধন-সোণ লুটি নিবলৈ আমিয়ে বাট দেখুৱাই দিয়া ঘটনাৰ পৰাও আমাৰ শিকনি নহ'লহেঁতেন নে? নহ'লেনো এই দেশৰ পুৰণি সভ্যতাৰ নিদৰ্শন স্থাপত্য বিদ্যাৰ ভাস্কৰ্য্যাদি ভাগি ছিগি নাইকিয়া হৈ যোৱাটো আমাৰ চোঁপনি নালাগিলহেঁতেননে? নহ'লেনো বঙালক (বিদেশী অৰ্থত এই শব্দৰ প্ৰয়োগ পুৰণিত পোৱা যায়) মাতি আনি ৰাজ মজিয়াতে বহুৱাই অসমীয়াই ভুকলা হ'লহেঁতেন নে? জাতীয় ঐক্য, জাতীয় সংহতি কৈ চিঞৰ-বাখৰ লগাব লাগিল-

হৈছেনে ? যি ভাষা শ শ বছৰ ধৰি বিশাল অসমীয়া জাতিৰ একমাত্ৰ ভাষা বুলি পৰিগণিত হৈছিল, যি সাহিত্য নানা জাতিৰ শাসনকৰ্ত্তাৰ পৃষ্ঠপোষকতাত, যি ভাষা-সাহিত্যই থল-পৰ্ব্বতৰ জনসাধাৰণক একগোটকৈ ৰখাত ইন্ধন যোগাইছিল, সেই ভাষা, সেই সাহিত্যৰ স্থান নিৰ্ণয় হ'বলগীয়া হ'ল আজি আন্দোলন কৰি বা ৰাজনৈতিক ছল-চক্ৰান্তৰ যোগেদি। যি নগাৰাজ্যৰ জন-জাতি বুকুৰ কুটুম হৈ অসমীয়াৰ মনে প্ৰাণে এক হৈ থাকিল যুগ যুগ ধৰি, সেই জনজাতিক আমাৰ পৰা বিচ্ছেদ ঘটালে, অসমৰ বুকুৰ পৰা এটুকুৰা কাটি নি। অসমৰ খনিজ সম্পদ লোকৰ গৰাহত জাহ যাবলগীয়া হ'ল ; ৰাজনীতিৰ শেল ঠেকত পৰি দুজন ভাইৰ এজন চহকী হ'ল, এজনে হা-হুতাহৰ আৰাও কৰোঁতে গ'ল। আন্দোলন কৰি ল'বলগীয়া হ'ল তেল শোধনাগাৰ, ব্ৰহ্মপুত্ৰ দলং, ৰেল ৰাজধানী। ভাৰতৰ অইন অইন ৰাজ্যই পোৱা সা সুবিধাৰ ১/৮ অংশও আমি নাপাওঁ। বিধাতাই দিলেও নৰ-মনিষে নিদিয়ে। তথা কথিত সমস্যাবহুল ৰাজ্যৰ নিত্য নতুন সমস্যা সৃষ্টি কৰিছে কোনে সেই কথা আমাৰ সকলোৰে অৱগত। সকলোফালৰ পৰা হেঁচা পাই অসমীয়া আজি ম্ৰিয়মাণ। আমাৰ মাত হেৰাই গৈছে ; প্ৰাপ্যখিনিও আমি নাপাওঁ। বুৰঞ্জীৰ বাণী শুনাইও মহাপুৰুষ সকলৰ ধৰ্ম্ম-কৰ্ম্মক্ষেত্ৰ, বেহাৰ, কাকত-কুটা ৰাখিব নোৱাৰিলোঁ ; ডিমাপুৰ হেৰুৱাবলগীয়া হ'ল। বুৰঞ্জীৰ বাণী শুনাইও আমাৰ জন্মস্বত্বৰ দোহাইত হ'লেও আমাৰ ঘৰ, আমাৰ মাটিবাৰী আমাৰ কৰি ৰাখিব পৰা নাই, বুৰঞ্জীৰ বাণী শুশুনি স্বাধীন অসমৰ স্বকীয়া নৃপাব্দ (ভাস্কৰাব্দ) আমিয়ে প্ৰচলিত নকৰি লোকৰ বুলি মানি লওঁ। আজি-কোপতি অসমীয়াৰ মাজত এজনো নোলাল যাৰ পৱিত্ৰ সোঁৱৰণত আমাৰ জাতীয় চৰকাৰে ডাক-টিকট ছুলিয়াই নোৱাৰিলে। অসমীয়া জাতি সজাগ নহ'লে অসমৰ বুকুত আৰু শেলে বিন্ধিব। বুৰঞ্জীৰ ঘটনাৰ পুনৰাবৰ্ত্তাৰণা (repeat) নহওক এইয়ে আমাৰ একান্ত কামনা। সেয়েহে অসম বুৰঞ্জীৰ শিকনিয়ে আমাক, আমাৰ জাতীয় চৰকাৰক সুমতি দি সুপথে চলাত সহায়তা কৰক, মনে প্ৰাণে ভাগি পৰা জাতিটোক উদ্বুদ্ধ কৰক, এইয়ে আমাৰ একান্ত অভিলাষ। আমাৰ ওপৰত চুবুৰীয়া ৰাষ্ট্ৰ-ৰাজ্যসমূহৰ লোলুপ দৃষ্টি সম্বন্ধে সম্প্ৰতিকৈ মৌনতা অৱলম্বন কৰাটোৱেই সমীচীন হ'ব। নেফা-দৰ্শন—নেফাৰো আৰু কিবা দৰ্শন আছে—সম্বন্ধেও একো নকওঁ। কিন্তু ক'লে ভুল কৰা নহ'ব, পাকিস্তানৰ নিচিনা নেফাৰ জন্ম বিচাৰি উঠিয়াৰ লাগিব আমাৰে ভুল দৃষ্টি-ভঙ্গীৰ মাজত। অসমক আৰু অসমীয়াক বাদ দি নেফাৰ অস্তিত্ব আজি কত?

নেকাৰ শাসন পদ্ধতিৰ তথা প্ৰচাৰিত দুৰ্বলতাই চীনৰ আক্ৰমণক সুযোগ দিয়া নাছিলনে? খুলমূলকৈ কৈ থওঁ—এয়া বুৰঞ্জীও কয়—অসমীয়া মৰিলে অসমো মৰিব, আৰু পূৰ্বপ্ৰান্তৰ প্ৰহৰী পঙ্গু, নিশকতীয়া হ'লে দেশখনৰো কল্যাণ নহ'ব।

বুৰঞ্জীয়ে কয়, অসমীয়া নীচমনা নহয়। আলহীক অভ্যৰ্থনা কৰা আমাৰ চৰম জাতীয় চৰিত্ৰ। আন্তৰ্জাতীয়তাত, মানৱীয়তাত আমাৰ বিশ্বাস আছিল, এতিয়াও আছে, মানুহে মানুহৰ প্ৰতি কৰা অন্যায় আচৰণত নহয়, ভিন্ন-পৰত নহয়। জয় জগত, জয় ভাৰত বাণী আমাক নতুনকৈ শিকাব নালাগে। জাতি-বিজাতি, ধৰ্ম-অধৰ্মৰ বৈপ্লৱিক ঘটনাৰ সূচনা ইয়াত হোৱা নাছিল। তালক আদৰ কৰা গুণ, সকলোৰে লগত সাংস্কৃতিক আদান-প্ৰদান কৰা সুৰীতি আমাৰ ৰজা-প্ৰজা সমন্বিতে আছিল, ইয়াৰ নিদৰ্শন বুৰঞ্জীৰ পাতে পাতে। ভাটীৰ কুৰুবাযক আদৰি আনি আমিয়ে বহুৱাইছিলো কামাখ্যা পীঠত। দেশ-বিদেশৰ ব্ৰাহ্মণ-সজ্জন, গায়ক-খনিকৰ আৰু নানা পণ্ডিতক মাতি আনি মাটি-বাৰী দি, শাস্ত্ৰ লিখাই, মঠ-মন্দিৰ কৰাই একালে যেনেকৈ আমাৰে উপকাৰ সধা হৈছিল, আনকালে অইন দেশৰ ভাষা-সংস্কৃতিৰ প্ৰতি উদাৰতা দেখুৱাই পৃষ্ঠপোষকতা কৰা হৈছিল। অইন দেশলৈকেও কটকী পঠাই, যোগসূত্ৰ স্থাপন কৰাই একালে যেনেকৈ ৰাজনৈতিক, সাংস্কৃতিক সংযোগ পাতিছিল, আনফালে দেশৰ কৃষ্টিৰ প্ৰচাৰ কৰাই অইনক আকৃষ্ট কৰাইছিল, দেশ-বিদেশৰ সমন্বয় ঘটাইছিল! দিহিঙ্গীয়া ৰজাই পঠালে চনথাম্ ঘৰসন্ধিকৈক পালি-প্ৰহৰীয়া সৈতে ভাৰভেটী দি ঢাকাৰ নবাবৰ লগত মিত্ৰতা পাতিবলৈ আৰু তেৰেঁই যোগসূত্ৰ স্থাপন কৰালে উৰিষ্যাৰ বিক্ৰমসেনৰ লগত, আৰু স্বৰ্গদেৱে পঠোৱা ২০০ সোণৰ মোহৰ ভাঙি জগন্নাথৰ মন্দিৰৰ গাতে লগাকৈ পুখুৰী খনাই ইটাৰ থট্খটী কৰালে—সেই উৰিষ্যাৰে ৰজাৰ সহায়ত। অৰ্জ্জুন-মাধৱ দৈৱজ্ঞই ত্ৰিপুৰাৰ লগত ৰাজনৈতিক আৰু সাংস্কৃতিক সম্বন্ধ পাতিলে স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ আদেশ পালি, বুৰঞ্জীও লিখিলে সেই দেশৰে। আৰু কত আছিল, কত গ'ল। এই ঘটনাপ্ৰবাহে দিয়া-থোৱাৰ তাৎপৰ্য্যকে বিভিয়াই নকয় নে?

তথাকথিত মৃত ঘটনাৰ বুৰঞ্জীৰ বাহিৰেও অলিখিত জীৱন্ত বুৰঞ্জী এঠাইত পৰি আছে। আচল প্ৰেৰণা আহিব এই ঠাইৰে পৰা। পুৰণি সভ্যতাৰ মোল বুজা, সংৰক্ষণ কৰি অহা জন্মগত স্বভাৱ এতিয়াও আমাৰ অসংখ্য গাওঁ সমাজত বৰ্তমান। নাইবা, অসম বুৰঞ্জী স্বাধীন মনৰ সবলচিত্তৰ নিৰ্ভীক সমূহীয়া জীৱনৰ উন্নত গ্ৰাম্য সমাজ গঠনৰে চানেকি নহয়নে? আৰু এই

দেশৰ চাৰি সীমাৰ মাজতে—চাৰ জানিলে দুৰৈলৈকেও—গাৰো হুচেং, নগৰে-চহৰে নহয়; পৰ্বতে-কন্দৰে, আৰাম-উদ্যানত নহয়; এইবোৰতে সিঁচৰতি হৈ পৰি থকা পুৰণিকলীয়া শিল্পকলা খচিত স্থাপত্য বিদ্যাৰ নিদৰ্শনসমূহতে, মঠ-মন্দিৰত, কুৰি শতিকাৰ নিৰ্মিত তিনি-তলীয়া অট্টালিকাত নহয়; কুটীৰ শিল্পৰ আই-খোপা গাৱঁলীয়া জীৱন-নিৰ্বাহৰ মুখ্য উপায় তাঁতশালত, জেজপেৰাত, কোটিপতিৰ যন্ত্ৰ চালিত ক'লত নহয়; সাতামপুৰুষীয়া মণিকূটত সাঁচি ৰখা বাপতি-সাহোন সাঁচিপাতৰ লিখনিসমূহত, কৃত্ৰিম উপায়েৰে আধুনিকতাৰ সাজসজ্জাৰে ভূষিত পাঠাগাৰত নহয়; চুকে-কোণে পৰি থকা সভ্যতাৰ ধৰণী স্বৰূপ সুপুৰী ঘৰত আজীৱন কটোৱা মানৱীয় আদৰ্শত অনুপ্ৰাণিত, আমাৰ দ্বাৰাই অৱহেলিত, নিচলা, মিছাকৈ সঁচা বুলি ক'ব নজনা হাজাৰ-বিজাৰ গঞা ৰাইজৰ মাজত। আৰু চাওক, কছাৰি ভাই-ভনীৰ অতি আলসুৱা এড়ি-পলুৰ খনাফিহে, মিৰি জন-জাতিৰ চেনেহী বিহুমাত-গীতে, নগা-মিত্ৰিৰ বাহুকৰ্দনীয়া ৰং-বিৰঙৰ সাজ-সজ্জাই, কোঁচ-কছাৰিৰ চোতালতে থকা শিজু গছডালিয়ে, মণিপুৰীৰ যুগ-বিখ্যাত নাচ-বাগে; হোজা অসমীয়াৰ হাৱভাৱে বুঠিয়ে আমাক বহু যুগৰ বাৰ্ত্তা কৈ এক বাৰবৰণী উন্নত বিশাল অসমীয়া সমাজৰ আভাস নিদিয়ে নে? ইয়েই নৃতত্ত্বৰো সমূহীয়া এক প্ৰকাণ্ড বুৰঞ্জী (typical studies in history), অসমীয়া জাতীয় জীৱনৰ প্ৰধান সমল, ঘটনাবহুল বিষয়-বস্তু। তেওঁলোকৰ মাজত তথাকথিত অশিক্ষিতে শিক্ষকক আজিও উপদেশ দিয়ে; শাস্ত্ৰ নপঢ়িও শাস্ত্ৰালাপ কৰে; তথাপি সমাজ নেদেখিও তেওঁলোকলৈকেই পাতি দিয়া আদৰ্শ সমাজখনকে থামোচ মাৰি ধৰি আছে; পাহাৰৰ শুৰি খৰোঁজা তেওঁলোকেই আজিৰে নহয়, যুগ যুগ ধৰি। জাতি-বিজাতি, ধৰ্ম-পৰ্ব্বৰ সগঢ় প্ৰীতি স্থাপি, আৰব, দৈনন্দিন জীৱন নিৰ্ব্বাহৰ, সাংস্কৃতিক আদান-প্ৰদানৰ অবিচলিত সম্বন্ধ পাতিছিল, পাতি আছে তেওঁলোকেই। আৰু তেওঁলোকৰে মনৰ মাজত সোমাই চাব জানিব লাগিব দূৰ দূৰণিলৈ, পুৰণি সভ্যতাৰ বিষয়-বস্তুলৈ। এই জাতি-বিজাতিৰ ভাষা-সাহিত্যৰ ভাৱধাৰা, চাল-চলন, গীত-মাতে, শিল্প-কলাদিৰ ইতি-বৃত্তৰ, তেওঁলোকৰে জীৱনাদৰ্শৰ আদৰ্শ লৈ নতুন বুৰঞ্জী ৰচনা কৰিব লাগিব, যিয়ে পুৰণিক যুজাত, পুৰণিক নতুন দৃষ্টিত চোৱাত, নতুনক আৰু নতুনকৈ গঢ়াত সহায়তা কৰিব। বিপথগামী ৰাজনীতিবাদৰ প্ৰবল ভেটা হ'ব এই নতুন ৰচনাই। ইয়াত থাকিব ভবিষ্যতৰ আশাৰ ইঙ্গিত; ইয়েই দিব পাৰিব লাগিব তোৱাননীয়া বিদ্ৰোহৰ, মানৱ আক্ৰমণৰ, চীন অভিযানৰ, পাকিস্তানী চক্ৰান্তৰ

নিচিনা ঘটনাৰ আগজাননী। এই ৰচনাই কেৱল বুৰঞ্জীয়ে নহ'ব, ইয়াত-প্ৰতিফলিত হ'ব লাগিব জীৱন-দৰ্শনৰ, পোৱা-নোপোৱাৰ, হোৱা-নোহোৱাৰ, ঘাত-প্ৰতিঘাতৰ নিখুঁত ছবি এখন। ইয়েই ক'ব বুৰঞ্জীৰো বাৰ্তা, প্ৰচাৰিব বুৰঞ্জীৰ বাণী।

আৰু প্ৰচাৰ হ'ব বুৰঞ্জীৰ বাণী তেতিয়াহে, যেতিয়া আমাৰ দিয়া-থোৱা, অসম আৰু অসমীয়াৰ ভাৰতীয় সভ্যতালৈ অৱদান স্বীকৃত হৈ ইয়াৰ মৰ্য্যাদাৰ উৎস বাঢ়িব ভাৰত বুৰঞ্জী প্ৰণেতাসকলৰ হাতত পৰি, আৰু তেতিয়াহে ইয়াক যথাযোগ্য স্থান দিয়া হ'ব, যেতিয়াহে ভাস্কৰ বৰ্মাৰ, হৰ্ষদেৱৰ, চুহুম্মুং দিহিঙ্গীয়া ৰজাৰ, নৰনাৰায়ণৰ, শিৱসিংহ-ৰুদ্ৰসিংহৰ, লাচিত-মণিৰামৰ স্থান নিৰ্ণয় হ'ব ভাৰত বুৰঞ্জীৰ ৰাজনৈতিক-সাংস্কৃতিক মানদণ্ডত। কন্দলীৰয়, ৰামসৰস্বতী, কবিৰাজ চক্ৰৱৰ্ত্তী, ভাগৱত ভট্টাদিৰ সাহিত্য প্ৰতিভা নিৰ্ণয় হ'ব ভাৰতীয় ভাষাসাহিত্যৰ বহল গণ্ডীত; বৈয়াকৰণিক পুৰুষোত্তম বিদ্যাবাগীশ, স্মৃতিকাৰক দামোদৰ মিশ্ৰ-পীতাম্বৰ সিদ্ধান্তবাগীশ, জ্যোতিষী বংশীবদন দ্বিজ, আয়ুৰ্ব্বেদ-বিশাৰদ ব্ৰজনাথ শৰ্ম্মাৰ স্থান নিৰ্ণয় হ'ব ভাৰতীয় প্ৰাচীন সাংস্কৃতিক দৃষ্টিত; শ্ৰীমন্ত শঙ্কৰ-মাধৱৰ ধৰ্ম্ম, সমাজ-দৰ্শন, অতুলনীয় সাহিত্য প্ৰতিভাদি চোৱা হ'ব শঙ্কৰাচাৰ্য্য, ৰামানুজ, বল্লভাচাৰ্য্যৰ সামাজিক আদৰ্শৰ অৱদানৰ তুলনাত; আৰু তেতিয়াহে হ'ব যেতিয়া আমাৰ ভাস্কৰ্য্য, ৰামায়ণ-মহাভাৰতৰ, ভাগৱতৰ, হৰবংশৰ ৰাজবংশাৱলীৰ, হস্তিবিদ্যাৰ্ণৱৰ, ধৰ্ম্ম পুৰাণৰ, শঙ্খচূড়-বধ কাব্যাদিৰ সুনিপুণ হাতৰ তুলিকাৰ ৰং-বেৰঙৰ চিত্ৰ-বিচিত্ৰ চিত্ৰাঙ্কনসমূহ আৰু পুৰণি নাচ-গীতাদি ভাৰতীয় সুকুমাৰ কলাৰ বুৰঞ্জীত যথা-বিহিত স্থান পাব।*

* নাজিৰাত অনুষ্ঠিত (১৯৬০) অসম সাহিত্য সভাৰ বুৰঞ্জী শাখাৰ সভাপতিৰ ভাষণৰ একাংশ।

অমৃত মন্থন (ইংৰাজী ভাগ)
CHURNING OF NECTAR

PART II

Oṁ Maṇi-Padme (Padmasambhave) huṁ
[A Tibbetan mystic mantra from Mādhava temple of Hājo]

PRATAP CHANDRA CHOUDHURY

ASPECTS OF ANTIQUARIAN RESEARCH IN ASSAM*

The noted anthropologist-cum-administrator of Assam Mr. J. P. Mills once stated that "Assam is a virgin [illegible] of research".[1] This remark holds good even to-day [illegible] spade-work on certain topics has been made at the university level in the main, and truth in respect of certain vital historical and cultural problems is yet to be found out. Take for instance the case of the pre-historic Negrito race cave men, who at one time are said to have settled in Mikir and North Cachar Hills, K & J Hills and Garo Hills,[2] whose certain elements of material culture are believed to have survived till this day. As Mills points out : the Pre-historic "inhabitants of the mountains of Assam were almost certainly Negritos, little dark men with curly hair...... Traditions speak vaguely of them. It was probably they who made the little stone celts, which are frequently found in the Hills".[3] Definite traces of the Negrito strain with some important elements of material culture have as well been detected among a few Assam tribes.[4]

But then, except a few neolithic stone tools, found almost all over Assam and a few such implements from the Garo Hills and Haflong region, supposed to be of the old stone age, human remains, as those found in Southern India, are yet to be discovered that might have helped the researchers to arrive at a definite conclusion regarding the settlement of such pre-historic people in the areas concerned. The origin of the Kirātas, the Boḍos and the Kāyastha-Kalitās in particular is yet to be conclusively proved. Anthropometry, applied to the modern representatives of the said people, and even ethnography and philology have not adequately helped us to determine the

* Reprint from *I.C.H.R. Souvenir*, 1985, D.H.A.S., Guwahati.

original racial types to which they belonged, as a great deal of admixture had taken place between peoples of diverse origin through the ages. Even so, we find ample scope for research work on these lines, and a historian, an anthropologist and a philologist should take the help of the spade of an archaeologist to find out not only the authors' of the pre-historic culture of Assam together with its link with the people of the Indo-Gangetic plain, but also of the proto-historic and the historical ones for filling up the gaps or tracing out the missing links in between them. Unless this is done, we would continue to face the difficulties in comprehending the most vital aspect in the evolution of the political-cum-cultural life of the varied people of north-eastern India, and therefore this problem should receive due attention of those, engaged in what is called fundamental research projects.

The said link may be established evidently on a scientific study of the archaeological objects, consisting of coins, inscriptions, sculptures and monuments of the proto-historic and historical periods, so far discovered from the scattered regions of north-eastern India, including those found in Arunachal and at the foot of the Himalayas to the north and those of the Sadiya region and the Malinithan. Planned excavation, which is yet to take place in this part of India, is surely to bring to light materials of prime importance, opening up vast vista. for research studies. Then again, persons from this region are yet to undergo training in the different disciplines of Archaeology including epigraphy and iconography and to be engaged seriously in investigation leading to fundamental research in the said branches of human knowledge. Imperative it is to avoid atleast making wrong statements or holding unfounded views, as was the case with the Ambari (Guwahati) finds, centering round which many theories were invented ; but the *akṣaras* on certain icons along with the Ambari stone inscription, dated *śaka* 1154, helped us to ascribe majority of the said finds to the 11th-12th Century A.D.[5]

Corroborative evidence, for which searches are required to be made, helps us to arrive at a definite conclusion in respect of an inference made earlier on a particular event or object. My discovery and decipherment of the expression *āditya-bhaṭṭāraka*, inscribed on a piece of stone, evidently from the basement of a temple, now preserved at the Cole Park, Tezpur, has confirmed the remarks made earlier to the effect that among the remains, collected at the place there are some which belong to a gigantic stone temple.[6] Connected with this is palaeography, which, on the absence of dated coins, inscriptions or literary evidence, comes to our help in fixing the date in which a particular historical source material may be placed. The controversy that has arisen on the dating of the Nagajari-Khanikargāon stone inscription is due to our imperfect knowledge of the evolution of the *Brāhmī* and old Assamese *akṣaras* and to our incompetency in deciphering and correctly interpreting the contents there in. It is to be ascribed to the last quarter of the sixth century A.D. on palaeographic grounds,[7] or later than the Bargangā inscription of Bhūtivarman, not to speak of the Umāchal Rock inscription. Assam's palaeography should be studied on a comparative treatment, and similarities and differences that may be noticed in between Assam's records and those from other parts of India of the same period are required to be carefully gone through. Wonderful similarities have been seen between the *Brāhmī akṣaras* on some icons of the Sarnath Museum and coins of the Hūṇa chieftains Mihirakula-Toramāna, now preserved in the Museum of the Kurukshetra University with those from Assam of the same period. This is quite natural, *Brāhmī* being the common script throughout Northern India for centuries. So a comparative study of the script used in archaeological objects and old manuscripts from different parts of India is expected to clear our doubts regarding the evolution of the Assamese palaeography and gradual development of our script and language on quite an independent line, a development, which is yet to be shown with the help of

adequate research materials, interpreted in an unbiased manner. It is absolutely true that Assamese language with its earliest specimens of prose of the 13th century,[8] and poetry of the 14th (Mādhavakandalī's Rāmāyaṇa) was for a long time the dominant speech or *lingua franca* of entire North-eastern India, including N. Bengal and portions of Bihar, and the pre-Vaiṣnava and Vaiṣnava writers from Assam had very little to borrow from Mithilā, Vṛndāvan or other place in producing their literary pieces. This should be established on the basis of more authentic research materials, and improbable theories held in respect of the Magadhan *apabhraṁśa* and *Brajabuli* vocabularies in Assamese set side once for all. Why have we failed to establish very close affinities of the expressions in the *Caryāpadas* with those used in the *Ankīā-nāṭas* and *Baragītas* in particular and hold that the former (*Caryāpadas*) are treatises, composed in but *Kāmarūpī* speech, the mother of modern Assamese? The specimens of prose of the Gachtal stone pillar ins., dated *śaka* 1284,[9] hold the direct link between the *Caryāpadas*, the *Kāmarūpī* speech and the vocabularies of the dramas and the devotional songs of Śaṁkaradeva and Mādhavadeva.

Good specimens of our old prose literature are to be found in the Ahom inscriptions, Chronicles and the diplomatic letters exchanged between the Ahom, Koch, Kachari, Jayantia rulers and the contemporary Mogal power, where sprinklings of Arabic-Persian and other words have also been noticed, and there is ample scope for investigation into the said documents to find out their historical import and cultural bearing. Inter-action that took place between the Indo-Aryan. Tibeto-Burman and Tāi words in the formation of the Assamese is another subject of absorbing interest that should be taken up in right earnest, and in this sphere the influnce of *Kāmarūpī Prākrit* be given its due consideration. I refrain from making here a pointed reference to a particular word which has been taken as a loan word from certain speech to Assamese or as a Tibeto-

Burman expression in the Assamese Lexicon, which in reality may be a *Kāmarūpī Prākrit* one.

Compilation of a volume or volumes dealing with the history of the evolution of some aspects of the basic sciences, viz. Smriti-Jyotiṣa and Āyurveda and of fine arts including painting and crafts is another major project awaiting proper treatment at the hands of the experts. Historiography is another subject of enquiry and scrutiny, and proper examination of the extant Assamese chronicles is expected to show how far this art was developed in Assam and in what essential details these are lacking. Assam's old records are lying scattered in India and abroad. A document that may be found in Vatican Rome, Paris or London, not to speak of those lying in the former Portugeese and French possessions in India, may throw new light on hither-to unknown facts, as hither-to published/unpublised Classical, Chinese or Mogal-Tibetan documents including accounts of foreign travellers are expected to reveal something of extraordinary interest. An old text from China has shown, for intance, that the Kāmarūpa ruler Bhāskaravarman adopted Buddhism,[10] and he was the patron of *Sahajayāna* as well. Thus the controversy in respect of the personal religion of the said king has ended.

We should have expert linguists and trained archivists to satisfactorily decipher and interpret the old documents of that nature. Then again, our researchers may not know that adequate research materials are available in the different series of the *J.A.S.B*, *Asiatic Researches*, in particular; several issues of the *J.A.S.B.*, Bombay; issues of the *Royal Society of G.B.* & Ireland including those of the *Royal Anthropological Journal* and *Geographical Journal*, London; *Research and Progress*, Viena; *La Ecole d'e Extreme Orient*, Paris, etc. Archival materials should also be searched for in Cachar, Manipur, Tripura, Nepal, Dacca and Rangoon, as in Rangpur, Jalpaiguri and Cooch Bihar, Jaipur and Becaner, Rajasthan not speak of the old documents from Calcutta, Serampur and the National

Archives, New Delhi. The Research students engaged in the study of the political-cum-cultural history of Assam including that of the most important *Rāij mel* (Agrarian revolts) taking place towards the last quarter of the 19th century at the scattered areas of Assam are expected to draw sufficient materials from the repositories of India and abroad, to be supplemented by field work involving tenacity and strenuous labour.

The aforesaid topics are some of the problems, of which the fringes have been touched by some individual writers. What is required, is the critical approach to and comparative treatment of the subjects concerned. Sculptural details of the archaeological objects from the Cole Park, Tezpur, the structural and decorative details of the temples on the bank of the Sibsagar tank, of that of Negheriting or of Maṇikarṇeśvara and Hājo, for instance, are required to be examined on the setting of Indian idealism and tradition ; in this our ideas may be allowed to travel to distant lands in South-east Asia, to find justification for our nature of treatment and correct conclusion. Assam's Vaisnavism, particulary in its philosophical aspect, needs such a comparative examination, which is over due.

